# অসম বিধান সভা অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
## তাৰিখ ঃ ১২/০৩/২০১৮ সোমবাৰ

---

**আজি ১২/০৩/২০১৮ ইংৰাজী তাৰিখে অসম বিধান সভাৰ বাজেট অধিৱেশন পূৰ্ব নিৰ্ধাৰিত সময় সূচীমতে পুৱা ৯.৩০ বজাৰ পৰা আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষ ঃ** Question No. 221. মাননীয় চাহাব উদ্দিন আহমেদ। মন্ত্ৰী ডাঙৰীয়া উত্তৰ দিয়ক।

**শ্ৰী পল্লৱ লোচন দাস, শ্ৰম আৰু নিয়োগ আদি মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী চাহাব উদ্দিন আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই যি প্ৰশ্ন আনিছিলো, ইয়াত মন্ত্ৰী মহোদয়ে যি উত্তৰ দিছিল, সেই উত্তৰত মই সম্পূৰ্ণৰূপে সন্তুষ্ট হ'ব পৰা নাই। কাৰণ যিখিনি কথা কৈছিলো ইয়াত তিনিটা অংশৰ উত্তৰ দিছে আৰু ডি চি ছাৰে সেই নিহত পৰিয়ালক ছয় লাখ টকাকৈ সাহাৰ্য্য দিম বুলি ঘোষণা কৰিছিল তাত যে চাৰি লাখ টকা অসম চৰকাৰে আৰু দুই লাখ টকা কেন্দ্ৰীয় চৰকাৰে দিব। সেই ক্ষেত্ৰত চাৰি লাখ টকাহে দিয়া দেখা যায়। এই ক্ষেত্ৰত কথাটোৰ তাৰতম্য বহুখিনি দেখা যায়। গতিকে ডি চিৰ ক্ষেত্ৰতো চৰকাৰৰ ফালৰ পৰা কোনো স্পষ্টীকৰণ দিয়া হোৱা নাই। চাৰি লাখ টকাহে লিখিছে। এইটো কি কাৰণে হৈছে, জানিব বিচাৰিছো।

**শ্ৰী পল্লৱ লোচন দাস, শ্ৰম আৰু নিয়োগ আদি মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি ডি চিৰ পৰা যিখিনি তথ্য দিছো, সেইখিনি তথ্য অনুসৰি আমি ইতিমধ্যে যিসকল নিহত লোক, সেইসকলৰ পৰিয়াল বৰ্গক এচ ডি আৰ এফ ৰ যি নিয়মাৱলী আছে, সেই নিয়মৰ আধাৰত তেওঁলোকক আমি চাৰি লাখ টকা ইতিমধ্যে তেওঁলোকৰ বেংক একাউণ্টত দিছো। ডি চি মহোদয়ে সুকীয়াকৈ তাত যদি কিবা কৈছে, সেই বিষয়ে বিভাগ অৱগত নহয়। সেইটো আমি পৰৱৰ্ত্তী পৰ্য্যায়ত চাম।

**শ্ৰী চাহাব উদ্দিন আহমেদ, সদস্য ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এই প্ৰশ্নৰ উত্তৰটোৰ লগত আৰু তিনিটা দফা আছিল। কিন্তু ইয়াৰ উত্তৰো নাহিল। ইয়াৰ কাৰণ একো গম নাপালো। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সেইখিনি জিলা পৰিষদতে ওঠৰ খন দোকান অগ্নিভূত হৈ গ'ল। সেইবোৰৰ বিষয়ে ডি চি ছাৰক গোটেইখিনি তথ্য দিয়া হ'ল। কিন্তু সেইখিনিৰ ক্ষতিপূৰণৰ কি ব্যৱস্থা কৰা হ'ল? সেইসকল দোকানীক কি আৰ্থিক সাহাৰ্য্য দিলে? সেইখিনি কথা ইয়াত উল্লেখ নাই। প্ৰশ্নসমূহ আনিছিলো কিন্তু কোনো উত্তৰ নাহিল আৰু এটা প্ৰশ্ন আছিল। যিটো পৰিয়াল নিহত হ'ল, তাত এটা পৰিয়ালৰ তিনিজন নিহত হ'ল। সেই পৰিয়ালৰ এজন চৰকাৰী চতুৰ্থ বৰ্গৰ কৰ্মচাৰী আছিল। গতিকে সেই চাকৰিৰ ক্ষেত্ৰত Compensatory Ground ত সেই পৰিয়ালটোক কিবা কৰিব পৰা যাব নেকি? সেইটো মই জানিব বিচাৰিছো।

**শ্ৰী পল্লৱ লোচন দাস, শ্ৰম আৰু নিয়োগ আদি মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইবিষয়টো যিহেতু আমাৰ বিভাগে নাচায় যে তেওঁলোকক Compensatory Ground ত চাকৰি দিয়া যাব নে নাই? সেইটো যি বিভাগত কৰিছে, সেইবিভাগৰ যিটো নিয়মাৱলী আছে, সেই অনুসৰি

আহিলে নিশ্চয় ইয়াৰ বিবেচনা কৰা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। আচলতে কিছুমান কথা এনেকুৱা হয়, দুই তিনিটা কথা সুধা হয়। মই সদায় কৈছো বেলেগ বেলেগকৈ প্ৰশ্ন দিবলৈ। তেতিয়া Unstarred হ'লেও আহি যাব। একেলগে দিলে এজন Officer ৰ পৰা উত্তৰবোৰ নাহিলে আপোনালোকৰ প্ৰশ্নবোৰ Transferred বা Deferred হৈ যায়, সেই কাৰণে মই অলপ তেনেকুৱা ধৰণে চাওঁ। আপুনি Next Questionটো Unstarred ত পাই যাব পাৰে। Next Question শ্ৰী মতী ৰ'জলীনা তিৰ্কী।

**শ্ৰী পল্লৱ লোচন দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী মতী ৰ'জলীনা তিৰ্কী, সদস্যা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো গাওঁবুঢ়া সকলক বাগিচা অঞ্চলত দিয়াৰ সম্পৰ্কে আছিল। আমি সকলোৱে জানো যে আমাৰ যি গাঁওবুঢ়া আছে, They are the backbone of the grass-root Administration আৰু আজি আমি যিহেতু দেখিছো যে গাওঁ অঞ্চলত যিধৰণে আমাৰ গাওঁবাসী সকলে গাওঁবুঢ়াৰ যি সুবিধা আছে, তেওঁলোকে পায়। কিন্তু আমাৰ বাগিচা অঞ্চলত যদি Cast Certificate উলিয়াবলগীয়া হয়, B.P.L.Certificate বা Income Certificate বা বিভিন্ন অসুবিধা হ'লে, সেই সুবিধাৰ পৰা বঞ্চিত হয়। অধ্যক্ষ মহোদয়, আপোনাৰ Initativeত আমাৰ যি first topic আছিল, টি গাৰ্ডেন আৰু এক্স-টি গাৰ্ডেনৰ Colonisation টো আঁতৰাবৰ কাৰণে এটা ব্যৱস্থা কৰা হৈছে। সেইকাৰণে মই ভাৱিছো আৰু আজি প্ৰশ্নটো আনিছো। ইয়াত উত্তৰ দিছে যে এইটো এই ক্ষেত্ৰত প্ৰযোজ্য নহয় বুলি। সেইকাৰণে মই আপোনাৰ যোগেদি মাননীয় অধ্যক্ষ মহোদয়, সুধিব বিচাৰিছো যে অনিতি পলমে আঁতৰাবৰ কাৰণে তেনেকুৱা ব্যৱস্থা কৰিব নেকি? কাৰণ আমাৰ গাওঁ অঞ্চলৰ যি সকল গাওঁবুঢ়া আছে তেওঁলোকে বাগিচা অঞ্চলতো চায়। কিছু বাগিচা ইমান ডাঙৰ আছে, তাত গাওঁবুঢ়া সকলে সকলো সময়মতে থাকিব নোৱাৰে। সেইকাৰণে মই তেনে অঞ্চলত অনতি পলমে গাওঁবুঢ়া নিযুক্তি দিয়াৰ বাৱস্থা কৰিব লাগে বুলি ভাৱো। তেতিয়াহে ডি চি decolonisation হ'ব বুলি ভাৱো। এইটো কিমান দিনৰ ভিতৰত আৰু কেতিয়া কৰিব মই জানিব বিচাৰিছো।

**শ্ৰী পল্লৱ লোচন দাস, শ্ৰম আৰু নিয়োগ আদি মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যা ৰ'জলীনা তিৰ্কী ডাঙৰীয়ানীয়ে যি প্ৰশ্ন উত্থাপন কৰিছে, আমি উপলব্ধি কৰিছো যে চাহবাগিছা অঞ্চলসমূহত আমি মানুহখিনিক কেনেকৈ চৰকাৰৰ লগত জড়িত কৰিব পাৰো, তাৰ বাবে চেষ্টা কৰি আছো। কিন্তু বৰ্তমান সময়ত গোটেই চাহ বাগিচা অঞ্চলসমূহ কোনোবা চাহ কোম্পানী বা চাহবাগিছাৰ মালিকৰ গোটেই ভূমি খিনি তেওঁলোকৰ ব্যৱহাৰৰ বাবে দিয়া হৈছে। সেই ভূমিখিনিৰ বাবদ তেওঁলোকে গোটেই ৰাজহ খিনি একেলগে আমাক সমূহীয়া ভাৱে দিয়ে। তাত চাহবাগিছা গাওঁৰ যিখিনি লাইন আছে, সেই লাইন হওঁক বা plantation area হওঁক বা তাৰ কোৱাৰ্টাৰখিনিয়ে হওঁক, সকলোবোৰৰ কাৰণে আমাক ৰেভিনিউ একেলগে দিয়ে। Separation Line টোক পৃথক কৰা হোৱা নাই। তেওঁলোকৰ নিকটৱৰ্ত্তী যিখন গাওঁ আছে, সেই গাওঁৰ লগতে সেই মানুখিনিক জড়িত কৰিছে। পঞ্চায়তী ব্যৱস্থাটো তাত তেনেকৈ জড়িত হৈ আছে। সেইকাৰণে আমি এটা নতুন এটা ব্যৱস্থা ল'ব বিচাৰিছো যে কেনেকৈ আমি ইয়াত এটা ব্যৱস্থা কৰি লাইন সমূহ গাওঁলৈ ৰূপান্তৰ কৰিব পাৰো আৰু তেনে কৰিলে কি পৰিৱেশ হ'ব পাৰে। তাৰকাৰণে আমাৰ কি কি কৰাৰ প্ৰয়োজনীয়তা আছে। সেই কাৰণে কেৱল মাত্ৰ আমাৰ বিভাগে অকলে এইটো কৰিব নোৱাৰে। তাৰ বাবে এটা সমূহীয়া পদক্ষেপ ল'ব লাগিব। চাহবাগিছাৰ কৰ্তৃপক্ষৰ লগতো আলোচনা কৰিব লাগিব। তাৰপিচত যদি কোনোবা দিনত যদি আমি বেলেগকৈ ৰাখিব পাৰো,

তেতিয়াহ'লে তাত আমি গাওঁবুঢ়াৰ ব্যৱস্থাটো কৰিব পাৰিম। তাৰ জৰিয়তে আপুনি যিখিনি সমস্যা কৈছে সমাধান কৰিব পাৰিম। কিন্তু এইখিনি কৰিবলৈ যাওঁতে আমাক কিছুমান কামৰ প্ৰয়োজন আছে, সেইকাৰণে বিভাগে বিষয়টো বিবেচনা কৰি আছে আৰু আমি চেষ্টা কৰিম যাতে অতি কমদিনৰ ভিতৰতে আপুনি কোৱাধৰণে পদক্ষেপ ল'ব পাৰো? তাৰ ব্যৱস্থা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী মতী ৰ'জলীনা তিৰ্কী, সদস্যা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে উত্তৰ দিছে, অনতি পলমে কৰিব বুলি এই সম্পৰ্কত আলোচনাও কৰি আছে। কিন্তু সঁচাকৈয়ে বহুত দিনৰ পৰা বঞ্চিত হৈ আছে। **মাননীয় অধ্যক্ষ ঃ** It is in the offing সেইকাৰণে অলপ দিন ৰোৱা ভাল হ'ব। তেওঁলোকে কি কৰে চাই লওঁ।

**শ্ৰী মতী ৰ'জলীনা তিৰ্কী, সদস্যা ঃ** মাননীয় অধ্যক্ষ মহোদয়, বহুত দিন বঞ্চিত হৈ আছে, বাগিছাৰ ৰাইজ। সোনকালে হওঁক, এইটোৱেই মোৰ আশা।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া তপন গগৈ।

**শ্ৰী তপন গগৈ, সদস্যা ঃ** মাননীয় অধ্যক্ষ মহোদয়, গাওঁবুঢ়া সকলৰ নিযুক্তি সম্পৰ্কত যিটো প্ৰশ্ন, মোৰ এটা প্ৰশ্ন হৈছে যে চাহবাগিচাৰ যি সমূহ এলেকা, আমাৰ গাওঁৰ যিবিলাক গাওঁবুঢ়া আছে, সেই চাহবাগিছাৰ অঞ্চলসমূহত সোমোৱাৰ ক্ষেত্ৰত অনিহা প্ৰকাশ কৰে। চাহবাগিছাৰ এলেকাসমূহত যিবিলাক মানুহে এতিয়া গাওঁবুঢ়াৰ ওচৰত যায়, তেওঁলোকে কয় মই তেওঁলোকৰ গাওঁবুঢ়া নহয়। এনেকৈ তেওঁলোকে deprived হৈ থাকে। এনেকুৱা মোৰ অঞ্চলতো হৈছে. সেইকাৰণে এটা instruction দিব লাগে আৰু লগতে সমগ্ৰ অসমতে বহুত গাওঁবুঢ়া নাই। সেইখিনি নিযুক্তিৰ ক্ষেত্ৰত কেতিয়ালৈকে দিব, আৰু লগতে সমগ্ৰ অসমতে বহুত গাওঁবুঢ়াৰ পদ খালী হৈ আছে, গাওঁবুঢ়া নাই, সেইখিনি নিযুক্তিৰ ক্ষেত্ৰত কেতিয়ালৈকে দিব আৰু গাওঁবুঢ়া নিযুক্তিৰ ক্ষেত্ৰত কিবা অৰ্হতা নিৰ্ণয় কৰিছে নেকি?

**শ্ৰী পল্লৱ লোচন দাস, শ্ৰম আৰু নিয়োগ আদি মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য তপন কুমাৰ গগৈ ডাঙৰীয়াই গাওঁবুঢ়া সমূহক নিৰ্দ্দেশ কৰিবৰ পুনৰবাৰ আমি দিম যে চাহবাগিছা অঞ্চলৰ যিকোনো লোকৰ যিকোনো সমস্যা গাওঁবুঢ়াসকলে attend কৰে। সেইটো আমি specific ভাৱে তেওঁলোকক অৱগত কৰিম। দ্বিতীয় কথা যে ইতিমধ্যে এই গাওঁবুঢ়াৰ যিখিনি মাননী, সেই মাননি ৬৫০০ টকালৈকে বৃদ্ধি কৰিছে। তাৰোপৰিও আমাৰ মুঠ গাওঁবুঢ়া আছে, ৫৬০০ গৰাকী আৰু ইয়াত খালী আছে ১৭১ৰ টা পদ। সেই পদসমূহত নিযুক্তিৰ কাৰণে আমাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছো আৰু নতুনকৈ আমি ২৪১৯ টা গাওঁবুঢ়াৰ পদ সৃষ্টি কৰিবৰ কাৰণে চেষ্টা কৰিছো। মুঠ ছাৰ ২৫৯০ টা গৰাকী গাওঁবুঢ়া লবলৈ আমি ইতিমধ্যে চৰকাৰৰ ফালৰ পৰা পদক্ষেপ লৈছো। আমি নতুন গাইড লাইন বনাইছো। যিখন কেবিনেটত আহিব আৰু হ'ব finalise হোৱাৰ পিচত qualification include কৰিছো। তেওঁলোকে কি কি কাম কৰিব, কেনেদৰে কৰিব আৰু গোটেই ব্যৱস্থাটো নতুনধৰণে কৰাৰ কাৰণে পদক্ষেপ গ্ৰহণ কৰিছো আৰু অতি কম দিনৰ ভিতৰত আমি প্ৰক্ৰিয়াটো সম্পূৰ্ণ কৰিম আৰু যিবিলাক জিলাত গাওঁবুঢ়াৰ ব্যৱস্থাটো কৰাৰ প্ৰক্ৰিয়া গ্ৰহণ কৰিম।

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ, বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহাদয়, আমি যোৱা ০৯-০২-২০১৭ তাৰিখে চৰকাৰৰ ফালৰ পৰা কৰিমগঞ্জ জিলাত গাঁওবুঢ়া নিয়োগৰ ক্ষেত্ৰত আবেদন পত্ৰ দাখিল কৰিব পাৰি বুলি এখন জাননী পাইছিলো। কথাটো জানি আমি ভালেই পালো। ইয়াৰ পিচত

আকৌ ২০-০২-২০১৭ ত চৰকাৰৰ ফালৰ পৰা নং ঃ RLR.187/2007/Pt-I/ 35 জাননীৰ যোগে এইটো স্থগিত ৰখা বুলি জানিব পাৰিলো। কথাটো হল, অধ্যক্ষ মহোদয়- আবেদন কৰাৰ ২০ বছৰৰ পিচত যদি ইণ্টাৰভিউ পতা হয়, নিবনুৱা যুবক যুবতী সকলৰ মনত নাথাকে। গতিকে অধ্যক্ষ মহোদয়, আবেদন কৰাৰ এক মাহৰ ভিতৰতে ইণ্টাৰভিউ পতাৰ ব্যৱস্থা কৰিলে ভাল হয়। সেইদৰে নামনি অসমৰ ধুবুৰী জিলাৰ লগতে অন্যান্য জিলাতো গাওঁবুঢ়া নিয়োগৰ ক্ষেত্ৰত কোনো ব্যৱস্থা গ্ৰহণ কৰা দেখা পোৱা নাই, লগতে আৰু এটা কথা কব বিচাৰিছো যে, তেতিয়া তাত শক্তিশালী মন্ত্ৰীপাটোৱাৰী ডাঙৰীয়াওঁ আছিল। দুবছৰ মান আগতে Treasury Challan ৰেলেগ বেলেগ হাৰত যেনে ২০ টকা, ৫০ টকা, ১০০ টকা তেনেদৰে লোৱা হৈছিল। কিন্তু কেইদিন মান আগতে ৮১ টা পদৰ বাবে আবেদন কৰা হৈছিল, তেতিয়া Treasury Challan তেতিয়া বিভিন্ন বিভাগত ৩০০/৪০০/৫০০ টকালৈকে Treasury Challan কাটিব লগীয়া হৈছে। এফালে চাকৰি নাই আৰু আনফালে নিবনুৱা যুবক যুৱতী সকলে Treasury Challan Treasury ৰ নামত ৫০০ টকাকৈ ভৰিব লগীয়া হৈছে। সেয়েহে আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে - এইক্ষেত্ৰত Uniform Rate ৰ ব্যৱস্থা কৰিলে ভাল হয় আৰু লগতে ৫০০ টকাকৈ যে লোৱা হৈছে তাত কিবা কেলেংকাৰী সংঘটিত হৈছে নেকি এইটো চাব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী পল্লৱলোচন দাস, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহাদয়, আমাৰ ধুবুৰী, দক্ষিণশালমৰা, এগাৰালপাৰা, বঙ্গাইগাওঁ, কাছাৰ, কৰিমগঞ্জ, হাইলাকান্দি, কোকৰাঝাৰ আৰু চিৰাং এইএকইখন জিলাত ২৪১৯ গৰাকী নতুন গাঁওবুঢ়া লোৱাৰ ব্যৱস্থা কৰিছো। তেখেতে কোৱাৰ ধৰণে কিছু বিসংগতিৰ কথা যোৱাবাৰ আমাৰ দৃষ্টিগোচৰ হৈছিল। সেই বিসংগতি খিনি থকাৰ কাৰণে ভাবিছিলো যে যিহেতু গাওঁবুঢ়া সকল সেই অঞ্চলৰ সকলোতকৈ সন্মানীয় ব্যক্তি, সেই ব্যক্তি গৰাকী কেনেকুৱা উচিত তাৰ কিছুমান নিয়মাৱলী থকাটো প্ৰয়োজন আছিল। গতিকে পুৰণি নিয়মাৱলী Amendment কৰি নতুন এটা Guide Line প্ৰস্তুত কৰা হৈছে? সেই Guide Line টো কেবিনেটত সোমোৱাৰ পিচতেই আমি গোটেইখিনি কাম আৰম্ভ কৰিম। খুউব কম দিনৰ ভিতৰতে আমি গাওঁবুঢ়া নিযুক্তিৰ প্ৰক্ৰিয়াটো সম্পূৰ্ণ কৰিম। আমিওঁ উপলব্ধি কৰিছো গাওঁবুঢ়া নথকাৰ কাৰণে চৰকাৰী কাম-কাজত যথেষ্ট অসুবিধা হৈছে। গতিকে আমাৰ বিভাগে গাওঁবুঢ়া নিযুক্তিৰ প্ৰক্ৰিয়াটো অতি সোনকালে সম্পন্ন কৰাৰ ব্যৱস্থা কৰিব।

**মাননীয় অধ্যক্ষ ঃ** Supplementary Question raise কৰাৰ বাবে বহুতে ইচ্ছা প্ৰকাশ কৰিছে যদিওঁ মই সময়ৰ প্ৰতি লক্ষ্য ৰাখি সকলোকে অনুমতি দিব নোৱাৰিম আৰু একে ধৰণৰ বিষয়ৰ ওপৰত একেখিনি কথাকে বাৰে বাৰে Repeat নকৰিব। এতিয়া মামুন ইমদাদুল হক চৌধুৰী।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী ঃ** চাৰ, বিগত (AGP) চৰকাৰৰ দিনত বিভিন্ন গাওঁত গাওঁবুঢ়া নিয়োগ কৰা হৈছিল। আজি প্ৰায় ২০-২২ বছৰ হৈ গল চৰকাৰৰ ফালৰ পৰা এই গাওঁবুঢ়া সকলৰ ক্ষেত্ৰত Specific Recognition কিবা আছে নেকি। কাৰণ এই সুদীৰ্ঘ বছৰে তেওঁলোকে একো সা-সুবিধা লাভ কৰিব বা উপভোগ কৰিবলৈ সক্ষম হোৱা নাই। কিন্তু গাওঁ সমুহত তেওঁলোকৰ (AGP) গাওঁবুঢ়া বুলি এটা Identity আছে। আজি নায্য সুবিধা আদায়ৰ বাবে তেওঁলোকে বহুতো ঠাই বা বিভাগ আদিত ঘূৰা ঘুৰি কৰি আছে কিন্তু সফল হব পৰা নাই। গতিকে চাৰ, চৰকাৰে

এইক্ষেত্রত এটা স্থিতি স্পষ্ট কৰি দিলে ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ** Thank you.

**শ্ৰী পল্লৱলোচন দাস, মন্ত্ৰী ঃ** অধ্যক্ষ মহাদয়, মাননীয় সদস্য গৰাকীয়ে কোৱাৰ ধৰণেৰে আমি (AGP) গাওঁবুঢ়া হিচাপে একো পোৱা নাই। আমাক বিভাগৰ ফালৰ পৰাওঁ তেনে ধৰণৰ কোনো তথ্য দিয়া নাই। যদি তেনেকুৱা কিবা বিষয় আছে. সেইটো আমাক অবগত কৰিব আৰু সেইটো আমি কেনেকৈ সমাধান কৰিব পাৰি তাৰ ব্যৱস্থা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, আপুনি তথ্যটো দি দিব। এতিয়া শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** মাননীয় অধ্যক্ষ মহাদয়, গ্ৰামাঞ্চলত এই গাওঁবুঢ়া পদটো এটা গুৰুত্বপূৰ্ণ পদবী। দেখা গৈছে যে প্ৰায় ডেৰ-দুবছৰ ধৰি এই পদবোৰ এতিয়াওঁ খালী হৈয়েই আছে। আমি সদায় "অতি সোনকালে" শব্দটো শুনি থাকো, কিন্তু অতি সোনকালটো আহি নাপায়। গতিকে কিমান দিনৰ ভিতৰত এই নিযুক্তি দিব সেইটো স্পষ্ট ভাবে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী পল্লৱলোচন দাস, মন্ত্ৰী ঃ** আমাৰ মাননীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই কোৱাৰ দৰে"অতি সোনকালে" মানে "অতি সোনকালেই" ব্যৱস্থা গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। শ্ৰী যোগেন মোহন, আপুনি ছুটিকৈ ক'ব।

**শ্ৰী যোগেন মোহন ঃ** মাননীয় অধ্যক্ষ মহাদয়, Forest Department টো কিছুমান গাওঁবুঢ়া নিযুক্তি দিছে, তেওঁলোকেওঁ ৰাইজৰ কাম কৰি আছে, কিন্তু তেওঁলোকক কোনো ধৰণৰ Remuneration দিয়া হোৱা নাই। গতিকে সেইসকলকো Remuneration আদিৰ আওঁতালৈ অনাৰ ব্যৱস্থা কৰিব লাগে।

**শ্ৰী পল্লৱলোচন দাস, মন্ত্ৰী ঃ** এইটো বিষয়ত বিভাগীয় ভাবে তথ্য আহৰণ কৰি, তেওঁলোকৰ ক্ষেত্ৰত কি কৰিব পৰা যায় চাব লাগিব।

**মাননীয় অধ্যক্ষ ঃ** এইবাৰ ডাঃ মতিউৰ ৰহমান মণ্ডল, কথাখিনি চুটিকৈ কব। গাওঁবুঢ়াৰ কথা ওলাইছে কাৰণে আপোনালোকক কবলৈ দিছো।

**ডাঃ মতিউৰ ৰহমান মণ্ডল ঃ** অধ্যক্ষ মহাদয়, মই জানিব খোজা কথাটো ইতিমধ্যে আলোচনা হৈ গৈছে। নামনি অসম আৰু হাইলাকান্দিকে ধৰি মুঠ ৭খন জিলাত হোৱা নাই। এই কামটো সোনকালে কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। তেখেতে ইতিমধ্যে কৈছে যে নোহোৱা জিলা কেইখনত কৰিব। এতিয়া শ্ৰী নোমল মমিন ।

**ডাঃ নোমল ম'মিন ঃ** মাননীয় অধ্যক্ষ মহাদয়, অসমত যিমান বাগান আছে, সেই গোটেই কেইখন বাগানতে আদিবাসী লোক এজনকৈ গাওঁবুঢ়া হিচাপে নিযুক্তি দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** এই বিষয়টোৰ ওপৰত মন্ত্ৰীয়ে ইতিমধ্যে উত্তৰ দিছে।

**ডাঃ নোমল ম'মিন ঃ** দ্বিতীয় কথাটো হ'ল, জানিব পৰা মতে আমাৰ কাৰ্বি-আংলং জিলাত চৰকাৰী গাওঁবুঢ়া সকলে ৫০০ টকাকৈ মাননী পায়, এই মাননীটো ৬০০০ টকা মানলৈকে বৃদ্ধি কৰিব পৰা যায় নেকি?

**শ্ৰী পল্লৱলোচন দাস, মন্ত্ৰী ঃ** চাৰ, কাৰ্বি আংলং আৰু বি টি চি অঞ্চলৰ বিত্তীয় বিভাগটো তেওলোকে নিজেই চায়। এইটো এটা Transferred Subject। সেইকাৰণে তাত যদি কিবা বিসংগতি দৃষ্টিগোচৰ হৈছে আপোনালোকে আমাক অৱগত কৰক। আমি কেনেধৰণে ব্যৱস্থা গ্ৰহণ কৰিব পৰা যায় সেইটো চাম।

**ডাঃ নোমল ম'মিন ঃ** এইটো মহোদয়,আগতেও অৱগত কাৰ হৈছে।

**শ্ৰী পল্লৱলোচন দাস, মন্ত্ৰী ঃ** এইটো যিহেতু Transferred Subject। এইটো তেওঁলোকৰ Council এ চাব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে,আপুনি Councilৰ লগত কথা পাতিব আৰু কিবা অসুবিধা পালে আমাক জনাব। এতিয়া চক্ৰধৰ গগৈ।

**শ্ৰী চক্ৰধৰ গগৈ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য যোগেন মোহন ডাঙৰীয়াই যিটো কথা কলে, মোৰো বনগাওঁ সমষ্টিৰ প্ৰায় ১৫ খনমান গাওঁৰ গাওঁবুঢ়া বিলাকে কোনো ধৰণৰ Remuneration পোৱা নাই। গতিকে গাওঁবুঢ়া বিলাকক চৰকাৰী স্বীকৃতি দিয়াৰ লগতে Remuneration দিয়াৰো এটা ব্যৱস্থা কৰিলে ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ** এইবোৰ ক্ষেত্ৰত ইতিমধ্যে কোৰা হৈ গৈছে। এতিয়া শেষৰজন সদস্য হৈছে আবুল কালাম ৰছিদ আলম।

**শ্ৰী আবুল কালাম ৰছিদ আলম ঃ** অধ্যক্ষ মহোদয়, গোৱালপাৰা জিলাৰ গাওঁবুঢ়াক লৈ হাই কোৰ্টত কেচ চলি আছে। গতিকে মন্ত্ৰী ডাঙৰীয়াই যিষাৰ কথা কলে যে - অতি সোনকালে নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব, কিন্তু তাৰ আগতে হাই কোৰ্টত চলি থকা কেচবিলাকৰ সোনকালে মীমাংসাৰ ব্যৱস্থা কৰিলে বেছি ভাল হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, Good Question.

**শ্ৰী পল্লৱলোচন দাস, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই গোটেই প্ৰক্ৰিয়াটো আমি নতুনকৈ আৰম্ভ কৰাৰ প্ৰয়াস কৰিছো। আগৰ কেইবাটাও তেনেকুৱা ঘটনা আছিল চাৰ। কমলাক্ষ দে পুৰকায়স্থই কোৱাৰ দৰে আগতেওঁ তেনে এটা নিৰ্দেশ দিয়া হৈছিল কিন্তু পিছত স্থগিতকৰণ কৰা হ'ল। সেইকাৰণে গাওঁবুঢ়া নিযুক্তিৰ প্ৰক্ৰিয়াটো Amendment কৰি নতুন Guide Line বনাই গোটেই প্ৰক্ৰিয়াটো নতুনকৈ আৰম্ভ কৰাৰ প্ৰয়াস কৰিছো। এই নতুন প্ৰক্ৰিয়া আৰু Guide Lineৰ জৰিয়তে আমি বাকী কামখিনিও কৰিব পাৰিম আৰু আপুনি যিখিনি কথা ক'লে, সেইখিনিও চাম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং-২২৩ শ্ৰী অতুল বৰা ।

**শ্ৰী নৱ কুমাৰ দলে,মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

শ্ৰী অতুল বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, মই ইয়াত যিটো উত্তৰ পাইছো, তাৰ ওপৰত যদি আমি Field Verification কৰো তেতিয়া এই তথ্য ১০০% অসত্য বুলি প্ৰমাণিত হব। এই ঠাইখিনিত গগৈ আৰু তালুকদাৰ উপাধিৰ দুজন ব্যক্তিয়ে পাহাৰ কাটি বালিৰ ব্যৱসায় আৰু পুখুৰীটোত মাছৰ ব্যৱসায় আৰম্ভ কৰিছে। আনহাতে, এই পুখুৰীটোকো দুবছৰৰ বাবে এটা Group . ক 'lease'ত দিছে । দক্ষিণ গাওঁৰ কাহিলীপাৰাত যি 'মন বিকাশ' কেন্দ্ৰ স্থাপন কাৰ হৈছে, সেই মাটিখিনিও এতিয়া এই দুজন ব্যক্তিয়ে লাহে লাহে বিক্ৰী কৰিবলৈ আৰম্ভ কৰিছে। এতিয়া কথাটো হ'ল যোৱা **২০১৭-১৮** বৰ্ষত এই কেন্দ্ৰটোলৈ ৩১ লাখ টকা ইয়াৰ মানসিক বাধাগ্ৰস্ত শিশুসকলৰ বিকাশ আৰু প্ৰশিক্ষণৰ বাবে আৰ্থিক অনুদান প্ৰদান কৰা হয়। এতিয়া ডাঙৰ কথাটো হৈছে এই চৰকাৰী পইছাটো গৈছে কলৈ ? মই নিজেই গৈ চাই আহিছো যে- দুজন মানুহে ৭০-৮০ বিঘা মাটি ভোগ কৰি আছে আৰু তাত মাটি-বালি আৰু মাছৰ ব্যৱসায় চলাই আহিছে ,গতিকে এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা উত্তৰ বিচাৰিছো।

**শ্ৰীঅতুল বৰাঃ** এই পুখুৰীটো দুই বছৰৰ বাবে এটা গ্ৰুপক দিছে। আৰু বালি ব্যৱসায়টো কি দৰত

কৰি আছে, কেনেদৰে কৰি আছে। ইয়াৰ পৰা যদি দুইজন মানুহ যদি তালৈ যায় সম্পূৰ্ণ ওলোটা প্ৰতিচ্ছবি এটাহে দেখিবলৈ পাব। বিষয়াসকলে যদি মন্ত্ৰী গৰাকীক তেনেকৈ তথ্য পাতি দিছে তেনেহ'লে বিষয়াগৰাকীৰ বিৰুদ্ধে একচন ল'ব লাগে। তেওলোকে এনেকৈ সমাজকল্যান বিভাগ চলাই আছে নে? তেওলোকে কি কৰিব খুজিছে? বাকীসকল জেলত সোমাই আছে, এওলোকো জেলত সোমোৱাৰ ব্যৱস্থা কৰিব লাগে। মই অনুৰোধ কৰিছো।

**মাননীয় অধ্যক্ষঃ** --- মন্ত্ৰী ডাঙৰীয়া ।

**শ্ৰীনৱ কুমাৰ দলে, মাননীয় মন্ত্ৰী, সাংস্কৃতিক পৰিক্ৰমা ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয় যিহেতু এই অনুষ্ঠানটো এটা স্বেচ্ছাসেৱী সংগঠনৰ অনুষ্ঠান তাত বিভিন্ন সময়ত এই অনুষ্ঠানসমূহে নিজৰ অনুষ্ঠানৰ অৰ্ন্তগত Revenue Resource ৰ কাৰণে কিছুমান কাম কৰে। এনেধৰনে বিভিন্ন অনুষ্ঠান আমি তাত দেখি আহিছো। যিহেতু এইটো সম্পূৰ্নৰূপে তেখেতসকলৰ এক্তিয়াৰৰ বিষয় গতিকে এই বিষয়টো চৰকাৰৰ মাটি বা অনুষ্ঠানটো আমাৰ সমাজ কল্যান বিভাগৰ অৰ্ন্তগত নহয় যদিও মাননীয় সদস্যগৰাকীয়ে এই কথাটো উত্থাপন কৰিছে আমি বিভাগীয় বিষয়া প্ৰেৰণ কৰি এটা ব্যৱস্থা ল'ম।

**শ্ৰীঅতুল বৰাঃ** মাননীয় অধ্যক্ষ মহোদয়, কথাটো আধৰুৱা হৈ ৰ'ল। কথাটো তেনেকৈ ক'লে নহ'ব।

**মাননীয় অধ্যক্ষ ঃ** সেই কাৰণে মই ক'ব খুজিছো। আছলতে এইটো মানসিক বাধাগ্ৰস্ত সকলৰ বাবে হোৱা অনুষ্ঠান। বিষয়টো চিৰিয়াচ । মন্ত্ৰী ডাঙৰীয়াও কৈছে, সেইটো actually স্বেচ্ছাসেৱী অনুষ্ঠানে কৰিছে। সেইকাৰণে direct তেওঁলোকৰ একো নাই । মাটিও তেওঁলোকৰ নহ'য় বুলি কৈছে। এই কথাটো এনেকুৱা যে এইটো গুৱাহাটীৰে অনুষ্ঠান। অতুল বৰা ডাঙৰীয়াই যিহেতু কৈছে, মই এটা সৰু টীম কৰি দিম । তেখেতসকলে যাব। চাই আহি তেওঁলোকে ৰিপোৰ্ট দিব । তাৰ পিছত একচন ল'ব। এইটো যিহেতু মানসিক বাধাগ্ৰস্ত ল'ৰা-ছোৱালীৰ কথা সেই কাৰণে মই কথাটো কৈছো।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতাঃ** মাননীয় অধ্যক্ষ মহোদয়, যিটো মনোবিকাশ কেন্দ্ৰৰ ৭০ বিঘা মাটি আছে তাত মানসিক বাধাগ্ৰস্তৰ বাবে সেইটো কৰা হৈছে যদিও প্ৰকৃতাৰ্থত সেই উদ্দেশ্যটো তাত সফল হোৱা নাই।

**মাননীয় অধ্যক্ষঃ** সেই কাৰণে টীম পঠিয়াম বুলি কৈছো। তাৰ পৰা আহি তেওঁলোকে ৰিপোৰ্ট দিব। তাৰ পিছত আলোচনা কৰা হ'ব।

**শ্ৰীআব্দুল খালেকঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি এখন কমিটি কৰি দিব তাৰ বাবে ধন্যবাদ জনাইছো। কিন্তু অধ্যক্ষ মহোদয়ৰ উত্তৰত মন্ত্ৰী মহোদয়ে কৈছে যে অনুষ্ঠানৰ কাৰনে ২০১৬-১৭ বিত্তীয়বৰ্ষত আঢ়ৈ লাখ টকা বিত্তীয় অনুদান দিছিল কিন্তু সেই অনুদান যথাসময়ত মুকলি কৰি দিব নোৱাৰিলে। এইটো যিহেতুকে মানসিকভাৱে বাধাগ্ৰস্তসকলৰ অনুষ্ঠান তেওঁলোকক মাত্ৰ আঢ়ৈ লাখ টকা দিছে এটা বিত্তীয় বৰ্ষত আৰু সেইটোও যথাসময়ত মুকলি কৰি নিদিয়াটো এটা দূৰ্ভাগ্যজনক কথা। এনেকুৱা অনুষ্ঠানৰ ক্ষেত্ৰত যাতে চৰকাৰ উদাৰ হয়। তেওঁলোকক টকাটো বেছি দিব লাগে আৰু দিয়া টকাখিনি যাতে সোনকালে মুকলি কৰি দিয়ে সেইটো মই অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। পৰৱৰ্ত্তী প্ৰশ্নলৈ গৈছো। প্ৰশ্ন ২২৪ ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়া।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী,মন্ত্ৰী, সংসদীয় পৰিক্ৰমাঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা

হৈছে।

**শ্ৰীৰূপজ্যোতি কুৰ্মীঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নউত্তৰ আমি পাইছো কিন্তু এইখিনিতে ক'ব বিচাৰিছো যে যোৱা দুটা বছৰ বিজেপি মিত্ৰ জোঁটৰ চৰকাৰ অহাৰ পিচত সংখ্যালঘু লোকসকলৰ বাবে মোৰ মৰিয়নী সমষ্টিত মই তেনেধৰনে কোনো আঁচনি এতিয়ালৈকে দিব নোৱাৰিলো। দেখা গৈছে যে এম এচ ডি পি এখন আঁচনি সংখ্যালঘু লোকসকলৰ বাবে নিৰ্দিষ্ট কিছু জিলাত চলি আছে এতিয়াও তেজপুৰ, গোলাঘাট, শিৱসাগৰ, যোৰহাট, ডিব্ৰুগড় , তিনিচুকীয়াৰ লগতে মাননীয়া অধ্যক্ষ মহোদয় আপোনানাৰ নিজৰ জিলাতে, আপোনাৰ সমষ্টিতো বহু সংখ্যালঘু লোক আছে। আমি তেনেধৰনে কোনো বিশেষ আঁচনি পোৱা নাই। আগতে মাইন'ৰিটি ডেভলপমেন্ট বোৰ্ড আছিল । বোৰ্ডৰ যোগেদি প্ৰত্যেক মহকুমাত নিৰ্দিষ্ট সংখ্যালঘু লোকৰ পপুলেচনৰ ভিত্তিত ইনডিভিজুৱেল স্কীম হ'লেও গৈছিল। এনেকুৱা বোৰ্ড আছিল। বোৰ্ডৰ যোগেদি চৰকাৰী প্ৰশাসনীয় বিষয়া এগৰাকী তাত থাকে। S W O অফিচাৰ তেওঁলোকৰ যোগেদিও সমিতিয়ে আঁচনিবোৰ সংখ্যালঘু লোকসকলক দিব পৰা গৈছিল। এতিয়া মাননীয় অধ্যক্ষ মহোদয় মোৰ প্ৰশ্নটো হ'ল ছাৰ আমি দুই বছৰ পাৰ কৰিলো এতিয়া কিবা নতুন আঁচনি ল'ব নেকি সংখ্যালঘু লোকসকলৰ বাবে।

**মাননীয় অধ্যক্ষ মহোদয় ঃ** মন্ত্ৰী ডাঙৰীয়াৰ উত্তৰ।

**শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমাঃ** অধ্যক্ষ মহোদয়, সংখ্যালঘু লোকসকলৰ বাবে এম এচ ডি পি আঁচনিত কেইবাটাও ব্লক ইতিমধ্যে সামৰি লোৱা হৈছে। এইটো চাৰ্ভেৰ ভিত্তিত লোৱা হৈছে আৰু আপোনালোকে সেইটো জ্ঞাত। আৰু তাৰোপিৰি যিটো মাইনোৰিটি ডেভল'পমেন্ট বোৰ্ড আছে বা ডাইৰেক্টৰ অৰ চৰ এৰিয়া আছে, তেওঁলোকে নিজাববীয়াকৈ গাইডলাইনৰ ভিত্তিত কাম কৰি আছে। এইটো এটা কথা আৰু M S D P পিত ২০১৬-১৭ চনত ৯৫ কোটি টকা এলোকেচন আৰু টুৱেলভ প্লেনত ২০১৭-১৮ ত ৫৭০ কোটি টকা এলোকেচন দিয়া হৈছে। গতিকে সেই হিচাপত এতিয়া M S D P পিৰ যিবিলাক ব্লক সামৰি লৈছে তাত এতিয়া বিভিন্ন ধৰনৰ আঁচনি লোৱা হৈছে। আমাৰ মাননীয় সদস্যসকলে এইখিনি জানে আৰু যিটো মাইন'ৰিটি ডেভেল'পমেন্ট বোৰ্ডৰ কথা কৈছে তেওলোকে নিজৰ গাইডলাইনমতে কাম কৰি আছে।

**শ্ৰীৰূপজ্যোতি কুৰ্মীঃ** মাননীয় অধ্যক্ষ মহোদয়, এম এচ ডি পি বোৰ্ডৰ কথা বা আমাৰ ব্ল'ক লেভেলৰ অধীনত আমাৰ এম এচ ডি পিৰ গাইডলাইনৰ মতে মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিছে এম এচ ডি পিৰ শিতানত বিৰোধী দলৰ সভাপতি দেৱব্ৰত শইকীয়া ডাঙৰীয়াই এটা প্ৰশ্ন উত্থাপন কৰিছিল unstared । তাৰ উত্তৰত আমি পাইছো যে বিশেষ কিছু জিলাতহে এম এচ ডি পি ৰ আঁচনি চলি আছে। কিন্তু মাননীয় অধ্যক্ষ মহোদয় আমাৰ যোৰহাট জিলাৰ দৰে জিলা শিৱসাগৰ, তেজপুৰ, গোলাঘাট, তিনিচুকীয়া, ডিব্ৰুগড় মাজুলীতো সংখ্যালঘু লোক আছে। যিহেতু সেই জিলাসমূহত M S D P ৰ অৰ্ন্তভূক্তি হোৱা নাই । আমি আজিলৈকে যোৱা দুটা বছৰত কোনো আঁচনি পোৱা নাই। পূৰ্বৰ চৰকাৰৰ দিনত বিভিন্ন আঁচনি চলি থকাৰ ওপৰিও Minorities Development Board আছিল আৰু এই বোৰ্ডৰ জৰিয়তে প্ৰত্যেক জিলাভিত্তিত, মহকুমা ভিত্তিত একোখনকৈ সমিতি গঠন কৰা হৈছিল। বিশেষ বাজেটত এটা fund allocation আছিল আৰু যিহেতু আমি MSDP আঁচনিৰ অধীনত কেইখন মান জিলাৰ সংখ্যালঘু লোকসকলে কোনো আঁচনি নাপাই সেই Minorities Development Board জৰিয়তে বিশেষ ভাৱে এটা সন্মান জনোৱা হৈছিল জিলাসমূহক। এই জিলা সমূহৰ সংখ্যালঘু লোকসকলক বিভিন্ন আঁচনি প্ৰদান কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। কিন্তু এই দুটা বছৰে Minorities Development

Board এতিয়ালৈকে গঠন হোৱা নাই। মাননীয় অধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে Minorities Development Board যোৱা দুটা বছৰে কাগজ পত্ৰই-লিখি আছে, কিন্তু এতিয়ালৈকে সংখ্যালঘু লোকসকলে কোনো আঁচনি পোৱা নাই। গতিকে মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে ইয়াৰ কিবা ব্যৱস্থা কৰিব নেকি ?

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য ৰূপজ্যোতি কূৰ্মী ডাঙৰীয়াই কোৱা ধৰণে আচলতে কোনো সংখ্যালঘু বক্তিয়ে আঁচনি সমূহৰ পৰা বঞ্চিত হোৱা নাই। আপুনি এইটো কব পাৰে যে মৰিয়নী সমষ্টিত MSDP আঁচনি পোৱা নাই। কাৰণ যোৰহাট জিলা MSDP আঁচনিত select কৰা নাই। আৰু MSDP আঁচনিতো selection কৰে ভাৰত চৰকাৰে। ভাৰত চৰকাৰে select কৰে এই নীতিতে যে সংখ্যালঘুৰ ক্ষেত্ৰত মুছলমান, খ্ৰীষ্টান, শীখ, বৌদ্ধ, জৈন আৰু পাৰ্চী। এই ছয়টা community ৰ 25% যদি এটা ব্লকত থাকে, তেতিয়াহলে সেই ব্লকটোত MSDP আঁচনিত লোৱা হয়। গতিকে সেই হিচাপত যিবিলাক ব্লকত এতিয়াও সেই শতকাৰ হাৰ বা ভাৰত চৰকাৰৰ guideline মতে হয়, তেতিয়াহলে তাত পাব। মাননীয় সদস্যগৰাকীয়ে কোৱাৰ দৰে মতে আমাৰ কেইখনমান জিলাতহে এই কথাখিনি চলি আছে। যিকেইখন জিলাত চলি আছে তাতে ভাৰত চৰকাৰৰ norms টো fulfill কৰিছে। কোনেও কাম কৰা নাই বুলি কোৱাতো ঠিক নহব, গোটেই details project কি কি লৈছো তেখেতৰ প্ৰশ্নৰ উত্তৰত দিছো। আমাৰ ভাৰত চৰকাৰে কিছু কিছু আঁচনিত MSDP ত 90: 10% । ভাৰত চৰকাৰে 90% আৰু ৰাজ্যচৰকাৰে 10% দিব লাগে। কিছু আঁচনিত 80: 20% দিয়ে। গতিকে আমাৰ State Plan পৰা যিখিনি পইচা পাব লাগে, সেইখিনি ইতিমধ্যে গ্ৰহণ কৰা হৈছে। এইটো Supplementary Demand ৰ জৰিয়তে পোৱা হৈছে **১৬৭৭.২০** কোটি টকা তাৰ ভিতৰত fixation of ceiling **১৫৭৩.৫৩১৯৫** লাখ। আৰু তাৰ ওপৰিও SD পাইছো **২৯৫১.১৮** লাখ টকা আৰু **২৯৫১.১৮** লাখ টকা ইতিমধ্যে T&D বিভাগলৈ approval ৰ কাৰণে পাঠোৱা হৈছে। গতিকে state share টো ইয়াতে release হয়। গতিকে আমাৰ চৰকাৰৰ ক্ষেত্ৰত আগৰ যিখিনি state plan ৰ পইচা পাব লগা আছিলে, আমাৰ চৰকাৰৰ দিনত state plan ৰ পইচাখিনিও release কৰি দিয়া হৈছে।

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়া।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতিঃ** মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰশ্নটো আগৰ বিধান সভাতো উল্লেখ কৰিছিলো। মন্ত্ৰী মহোদয়ে প্ৰকৃততে যিটো কথা কৈছে এইটো সঁচা কথা যে যিটো কেন্দ্ৰীয় চৰকাৰৰ নীতি সেই অনুসৰে **২৫** শতাংশ সংখ্যালঘু থাকিলে সেই কেইটা ব্লক MSDP আঁচনিৰ বাবে অন্তৰ্ভুক্ত হয়। কিন্তু আমাৰ **১১৮** টা ব্লক আছে য'ত MSDP আঁচনি চলি আছে। সেইগতিকে বাকী অঞ্চলসমূহত অসম চৰকাৰৰ পুঁজিৰ ব্যৱস্থা কৰি সংখ্যালঘু সকলৰ উন্নয়নৰ ব্যৱস্থা কৰিব নেকি ? আৰু তেনেধৰণৰ প্ৰস্তাৱ চৰকাৰে ল'ব নেকি ? মই এইটো জানিব বিচাৰিছো কাৰণ অকল MSDP আঁচনি থকা সংখ্যালঘু সকলৰ উন্নয়নে হব লাগিব, এনেকুৱা কথা নহয়। অন্য অঞ্চলৰ সংখ্যালঘুসকলকো কম শতাংশ থকাৰ কাৰণে বঞ্চিত কৰিব নালাগে। যিহেতু সংখ্যালঘু মানে হ'ল বহুতৰ মাজত কম থাকিলে তাকে সংখ্যালঘু বুলি বুজোৱা হয়।

**মাননীয় অধ্যক্ষঃ** Thank you, Minister Please.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ **৩৩** খন জিলাৰ ভিতৰত **১৯** খন জিলা আৰু **১১৮** টা ব্লক MSDP য়ে সাঙুৰি লৈছে। ইয়াৰ বাহিৰে

আমাৰ অন্যান্য অঞ্চলসমূহ য'ত religious minority আছে, আৰু ভাৰত চৰকাৰৰ guideline অনুসৰি সাঙুৰি ল'ব পৰা নাই। গতিকে বাকী জিলাসমূহৰ যিসকল সংখ্যালঘু মানুহ আছে, তেওঁলোকৰ উন্নয়নৰ কথাটো চৰকাৰৰ general budget ত development agenda থাকিব। সেই agenda ত নিশ্চয় তেওঁলোকৰ কথাখিনি সোমাই থাকিব। কিন্তু MSDP এটা special হৈছিল কাৰণ এইটোৰ ক্ষেত্ৰত যিসকল মাননীয় সদস্য ১৯৯১-৯৬ লৈকে আছিল। ভাৰত চৰকাৰে গঠন কৰি দিয়া Sachar Commission এখন আহিছিল। এই গোটেই Recommendation টো Sachar Commission পৰা দিয়া হৈছিল। তেতিয়া অসমৰ সংখ্যালঘু সকলৰ উন্নয়নৰ স্বাৰ্থত কেনেকুৱা ধৰণৰ আঁচনি লব লাগে বুলি Sachar Commission যে recommendation দিছিলে আৰু ভাৰত চৰকাৰে সেই মতে MSDP কৰিছিল। সেই MSDP আঁচনি কিছু কিছু অঞ্চলত বা কিছু জিলা সাঙুৰি লব পৰা নাই কাৰণ তাত guideline cover নকৰে। ১১৮ টা ব্লকত MSDP ৰ জৰিয়তে বিভিন্ন উন্নয়ন মূলক কাম চলি আছে। লগতে লৰা - ছোৱালীসমূহে pre-matric ৰ পৰা post graduation লৈকে scholarship পাইছে। অন্যান্য উন্নয়ন মূলক আঁচনিও হৈছে। গতিকে বাকী যিটো কথা আমাৰ বিৰোধী দলৰ দলপতি শ্ৰী দেৱব্ৰত শইকীয়া ডাঙৰীয়াই সুধিছে যে আমাৰ যিখন general budget, এইখন সকলোকে সাঙুৰি কৰা হৈছে। গতিকে সংখ্যালঘুসকলৰ উন্নয়নৰ দিশটো বাজেটত নিশ্চয় অন্তৰ্ভুক্ত থাকিব।

**মাননীয় অধ্যক্ষঃ** Thank you, এতিয়া মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম।

**শ্ৰী আমিনুল ইছলাম, ধিং ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নটো যিখিনি আঁচনিৰ কথা কোৱা হৈছে ৫ টা ধৰ্মাৱলম্বী মানুহৰ কিছুমান প্ৰশিক্ষণৰ কাৰণে ৭, ১১ লাখ টকাৰ অতি কম আঁচনিত দিয়া হৈছে। আৰু আটাইতকৈ ডাঙৰ কথাটো হ'ল কোনো জিলাতে minority বিভাগৰ অফিচ নাই আৰু কোনো fixed কৰ্মচাৰী নাই। DC, ADC, BDO এনেকৈ যদি কমিটি বনাই দিয়ে কোনোও দায়িত্ব নলয়। সেই কাৰণে এনে হয় যে, কি MSDP ৰ আঁচনি বিলাক অনুমোদন হোৱাৰ পিছতো চাৰি পাঁচ বছৰলৈকে কোনো কাম আৰম্ভই নহয়। কাৰণ বিভিন্ন বিভাগৰ বেলেগ বেলেগ মানুহৰ দায়িত্ব দিয়ে, তেওঁলোকৰ কোনো নিজা কমিটি নাই, নিজা অফিচ নাই আৰু কোনো নিজাববীয়াকৈ অফিচাৰ নাই। গতিকে এই ক্ষেত্ৰত চৰকাৰে District Level ৰ এটাকৈ অফিচ বা যেনেকৈ চৰ উন্নয়নৰ এজন supervisor ক চাৰি পাচঁটাকৈ ব্লকৰ দায়িত্ব দি দিয়া হৈছে। তেওঁলোকে চাৰি পাচঁটাকৈ ব্লক কোনো অফিচ নোহোৱাকৈ চলাই। বহু সময়ত হয়তো চৰ অঞ্চলৰ কাৰণে যিখিনি বস্তু দিয়া হয়, এই বস্তুখিনি তেওঁলোকে চৰহীন এৰিয়া বিলাকত কিছু বজাবুজিত দি থাকে। গতিকে মই মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে এটা অনুৰোধ জনাব বিচাৰিছো যে যাতে District Level ত অফিচ দি fixed Officer দিয়ে যেন যাতে তেওঁলোকে অকল minority বিভাগৰ কামটো চাব পাৰে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যি গৰাকী ADC Development তেওঁ Generally এই গোটেই বিষয়টোত যদিও Nodel Officer ৰ বুলি Designated নহয়, তেওঁই গোটেইখিনি চায়। আৰু Block level ত BDO য়ে এই গোটেই কথাখিনি চোৱাচিতা কৰে। গতিকে আজিৰ দিনটোত মই ভাৱো যে অফিচাৰৰ অভাৱত সেইটো অসুবিধা বোধহয় নহয়, মই জনাত আৰু কিন্তু প্ৰশ্নটো হৈছে, আমি আমাৰ Scheme বিলাক সকলোৱে Supervise কৰিব লাগে। Scheme বিলাক যাতে ভালকৈ হয়। এইটো সকলো মাননীয় সদস্যৰ প্ৰধান লক্ষ্য যাতে Scheme বিলাক ভালকৈ Implement হয়। Nodel

Officer ৰ হিচাপে ADC Development য়ে Generally চাই আৰু ইতিমধ্যে আপোনাৰ চৰ Area যিটো Directorate থাকে। চৰ Area Directorate হৈ গৈছে, আগতে নাছিল আৰু মহন্ত ডাঙৰীয়াক ধন্যবাদ দিব লাগিব, তেখেত মুখ্যমন্ত্ৰী হৈ থকা অৱস্থাতে প্ৰথম Minority Department এটা অসমত খুলিছিল, আগতে Minority Department বুলি Department অসমত নাছিল সেই Minority Devolepment এতিয়া Area Directorate হল। Minority Board হল, MSDP আহিল আৰু বহুত আহিল। এইবাৰ ভাৰত চৰকাৰৰ পৰা MSDP ৰ Under ত আমি Model Residential Schools ২১খন, Minority এলেকাত হব। ভাৰত চৰকাৰে এইটোও Sanction দিছে। গোটেই বিষয়টো হৈছে, উন্নতি হৈছে, As per guideline, Government of India কাৰণ এই পইচাটো সম্পূৰ্ণ Transparent হৈ থাকেটো, Scholarship ৰ উন্নয়নলৈকে গতিকে DC ক Responsibility এই কাৰণে দিব লাগিব, DC হল Nodel Officer গতিকে DC ক এইটোৰ ক্ষেত্ৰত Government of India ৰ guideline, মতে DC is notified as the Nodel Officer. DC যেতিয়া Nodel Officer হৈ থাকে তেতিয়া এই পইচাখিনিৰ সদ ব্যৱহাৰ হয়।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া মাননীয় সদস্য মাজেন্দ্ৰ নাৰ্জাৰী ।

**শ্ৰী মাজেন্দ্ৰ নাৰ্জাৰী** (মাননীয় সদস্য, গোসাইগাওঁ) ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ কোকৰাঝাৰ জিলাৰ ৪খন Development Block আছে, ইয়াৰ ভিতৰত ৩খনত Minority Block হিচাপে ইতিমধ্যে কাম চলি আছে। কিন্তু এটা Block চিঠাগুৰি Block বুলি কয় সেইটো এতিয়া লৈকে Minority Block হিচাপে ঘোষণা হোৱা নাই। প্ৰায় ৫০ শতাংশ Minority, কি হব আমাৰ কোকৰাঝাৰ DC ক সেই বিলাক আলোচনা কৰি এটা প্ৰপোজেল পঠোৱা বুলি গম পাওঁ। কিন্তু আজিলৈকে সেই Block টো Minority Block হোৱা নাই। আৰু দ্বিতীয়তে, হাতীধুৰা Block,সেইটো Minority Block হিচাপে আছে, তাতে কাম হয়, যিহেতু সেইটোৰ প্ৰশাষনিক কাম কাজ চলাই কোকৰাঝাৰ DC য়ে তেখেতৰ যোগেদি আঁচনি বিলাকImplement হয়। এই কাৰণে যিটো ধুবুৰী এলেকাত পৰিছে, হাতীধুৰা Block ত সেইটো এতিয়াও মানে Deprive হৈ আছে। আগতেও সেই কথাটো বিধান সভাত উত্থাপন কৰিছিলো। তেতিয়া কলে DC ৰ পৰা প্ৰপোজেল আহে, তেনেহলে সেইটো সাঁমৰি লোৱা হব, কিন্তু আজিলৈকে সেইটো সাঁমৰি লোৱা হোৱা নাই। সেই এলেকা বিলাক যাতে Deprive নহয়, ৮০ শতাংশ Minority এলেকা সেই অঞ্চলত আছে।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সেইটো DC ৰ পৰা কি ৰিপোৰ্ট আহিছে, সেই ৰিপোৰ্টটো আমি চাই লম আৰু চাই লৈ যদি সঁচাকৈ মাননীয় সদস্যই কোৱা মতে হয়, গতিকে DC য়ে যদি ৰিপোৰ্ট সেইমতে দিছে, আমি ভাৰত চৰকাৰলৈ প্ৰেৰণ কৰিম।

**মাননীয় অধ্যক্ষ** ঃ It should also be included. Now Question No.225 মাননীয় সদস্য ৰণোজ পেগু।

**শ্ৰী নৱ কুমাৰ দলে (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত আছে।

**শ্ৰী ৰণোজ পেগু (মাননীয় সদস্য, ধেমাজী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰ মই পাইছো, উত্তৰ সন্তোষজনক ।ইয়াত মোৰ নিৰ্দিষ্ট প্ৰশ্ন আছিল , Rationalization অংগনবাদড়ী

সম্পৰ্কে প্ৰশ্নটো উত্থাপন কৰাৰ কাৰণ আছে, আমি দেখিছো বহু অঞ্চলত একেটা চুবুৰীত দুটা অংগনবাড়ী কেন্দ্ৰ আছে আৰু এনেকুৱা বহু গাওঁ আছে য'ত এটা অংগনবাদড়ী কেন্দ্ৰ নাই, বৰ্তমান শিক্ষাৰ ক্ষেত্ৰত গুণোৎসৱে এটা কথা অধ্যক্ষ মহোদয় উন্মোচিত কৰিছে, বহু ভুৱা ছাত্ৰ-ছাত্ৰী আৱিস্কৃত হৈছে, যিমান তথ্য শিক্ষানুষ্ঠান বিলাকে অসম চৰকাৰক দিছিল, স্কুলসমূহত প্ৰকৃতাৰ্থত সিমান ছাত্ৰ-ছাত্ৰী নাই। দ্বিতীয়তে গুণোৎসৱত এইটো কথা ওলাই পৰিছে যে কিছুমান ঠাইত ১কিঃমিঃ ৰ ভিতৰত এটা চুবুৰীতে ২খন বা তাতকৈ বেছি, প্ৰাথমিক বিদ্যালয় আছে, যাৰ কাৰণে শিক্ষা বিভাগে এতিয়া শিক্ষা ক্ষেত্ৰ এখন আঁচনি লৈ ইয়াৰে Rationalise কৰিছে, ঠিক একেধৰণে অংগনবাড়ী কেন্দ্ৰ যত বেছিকৈ আছে, য'ত অংগনাবাড়ী কেন্দ্ৰ নাই, এই ক্ষেত্ৰত কিবা Rationalization কৰিব নেকি? এই প্ৰশ্নটো মই উত্থাপন কৰিছিলো। ইয়াৰ লগত জৰিত হৈ থকা প্ৰশ্ন আছে, সেই প্ৰশ্নটো হল, যে আমাৰ শিক্ষা ক্ষেত্ৰত অধ্যক্ষ মহোদয়, যেতিয়া আলোচনা অনুষ্ঠিত কৰিছিল, আমাৰ প্ৰাথমিক বিদ্যালয় সমূহত বিশেষকৈ মাতৃ ভাষাৰ প্ৰাথমিক বিদ্যালয় সমূহ এটা সংকটত পৰিছে, যে তেওঁলোকৰ তাত ৬বছৰ পাছত "ক" শ্ৰেণীটো নথকাৰ কাৰণে মাক দেউতাকে ল'ৰা-ছোৱালীএতিয়া স্কুললৈ নপঠাই। ৬বছৰলৈ কোনো ৰৈ নাথাকে। স্কুললৈ ছাত্ৰ-ছাত্ৰী পঠিয়াবৰ কাৰণে এতিয়া প্ৰাক প্ৰাথমিক শিক্ষাটো প্ৰাথমিক বিদ্যালয়ত নাই। আমাৰ বহু অংগনবাড়ী কেন্দ্ৰ প্ৰাক প্ৰাথমিক বিদ্যালয়ৰ লগত চলি আছে, তেওঁলোক এটা Advantagious Position চলিছে, যিহেতু আমাৰ চৰকাৰখনে Concurrence ৰ কথা কৈছে, মন্ত্ৰী মহোদয়ৰ পৰা আপোনাৰ জৰিয়তে জানিব বিচাৰিম, যে অংগনাবাদী কেন্দ্ৰ আৰু প্ৰাথমিক বিদ্যালয় সমূহ সকলো ঠাইতে সেই বিলাকক কৰি দিয়াৰ কোনো আঁচনি চৰকাৰে লৈছে নেকি? যাতে প্ৰাথমিক বিদ্যালয় বিলাক যিটো সমস্যা চলি আছে, যে প্ৰাক প্ৰাথমিক শিক্ষাৰ কোনোৱা পাঠ দানৰ কোনো ব্যৱস্থা নাই। সেই সমস্যাটো সমাধান কৰিম। তৃতীয় এটা কথা মই জানিব বিচাৰিম, যে এতিয়া Concurrent ৰ কাৰণে আমাৰ মহাত্মাগান্ধী National Rural Employment Gurantee Act.ৰ অধীনত অংগনাবাড়ী কেন্দ্ৰ সমূহ নিৰ্মাণ কৰাটো Permissible work হৈছে, এইটো বনায় থকা হৈছে, কিন্তু অংগনবাড়ী কেন্দ্ৰ যিটো ঘৰ বৰ্তমান আমাৰ গাওঁ অঞ্চল বিলাকত আছে, এইটো একেবাৰে সৰু আৰু বিধস্থ অৱস্থা। এনে স্থলত মই মাজত শুনিবলৈ পাইছিলো, যে অংগনবাড়ী কেন্দ্ৰৰ কাৰণে নতুন ঘৰৰ আৰ্হি আৰু পৰিকল্পনা অসম চৰকাৰে প্ৰস্তুত কৰিছে। এই কথাটো সঁচা নেকি মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো, যে অংগনবাড়ী কেন্দ্ৰৰ কাৰণে ঘৰৰ নতুন আৰ্হি অসম চৰকাৰে গ্ৰহণ কৰিছে নেকি ?

**শ্ৰী নৱ কুমাৰ দলে (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, প্ৰাথমিক বিদ্যালয় আৰু অংগনবাড়ী কেন্দ্ৰ সমূহৰ সংযোজন কৰাৰ পৰিকল্পনা এতিয়া লৈকে সমাজ কল্যান বিভাগৰ লোৱা হোৱা নাই । যিহেতু বিষয়টো মাননীয় সদস্য গৰাকীয়ে উত্থাপন কৰিছে, আৰু বিষয়টো চালি জাৰি চোৱাৰ এটা বিষয়। গতিকে এই বিষয়টো আমি পৰীক্ষা কৰি চাম। দ্বিতীয় কথাটো হল অংগনবাড়ী কেন্দ্ৰ সমূহ আগতে নিৰ্মাণ কৰাৰ ব্যৱস্থাটোত প্ৰথমে ১লাখ২৫ হাজাৰ টকাৰ ঘৰ আছিল। তাৰ পিছত ১লাখ ৭৫হাজাৰ টকীয়া ঘৰ আহিলে, তাৰ পিছত ৪লাখ ৫০হাজাৰ টকাৰ ঘৰ সমূহ নিৰ্মাণ কৰি থকা হৈছিলে। যোৱা বছৰৰ পৰা আমি MGNREGA ৰ ৫লাখ টকা, ২ লাখ টকা সমাজ কল্যান বিভাগৰ দ্বাৰা মুঠ ৭লাখ টকাকে অংগনবাড়ী কেন্দ্ৰ গৃহ সমূহ নিৰ্মাণৰ বাবে ৫হাজাৰ ঘৰ আমি নিৰ্ধাৰণ কৰিছিলো আৰু ইতিমধ্যে তাৰে ১হাজাৰ ঘৰৰ কাম আৰম্ভ কৰিছে আৰু এই ঘৰ সমূহৰ আৰ্হি সমূহ আগৰ

ঘৰ সমূহতকৈ ডাঙৰকৈ কৰাৰ ব্যৱস্থা কৰা হৈছে।

**শ্ৰী ৰনোজ পেগু ঃ** माननीय অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো বিবেচনা কৰাৰ প্ৰতিশ্ৰুতি দিয়াৰ কাৰণে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, এতিয়া কাৰোবাৰ Supplementary আছে নেকি? এতিয়া দাস ডাঙৰীয়া আপুনি কওঁক।

**শ্ৰীগুণিন্দ্ৰ নাথ দাস (বৰপেটা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰো যে আজি কিছু বছৰ আগতে অঙ্গনবাড়ীৰ সহায়ক Supervisor নিযুক্তি দিয়া হৈছিল, তেওঁলোকৰ চাকৰি এতিয়াও নিয়মীয়াকৰণ কৰা হোৱা নাই, সেইটো নিয়মীয়াকৰণ কৰিব নেকি? আৰু আমাৰ বৰপেটা সমষ্টিৰ গোমাপুৰ পাৰত যিটো CDP ও ৰ কেন্দ্ৰ আছে তেওঁলোকে আজিলৈকে কোনো এখন Vigilance Committee দিয়া নাই, কিয় দিয়া নাই? এই কথাটো মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** এইটো এটা বেলেগ প্ৰশ্ন হব। মন্ত্ৰী ডাঙৰীয়া আপোনাৰ দাটা আছে জানো?

**শ্ৰী নৱ কুমাৰ দলে, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিহেতুকে আমাৰ চৰকাৰ খনে দায়িত্ব লোৱাৰ পিছতে প্ৰায় ৯৫০ বা তাৰে ওচৰা-ওচৰি এনে ধৰণৰ Supervisor নিয়মীয়া কৰণৰ বিষয়টো আমাৰ দৃষ্টি গোচৰ হৈছিলে আৰু এই বিষটো আমি কেবিনেটতো আলোচনা কৰিছো আৰু বিষয়টো আমি মানবীয়তাৰ দৃষ্টি ভঙ্গিৰে চোৱাৰ বাবে ইতিমধ্যে চিন্তা কৰি আছো। দ্বিতীয়তে, ভিজিলেঞ্চ কমিটিৰ কথাটো ইতিমধ্যে আমি বিভিন্ন পৰ্য্যায়ত Vigilance Committee গঠন কৰাৰ প্ৰক্ৰিয়া বিভাগে নিৰ্দেশনা দিছে, যদি আপোনাৰ তাত হোৱা নাই এই বিষয়টো আমি চাম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া ৰচিদ আলম।

**শ্ৰীআবুল কালাম ৰচিদ আলম ঃ** অধ্যক্ষ মহোদয়, বিভিন্ন অঙ্গনবাড়ী কেন্দ্ৰ বিলাকত আমাৰ ওৱাৰ্কাৰ বিলাক হয়তো বিয়া হৈ বেলেগ ঠাইলৈ গৈছে, নহলে কিছুমানে মৃত্যুবৰণ কৰিছে, সেই পদবোৰ এনেই পৰি আছে, অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যিবিলাক পদ খালি হৈ আছে সেইবোৰ অতি কম দিনৰ ভিতৰত fill up কৰিব নেকি? আৰু যদি ফিলাক কৰে সেইটো কেনেকুৱা প্ৰক্ৰিয়াৰে হব?

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। ধন্যবাদ।

**শ্ৰী নৱ কুমাৰ দলে, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, সমগ্ৰ অসমতে অঙ্গনবাড়ী কৰ্মী আৰু সহায়িকাৰ পদ সমূহৰ প্ৰায় ১০ হাজাৰৰ ওচৰা-ওচৰি পদ খালী হৈ আছে। এই পদ সমূহ পূৰণৰ বাবে আমি বিভাগে ইতিমধ্যে ব্যৱস্থা আৰম্ভ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** শেষত সঞ্জয় কিশান, তাৰ পিছত আৰু নাই।

**শ্ৰী সঞ্জয় কিশান ঃ** অধ্যক্ষ ডাঙৰীয়া, চাহ-বাগিচা বোৰত যথেষ্ট অঙ্গনবাড়ী কেন্দ্ৰৰ অভাৱ। অধ্যক্ষ ডাঙৰীয়া আমি জানো যে শ্ৰমিক সকলে ৰাতিপুৱাতে তেওঁলোকৰ লৰা-ছোৱালী খিনিক এৰি কামলৈ যায়। সেই কাৰণে আমি ভাবিছো যে চাহ-বাগিচা বিলাকৰ যিবিলাকত অঙ্গনবাড়ী কেন্দ্ৰ নাই, তাৰ এটা উপযুক্ত চাৰ্ভে কৰি ল'ৰা-ছোৱালী অনুসৰি অঙ্গনবাড়ী কেন্দ্ৰ কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** চাহ-বাগানত অতিৰিক্ত অঙ্গনবাড়ী কেন্দ্ৰৰ প্ৰয়োজন হোৱাৰ কথাটো কৈছে। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী নৱ কুমাৰ দলে, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো আমি বিবেচনা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, মই পৰৱৰ্ত্তী প্ৰশ্নলৈ যাম। তাৰ আগতে এটা কথা মন্ত্ৰী ডাঙৰীয়াকময়ো

জনাব বিচাৰো, যিটো ৰনোজ পেগুৱে কৈছে। আমাৰ ৬ বছৰ বয়সলৈকে লৰা-ছোৱালী বিলাকক নামভৰ্তী নকৰাৰ কাৰণে It is a major cause। আমি আগতে পঢ়ি থাকোতে ক, খ শ্ৰেণী আছিল, আজিকালি সেইটো ক, খ শ্ৰেণী এতিয়া অঙ্গনবাড়ী লৈ গুচি গ'ল। সেইবাবে এইটো খুব গুৰুত্ব সহকাৰে ললে ভাল পাম আৰু আমিও দৰকাৰ হলে সহায় কৰিম। মই এই কথাটো কৈছো।

**শ্ৰী গুৰুজ্যোতি দাস ঃ** অধ্যক্ষ মহোদয়, মোৰ সমষ্টিটো বহুকেইটা অঙ্গনবাড়ী কেন্দ্ৰ আছে, কিন্তু তেওঁলোকৰ মাটি নাই। ওচৰতে এল পি স্কুল আছে, সেই এল পি স্কুল বিলাকতে এইটোৰ ব্যৱস্থা কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, আপোনাৰ কথাটো বেলেগ এটা। Please sit down. Policy ৰ কথা কৈছো, আমাৰ অসমীয়া মাধ্যমৰ স্কুল বিলাকত ৬ বছৰ বয়সৰ পৰাহে নামভৰ্তী কৰিব দিয়ে। সেইকাৰণে স্কুলবিলাকত আমাৰ প্ৰাক-প্ৰাথমিকটো নথকাৰ বাবে অঙ্গনবাড়ী হোৱাৰ কাৰণে চৰকাৰেটো দুটা কৰিব নোৱাৰে। কিবা এটা চিন্তা কৰিব খুজিছে এইটো খুব ভাল কাম কৰিছে আৰু আপোনাৰ মাটিৰ কথাটো চাব, মই কথাটো জাষ্ট এনেই কৈছো, এইটো এটা সকলো মানুহে বিচৰা বিষয়। এতিয়া প্ৰশ্ন নং ২২৬ । শ্ৰীথানেশ্বৰ বসুমতাৰী, আছে নে? অহা নাই। গতিকে প্ৰশ্নটো pass হব এতিয়া। তেওঁ কাকো দি থৈ যোৱা নাই। এতিয়া প্ৰশ্ন নং ২২৭, শ্ৰীশ্বেৰমান আলী আহমেদ।

**শ্ৰী পল্লৱ লোচন দাস, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰীশ্বেৰমান আলী আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো আছে How many families have been rendered homeless due to Erosion during the last flood in Baghbar LAC ? মন্ত্ৰী মহোদয়ে উত্তৰ দিলে ৫৩৮ টা পৰিয়ালৰ। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, Unstarred Question টোৰ এই প্ৰশ্নটো আছিলে যে same question, How many Dwelling Houses at the domestice Baghbar LAC, both under Baghbar and Kalgachia Revenue Circle ইয়াত মাননীয় অধ্যক্ষ মহোদয়, উত্তৰটো আছিলে যে ৬১৬ আৰু ৭৫৩ অৰ্থাৎ 1368 Dwelling Houses damage হোৱা বুলি ১১ চেপ্তেম্বৰত উত্তৰ দিছিল। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, এতিয়া একেই সদনত দিয়া উত্তৰ একেই Dwelling Houses কেনেকৈ কমি গ'ল। ৫৩৮ টা কেনেকৈ হ'ল ১৩৬৮ ৰ ভিতৰত। গতিকে মাননীয় অধ্যক্ষ মহোদয়, মই অনুৰোধ জনাব বিচাৰিছো যে অতি সোনকালে এই ধৰণৰ তথ্যৰ বিসংগতি যাতে নহয় এই ক্ষেত্ৰত অতি সোনকালে এটা অনুসন্ধান কৰি যাতে বাকী মানুহখিনি এই পবিত্ৰ সদনত দিছে ১৩৬৮, বাকী মানুহখিনিকো যাতে compensation দিয়াৰ ব্যৱস্থা কৰা হয়।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী পল্লৱ লোচন দাস, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি যিখিনি তথ্য আহৰণ কৰিছিলো তাত আমি লিখিছিলো যে মাননীয় উপায়ুক্ত সকলৰ পৰা আমি এই তথ্যখিনি আহৰণ কৰিছিলো আৰু আমাৰ মাননীয় সদস্য শ্বেৰমান আলী আহমেদ ডাঙৰীয়াই যিটো বিষয় আমাক অৱগত কৰিছে নিশ্চিত ভাৱে এই বিষয়টো পৰ্য্যালোচনা কৰি যি বিহীত পদক্ষেপ গ্ৰহণ কৰিব লাগে, আমি পদক্ষেপ গ্ৰহণ কৰিম।

**শ্ৰীশ্বেৰমান আলী আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ আৰু এটা বিষয় আপোনাৰ যোগেদি দৃষ্টিগোচৰ কৰিব বিচাৰিছো ইয়াত, Damage Houses মানে Erosion ত যিবোৰ গৃহহীন

হৈ যিখিনি ঘৰ-বাৰী দেমেজ হ'ল, ক্ষতি হ'ল সেইখিনি ক্ষতি পূৰণ দিয়াৰ ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে এটা আশ্বাস দিছে, বাঘবৰ এল এ চি ৰ, ইয়াতে দেখা গৈছে হাত বুলি এটা কলম আছে, তিনিটা colum আছে, Pucca House, Kutcha House and partially damaged আৰু এটা Huts। মাননীয় অধ্যক্ষ মহোদয়, SDRF ৰ guide line ত স্পষ্টভাৱে Huts definition লিখা আছেIt should be made of mud and vast as and should be temporary in nature. মানে আছে ২ মাহ, ৩ মাহ পিছত আকৌ সলনি হৈ যাব। মাননীয় অধ্যক্ষ মহোদয়, বাঘবৰ সমষ্টিত কোনো Huts নাই। এইটোত general Jupuri Slum areas ত থাকে, আজি ইয়াত আছে কালি তাত যাব, যা-যাবৰৰ দৰে। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, Slum areas Huts বুলি দেখুৱাইছে মেক্সিমাম ঘৰৰ। এইটো এটা বিসংগতি, মই আগতে উল্লেখ কৰিছিলো। গতিকে মাননীয় অধ্যক্ষ মহোদয়, এই ধৰণৰ বিসংগতি যাতে নহয় এই Beneficiary খিনিক Deprived কৰা হৈছে, মাত্ৰ ৩২০০.০০ টকা দিয়া হৈছে। অথচ যিবোৰে Huts দেখুৱাইছে সেইবোৰৰ টিন পাত আছে, চি চি পোষ্ট আছে, নিয়ম মতে এইটো পাক্কা হাউচ হব লাগেas per definition of pucca house, where there is CI Sheet, where there is pucca post then it is pucca house । সেই ঘৰ বোৰটো অন্যায় ভাৱে..... বুলি দেখুৱাই মাত্ৰ ৩ হাজাৰ টকা দিয়া হৈছে। এইটো বহুত খেলিমেলি হৈছে। তাৰ কাষৰ ঘৰ এটাত একে category।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, আপুনি এটা দৰকাৰী কথা কৈছে। সেই নামবিলাক আপুনি মন্ত্ৰী ডাঙৰীয়াক দি দিব। দি দিলে তেখেতে এটা enquiry কৰিম বুলি কৈছে, মই ভাৰিছো তেনেকৈ কৰিলে ভাল হব।

**শ্ৰীশ্বেৰমান আলী আহ মেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো DC য়ে already order. দিলে, সেইটো enquiry কৰি সংশোধন কৰি যাতে ব্যৱস্থা লয়।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী পল্লৱ লোচন দাস, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি এইবাৰ ইতিমধ্যে এটা পদক্ষেপ লব বিচাৰিছো, যে আমাৰ যিহেতু DDM ৰ যি খন সভা হয়, সেই DDM ৰ সভাত আপোনালোকে গোটেই বিষয়খিনি তাতে পৰ্য্যালোচনা কৰে যে কিমান ক্ষয় ক্ষতি হৈছে আৰু ক্ষয় ক্ষতিৰ আপোনালোকে বিভাগ অনুসৰি তাত আপোনালোকে যিখন সভা কৰে সেই সভাৰ যিখিনি প্ৰতিবেদন থাকে, আপোনালোকে আমালৈ পঠিয়াই আৰু আমি বিভাগৰ ফালে এই ব্যৱস্থা গ্ৰহণ কৰো। সেই কাৰণে আমি এইবাৰ আৰু উপায়ুক্ত সকলক এইটো নিৰ্দেশ দিয়াৰ কাৰণে আমি পদক্ষেপ লম, যে আমি খুব সোনকালে সেই DDM ত আপোনালোকে এই যিখিনি বিষয় কোনখিনি Huts হয় বা কোনখিনি নহয়, কাৰণ as per report of DC আমি গোটেইখিনি বস্তু চাম আৰু তাত Circle Officer, লাট মণ্ডল আৰু গাওঁবুঢ়াই গোটেই বস্তুটো কৰে, সেই কাৰণে মাননীয় সদস্য গৰাকী তেওঁ DDM ৰ সদস্য এগৰাকী সেই কাৰণে আপুনি যদি সেই বিষয়খিনি তাতে যদি আলোচনা কৰি তাৰপৰা যদি আমাক এটা proposal দিয়ে যে আমাৰ ইয়াত কোনো তেনেকুৰা Huts নাই। আমাৰ যি proposal যেনেকে আহে আমি তেনেকে আপোনালোকক অনুমোদন দিব পাৰিম। আপুনি যিহেতু specific এই বিষয়টো কৈছে, নিশ্চিত ভাৱে বৰপেটাৰ উপায়ুক্তৰ লগত আমি এই বিষয়টো আলোচনা কৰি যি ধৰণৰ পদক্ষেপ লব পৰা যায় আমি গ্ৰহণ কৰিম।

**শ্ৰীশ্বেৰমান আলী আহ মেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই just এটা point সংশোধন কৰিব বিচাৰিছো, যিহেতু already sanctioned দিছে।

**মাননীয় অধ্যক্ষ ঃ** This subject will be reviewed.

**শ্ৰীশ্বেৰমান আলী আহ মেদ ঃ** দ্বিতীয়তে ডি ডি এমৰ যিটো কথা কৈছে আমাক অকল ডি চি বোৰে ইমানটা হাউচহে দেমেজৰ list দিছে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, আপুনি এতিয়া এটা satisfied হৈছে তেওঁ review কৰিম বুলি কৈছে you should satisfied for that.

**শ্ৰী ভূবন পেগু ঃ** মাননীয় অধ্যক্ষ মহোদয়, চাপ্লিমেন্টৰি এটা আছিলে। ইয়াত SDRF ৰ 10% যি allocation আছে, Total Budget Central Government ত।

**মাননীয় অধ্যক্ষ ঃ** আমাৰ ২ মিনিট আছে, প্লিচ।

**শ্ৰী ভূৱন পেগু ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ গড়া খহনীয়া, ধুমুহা, লাইটিং এনেকুৱা বিষয়বোৰত অকল ১০ শতাংশ use কৰিব বুলি কৈছে। তাৰ মানে এতিয়া ৫০০ বা কিমান কোটি টকা যদি আছে তাৰ অকল ১০ শতাংশ হলে ৫০ কোটি টকা হব।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ প্ৰশ্নটো ।

**শ্ৰী ভূৱন পেগু ঃ** প্ৰশ্নটো হ'ল অসম এনেকুৱা এখন ৰাজ্য য'ত খহনীয়াটো খুব বেছি। প্ৰত্যেক বছৰে। প্ৰশ্নটো হ'ল এই ১০ শতাংশ টো Ministry of Home Affairs ৰ লগত আলোচনা কৰি এইটো ৩০ বা ৪০ শতাংশ কৰিব পৰা যায় নেকি?

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী অশ্বিনী কুমাৰ সৰকাৰ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱীৰী, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী অশ্বিনী কুমাৰ সৰকাৰ ঃ** চৰকাৰে Nodal Office নিযুক্ত কৰি আচঁনি সমূহ সোনকালে কাৰ্য্যকৰী কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। Minister Please.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, এইটো ব্যৱস্থা লোৱাৰ কাৰণে ইতিমধ্যে ডি চি সকলক কোৱা হৈছে আৰু ইয়াত আমাৰ প্ৰায় ৩৩০ লাখ টকাৰ চাৰিটা পথ নিৰ্মাণৰ ব্যৱস্থা হাতত লোৱা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** এইখিনি ঠিকে আছে। কিন্তু তেওঁ Nodal Agency এটাৰ কথা কৈছে। সেইটো আমি পিছত আলোচনা কৰিম।

এতিয়া Point of Order শ্ৰী শ্বেৰমান আলী আহমেদ।

**শ্ৰী শ্বেৰমান আলী আহমেদ ঃ** প্ৰশ্ন নং ২২৪. মাননীয় বিধায়ক শ্ৰী ৰূপজ্যোতি কুৰ্মীয়ে সুধিছিল ২০১৬-১৭ আৰু ২০১৭-১৮ ৰ fund allocation সম্পৰ্কে। মাননীয় অধ্যক্ষ মহোদয়, এই যিকেইটা attempt দেখুৱাইছে Director of Char Areas Development, Distribution of Tractor, power tiller etc.এই attempt বোৰ আচলতে ২০১৫-১৬ৰ বাজেটহে। ২০১৬-১৭ ৰ বাজেটৰ নহয়।

**মাননীয় অধ্যক্ষ ঃ** মই এইটো চাই লৈ আপোনাক জনাম। ৰঞ্জিত দাস আপোনাৰ Point of Order টো ক'ব।

**শ্ৰী ৰঞ্জিত দাস ঃ** অধ্যক্ষ মহোদয়, এই বিধান সভাত কিছুদিন আগতে মাননীয় বিধায়ক শ্ৰী শ্বেৰমান আলী ডাঙৰীয়াক কিছু প্ৰশ্নৰ বিতৰ্কৰ কাৰণে এদিনৰ কাৰণে বিধান সভাৰ পৰা বহিষ্কাৰ কৰিলে।

তাৰ পিছত সেই বাঘবৰ সমষ্টিত কিছু দুস্কৃতিকাৰীয়ে অধ্যক্ষৰ প্ৰতিমূৰ্ত্তি তাত দাহন কৰিছে। মোৰ কথাটো হ'ল য়ে, আজিJudicial এ যদি কিবা ৰায় দিয়ে Suprem Court ৰ Chief Justice বা High Court ৰ Chief Justice ৰ প্ৰতিমূৰ্ত্তি কেতিয়াও দহন নকৰে। গতিকে আমাৰ বিধান সভাৰ অধ্যক্ষৰ পদটো যিহেতু এটা সন্মানীয় পদ তেওঁৰ নামত যদি কোনোৱাই পুত্তলিকা দাহন কৰে তাৰ বাবে বিহিত ব্যৱস্থা কি আছে মই জানিব বিচাৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** I left it to the wisdom of Hon'ble Members. Whether it is a wrong or right thing.

এতিয়া শ্ৰী সাহাব উদ্দিন আহমেদ , আপোনাৰ কি Point of Order আছে কওঁক।

**শ্ৰীচাহাব উদ্দিন আহমেদ ঃ** অধ্যক্ষ মহোদয়, মই এটা প্ৰশ্ন আনিছিলো। Unstarred ত সংখ্যালঘুৰ উন্নয়ণৰ সম্পৰ্কে। প্ৰশ্ন নং ৫৪৮ Unstarred. মই প্ৰশ্নৰ উত্তৰত সন্তুষ্ট নহয়।

**মাননীয় অধ্যক্ষ ঃ** মিনিষ্টাৰ ডাঙৰীয়া, তেওঁ কৈছে প্ৰশ্ন নং ৫৪৮ Unstarred উত্তৰত বিসংগতি আছে। আপুনি চেক কৰি তেওঁৰ লগত বিষয়টো আলোচনা কৰি solve কৰি ল'ব।

এতিয়া শ্ৰী আব্দুল খালেক আপোনাৰ Point of Order টো কওক।

**শ্ৰী আব্দুল খালেক ঃ** অধ্যক্ষ মহোদয়, মোৰ এটা প্ৰশ্ন আছিল। প্ৰশ্ন নং ৫৪৫। ইয়াতে চৰকাৰে কিছু তথ্য দিলে যে, Welfare of Minority & Development ত কি কি কাম হৈছিল। Welfare of Minority ত Assam Minorities Finance and Development Corporation ও পৰে, Assam State Hajj Committee, Assam Linguistic Minority Development Board আৰু Hajj Committee ও পৰে। এইবোৰত কি কি কাম হৈছে সেইবোৰ উল্লেখ হোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নবোৰ কেনেদৰে কৰিব লাগে অআপোনালোকে চাই ল'ব। আপুনি কোৱাৰ দৰে ভাগ ভাগকে প্ৰশ্নবোৰ শুধিলে তেওঁৰ উত্তৰটো দিবলৈ সুবিধা হয়। In details Answer আনিব লাগিলে আপুনি details question আনিব লাগিব। এতিয়া শ্ৰী চুজাম উদ্দিন লস্কৰ ।আপোনাৰ Point of Order টো কওক।

**শ্ৰীচুজাম উদ্দিন লস্কৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম মিজোৰাম সীমান্তৰ বিষয়টো কব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** This is not a point of order. please sit. I will allow you tomorrow.

**সদনত মাননীয় অধ্যক্ষৰ উপদেশ মৰ্মে মাননীয় সদস্য/সদস্যা সকলৰ মাজত টেবলেটৰ (Electronic Device) বিতৰণ চলিত ।**

**মাননীয় অধ্যক্ষঃ** Minister please.

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মন্ত্ৰী, বিত্ত ইত্যাদিঃ**

শুভম কৰোতি কল্যাণম
আৰোগ্যম ধন-সম্পদা।।
শত্ৰু বুদ্ধি বিনাশয়
দীপজ্যোতি নমস্তুতে।।

এই পৱিত্ৰ মন্ত্ৰটি উচ্চাৰণ কৰি পৰম পূজ্য ঈশ্বৰৰ প্ৰতি প্ৰণিপাত জনাই মই আপোনাৰ সন্মুখত আৰু এই পৱিত্ৰ সদনত ২০১৮-১৯ বৰ্ষৰ আয় আৰু ব্যয় সম্বন্বিত বাৰ্ষিক বিত্তীয় বিৱৰণ উত্থাপন কৰিবলৈ আগবাঢ়িছো-

১) এই পৱিত্ৰ সদনৰ মোৰ সহযোগী মন্ত্ৰী বিধায়ক সকল আৰু ৰাজ্যৰ জনতাৰ সন্মুখত থিয় হৈ আজি মোৰ মনত পৰিছে বেঞ্জামিন ফ্ৰেংকলিনৰ এষাৰ উক্তি- 'সংবিধানে জনতাক সুখৰ সন্ধান কৰিবলৈহে অধিকাৰ দিয়ে, সেই সুখ মানুহে বৰণ কৰি ল'ব লাগিব নিজেই।'

২) আমাৰ চৰকাৰে শ্ৰী সৰ্বানন্দ সোণোৱাল দেৱৰ পাৰদৰ্শী আৰু প্ৰাণৱন্ত নেতৃত্বত ২০১৬ চনৰ মে' মাহত জাতি-মাটি আৰু ভেটিৰ মন্ত্ৰৰে দীক্ষিত হৈ এই ৰাজ্যৰ জনতাৰ সুখ সমৃদ্ধি আৰু সন্মান ৰক্ষাৰ বাবে শপত লৈছিল। বিনম্ৰতাক সাৰথি কৰি আৰু সু-প্ৰশাসনৰ জৰিয়তে এখন বিকশিত অসম গঢ়ি তোলাৰ মহৎ উদ্দেশ্যক নিৰন্তৰ সাধনা কৰিবলৈ আমি আমাৰ কাম আৰম্ভ কৰিছিলো।

৩) ২০১৬ চনৰ ২৬ জুলাইত আমি পৰিৱৰ্তনৰ এই যাত্ৰা আৰম্ভ কৰিছিলো। সেই সময়ত মই উল্লেখ কৰিছিলো যে গণতন্ত্ৰত পৰিৱৰ্তন একেদিনাই সম্ভৱ নহয়। তৎসত্বেও ২০১৮ চনৰ আজিৰ দিনটোত আমাৰ চৰকাৰ তথা মই গৌৰৱেৰে ঘোষণা কৰিব পাৰোঁ যে অসমৰ ৰূপান্তৰৰ এই যাত্ৰাত ৰাজ্যখনৰ সকলো সম্ভাৱনাক কাৰ্য্যত পৰিণত কৰি এখন প্ৰাণৱন্ত আৰু স্পন্দনশীল ক্ষেত্ৰলৈ ৰূপান্তৰৰ প্ৰক্ৰিয়াত আমি সঠিক বাটেৰে আগবাঢ়িছো। মাননীয় প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই যেতিয়া ভাৰতে জগতগুৰুৰ ৰূপত বিশ্বৰ নেতৃত্ব বহন কৰাৰ স্বপ্ন দেখে, তেতিয়া তেওঁ স্বামী বিবেকানন্দৰ সেই বাণীক প্ৰতিফলিত কৰে যি, বাণীত জগতগুৰুৰ ৰূপত বিশ্বৰ নেতৃত্ব বহন কৰাটো ভাৰতৰ পূৰ্ব নিৰ্দ্ধাৰিত নিয়তি বুলি স্বামী বিবেকানন্দই ঘোষণা কৰি গৈছে। এই স্বপ্নৰ সৈতেই কেৱল যোগ দিব খোজোঁ যে ভাৰতবৰ্ষৰ আন আন ৰাজ্যসমূহৰ মাজত অসমৰ যি অতীত গৰিমা আছিল তাক ওভতাই অনাৰ পথত আমি খোজঁ দিছো। মোৰ দৃঢ় বিশ্বাস আৰু অনুভৱ যে সুশাসন (Good Governance),অৰ্থনৈতিক বিকাশ (Economic Development), মানৱ উন্নয়ন সূচ নাংক (Human Development Indicators) আৰু সামগ্ৰিক সুখানুভূতি (Happiness Quotient) সূচকৰ ক্ষেত্ৰত ভাৰতৰ প্ৰথম পাঁচখন ৰাজ্যৰ ভিতৰত সগৌৰৱে থিয় হ'বলৈ অসমক সৰহ দিন নালাগিব।

**৫.** মোৰ প্ৰথমখন বাজেট উৎথাপন কৰোতে, মই পৰিৱৰ্তনৰ কথা উল্লেখ কৰিছিলো। ইয়াৰ ভিতৰত এটা অতি গুৰুত্বপূৰ্ণ পৰিৱৰ্তন আছিল আমাৰ চৰকাৰৰ অহংশূন্যতা অথবা নম্ৰতা। অতীতৰ কোনো কীৰ্তি-কলাপ অথবা কোনোধৰণৰ পূৰ্ব সংস্কাৰ আৰু ন্যস্তস্বাৰ্থৰ দ্বাৰা পৰিচালিত নহ'বলৈ আমাৰ চৰকাৰে নম্ৰতাৰ আশ্ৰয় লৈছে। আমাৰ ক্ষেত্ৰত প্ৰতিটো প্ৰত্যাহ্বানেই একোটা সুযোগ উদ্ভাৱনশীলতা আৰু জনগনৰ অংশীদাৰিত্ব আমাৰ চৰক্াৰৰ প্ৰশাসনৰ মূল ভেটিৰূপে গ্ৰহণ কৰিবলৈ আমি পণ লৈছো। মই নিশ্চিত কৰিব খোজোঁ আমাৰ চৰকাৰৰ প্ৰশাসনিক ব্যৱস্থাত এই আচৰণ বিধি সদায়ে প্ৰযোজ্য হৈ থাকিব।

**৬.** ২০১৮-১৯ বৰ্ষ ঃ অসম বুৰঞ্জীৰ দুটি গুৰুত্বপূৰ্ণ ঘটনাৰ স্মাৰক শ্ৰীমন্ত শংকৰদেৱৰ সংস্কাৰ আন্দোলন আৰু কৃষকৰ আত্মবলিদান/ অসমৰ জনতাৰ বাবে ২০১৮ বৰ্ষটো ঐতিহাসিক বৰ্ষৰূপে বিবেচিত হৈছে। কিয়নো ১৫৬৮ চনত, আজিৰ পৰা ঠিক ৪৫০ বছৰ আগতে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাই বৈকুণ্ঠলৈ গমন কৰিছিল।

**৭.** মহাপুৰুষ শংকৰদেৱৰ আৱিৰ্ভাৱে পৱিত্ৰ ভূমিত পৰিণত কৰা অসমৰ প্ৰতিজন বাসিন্দাই গুৰুজনাৰ প্ৰতি গভীৰ শ্ৰদ্ধা পোষণ কৰে। কেৱল অসমৰ সাংস্কৃতিক আৰু ধৰ্মীয় ইতিহাসতেই নহয়, সমগ্ৰ

ভাৰতবৰ্ষতে এজন সমাজ আৰু ধৰ্ম সংস্কাৰক ৰূপে, নাট্যকাৰ, পণ্ডিত তথা গুৰুৰূপে মহাপুৰুষজনা পৰিগনিত হৈছে। আমাৰ ৰাজ্যৰ সুন্দৰ সামাজিক গাথনিটো তৈয়াৰ কৰি তেখেতে এই ৰাজ্যক এক সুকীয়া পৰিচয়ৰে পৰিচিত কৰি থৈ গৈছে। মই সেই মহৎ গুৰুজনালৈ প্ৰণিপাত জনাই তেখেতৰ আৰ্শীবাদ ভিক্ষা কৰিছোঁ-

পাৰে পৰি হৰি
কৰহো কাতৰি
প্ৰাণ ৰাখবি মোৰ

মহাপুৰুষ জনাৰ আদৰ্শ আৰু দৰ্শনত প্ৰতিফলিত কেন্দ্ৰীয় প্ৰমূল্যবোধক কেনেকৈ আমি অন্তঃকৰণেৰে গ্ৰহণ কৰিছো তাক মাননীয় সদস্য সকলে এইখন বাজেটৰ পৃষ্ঠাই পৃষ্ঠাই দেখিবলৈ পাব।

**৮.** দ্বিতীয়তে, স্বৈৰাচাৰী ঔপনিবেশিক শাসকৰ বিৰুদ্ধে ভাৰতৰ কৃষক বিদ্ৰোহৰ ইতিহাসত স্মৰণীয় অধ্যায়ৰূপে বিবেচিত পথৰুঘাটৰ কৃষক বিদ্ৰোহে এইটো বৰ্ষতে ১২৫ বছৰ সম্পূৰ্ণ কৰিলে। ব্ৰিটিছৰ স্বৈৰাচৰী শাসন ব্যৱস্থাত ভূমিৰ খাজানা বৃদ্ধি কৰাৰ প্ৰতিবাদ কৰিবলৈ ১৮৯৪ চনৰ ২৮ জানুৱাৰীত সমৱেত হোৱা ১৪০ জন কৃষকক পথৰুঘাটৰ ডাক বঙলাৰ সন্মুখত ঔপনিবেশিক পুলিচে গুলীয়াহ হত্যা কৰিছিল। অন্যায়ৰ প্ৰতিবাদ কল্পে সমবেত হোৱা আৰু জাতীয়তাবাদৰ আবেগক জীয়াই তুলি স্বাধীনতা আৰু আত্মসন্মান ৰক্ষাৰ হকে মাত মতা অসমৰ এই সাহসী কৃষক সকলৰ প্ৰতি মোৰ গভীৰতম শ্ৰদ্ধা নিবেদন কৰিছো। কৃষক সকলৰ এই চৰম ত্যাগে আমাৰ জাতীয় আত্ম বিশ্বাসক প্ৰাণৱন্ত কৰি ৰাখিবলৈ আৰু সৰ্বোচ্চ ত্যাগৰ বিনিময়ত ৰাজ্যবাসীৰ আকাংক্ষা পূৰণ কৰিবলৈ আজিও আমাক অনুপ্ৰাণিত কৰি আহিছে। মোৰ বক্তৃতাৰ পৰৱৰ্তী পৰ্য্যায়ত কৃষক সকলৰ বাবে এক ঐতিহাসিক আঁচনি ঘোষণা কৰাৰ বাবে কিছু সময় আছুতীয়াকৈ ৰখা হৈছে।

**৯.** আমাৰ আকাংক্ষা আৰু দৰ্শনৰ মাজত ৰাজ্যখনৰ সমূহীয়া লক্ষ্যৰাজিক আমি সযত্নে পালন কৰিছো। ৰাজ্যখনৰ প্ৰতিগৰাকী বাসিন্দাক মই এই যাত্ৰাৰ অংশীদাৰ হ'বলৈ আহ্বান জনাব খোজো। এই যাত্ৰাত আমাৰ সকলোৰে কৰণীয় আছে। সকলোৱে যেতিয়া অন্তঃকৰণেৰে নিজৰ নিজৰ দায়িত্ব পালন কৰিব তাৰ সুফলে সকলোকে স্পৰ্শ কৰিব। এই আহ্বান জনাই কবি, গীতিকাৰ ৰূপকোৰঁৰ জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ কবিতাৰ এটি পংক্তিৰে মই এইখন বাজেট ৰাজ্যৰ প্ৰতিগৰাকী বাসিন্দালৈ উৰ্ছগা কৰিব খুজিছোঁ।

ময়েই ভাৰতৰ নবীন সূৰ্য
পূৰ্বাঞ্চলত বজাও তূৰ্য
মোৰ পোহৰৰ গানে
আকাশে, আকাশে, দেশে, মহাদেশে
মুগ্ধ কৰিব আলোক যাত্ৰী
শেষ হ'ব শেষ নোহোৱা ৰাত্ৰি
কৰিব জগত জয়
নবীন সূৰ্য মই।

**১০.** মোৰ প্ৰথমখন বাজেট এনে এটি উদ্দেশ্য আগত ৰাখি প্ৰস্তুত কৰা হৈছিল যাতে এই চৰকাৰখনৰ কাৰ্যক্ৰমণিকাৰ এটি ৰূপৰেখা প্ৰস্তুত কৰিব পৰা যায়। ৰূপান্তৰম আৰু পৰিৱৰ্তনৰ বাৰ্তাৰ সৈতে নীতি আৰু প্ৰশাসনিক কাঠামোটোক একেটা সাঁচতে গঢ়ি তুলিবলৈ আমি সেই বাজেটত যত্নপৰ হৈছিলো। আমি আমাৰ চৰকাৰৰ চাৰিটা মূল স্তম্ভ (১) ব্যক্তি জীৱনৰ সততা, (২) ৰাজনৈতিক

অন্তৰ্ভুক্তিকৰণ, (৩) প্ৰশাসনিক নায্যতা আৰু (৪) জন অংশীদাৰিত্বৰ কথা কৈছিলো। আমাৰ চৰকাৰৰ প্ৰশাসনীয় নীতিৰ ভিত্তি আৰু অনুপ্ৰেৰণাৰ উৎস হৈছে পণ্ডিত দীন দয়াল উপাধ্যায়ৰ একাত্ম মানৱতাবাদ আৰু স্বামী বিবেকানন্দৰ দৰিদ্ৰ নাৰায়ণৰ সেৱাৰ ধাৰণা।

**১১.** ২০১৭-১৮ বৰ্ষৰ বাজেট প্ৰত্যাশা আৰু আকাংক্ষাৰ পৰিৱেশ সৃষ্টিৰ বাবে সকলো পথ মুক্ত কৰি দিলে। এডভাণ্টেজ আছামৰ পৰা গুনোৎসৱলৈকে উপান্ত লোক সকলৰ বিত্তীয় অন্তভুক্তিকৰণৰ পৰা অটল অমৃত যোজনা তথা দুৰ্নীতিৰ বিৰুদ্ধে এই চৰকাৰৰ শূন্য সহনশীলতা আৰু নিৰন্তৰ সৰ্তকতা এই আটাইবোৰেই আমাৰ চৰকাৰৰ কৰ্মসূচী তথা সংকল্প ৰাজিক বাৰম্বাৰ প্ৰতিফলিত কৰিলে।

**১২.** ভাৰতৰ পূণ্যাত্মা আৰু অতি সন্মানীয় প্ৰাক্তন ৰাষ্ট্ৰপতি শ্ৰী এ পি জে আব্দুল কালাম দেৱে কৈছিল ‘ তোমাৰ স্বপ্নবোৰক সাৰ্থক কৰি তোলাৰ আগেয়ে তুমি স্বপ্ন দেখিব লাগিব।’ সেইবাবে মই ২০১৮-১৯ বৰ্ষৰ বাজেট উৎথাপন কৰিব খুজিছো এটি স্পপ্নৰে। সেই স্বপ্ন হৈছে ‘সুজলা-সুফলা, শস্য-শ্যামলা অসম’। এনে এখন বাজেট মই উৎথাপন কৰিব খুজিছো য’ত আছে তিনিটা ধাৰা ঃ- ‘একত্ৰীকৰণ’ঃ যোৱা দুটা বছৰত আমি ৰূপায়ণ কৰা কাৰ্য্যাৱলী আৰু চৰকাৰী নীতিৰ সংযুক্তিকৰণ, ‘সম্প্ৰসাৰণ’ঃ বৰ্তমান চলি থকা কেতবোৰ আঁচনিৰ বিস্তাৰণ আৰু ‘উত্তৰণ’ ঃ কাৰ্য ৰূপায়ণ তথা অনুধাৱনৰ (pursuance) মান উন্নীতকৰণ।

**১৩.** এই স্বপ্নৰ অন্বেষণ কৰিবলৈকে মই এটি ‘টেবলেট’ হাতত লৈ এখন উন্নয়ণমুখী আৰু উচ্চাকাংক্ষী অসমৰ বাবে বাজেট উৎথাপনৰ বক্তৃতা দিছো, যিখন বাজেটত লিংগ বৈষম্যহীনভাৱে তথা সামাজিক

স্থিতিৰ উৰ্দ্ধত সকলো নাগৰিকৰ বাবে থাকিব কেৱল বিকাশৰ কৰ্মসূচী। আজি এই দিনটোত মই আপোনাসৱৰ সন্মুখত ই-বাজেট উপস্থাপন কৰিবলৈ পাই গৌৰৱবোধ কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, প্ৰতিগৰাকী সন্মানীয় সদস্যৰ হাতত একাটাকৈ টেবলেট তুলি দি ই-বাজেট উপস্থাপনৰ ব্যৱস্থা কৰিবলৈ অনুমতি দিয়াৰ বাবে মই আপোনাৰ প্ৰতি অকুণ্ঠ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। এনে এটি পদক্ষেপ লৈ অসমৰ অসম, ই-বাজেট উপস্থাপন কৰা দেশৰ মুষ্টিমেয় কেইখনমান ৰাজ্যৰ সৈতে একেশাৰীতে থিয় হ’বলৈ সক্ষম হ’লো।

**অসম ঃ সুপ্তশক্তি, সম্ভাৱনা আৰু সমৃদ্ধিৰ ক্ষেত্ৰ**

**১৪.** কেৱল দেশৰেই নহয়, বৰং সমগ্ৰ দক্ষিণ আৰু দক্ষিণ - পূব এছিয়াৰ বৃহৎ বাণিজ্যিক ক্ষেত্ৰখনলৈ লক্ষ্য ৰাখি অসমে অৰ্থনৈতিক বিকাশৰ এক বৃহৎ সম্ভাৱনা বহন কৰিছে। এই প্ৰেক্ষাপটত চৰকাৰৰ পূৰ্বাভিমুখী ( Act East) নীতিৰ মধ্যমণি ৰূপে অসম পৰিগণিত হৈছে। এই গভীৰ সম্ভাৱনাৰ পৰিপ্ৰেক্ষিতত স্থলপথ, ৰেলপথ, জলপথ আৰু আকাশী পথেৰে বিশ্বমানৰ যোগাযোগ ব্যৱস্থা স্থাপন কৰিবৰ বাবে ৰাজ্যখনত কেইবাখনো আন্তঃগাথনি উন্নীতকৰণ আঁচনি ৰূপায়ণ কৰাৰ দিহা কৰা হৈছে। অধ্যক্ষ মহোদয়, প্ৰতিখন গাওঁৰ প্ৰতিগৰাকী নাগৰিককে আধুনিক প্ৰযুক্তি আৰু আন্তঃগাথনিৰ সুবিধা উপলব্ধ কৰাবলৈ মোবাইল ফোন আৰু ইণ্টাৰনেট যোগাযোগ ব্যৱস্থা স্থাপন কৰাৰ ওপৰতো আমি গুৰুত্ব দি আহিছো। অসমক তিনিটা ‘স’ (ইংৰাজী বৰ্ণমালাৰ (‘P’) ৰ মংগলময় ক্ষেত্ৰৰূপে প্ৰতিষ্ঠা কৰাৰ বাবে আমাৰ চৰকাৰে বিগত দুটা বছৰত অক্লান্ত পৰিশ্ৰম কৰিছে। সেইকেইটা হৈছে সুপ্তশক্তি ( Potential), সম্ভাৱনা ( Possibility), আৰু সমৃদ্ধি ( Prosperity)।

**১৫.** এইখিনিতে মই সদনৰ ক্ষন্তেক সময় লৈ উভতি যাব খুজিছো সেই সময়লৈ যি সময়ত আমি উত্তৰাধিকাৰী সূত্ৰে লাভ কৰিছিলো ২০১৬ বৰ্ষৰ সময়চোৱা। অধ্যক্ষ মহোদয়, ২০১৬ ৰ ১৪ মে

ত  আমি প্ৰকাশ কৰা ৰাজ্যৰ বিত্তীয় শ্বেতপত্ৰ খনত বিস্তাৰিত ভাৱে মই এই কথা কৈছিলো যে আমাৰ চৰকাৰে উত্তৰাধিকাৰী সূত্ৰে লাভ কৰিছিল এনে এক ব্যৱস্থা য'ত উৎথাপন কৰা হৈছিল এখন স্ফীট বাজেট, কিন্তু বিত্তীয় যোগান আছিল সীমিত ; য'ত আভ্যন্তৰিণ ৰাজহ আহৰণৰ নতুন নতুন ক্ষেত্ৰ তৈয়াৰ কৰাৰ পৰিৱৰ্তে চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধ দায় ( Committed Liability) দিনক দিনে বৃদ্ধি পাবলৈ ধৰিছিল। ২০১৪-১৫ বৰ্ষত আমাৰ বাৰ্ষিক ঘৰুৱা উৎপাদন আছিল ১,৮৩,৭৯৮ কোটি টকা। ২০১৭-১৮ বৰ্ষত ৰাজ্যৰ বাৰ্ষিক ঘৰুৱা উৎপাদন ২,৫৮,৩৩৭ কোটি টকা হ'বগৈ বুলি ধাৰণা কৰা হৈছে। ২০১৬-১৭ বৰ্ষতকৈ এই আয় ১৫ শতাংশ অধিক। গতিকে নিশ্চিত ভাৱে এই কথা সঁচা যে অসমৰ বিকাশৰ ছবিখন উজ্বল হৈ উঠিছে। কিন্তু ৰবাৰ্ট ফ্ৰষ্টে কৈছে, ‘ we have miles to go’..........’

16.  মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰথমটো বাজেট বক্তৃতাত মই ৰাজ্যৰ উদ্যোগ খণ্ডত শক্তি সঞ্চাৰ কৰাৰ বাবে গুৱাহাটীত এখন বাণিজ্য সন্মিলন অনুষ্ঠিত কৰাৰ প্ৰস্তাৱ ৰাখিছিলোঁ। মই গৌৰবান্বিত যে প্ৰথমবাৰৰ বাবে আমাৰ ৰাজ্যই ২০১৮ চনৰ ৩ আৰু ৪ ফেব্ৰুৱাৰী তাৰিখে ‘এডভানণ্টেজ আছাম ইণ্ডিয়াছ এক্সপ্ৰেছ ৱে টু আছিয়ান’ শীৰ্ষক এখন বিশ্ব বিনিয়োগকাৰী সন্মিলন অনুষ্ঠিত কৰে। এই সন্মিলনখনি মুকলি কৰে মাননীয় প্ৰধান মন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়া আৰু ভূটানৰ মাননীয় প্ৰধান মন্ত্ৰী শ্ৰীশ্বেৰিং টবগে ডাঙৰীয়াই। সন্মিলনখনে বৃহৎ সংখ্যক দেশী আৰু বিদেশী বিনিয়োগকাৰীক আকৃষ্ট  কৰিবলৈ সক্ষম হয়। ভাৰতৰ কেইটামান বৃহৎ ব্যৱসায়ীক গোষ্ঠীৰ উপৰিও প্ৰায় ২০ খন দেশৰ বাণিজ্যিক প্ৰতিনিধি বৰ্গই সন্মিলনত অংশ গ্ৰহণ কৰে। বহনক্ষম অৰ্থনৈতিক বিকাশ আৰু বিনিয়োগৰ সম্ভাৱনা বৃদ্ধি কৰিবলৈ অসম চৰকাৰে হাতত লোৱা নীতি সমূহৰ বিষয়ে সন্মিলনত দৃষ্টি আকৰ্ষণ কৰা হয়। সন্মিলনত ১৫০০ কোটি আমেৰিকান ডলাৰ বিনিয়োগৰ অভিপ্ৰায়েৰে প্ৰায় ২০০ খন বাণিজ্যিক চুক্তি স্বাক্ষৰিত হয়। সন্মিলনত স্বাক্ষৰিত হোৱা এই চুক্তি সমূহৰ যথাযথ অনুধাৱন কৰি ৰূপায়ণ কৰাৰ বাবে অসম চৰকাৰে উদ্যোগ আৰু বাণিজ্য বিভাগৰ অধীনত ‘ ইনভেষ্ট আছাম’  নামৰ এক অভিকৰণ গঢ়ি তুলিবলৈ সিদ্ধান্ত লৈছে। এইখিনিতে মোৰ সতীৰ্থ, মাননীয় মন্ত্ৰী শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী ডাঙৰীয়াক অনুষ্ঠানটো সাফল্যমণ্ডিত কৰি তোলাত তেখেতৰ অক্লান্ত প্ৰচেষ্টাক,  অভিনন্দন জনাইছোঁ।

17. অসমক বিনিয়োগৰ এক আকৰ্ষণীয় স্থলীলৈ ৰূপান্তৰিত কৰি তুলিবলৈ বিভাগীয়ভাৱে কেইবাখনো নীতি  প্ৰস্তুত কৰি তোলা হৈছে, যেনে ঔদ্যোগিক নীতি, অসম ষ্টাৰ্টআপ নীতি ২০১৭, তথ্য  প্ৰযুক্তি আৰু বৈদ্যুতিন নীতি ২০১৭, পৰ্যটন নীতি ২০১৭। উত্তৰ-পূৰ ঔদ্যোগিক আৰু বিনিয়োগ প্ৰৱৰ্তন নীতিৰ ক্ষেত্ৰতো যথেষ্ট অগ্ৰগতি লাভ কৰা হৈছে।

18. সৰ্বোপৰি আমাৰ চৰকাৰে এই কথাও লক্ষ্য কৰিছে যাতে বিনিয়োজনৰ পৰা হ'ব পৰা আৰ্থিক কল্যাণসমূহ মুষ্টিমেয় কেইজনমানৰ মাজতে সীমাবদ্ধ হৈ নাথাকে। ৰাষ্ট্ৰসংঘৰ প্ৰাক্তন সচিব প্ৰধান বেন-কী-মুনে কোৱা এযাৰ কথা এই ক্ষেত্ৰত মই উদ্ধৃত কৰিব খোজোঁ ‘সকলোৰে বাবে আমি যি ভৱিষ্যতৰ কামনা কৰোঁ, সেই ভৱিষ্যতৰ প্ৰৱেশদ্বাৰ হ'ল বহনক্ষম উন্নয়ন।’ সকলোৰে বাবে বিকাশ আৰু সমৃদ্ধিয়েই হৈছে আমাৰ ঘোষিত লক্ষ্য। সেই লক্ষ্যত উপনীত হ'বলৈ আমাৰ চৰকাৰে বহনক্ষম উন্নয়নৰ লক্ষ্যৰাজি(Sustainable Development Goals) ৰূপায়ণৰ জৰিয়তে দৰিদ্ৰতা নিৰ্মূল, পৰিৱেশ সংৰক্ষণ আৰু ‘সকলোৰে সৈতে সকলোৰে বিকাশ’ সাধনৰ বাবে কেতবোৰ আঁচনি গ্ৰহণ কৰিছে।

**ৰাজহুৱা ব্যয় ঃ বাজেট নিয়ন্ত্ৰণৰ পৰা সক্ৰিয় ৰাজহুৱা বিত্তীয় ব্যৱস্থাপনালৈকে**

19. মাননীয় অধ্যক্ষ মহোদয়, মোৰ এই তৃতীয় বাজেট উপস্থাপন কৰাৰ এই পৱিত্ৰ মুহূৰ্তত আমাৰ চৰকাৰৰ এটা কেন্দ্ৰীয় দৰ্শনৰ কথা মই দোহাৰিব খোজোঁ, আৰু সেইটো হৈছে উৎপাদনশীল ব্যয়ত অধিক মনোনিৱেশ কৰা । উত্তৰাধিকাৰী সূত্ৰে আমি লাভ কৰা বিত্তীয় বিশৃংখলাৰ কথা ইতিমধ্যে মই উল্লেখ কৰি আহিছোঁ। কিছু সময়ৰ প্ৰয়োজন হ'লেও সেই অৱস্থাক অতিক্ৰম কৰি এক সক্ৰিয় আৰু ফলপ্ৰসূ বিত্তীয় ব্যৱস্থাপনা গঢ়ি তোলাৰ দিশত আমি অগ্ৰগতি লাভ কৰিছোঁ।

20. ৰাজ্যৰ জনতালৈ গুণগত সেৱা খৰতকীয়াকৈ আগবঢ়োৱাৰ উদ্দেশ্য বাজেট প্ৰস্তুত, সম্পদ আহৰণ আৰু ব্যয় ব্যৱস্থাপনা ৰাজহুৱা বিত্তীয় ব্যৱস্থাপনাৰ এই তিনিওটা স্তম্ভত কিদৰে পৰিকল্পিত ৰূপান্তৰণ আৰম্ভ কৰা হৈছে তাক 'টীম অসম'ৰ একোজন সদস্য হিচাপে প্ৰতিগৰাকী সন্মানীয় বিধায়ক অৱগত হোৱাটো প্ৰয়োজন। সেয়ে এই পৱিত্ৰ সদনৰ ক্ষন্তেক সময় ভিক্ষা কৰিছোঁ যাতে উক্ত পদক্ষেপসমূহৰ বিষয়ে কিছু আলোকপাত কৰিব পৰা যায়। **ৰাজহুৱা বিত্তীয় ব্যৱস্থাপনাৰ প্ৰথম স্তম্ভ, বাজেট প্ৰস্তুতকৰণ ঃ ২০১৬-১৭ বৰ্ষৰ ঘোষণা ৰূপায়ণৰ প্ৰতিবেদন অসম বিধানসভাৰ অভূতপূৰ্ব আৰু অভিনৱ পদক্ষেপ**

21. অধ্যক্ষ মহোদয়, বাজেট উপস্থাপন কৰাটো চৰকাৰৰ এক পৱিত্ৰ কৰ্তব্য। আমাৰ চৰকাৰে দায়িত্বভাৰ গ্ৰহণ কৰাৰ আগেয়ে এনে এক ব্যৱস্থা পৰিলক্ষিত হৈছিল যে পূৰ্বৰ বাজেটত প্ৰস্তাৱসমূহ কাৰ্যকৰী নকৰাকৈ প্ৰতিখন বাজেটত কেতবোৰ নতুন নতুন প্ৰস্তাৱ কৰাটো যেন এক প্ৰৱণতাৰ পৰিণত হৈছিল। ২০১৬-১৭ বৰ্ষৰ বাজেট দাখিল কৰাৰ সময়ত মই কৈছিলো যে, আমাৰ চৰকাৰে বাজেট প্ৰক্ৰিয়াটোৰ পৱিত্ৰতাক ৰক্ষা কৰি সন্মানীয় সদনক সময়ে সময়ে বাজেট-প্ৰস্তাৱসমূহৰ ৰূপায়ণৰ অগ্ৰগতি সম্পৰ্কে অৱগত কৰিব। চৰকাৰী প্ৰশাসনৰ স্বচ্ছতা বৰ্তাই ৰাখি জবাবদিহি হৈ দায়িত্ব নিবাৰ্হ কৰাৰ বাবে আমি প্ৰতিশ্ৰুতিবদ্ধ। সেই অনুসৰি ২০১৬-১৭ বৰ্ষৰ বাজেটৰ প্ৰতিটো প্ৰস্তাৱক কাৰ্য্যকৰী কৰিবলৈ আমি প্ৰচেষ্টা লৈছিলোঁ। মই ঘোষণা কৰিবলৈ পাই সুখী হৈছোঁ যে সেই প্ৰস্তাৱসমূহৰ অধিকাংশই ৰূপায়ণ কৰা হৈছে, কিছুসংখ্যক প্ৰস্তাৱ কাৰ্য্যকৰণৰ বিভিন্ন পৰ্য্যায়ত আছে। আৰু কেইটামান প্ৰস্তাৱক নতুন ৰূপত গঢ়ি তোলা হৈছে। পৱিত্ৰ সদনত এই সম্পৰ্কীয় এক বিস্তৃত প্ৰতিবেদন পৃথককৈ দাখিক কৰা হৈছে।

22. ২০১৭-১৮ বিত্তীয় বৰ্ষ সমাপ্ত হোৱাৰ পাছত আপোনালোকৰ সন্মুখত পুনৰবাৰ উপৱিষ্ট হৈ এই বৰ্ষৰ প্ৰস্তাৱসমূহৰ ৰূপায়ণ সম্পৰ্কে অৱগত কৰিম।

**ৰাজহুৱা বিত্তীয় ব্যৱস্থাপনাৰ দ্বিতীয় স্তম্ভ ঃ সম্পদ আহৰণ**

**Restart Assam-আশাশুধীয়া প্ৰচেষ্টা**

23. ৰূপান্তৰিত অসমৰ বাবে সম্পদ বৰ্ধনৰ অৰ্থে প্ৰণালী আৰু তথ্যৰ পুনৰ নিৰ্মাণ অৰ্থাৎ Restart Assam (Restructuring Systems and Technology for Augmentation of Resources for Transformed Assam) নামৰ এক কৰ্মসূচী ঘোষণা কৰাৰ উদ্দেশ্য আছিল ৰাজ্যৰ বিত্তীয় ব্যৱস্থাপনাটোক এক সামগ্ৰিক পৰ্যবেক্ষণৰ মাজত ৰখা। ৰাজ্যৰ সম্পদ বৃদ্ধি কৰি তাৰ পৰা উদ্ভূত ৰাজহ সামাজিক আৰু অৰ্থনৈতিক উন্নয়নমূলক কামত ব্যৱহাৰ কৰাৰ আমি যি প্ৰচেষ্টা লৈছিলোঁ তাৰ সুফল আমি ইতিমধ্যে দেখিবলৈ পাইছোঁ। এই ব্যৱস্থালানিৰ জৰিয়তে ৰাজহ ফাঁকি ৰোধ কৰা হৈছে, কৰ আৰোপন নীতিৰ সংস্কাৰ সাধন কৰা হৈছে, কৰ সংগ্ৰহৰ ক্ষেত্ৰত তথ্য প্ৰযুক্তি ব্যৱহাৰ কৰা হৈছে যাৰ ফলত আমাৰ ৰাজহ কেইবাগুণো বৃদ্ধি পাইছে।

**বহি ঃ সাহায্যপ্ৰাপ্ত প্ৰকল্প**

24. বহি ঃ বিত্ত যোগান সংস্থাৰ সৈতে বিভিন্ন চৰকাৰী বিভাগৰ সমন্বয় সাধন কৰিবলৈ আমি এটা

কোষ গঠন কৰিছোঁ, যাক LEAP বুলি জনা যায় (Lead Externally Aided Projects) আন্তঃগাঁথনি, গ্ৰামোন্নয়ন, উদ্যোগ, কৃষি মীন আদি অত্যাৱশ্যকীয় ক্ষেত্ৰত সম্ভাৱনাময় প্ৰকল্পসমূহৰ সম্ভাৱনীয়তা পৰীক্ষা কৰি বিত্ত যোগানৰ ক্ষেত্ৰত এই কোষে সমন্বয়কৰ ভূমিকা পালন কৰিব।

25. বিগত সময়ছোৱাত আমি স্বাস্থ্য, সুক্ষ্ম-ক্ষুদ্ৰ তথা মজলীয়া উদ্যোগ, মীন পালন, বনজ সম্পদ, পথ-দলং নিৰ্মাণ, জলাহভূমিৰ সংৰক্ষণ আৰু পৰ্য্যটন খণ্ডত প্ৰায় ২৫ হাজাৰ কোটি টকাৰো অধিক বিনিয়োজনক্ষম ১৫ টা বিশেষ প্ৰকল্প প্ৰস্তাৱ প্ৰস্তুত কৰিছোঁ। এই প্ৰকল্পসমূহ বিশ্ববেংক, এছিয়ান ডেভল'পমেণ্ট বেংক, জাপান ইণ্টাৰনেচনেল ক'অপাৰেশ্যন এজেন্সি(JICA) , জাৰ্মান ডেভেল'পমেণ্ট বেংক (KfW) , ফ্ৰেন্স ডেভেল'পমেণ্ট বেংক (AfD) নিউ ডেভেল'পমেণ্ট বেংক (NBD), Asian Infrastructure Investment Bank) আদি বহিঃ বিত্ত যোগান সংস্থান অনুমোদনৰ বাবে বিভিন্ন পৰ্য্যায়ত অপেক্ষাৰত অৱস্থাত আছে।

26. অধ্যক্ষ মহোদয়, মই জনাবলৈ পাই সুখী হৈছো ২০১৭-১৮ বৰ্ষত বিশ্ব বেংকৰ পুঁজিৰে তিনিটা বিশেষ প্ৰকল্প আৰম্ভ কৰা হৈছে। এই প্ৰকল্প কেইটাই নিম্নলিখিত বিভাগকেইটাৰ কাৰ্য্যব্যৱস্থাৰ বৃহৎ পৰিৱৰ্তন সাধন কৰিব।

i. বিত্ত বিভাগৰ অধীনস্থ ২৮৩ কোটি টকাৰ ASPIRe প্ৰকল্পৰ উদ্দেশ্য হ'ল ৰাজ্যৰ ৰাজহুৱা আহৰণ ব্যৱস্থা, ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ অংশীদাৰিত্ব তথা ৰাজহ আৰু ব্যয় ব্যৱস্থাপনাৰ ৰূপান্তৰণ।

ii. কৃষি বিভাগৰ অধীনস্থ ১৬৮৮ কোটি টকাৰ অসম কৃষি বাণিজ্য আৰু গ্ৰাম্য ৰূপান্তৰকৰণ (APART) প্ৰকল্পৰ উদ্দেশ্য হ'ল নিৰ্বাচিত কৃষি মূল্য শৃংখলাৰ ওপৰত মূল্য আৰোপ কৰা অথবা সেইবোৰৰ শক্তিশালীকৰণ। তদুপৰি নিৰ্দিষ্ট জিলাৰ ক্ষুদ্ৰ কৃষক তথা কৃষি উদ্যমী সকলৰ বিকাশ সাধনো এই প্ৰকল্পৰ উদ্দেশ্য।

iii. প্ৰশাসনীয় সংস্কাৰ আৰু প্ৰশিক্ষণ (AR&T) বিভাগৰ অধীনত ৩১৫ কোটি টকীয়া নাগৰিক সেৱা প্ৰকল্পৰ উদ্দেশ্য হ'ল লোক-সেৱা অধিকাৰ আইনৰ ( Right to Public Service Act) ৰূপায়ন তথা ৰাজহুৱা সেৱা কেন্দ্ৰ সমূহৰ (Public Facilitation) শক্তিশালীকৰণৰ যোগেদি নিৰ্দিষ্ট চৰকাৰী সেৱা উপলব্ধ কৰোৱা।

27. আভ্যন্তৰীণ জল পৰিবহন (IWT) বিভাগৰ অধীনত বিশ্ব বেংকৰ বিত্তীয় অনুদানেৰে ৰূপায়িত কৰিব লগা, ৯৭৫ কোটি টকা ব্যয় সাপেক্ষে আভ্যন্তৰীণ জল পৰিবহন এটা প্ৰকল্পৰ প্ৰাৰম্ভিক কাম-কাজ আমি আৰম্ভ কৰিছোঁ। আশা কৰা হৈছে যে, এই প্ৰকল্পই উক্ত খণ্ডত অপাৰ সম্ভাৱনাৰ দোৱাৰ মুকলি কৰিব।

28. মাননীয় অধ্যক্ষ মহোদয়, সদনত জনাবলৈ পাই সুখী হৈছো যে, ভাৰত চৰকাৰৰ বিত্ত বিভাগৰ কৰ্ণধাৰ সমিতিয়ে ব্ৰহ্মপুত্ৰৰ ওপৰেৰে উত্তৰ গুৱাহাটী আৰু পাণবজাৰ সংযোগী এখন দলং নিৰ্মাণৰ এক প্ৰস্তাৱত অনুমোদন জনাইছে। এই প্ৰকল্পৰ বাবে আনুমানিক ব্যয় ১,৮৯০ কোটি টকা ধাৰ্য্য কৰা হৈছে। New Development Bank (NDB) ৰ দ্বাৰা পুঁজিৰ যোগান ধৰিব লগা এই প্ৰকল্প চাৰি বছৰত সম্পূৰ্ণ কৰা হ'ব। প্ৰকল্পটোৰ বাবে ভূমি অধিগ্ৰহণ, আপত্তিবিহীন প্ৰমাণ পত্ৰ আদায় কৰা আদি প্ৰাৰম্ভিক কাম-কাজৰ বাবে বিগত বাজেটত মই ১০০ কোটি টকা ধাৰ্য্য কৰিছিলোঁ। এই বছৰ বাকী থকা প্ৰাৰম্ভিক কাম-কাজ সম্পূৰ্ণ কৰিবৰ বাবে অতিৰিক্ত ১৫০ কোটি টকা ধাৰ্য্য কৰা হৈছে যাতে এই বছৰেই দলং নিমাণৰ কাম আৰম্ভ কৰিব পৰা যায়। গুৱাহাটী মহানগৰীক উত্তৰ দিশে সম্প্ৰসাৰন পৰিকল্পনা বাস্তৱায়িত কৰাত এই ব্যৱস্থাই সহায় কৰিব। অধ্যক্ষ

মহোদয়, প্ৰায় ১৯ শ কোটি টকা আমাকBrick Bank কে দিব। New Development Bank মানে Brick Bank. গুৱাহাটী উত্তৰ গুৱাহাটীৰ মাজত পাণবজাৰ আৰু উত্তৰ গুৱাহাটীৰ দলং এখন আমি এই বছৰতে আৰম্ভ কৰিম।

**নাবাৰ্ডৰ পুঁজিৰে গ্ৰাম্য আন্তঃগাঁথনি উন্নয়নমূলক প্ৰকল্প** (RIDF)

29. ৰাজ্যৰ পথ যোগাযোগ, জলসিঞ্চন, জলসম্পদ, কৃষি মীন আদি বিভিন্ন খণ্ডৰ কামৰ বাবে গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজি (RIDF) ৰ অধীনত অসম চৰকাৰে নাবাৰ্ডৰ কম সুদৰ ঋণ সাহাৰ্য্য লাভ কৰিছে। চৰকাৰৰ উন্নয়নমুখী ধাৰাটোক আগবঢ়াই নিয়াৰ স্বাৰ্থত ২০১৭-১৮ বৰ্ষত RIDF-XX III ৰ অধীনত বৰ্তমানৰ ৮০০ কোটি টকাৰ ঠাইত ১৫০০ শ কোটি টকালৈ ঋণ সাহাৰ্য্য বৃদ্ধি কৰিবলৈ আমি নাবাৰ্ডক অনুৰোধ জনাইছিলো মই জনাবলৈ পাই সুখী হৈছো যে নাবাৰ্ডে আমাৰ এই প্ৰস্তাৱত সন্মতি জনাইছে ই ৰাজ্যখনৰ গ্ৰাম্য আন্তঃগাঁথনি উন্নয়নমূলক পদক্ষেপক অধিক শক্তিশালী কৰিছে।

ৰাজহুৱা বিত্তীয় ব্যৱস্থাপনাৰ তৃতীয় স্তম্ভঃ ব্যয় ব্যৱস্থাপনা

৩০) পুঁজিৰ মঞ্জুৰী আৰু পুঁজি মুকলি কৰাৰ ব্যৱস্থাটো তথ্য প্ৰযুক্তিৰ ব্যৱহাৰৰ জৰিয়তে সৰল কৰি তোলা হৈছে। আমাৰ চৰকাৰে ব্যৱস্থাটোলৈ অনা পদ্ধতিগত পৰিৱৰ্তনৰ দিশবোৰ মই থোৰতে উল্লেখ কৰিব বিচাৰিছো।

ক) ১৯৩৭ চনত অসম কোষাগাৰ আইনৰ পৰিবৰ্ত্তে ২০১৭ চনৰ নতুন অসম কোষাগাৰ আইন বলবৎ কৰা হৈছে। ইতিমধ্যে ২০১৭ চনৰ ১ এপ্ৰিলৰ পৰা এই আইন কাৰ্য্যকৰী হৈছে।

খ) বাজেটৰ পৰিকল্পনা আৰু পৰিকল্পনা বহিভূত শিতান সমূহৰ একত্ৰীকৰণ কৰা হৈছে । মাষ্টাৰ ৰ'ল আৰু ৱৰ্কচাৰ্জ কৰ্মচাৰী সকলকে ধৰি সকলো কৰ্মচাৰীৰ বেতন আৰু বানচ মাহেকীয়াকৈ নিয়মিত ভাৱে একেটা ব্যয় শিতানৰ (one establishment expenditure ) পৰা দিয়াৰ ব্যৱস্থা কৰা হৈছে।

গ) একাংশ ঠিকা ভিত্তিক কৰ্মচাৰী আৰু মাষ্টাৰ ৰ'ল কৰ্মীৰ বাদে সকলো কৰ্মচাৰীৰ ক্ষেত্ৰত পদ সমূহৰ প্ৰতি ধাৰন ( Retention) ৰ চৰ্ত আৰু নিময় সমূহ বাতিল কৰা হৈছে।

ঘ) ২০১৬ চনৰ ২৫ জুলাই তাৰিখৰ মোৰ প্ৰথম বাজেট বক্তৃতাতে মই ৪ বছৰৰ ভিতৰত ৰাজ্যত ২৫ টা কৈ নতুন উপ- কোষাগাৰ স্থাপন কৰাৰ প্ৰস্তাৱ কৰিছিলো। মই সদনত জনাবলৈ পাই সুখী হৈছো যে এই ঘোষণাৰ ১৯ মাহৰ ভিতৰতে মছল পুৰ, আমগুৰি, ডুমডুমা আৰু পাথাৰ কান্দিত ৪ টা কৈ নতুন উপ- কোষাগাৰ স্থাপন কৰা হৈছিল । তদুপৰি ২০১৮-১৯ বৰ্ষৰ ভিতৰতে আৰু ১৬ টা উপ-কোষাগাৰ স্থাপনৰ অনুমতি ভাৰতীয় ৰিৰ্জাভ বেংকে অসম চৰকাৰক প্ৰদান কৰে। সেই কোষাগাৰ সমুহ হ'ল-

১) মাজবাট ২) ঢেকীয়াজুলি ৩) গোলোকগঞ্জ ৪) মৰাণ ৫) নাওবৈচা ৬) ৰহা ৭) চিলা পথাৰ ৮) চিপাঝাৰ ৯) সোনাপুৰ ১০) টীয়ক ১১) দুধনৈ ১২) জামুগুৰি ১৩) চাবুৱা ১৪) কমলপুৰ ( বাইহাটা চাৰিআলি) ১৫) শোৱালকুছি আৰু ১৬) সৰ্থেবাৰী। বাকী প্ৰস্তাৱিত কোষাগাৰ সমুহ অনুমোদনৰ ভিন্ন পৰ্য্যায়ত আছে আৰু যথা সম্ভৱ সোনকালে সেই সমুহ স্থাপন কৰাৰ ব্যৱস্থা কৰা হ'ব।

ঙ) ভাৰতীয় ৰিৰ্জাভ বেংকে ই-কুবেৰ ব্যৱস্থাৰ জৰিয়তে এঘণ্টাৰো কম সময়ত কোষাগাৰযোগে ধন আদায় সম্পন্ন কৰিব পৰা হৈছে। ইতিমধ্যে ৰাজ্যৰ ৩৫ টা কোষাগাৰত এই ই-কুবেৰ ব্যৱস্থা বলৱৎ কৰা হৈছে। সকলো কোষাগাৰতে অতি শীঘ্ৰে এই ব্যৱস্থা আৰম্ভ হ'ব।

**চিলিং ব্যৱস্থাপনাত দ্ৰুত পৰিৱৰ্তন**

৩১) পবিত্র সদনৰ মজিয়াত মই পূৰ্বে ঘোষনা কৰা অনুসৰি বিত্ত চিলিংৰ প্ৰস্তুতকৰণ আৰু অনুমোদনৰ ক্ষেত্ৰত স্বয়ংক্ৰিয় ব্যৱস্থাৰ সহায় লৈছে। ফলত বিত্ত বিভাগে চিলিংৰ অনুমোদন জনোৱাৰ লগে লগে তাৰ প্ৰতিৰূপ সংশিষ্ট আহৰণ আৰু বিতৰন প্ৰাধীকাৰীয়ে (DDO) সংগ্ৰহ কৰাটো সম্ভৱ হৈছে আৰু লগতে SMS জাননী প্ৰেৰণৰ ব্যৱস্থা কৰা হৈছে। এই পৰিবৰ্তনে চিলিং ব্যৱস্থাপনাত ৪০ টাতকৈও অধিক ঢাপ চমুৱাই আনিব। তাৰমানে বিত্ত বিভাগে যেতিয়া চিলিং দিছে, সেইটো ঘূৰি গৈ Departmentel minister, Departmental Commissioner, Dipartmental Director ৰ তাত এতিয়া নাযায়, এতিয়া পোনে পোনে Dibrugsrh executive Engincer লৈকে গুছি যায়। ৪০খন টেবুল এতিয়া কমি গৈছে।

৩২) প্ৰযুক্তিৰ ব্যৱহাৰেৰে প্ৰশাসনিক প্ৰতিবন্ধকতাসমুহ দূৰ কৰাৰ বাবে আমাৰ চৰকাৰ অতি আগ্ৰহী। এই ক্ষেত্ৰত এই পৱিত্ৰ সদনক আমি গ্ৰহণ কৰা কেইটামান উল্লেখযোগ্য ব্যৱস্থাৰ বিষয়ে জনাব বিচাৰিছো। ক) স্বয়ংক্ৰিয় ব্যৱস্থাৰে চাকৰিৰ প্ৰথম দৰমহা মুকলি, অধ্যক্ষ মহোদয়, নৱ নিযুক্ত চৰকাৰী চাকৰিয়াল সকলে নিজৰ প্ৰথম দৰমহাটো পাবৰ সময়ত সন্মুখীন হোৱা দীৰ্ঘ দিন অপেক্ষা কৰিব লগা পৰিস্থিতি তথা চৰকাৰী ফাইলৰ ৰঙাফিটাৰ হেঙাৰ বৰ্তমান বিত্তীয় ব্যৱস্থাৰ এক অভাৱনীয় ক্ৰুটি। এনে পৰিস্থিতি দূৰ কৰিবৰ বাবে ৰাজ্য চৰকাৰৰ নতুন কৰ্মচাৰী সকলৰ প্ৰথম মাহৰ দৰমহা সম্পূৰ্ণ স্বয়ংক্ৰিয় ব্যৱস্থাৰে মুকলি কৰি দিয়াৰ ব্যৱস্থা আমি হাতত লৈছো। এই দিশত এক ঐতিহাসিক সিদ্ধান্ত গ্ৰহণ কৰি সকলো বিভাগক নিৰ্দেশ দিয়া হৈছে যাতে সকলো নতুন নিযুক্তিপ্ৰাপ্ত কৰ্মচাৰীলৈ তিনি মাহৰ চৰ্ত সাপেক্ষে দৰমহা (provisional pay) বিত্তীয় বিভাগৰ পৰীক্ষণ আৰু অনুমোদনৰ পূৰ্বেই মোকলাই দিয়াৰ ব্যৱস্থা কৰা হয়।

খ) কম্পিউটাৰ চালিত দৰমহা বিল ঃ আহৰণ আৰু বিতৰণ প্ৰাধীকাৰীয়ে (DDO) প্ৰস্তুত কৰা কৰ্মচাৰীৰ দৰমহা বিল মুকলি কৰাটো এতিয়া সমগ্ৰ ৰাজ্যজুৰি স্বয়ংক্ৰিয়কৰণ কৰা হৈছে। এই ব্যৱস্থাৰ ফলত ৰাজ্যখনৰ চৰকাৰী কৰ্মচাৰী সকলৰ এক সম্পূৰ্ণ ডাটাবেছ তৈয়াৰ কৰাটো সম্ভৱ হৈছে। তদুপৰি এই ব্যৱস্থাৰ ফলত অনুমানৰ ভিত্তিত বাজেট ধাৰ্য্য কৰাৰ বিপৰীতে দৰমহাৰ বাবে প্ৰয়োজনীয় সঠিক পৰিমানৰ পুঁজি ধায্য কৰিব পৰা গৈছে।

গ) কোষাগাৰৰ অন্যান্য বিলৰ প্ৰত্যক্ষ অনুমোদনৰ ব্যৱস্থাঃ অন্যান্য বিলৰ ক্ষেত্ৰত আহৰণ আৰু বিতৰণ প্ৰাধীকাৰীয়ে (DDO) অনলাইনযোগে বিল প্ৰস্তুত কৰি কোষাগাৰলৈ প্ৰেৰণ কৰাৰ এক পৰীক্ষামুলক প্ৰকল্প আৰম্ভ কৰা হৈছে। অহা ১ এপ্ৰিল, ২০১৮ ৰ পৰা ৰাজ্যৰ সকলো কোষাগাৰত এই ব্যৱস্থা কাৰ্যকৰী হ'ব। এই ব্যৱস্থা প্ৰৱৰ্তনৰ লগে লগে সমগ্ৰ ব্যৱস্থাটোত পূৰ্বৰ পৰা চলি অহা মানৱীয় আসোৱাহসমুহ দূৰ হোৱাৰ লগতে দ্ৰুততাৰে কাম সম্পন্ন হ'ব।

ঘ)তদুপৰি চৰকাৰে সামগ্ৰী আৰু সেৱা আহৰণ (procurement) ব্যৱস্থাটোৰ স্বচ্ছতাক সুনিশ্চিত কৰাৰ অৰ্থে ই-আহৰণ পোৰ্টেল'ৰ ব্যৱস্থা আৰম্ভ কৰিছে। চৰকাৰী ই-বজাৰ (GEM) ব্যৱস্থা প্ৰৱৰ্তন কৰাৰ ফলত এতিয়া এই চৰকাৰী আহৰণ(procurement) ব্যৱস্থা অধিক শক্তিশালী হ'ল।

৩৩) বিত্তীয় ব্যৱস্থাপনাৰ অন্যান্য দিশৰ ক্ষেত্ৰতো স্বয়ংক্ৰিয়তা প্ৰৱৰ্তনৰ প্ৰচেষ্টা হিচাপে নিম্নোক্ত কাৰ্য্যৱলী ২০১৮-১৯ বিত্তীয় বৰ্যত সামৰি ল'ব বিচৰা হৈছে-

ক) প্ৰশাসনীয় অনুমোদন আৰু বিত্তীয় মঞ্জুৰীঃ প্ৰশাসনীয় অনুমোদন আৰু বিত্তীয় মঞ্জুৰীৰ অৰ্থে বিভাগ সমুহৰ মাজত ফাইল সৰবৰাহৰ বাবে প্ৰয়োজন হোৱা দীঘলীয়া সময় বাজেট ৰূপায়ণৰ প্ৰক্ৰিয়াত যথেষ্ট আহুকালৰ সৃষ্টি কৰে। সেই বাবে ২০১৮ চনৰ ১ এপ্ৰিলৰ পৰা বিভাগীয় মুৰব্বী

আৰু প্ৰশাসনিক বিভাগৰ মাজত বিত্তীয় অনুমোদন আৰু মঞ্জুৰী প্ৰদানৰ বাবে এক অনলাইন ব্যৱস্তা প্ৰবৰ্তন কৰা হ'ব।

খ) বিধায়ক পুঁজি-আনটাইড ফাণ্ড- সুহৃদ পুঁজিৰ ব্যৱস্থাপনা ঃ এই পৱিত্ৰ সদনৰ সদস্য সকলে সন্মুখীন হোৱা আন এক সমস্যা হৈছে বিধায়ক পুঁজি, সুহৃদ পুঁজি তথা আনটাইড ফাণ্ডৰ ব্যৱহাৰৰ ক্ষেত্ৰত লগা দীঘলীয়া সময়। এনে পুঁজি মোকলাই দিয়াৰ বাবে সঞ্চালকালয়-বিভাগ সমুহে নথি-পত্ৰ প্ৰস্তুত কৰোতে যথেষ্ট সময় লয়। এই সময় হ্ৰাস কৰিবৰ বাবে আমি এক অনলাইন ব্যৱস্থা প্ৰৱৰ্তনৰ পোষকতা কৰোঁ যাতেসন্মানীয় বিধায়ক সকলে পুঁজি ব্যৱহাৰত অযথা সময় ব্যয় কৰিব লগীয়া নহয়।

অসম ৰাজহুৱা আহৰণ বিধি, ২০১৮ Assam Public Procurement Rules, 2018)

34)এই বৰ্ষৰ আৰম্ভনিতে ৰাজহুৱা আহৰণ বিধি, ২০১৭ গৃহীত কৰাৰ বাবে সদনৰ সন্মানীয় সদস্য সকলৰ প্ৰতি মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ. মই আশাবাদী যে এই আইনখনে ৰাজ্যৰ চৰকাৰী বিভাগ সমুহত সম্পদ আৰু সেৱা আহৰণৰ  ক্ষেত্ৰত অধিক স্বচ্ছতা আনিব। লগতে নিধাৰিত সময় আৰু দৰত কাৰ্য্য সম্পাদন হ'ব তথা দূৰ্নীতি নিবাৰণৰ ক্ষেত্ৰটো ই সহায়ক হ'ব। এই আইনখনৰ পৰিপূৰক বিধি সমুহ সাজু হৈ উঠিছে আৰু আমি ২০১৮-১৯ বিত্তীয় বৰ্ষৰ পৰা ইয়াক বলবৎ কৰিবলৈ ব্যৱস্থা হাতত লৈছো।

**কৰ্মচাৰীৰ কল্যাণ**

৩৫) কৰ্মচাৰী সকলেই হ'ল আমাৰ চৰকাৰৰ মুল চালিকা শক্তি। চৰকাৰী আঁচনি সমুহ যথা সময়ত সঠিকভাৱে ৰূপায়ণৰ দিশটো কৰ্মচাৰীসকলৰ ওপৰতেই প্ৰধানকৈ নিৰ্ভৰশীল। আমাৰ চৰকাৰে কৰ্মচাৰী সকলক চৰকাৰৰ সম-অংশীদাৰ বুলি গণ্য কৰি আহিছে।

৩৬)এক ঐতিহাসিক সিদ্ধান্তযোগে অসম চৰকাৰে সপ্তম দৰমহা আৰু উৎপাদকতা আয়োগ (7th Assam Pay and Productivity Council ) ৰ অনুমোদনাৱলী ১ এপ্ৰিল, ২০১৬ ৰ পৰা কাৰ্য্যকৰী হোৱাকৈ ১ এপ্ৰিল, ২০১৭ তাৰিখৰ পৰা বলৱৎ কৰিছে। তদুপৰি ৰাজকোষৰ ওপৰত তীব্ৰ হেচা পৰা স্বত্তেও উক্ত অনুমোদন সমুহ কাৰ্য্যকৰী কৰি একেটা বিত্তীয় বৰ্ষতে আটাইখিনি বকেয়া আদায় কৰি দিয়া হৈছে। এয়া আছিল এক অভূতপূৰ্ব পদক্ষেপ। বিগত বহুকেইটা দশকত দৰমহা আয়োগৰ পৰামৰ্শ এনে তৎপৰতাৰে ৰূপায়িত হোৱা নাছিল। সপ্তম দৰমহা আৰু উৎপাদকতা আয়োগৰ পৰামৰ্শাৱলীত যদি কিবা আসোৱাহ আছে তাক দূৰ কৰাৰ বাবেও অসম চৰকাৰে এখন সমিতি গঠন কৰিছিল আৰু সমিতিয়ে প্ৰতিবেদন দাখিল কৰিছে। এই প্ৰতিবেদনখন পৰীক্ষা কৰি থকা হৈছে আৰু কৰ্মচাৰী সকলৰ ওজৰ-আপত্তি সমুহ সোনকালে নিষ্পত্তি কৰাৰ ব্যৱস্থা কৰা হৈছে।

৩৭) তদুপৰি কৰ্মচাৰীৰ কল্যাণৰ বাবে 'আপোন ঘৰ' শিতানৰ গৃহ ঋণৰ আঁচনি বিগত বাজেটত ঘোষণা কৰা হৈছিল আৰু বৰ্তমান এই আঁচনি ভাৰতীয় ষ্টেট বেংকৰ জৰিয়তে কাৰ্য্যকৰী কৰা হৈছে। এতিয়ালৈকে  ১১,৯৩১ গৰাকী কৰ্মচাৰীলৈ মুঠ ১৪৩৪ কোটি টকাৰ ঋণ আগবঢ়োৱা হৈছে আৰু ইয়াৰে ৯৬২৪ টা আৱাসগৃহৰ নিৰ্মাণ কাৰ্য্য চলি আছে। ইয়াৰ বাবে আমি যথেষ্ট পৰিমানৰ ধন বাজেটত ধাৰ্য্য কৰিছো।

৩৮) তদুপৰি, বিদ্যালক্ষ্মী আঁচনিৰ অধীনত ২৭৯ খন আবেদন পত্ৰ অনুমোদন জনোৱাৰ বিপৰীতে বৃত্তিৰ বাবদ ১৭.৪৫ কোটি টকা অনুমোদন কৰা হৈছে। আৰু ৩১ খন আবেদনপত্ৰ পৰীক্ষা কৰি থকা হৈছে। কৰ্মচাৰী সকলৰ কোনো সন্তানেই যাতে উচ্চ শিক্ষাৰ পৰা বঞ্চিত হবলগীয়া নহয় এই

আঁচনিয়ে তাক নিশ্চিত কৰিব।

৩৯) ৰাজ্যিক কৰ্মচাৰী সকলক নিৰ্দিষ্ট তালিকাভুক্ত (empanelled ) চিকিৎসালয়ত নগদ বিহীন চিকিৎসা সেৱা আগবঢ়োৱাৰ বাবে প্ৰস্তুত কৰা কৰ্মচাৰীৰ স্বাস্থ্য বীমা আঁচনি এখনত অলপতে ৰাজ্যৰ কেবিনেটে অনুমোদন জনাইছে। ২০১৮-১৯ বিত্তীয় বৰ্ষত আমি আঁচনি খন মুকলি কৰাৰ প্ৰস্তাৱ উত্থাপন কৰিছো।

অনুকম্পামূলক নিযুক্তিৰ পৰিৱৰ্তে অনুকম্পামুলক পাৰিবাৰিক পেঞ্চন আঁচনিৰ কায্যকৰীকৰণ

৪০) মই এই পৱিত্ৰ সদনক জনাবলৈ পাই সুখী হৈছো যে পেঞ্চন আৰু ৰাজহুৱা ওজৰ-আপত্তি বিভাগে পূৰ্বৰ অনুকম্পামুলক নিযুক্তিৰ পৰিবৰ্তে বৰ্তমান অনুকম্পামুলক পাৰি বাৰিক পেঞ্চন আঁচনি, ২০১৭ ৰ প্ৰৱৰ্তন কৰিছে। ৰাষ্ট্ৰীয় পেঞ্চন আঁচনিয়ে (NPS) সামৰি লোৱা কৰ্মচাৰীকে ধৰি সকলো কৰ্মচাৰীক এই আঁচনিয়ে সামৰি লব। ইয়াৰ অধীনত অনুকম্পামূলক নিযুক্তিৰ পৰিবৰ্তে মৃত কৰ্মচাৰীৰ পৰিয়ালৰ বাবে অনুকম্পামুলক পেঞ্চনৰ ব্যৱস্থা কৰা হৈছে। মৃত কৰ্মচাৰী সকলৰ দুৰ্গত পৰিয়ালক এই আঁচনিয়ে যথেষ্ট সকাহ দিব।

**বাজেট ২০১৮-১৯ঃ কাৰ্যক্ৰমনিকা**

৪১) এই বাজেট প্ৰস্তুতৰ পূৰ্বে সংবাদ মাধ্যম তথা টুইটাৰ, মাই গভ প'ৰ্টেল, ফেচবুক আদি ছ'চিয়েল মিডিয়াৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী তথা ৰাজ্যৰ জনতাৰ পৰা বাজেট সম্পৰ্কে মতামত বিচাৰি এক অভিযান আৰম্ভ কৰা হৈছিল। এই প্ৰক্ৰিয়াত ৰাইজৰ সহাৰি আৰু পৰামৰ্শ লাভ কৰাটো আমাৰ বাবে আনন্দৰ বিষয়। অসম বাজেটৰ ল'গ'টোও আনকি নিৰ্বাচিত কৰা হৈছে জনসাধাৰণৰ দ্বাৰা প্ৰেৰিত ডিজাইন সমুহৰ মাজৰ পৰা।

৪২) আমাৰ কেন্দ্ৰীয় নীতি 'একত্ৰীকৰণ', সম্প্ৰসাৰণ' আৰু উত্তৰণৰ আধাৰত মই এতিয়া (ওঠৰ দফীয়া ধ্বজ্জাবাহী আঁচনি অৰ্থাৎ অষ্টাদশ মুকুটাৰ উন্নয়নী মালাৰ বিষয়টো আৰম্ভ কৰিবলৈ বিচাৰিছো। যাক আমি আমাৰ হৃদয়ৰ সৈতে সংপৃক্ত হৈ অষ্টপ্ৰহৰ আমাৰ অংগীকাৰ সমুহক সোঁৱৰাই থকা এধাৰি ৰুদ্ৰাক্ষৰ মালাৰ সৈতে তুলনা কৰিব পাৰো। ভাগৱত গীতাৰ অষ্টাদশ অধ্যায়ত ' অষ্টাদশশ্লোকি'ত ধৰ্ম (পৱিত্ৰ কৰ্ত্তব্য), মোক্ষ্য (মুক্তি) আৰু কৰ্মৰ (দায়বদ্ধ কামকাজ) তত্বগধুৰ ব্যাখ্যা আগবঢ়োৱা হৈছে আৰু এয়াই মানৱ জাতিৰ অনুপ্ৰেৰণাৰ উৎস।

কৰ্মণ্যেৱাধিকাৰস্তে মা ফলেযু কদাচন
মা কৰ্মফলহেতুৰ্ভূৰ্মাতে সঙ্গোহকমণি।

Karmanye vaadhikaaraste maa phaleshu kadaachana,
maa karma phalaheturbhur maa te sangotsvakarmani //

(মানুহৰ কেৱল কৰ্মতহে অধিকাৰ আছে, ফলাফলত নহয়। ফল প্ৰাপ্তিৰ আশাই কৰ্মক পথচু্যত কৰিবলৈ নিদিবা. কৰ্মহীনতাৰ পস্তুৰতি আসক্ত নহবা)

৪৩) ভাগৱত গীতাৰ কেন্দ্ৰীয় ৰস আৰু দৰ্শন আবাহন কৰি মই এতিয়া আগন্তুক বৰ্ষৰ বাবে আমাৰ চৰকাৰৰ ওঠৰ দফীয়া ধ্বজ্জাবাহী আঁচনিৰ আজি উপস্থাপন কৰিবলৈ ওলাইছো। এই ওঠৰ দফীয়া ধ্বজ্জাবাহী আঁচনিৰাজিৰ ৰূপায়ন আমাৰ চৰকাৰৰ এক সমুহীয়া দায়িত্ব। আমি লক্ষ্য ৰাখিম যাতে এই আঁচনিৰাজি বিত্তীয় আৱন্টনৰ অভাৱত ভোগীবলগীয়া নহয়। মই উল্লেখ কৰি বলৈ বিচাৰিছো যে এই ওঠৰ দফীয়া আঁচনিৰাজিৰ তালিকাখন প্ৰগতিশীল, ইয়াৰ ভিত্তি হব প্ৰাসংগিগতা, নাগৰিকৰ মতা-মত আৰু প্ৰয়োগৰ উপযোগীতা। মোৰ সহযোগী সদস্য সকলে দেখিব যে বিগত বৰ্ষত উল্লেখ

কৰা কেতবোৰ দঁফা আমিএইবাৰো অন্তৰ্ভূক্ত কৰিছো। বিগত বৰ্ষৰ যিবোৰ দফা বা আঁচনি এইবাৰৰ ওঠৰ দফীয়া ধ্বজ্জাবাহী আঁচনিৰ অৰ্ন্তভূক্ত নহ'ল তেনে আঁচনিৰ ক্ষেত্ৰটো প্ৰয়োজনীয় পুঁজি ধাৰ্য্য কৰা হৈছে।

**অষ্টাদশ মুকুটাৰ উন্নয়নী মালা**

প্ৰাৰ্থমিক বিদ্যালয়ত অতিৰিক্ত শ্ৰেণীকোঠা, ভিতৰৰ বেৰ আৰু বৈদ্যুতিকৰণৰ ব্যৱস্থা

৪৪) বিগত বাজেটত কৰা ঘোষণা অনুসৰি আমি সমগ্ৰ ৰাজ্যখনতে গুনোৎসৱ কাৰ্য্যসুচী ৰূপায়িত কৰিছো। আমাৰ মাননীয় মুখ্যমন্ত্ৰীৰ পৰা আৰম্ভ কৰি, মোৰ কেবিনেট সতীৰ্থ, এই সদনৰ সদস্য সকল তথা তদানীন্তন মুখ্য সচিব শ্ৰী ভি কে পিপাৰচেনীয়াৰ নেতৃত্বত ৰাজ্য চৰকাৰৰ কৰ্মচাৰী সকলৰ সক্ৰীয় অংশগ্ৰহণেৰে ৰূপায়িত হোৱা গুণোৎসৱ কাৰ্যসূচী প্ৰাথমিক শিক্ষাৰ ফলাফল উন্নিত কৰণৰ ক্ষেত্ৰত এক অন্যতম বৃহৎ সফলতা হিচাপে পৰিগণিত হৈছে।

৪৫) ৰাজ্যখনত গুণোৎসৱৰ প্ৰথম তিনিটা পৰ্য্যায়ৰ ফলা-ফল সমুহ  তলত উল্লেখ কৰা হ'ল। এই ফলাফলে শিক্ষাৰ মান উন্নিত হোৱাৰ কথা স্পষ্ট ভাৱে প্ৰতিফলিত কৰিছে যাৰ বাবে গুণোৎসৱক সফলতাৰ এক প্ৰধান কাহিনী হিচাবে মই বিবেচনা কৰো।

তালিকা -১) (গাঠি দিয়া হ'ল)---

| গ্ৰেড | পৰ্যায়-I | | পৰ্যায়- II | | পৰ্যায়III | | সমগ্ৰ তিনিটা পৰ্যায় | |
|---|---|---|---|---|---|---|---|---|
| | বিদ্যালয়ৰ সংখ্যা | বিদ্যালয়ৰ শতাংশ | বিদ্যালয়ৰ সংখ্যা | বিদ্যালয়ৰ শতাংশ | বিদ্যালয়ৰ সংখ্যা | বিদ্যালয়ৰ শতাংশ | মুঠ বিদ্যালয় | সৰ্বমুঠ শতাংশ |
| A | ৭৭৭ | ৬.০০% | ১৬৭২ | ৯.০০% | ৩৫৭৫ | ২০.০০% | ৬০২৪ | ১২.০০% |
| A | ২৩২৩ | ১৯.০০% | ৫৪৮০ | ২৯.০০% | ৭০৬৩ | ৪০.০০% | ১৪৮৬৬ | ৩০.০০% |
| B | ৩১০৬ | ২৫.০০% | ৬০৪৭ | ৩২.০০% | ৪৯০৩ | ১৭.০০% | ১৪০৫৬ | ২৯.০০% |
| C | ৩৩০২ | ২৭.০০% | ৩৬৩৮ | ১৯.০০% | ১৮০৮ | ১০.০০% | ৮৭৪৮ | ১৮.০০% |
| D | ২৭৭৮ | ২৩.০০% | ১৯৭৪ | ১০.০০% | ৫২০ | ৩.০০% | ৫২৭২ | ১১.০০% |
| সকলো গ্ৰেড | ১২২৮৬ | ১০০.০০% | ১৮৮১১ | ১০০.০০% | ১৭৮৬৯ | ১০০.০০% | ৪৮৯৬৬ | ১০০.০০% |
| সামৰি ১০০.০০% লোৱা বিদ্যালয়ৰ শতাংশ | | ২৫.০০% | | ৩৮.০০% | | | ৩৬.০০% | |

৪৬) স্বীকাৰ কৰো যে আন্তঃগাঠনি সম্পেৰ্কে গুণোৎসৱৰ মুল্যায়ন  কিছু পৰিমানে ঋনাত্মক। আমি দেখিবলৈ পাওঁ যে বহু সংখ্যক বিদ্যালয়ত শ্ৰেণীকোঠা, বিদ্যুৎ আদিকে ধৰি নিম্নতম প্ৰয়োজনীয় সুবিধা সমুহৰ অ ভাব। বহু লোকে মোক প্ৰশ্নও কৰে যে আমি কিয় এইবোৰ প্ৰয়োজন পুৰণ কৰিব নোৱাৰিলো। অধ্যক্ষ মহোদয় সচাঁ কথাটো এয়ে যে এই সৰ্ম্পকে মোৰ কোনো উত্তৰ নাই। কিন্তু আমি সৌভাগ্যবান যে এই সমস্যা সমাধান কৰাৰ বাবে ঈশ্বৰে আমাক নিৰ্বাচিত কৰিছে। এক তাৎক্ষণিক অনুমান অনুসৰি এই আটাইবোৰ সমস্যা দূৰ কৰিবৰ বাবে ৯৮০ কোটি টকাৰ প্ৰয়োজন।

তালিকা ২------- (গাঠি দিয়া হ'ল)

**গুণোৎসৱৰ বাবে প্ৰস্তাৱিত বাজেট**

| **কাম-কাজ** | **প্ৰস্তাৱিত গোটৰ সংখ্যা** | **প্ৰতিটোৰে মূল্য (লাখ টকাত)** | **ধনৰ পৰিমাণ (লাখ টকাত)** |
|---|---|---|---|
| অতিৰিক্ত শ্ৰেণী কোঠা | ১৩৫৬৪ | ৫.৪ | ৭৩৭৪১ |

| | | |
|---|---|---|
| ভিতৰৰ বেৰ | ১০৪৭২ ০.৪ | ৩৯১৭ |
| শৌচাগাৰ | ১৩৭৯ ১.৯ | ২৬১০ |
| বৈদ্যুতিকৰণ | ৩৭৫৬০ ০.৫ | ১৭৭৫৯ |
| | মুঠ | ৯৮০২৭ |

৪৭) এই ক্ষেত্ৰত সিদ্ধান্ত গ্ৰহণত আমি এখন্তেকো পলম কৰিব নোৱাৰো। সেই বাবে অন্যান্য খণ্ড সমুহৰ পৰা অহা দাবী স্বত্তেও এই সমগ্ৰ ৯৮০ কোটি টকাৰ ধনৰাশি মই একেবাৰতে ২০১৮-১৯ বিত্তীয় বৰ্ষত আৰন্টনৰ প্ৰস্তাৱ কৰিছো।

২) তেজস্বী নৱধিতমস্তু শৈক্ষিক আন্তঃগাঠনি পুঁজি ( TNEIF) বিত্তীগত মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় সমুহৰ উন্নয়ন

৪৮) ২০১৭-১৮ বৰ্ষৰ বাজেটত প্ৰতিশ্ৰুতি দিয়া অনুসৰি উচ্চ শিক্ষাৰ নৱৰূপ প্ৰদান আৰু পুনৰ গঠন কৰাৰ বাবে আমি তেজস্বী নৱধিতমস্তু শৈক্ষিক আন্তঃগাঠনি পুঁজি ( TNEIF) আঁচনিখন আৰম্ভ কৰিছিলো. আগন্তুক তিনি বা চাৰি বছৰৰ ভিতৰত ব্যয় কৰিব পৰাকৈ বৃত্তিগত মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় সমুহৰ আন্তঃগাঠনি উন্নয়নৰ বাবে ৬৬৭ কোটি টকাৰ বিশেষ অনুদান আগবঢ়োৱাৰ প্ৰস্তাৱ আগবঢ়োৱা হৈছিল। এই বিনিয়োগে ইতিমধ্যে আমাৰ প্ৰতিষ্ঠান সমুহত প্ৰাণ সঞ্চাৰৰ আগজাননি দিছে।

৪৯) ২০১৮-১৯ বৰ্ষৰ বাজেটত এই পদক্ষেপ অব্যাহত ৰখাৰ বাবে ৰাজ্যখনৰ আগশাৰীৰ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় সমুহৰ আন্তঃগাঠনি উন্নয়নৰ বাবে মই অতিৰিক্ত ২৫৬ কোটি টকা আৰন্তনৰ প্ৰস্তাৱ কৰিছো। আমি নিশ্চিত যে ই ৰাজ্যখনৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰখনলৈ আৰু অধিক উদ্দীপনা আগবঢ়াব।

| নাম | মুঠ ব্যয় | ২০১৮-১৯ (কোটি টকাত) |
|---|---|---|
| ১) গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হস্পিটেল | ১০০.০০ | ৩৩.০০ |
| ২) অসম চিকিৎসা মহাবিদ্যালয় আৰু হস্পিটেল | ১০০.০০ | ৩৩.০০ |
| ৩) শিলচৰ মেডিকেল কলেজ আৰু হস্পিটেল | ১০০.০০ | ৩৩.০০ |
| ৪) গুৱাহাটী বিশ্ব বিদ্যালয় | ২৫.০০ | ১৩.০০ |
| ৫) ডিব্ৰুগড় বিশ্ববিদ্যালয় | ২৫.০০ | ১৩.০০ |
| ৬) অসম অভিযান্ত্ৰিক মহাবিদ্যালয় | ২৫.০০ | ১২.৫০ |
| ৭) যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয় | ২৫.০০ | ১২.৫০ |
| ৮) বড়োলেণ্ড বিশ্ববিদ্যালয় | ২৫.০০ | ১৫.০০ |
| ৯)কুমাৰ ভাস্কৰ বৰ্মা বিশ্ববিদ্যালয় | ১৫.০০ | ৫.০০ |
| ১০) কটন বিশ্ববিদ্যালয় | ২০.০০ | ১৫.০০ |
| ১১) তেজপুৰ চিকিৎসা মহাবিদ্যালয় . | ২০.০০ | ১০.০০ |
| ১২) যোৰহাট চিকিৎসা মহাবিদ্যালয় | ২০.০০ | ১০.০০ |
| ১৩)বৰপেটা চিকিৎসা মহাবিদ্যালয় | ২০.০০ | ১০.০০ |

| | | |
|---|---|---|
| ১৪) অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট | ২০.০০ | ১০.০০ |
| ১৫) পশু চিকিৎসা মহাবিদ্যালয়, খানাপাৰা | ১০.০০ | ৫.০০ |
| ১৬) কে কে সন্দিকৈ মুক্ত বিদ্যালয় | ১০.০০ | ৮.০০ |
| ১৭) চৰকাৰী আয়ুৰ্বেৰ্দিক চিকিৎসা মহাবিদ্যালয় | ১০.০০ | ৬.০০ |
| ১৮) যোৰহাট বিজ্ঞান আৰু প্ৰযুক্তি প্ৰতিষ্ঠান | ১০.০০ | ৫.০০ |
| ১৯) বি ব্ৰহ্ম অভিযান্ত্ৰিক মহাবিদ্যালয় | ১০.০০ | ৫.০০ |
| ২০) বিজ্ঞান আৰু প্ৰযুক্তি বিশ্ববিদ্যালয়, অসম | ৭.০০ | ২.০০ |

৫১) অধ্যক্ষ মহোদয়, অত্যন্ত গৌৰৱেৰে মই কওঁ যে আমাৰ শৈক্ষিক প্ৰতিষ্ঠান সমূহত আন্তঃগাঠনিৰ মান উন্নীত কৰাৰ ই এক অন্যতম বৃহৎ প্ৰকল্প আৰু এই বাবেই এই আঁচনিয়ে ১৮ খন ধ্বজ্জাবাহী আঁচনিৰ মাজত স্থান লাভ কৰিছে।

iii) সংখ্যালঘু সম্প্ৰদায়ৰ কন্যা সন্তানৰ বাবে বৃত্তিমুলক আঁচনি

৫২) মই এনে এখন আঁচনি ঘোষণা কৰিব বিচাৰিছো, যিখন আঁচনিয়ে সংখ্যালঘু সম্প্ৰদায়ৰ কন্যাসকলক উচ্চ শিক্ষা লাভৰ ক্ষেত্ৰত সহায় কৰিব আৰু তেওঁলোকৰ উচ্চ শিক্ষাৰ অন্বেষণত উদগণি প্ৰদান কৰিব।

৫২) ইয়াৰ বাবে সংখ্যালঘু সম্প্ৰদায়ৰ দশম, একাদশ-দ্বাদশ, স্নাতক আৰু স্নাতকোত্তৰ শ্ৰেণীত অধ্যয়ণৰত ছাত্ৰীৰ বাবে ক্ৰমান্বয়ে বছৰি ২০০০ টকা, ৪০০০ টকা, ৬০০০ টকা আৰু ১০,০০০ টকাকৈ জলপানী আগবঢ়োৱা হ'ব। এই ধনৰাশি প্ৰত্যক্ষভাৱে অধ্যয়নৰত ছাত্ৰীগৰাকীৰ বেংক একাউন্টলৈ হস্তান্তৰ কৰা হ'ব। ইয়াৰ বাবে ছাত্ৰীগৰাকীয়ে অবিবাহিত আৰু অধ্যয়নৰত বুলি প্ৰমাণ-পত্ৰ দাখিল কৰিব লাগিব। আমি দৃঢ়ভাৱে বিশ্বাস কৰো যে যদি এগৰাকী নাৰীক শিক্ষিত কৰা হয় তেনেহ'লে এটা পৰিয়ালক শিক্ষিত কৰা হয় আৰু সেয়ে ক্ৰমাৎ সম্প্ৰসাৰিত হৈ এখন শিক্ষিত সমাজলৈ পৰিৱৰ্তিত হয়। এই ক্ষেত্ৰত ভাৰতৰ মাননীয় প্ৰাধান মন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ 'সবকা সাথ, সবকা বিকাশ' কথাষাৰি আমাৰ বাবে পাঠেয় হৈ ৰ'ব।

৫৪। এই উদ্দেশ্যে মই ২০১৮-১৯ বিত্তীয় বৰ্ষত ২৫০ কোটি টকা আৱন্টন দিয়াৰ প্ৰতিশ্ৰুতি দিছোঁ।

কনকলতা মহিলা সৱলীকৰণ যোজনা ঃ

৫৫। বিগত বাজেট ভাষণত মই ৰাজ্যখনৰ অন্ততঃ এক লাখ বহনক্ষম মহিলা আত্ম সহায়ক গোট বিকশিত তোলাৰ লক্ষ্যৰ কথা ঘোষণা কৰিছিলোঁ। নিৰ্দ্দিষ্ট সময়ৰ ভিতৰত এই গোটসমূহক ৰাজ সাহায্যযুক্ত ঋণ পাঁচ লাখ টকা পৰ্য্যন্ত আগবঢ়োৱাৰ কথা ঘোষণা কৰা হৈছিল। ৰাজ্যিক কেবিনেটে এই আঁচনিৰ প্ৰায়োগিত নীতি নিৰ্দেশনাৱলী অনুমোদন কৰিছে আৰু আমি এই আঁচনি অহা বিত্তীয় বৰ্ষত শুভাৰম্ভ কৰিম। মই উল্লেখ কৰিবলৈ পাই সুখী যে আমি ইতিমধ্যে ২৫০ কোটি মোকলাই দিছোঁ আৰু সেয়েহে আঁচনিখন ৰূপায়ণৰ বাবে সাজু হৈ উঠিছে।

৫৬। চলিত ২০১৮-১৯ বিত্তীয় বৰ্ষত ২৬০০০ আত্মসাহয়ক গোট অন্তৰ্ভূক্ত কৰি মই এই আঁচনিৰ পৰিসৰ বৃদ্ধি কৰিব খোজোঁ যাতে প্ৰতিটো সমষ্টিত গাইপতি এহেজাৰটাকৈ আত্মসহায়ক গোট সামৰি লৈ ৰাজখনৰ মুঠ সাহায্যপ্ৰাপ্ত আত্মসহায়ক গোটৰ সংখ্যা ১,২৬,০০০ লৈ বৃদ্ধি পায়।

৫৭। আমি দৃঢ়ভাৱে বিশ্বাসী যে আগন্তুক বৰ্ষত এই কনকলতা মহিলা সৱলীকৰণ যোজনা আঁচনিটো গ্ৰামীন মহিলা সকলৰ সৱলীকৰণত পথ নিৰ্দেশক হ'ব আৰু তেওঁলোকে জীৱনৰ সকলো দিশত নিজৰ অধিকাৰ আৰু ক্ষমতা সাব্যস্ত কৰিবলৈ সক্ষম হ'ব।

স্বামী বিবেকানন্দ অসম যুৱ সৱলীকৰণ যোজনা ঃ

৫৮। মই, বিগত বৰ্ষত স্বামী বিবেকানন্দ অসম যুৱ সৱলীকৰণ যোজনা আঁচনিৰ বিষয়ে ঘোষণা

কৰিছিলো যিখন আঁচনিত প্ৰায় এক লাখ যুৱ উদ্যোগীক বিত্তীয় সাহায্য আগবঢ়োৰ বিষয়ে পৰিকল্পনা কৰা হৈছিল।

৫৯। মাননীয় অধ্যক্ষ মহোদয়, আঁচনিখন যাতে বহনক্ষম আৰু শক্তিশালীৰূপত উপস্থাপন কৰিব পাৰো তাৰবাবে আমি কিছু অধিক সচেষ্ট হৈ বেঙ্ক ব্যৱস্থাৰ কৰ্মনীতি তথা আঁচনিখনৰ অন্যান্য নীতি-নিৰ্দেশনা প্ৰস্তুত কৰিছিলো। তাকে কৰোতে আমি আশা কৰাতকৈ কিছু অধিক সময়ৰ প্ৰয়োজন হ'ব।

৬০। অসম চৰকাৰে আগবঢ়োৱা এই বিত্তীয় সাহায্যই ৰাজ্যৰ যুৱক সকলক মাথো উৎসাহিত কৰাই নহয়, বৰং তেওঁলোকক তেওঁলোকৰ সপোন আৰু উচ্চাকাংক্ষা, অভিলাষী পূৰণ কৰিবলৈও যে সক্ষম হ'ব সেই বিষয়ে আমি নিসন্দেহ।

৬১। আমি এই আঁচনিখন ২০১৮ চনৰ এপ্ৰিল মাহত আৰম্ভ কৰিবৰ বাবে সাজু হৈছোঁ আৰু পূৰ্বতে ঘোষণা কৰামতে ২০১৮-১৯ চনৰ বাজেটত ৩০০ কোটি টকা ধাৰ্য্য কৰা হৈছে। উক্ত আঁচনিখন ৰূপায়ণৰ ওপৰত নিৰ্ভৰ কৰি পৰবৰ্তী সময়ত আঁচনিখনৰ পৰিসৰ বৃদ্ধি কৰা হ'ব আৰু ৰাজ্যৰ আন এক লাখ যুৱক-যুৱতীক সামৰি ৰাজসাহাৰ্য্যসহ ঋণ প্ৰদান কৰিবলৈ ব্যৱস্থা কৰা হ'ব।

সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ ঋণ নিশ্চিত আঁচনি ঃ

৬২। বিকাশশীল অৰ্থনীতি আৰু সমাজ ব্যৱস্থাত সূক্ষ্ম, ক্ষুদ্ৰ আৰু মাজলীয়া উদ্যোগসমূহে অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। সেই বাবেই এডভান্টেজ আসাম সন্মিলনত সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহক যথেষ্ট গুৰুত্ব দিয়া হৈছিল। কিন্তু দেখা যায় যে এই সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহে প্ৰায়ে বৃহৎ বেংকসমূহৰ পৰা ঋণ আদায় কৰিবলৈ গৈ বিমুখ হ'ব লগাত পৰে এই অজুহাততে যে প্ৰয়োজনীয় বন্ধকী দিয়াৰ সামৰ্থ তেওঁলোকৰ নাই। আনহাতে উদ্যোগখণ্ডৰ বাবে আগবঢ়োৱা ঋণ যাতে পুনৰাই বেংকসমূহে ওভটাই পায় তাৰ বাবেও সচেতন হ'ব লাগিব। বেংকে প্ৰদান কৰা ঋণসমূহ এন.পি.এ নোহোৱাকৈ ঋণী উদ্যোগ গোটসমূহে পৰিশোধ কৰিবলৈ যাতে সক্ষম হয় তাৰ বাবেও সচেষ্ট হ'ব লাগিব।

৬৩। সেইবাবে স্থানীয় সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ উৎপাদিত সামগ্ৰীৰ বাবে সকলো চৰকাৰী নিবিদাতে ২০ শতাংশ সংৰক্ষণ কৰাৰ উপৰিও অলপতে ৰাজ্যিক কেবিনেটে এই খণ্ডৰ সামগ্ৰীৰ মূল্যৰ ক্ষেত্ৰত ২৫ শতাংশ পৰ্য্যন্ত অধিক মূল্যক অগ্ৰাধিকাৰ প্ৰদান কৰাটোত অনুমোদন কৰিছে। এই উদ্যোগসমূহে যাতে বন্ধকী অবিহনে বেংকসমূহৰ পৰা ঋণ ল'ব পাৰে তাৰবাবে মই এক নতুন আঁচনিৰ প্ৰস্তাৱ কৰিছো। সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ ঋণ নিশ্চিত আঁচনি নামৰ এই নতুন আঁচনিখনৰ বাবে ১০০কোটি টাকা 'ঋণ নিশ্চিত পুঁজি' হিচাপে আছুতীয়াকৈ ৰখা হ'ব আৰু এই পুঁজিয়ে বিফল হোৱা প্ৰকল্পৰ ক্ষেত্ৰত ঋণৰ নিশ্চিত প্ৰদান কৰিব। নিৰ্দ্ধাৰিত ব্যৱসায়িক বেংক আৰু R R B-ৰ পৰা ৫০ লাখ টকা পৰ্যন্ত ঋণ লোৱা পুঁজিৰ ৫০ শতাংশ লৈকে এই নিশ্চিত পুঁজিয়ে সামৰি ল'ব। মই আশা কৰিছো যে চলিত আৰু নতুনকৈ আৰম্ভ হোৱা সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহে এই ঋণ নিশ্চিত আঁচনিৰ দ্বাৰা যথেষ্ট লাভবান হ'ব আৰু উদ্যমিতা বিকাশ আৰু উদ্যোগীকৰণত ই উৎসাহ যোগাব।

৬৪। সেয়েহে মই চলিত বাজেটত এই আঁচনিৰ বাবে ১০০ কোটি টকাৰ আৱন্টন দিছো।

ৰাজ্যিক পৰ্য্যয়ৰ ব্যাপক দক্ষতা বিকাশ আঁচনি ঃ

৬৫। ৰাজ্যখনৰ যুৱক-যুৱতীসকলে অগ্ৰাধিকাৰ প্ৰাপ্ত বিভিন্ন খণ্ডত যাতে লাভজনক নিয়োগৰ সুবিধা পায় তাৰ বাবে তেওঁলোকক দক্ষতা বিকাশমূলক প্ৰশিক্ষণ দিয়াৰ বাবে আমি প্ৰতিশ্ৰুতিবদ্ধ।

এডভান্টেজ আসাম সন্মিলনত বৃহৎ ক'ৰ্পৰেট গোষ্ঠীৰ উৎসাহজনক অংশগ্ৰহণ আৰু তেওঁলোকৰ পৰা লাভ কৰা প্ৰতিশ্ৰুতিৰ পৰিপ্ৰেক্ষিতত ৰাজ্যখনৰ স্থানীয় যুৱক-যুৱতীসকলক দক্ষতা বিকাশ ঘটোৱাটো অত্যন্ত জৰুৰী হৈ পৰিছে।

৬৬। আমাৰ চৰকাৰে অসমৰ যুৱক-যুৱতীসকলক ভাৰতৰ বাকী অংশত থকা উৎকৃষ্টতম প্ৰতিভাৰ সৈতে প্ৰতিদ্বন্দিতা কৰিব পৰাকৈ সক্ষম কৰি তোলাৰ অৰ্থে তেওঁলোকৰ বাবে নিশ্চিত নিয়োগৰ সুবিধাসহ ব্যাপক দক্ষতা প্ৰশিক্ষণ কাৰ্য্যসূচী হাতত ল'ব। প্ৰশিক্ষণৰ দ্বাৰা নিয়োগ যোগ্যতা গঢ়ি তুলিবলৈ প্ৰতিগৰাকী যুৱক-যুৱতীৰ বাবে ১৪,৮০০ টকাকৈ বিনিয়োগ কৰা হ'ব। এই দক্ষতা প্ৰশিক্ষণ কাৰ্য্যসূচীৰ জৰিয়তে আমি অহা ৩ বছৰৰ ভিতৰত ১.৫ লাখ যুৱক-যুৱতীক সামৰি ল'বলৈ লক্ষ্য নিৰ্দ্ধাৰিণ কৰিছোঁ আৰু ই সমগ্ৰ দেশৰ ভিতৰতে অন্যতম বৃহৎ পদক্ষেপ।

৬৭। তদুপৰি, আমাৰ এই প্ৰয়াসক ধ্বজাবাহী আঁচনি S V A Y E M যোজনাৰ সৈতে সংলগ্ন কৰি যুৱক-যুৱতীসকলৰ নিয়োগ সৃষ্টি আৰু উদ্যমিতা বিকাশ নিশ্চিত কৰা হ'ব।

৬৮। এই আঁচনিখনক আমাৰ এক ধ্বজাবাহী আঁচনিস্বৰূপে প্ৰক্ষেপ কৰাটোত এই সদনৰ সদস্যসকল যে একমত হ'ব তাত মই নিশ্চিত আৰু এই আঁচনিখনৰ ৰূপায়ণৰ অৰ্থে মই চলিত বৰ্ষৰ বাজেটত ৭৭ কোটি টকা আৱন্টন কৰিছো।

শূণ্য সুদত শস্য ঋণ, কৃষকৰ ঋণ ৰেহাই তথা কৃষি উপকৰণৰ বাবে বিত্তীয় সাহাৰ্য্য আঁচনি ঃ

৬৯। অধ্যক্ষ মহোদয়, কিছুসময় পূৰ্বে মই পথৰুঘাটৰ বিদ্ৰোহৰ সময়ত আমাৰ খেতিয়কসকলে কৰা মহান ত্যাগৰ বিষয়ে উল্লেখ কৰিছিলোঁ। মই অসমৰ কৃষকসকলৰ বাবে এখন আঁচনি ঘোষণা কৰি চৰম আত্মবলিদান দিয়া পথৰুঘাটৰ ছহিদ কৃষকসকলৰ প্ৰতি আমাৰ শ্ৰদ্ধা নিবেদন কৰিব খোজোঁ। আমাৰ অৰ্থনীতি হ'ল কৃষি অৰ্থনীতি। ৰাষ্ট্ৰীয় অৰ্থনীতিলৈ কৃষকসকলে যি বৰঙণি আগবঢ়ায় তাৰ কোনো তুলনা নাই। মই আন্তৰিকতাৰে অনুভৱ কৰোঁ যে কৃষক সমাজৰ প্ৰয়োজনীয়তাবোৰ সেইবাবেই সৰ্বাধিক গুৰুত্ব পোৱা উচিত।

৭০। কৃষকসকললৈ সকাহ দিয়াৰ লক্ষ্যৰে কৃষিৰ প্ৰসাৰ ঘটোৱাৰ বাবে বিগত বাজেটত মই এলানি ব্যৱস্থাৰ কথা ঘোষণা কৰিছিলোঁ। কৃষকৰ আয় দুগুণ কৰাৰ লক্ষ্যৰে হাতত লোৱা মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ উপৰিও আমি আন কিছুমান ব্যৱস্থাৰ প্ৰস্তাৱ লৈছিলোঁ যেনে- কৃষকসকললৈ শূণ্য শতাংশ সুদৰ হাৰত শস্য ঋণ, কিষাণ ক্ৰেডিট কাৰ্ড ব্যৱহাৰ কৰা কৃষকসকললৈ বিত্তীয় উদ্‌গনি আদি।

৭১। বিগত ডেৰ বছৰত আমি লক্ষ্য কৰিছোঁ যে আমাৰ কৃষকসকলে কিষান ক্ৰেডিট কাৰ্ডৰ জৰিয়তে আগবঢ়োৱা ৰাজসাহাৰ্য্যযুক্ত হ্ৰস্বকালীন শস্য ঋণৰ সুবিধা সম্পূৰ্ণৰূপে অৰ্জন কৰিবলৈ সক্ষম হোৱা নাই। ইয়াৰ মূল কাৰণ এয়ে যে এনে সৰহ সংখ্যক একাউন্টতে ঋণ পৰিশোধ কৰিবলৈ বাকী আছে আৰু ফলশ্ৰুতিত নতুন ঋণৰ স্ৰোতটো বন্ধ হৈ পৰিছে। এই অকামিলা একাউন্টসমূহ সক্ৰিয় কৰাৰ বাবে নিজৰ কাৰ্ড নবীকৰণ কৰা প্ৰতিগৰাকী কে.চি.চি ধাৰক খেতিয়কলৈ ৩০০০ টকাকৈ এককালীন নগদ উদগনি আমি প্ৰৱৰ্তন কৰিছিলোঁ।

৭২। এই উদগনিমূলক ব্যৱস্থা অব্যাহত ৰাখি মই এই দিশত আন এক বৃহৎ পদক্ষেপ স্বৰূপে এখন আঁচনি ঘোষণা কৰিব বিচাৰিছোঁ যাৰ দ্বাৰা বেংকৰ ঋণ লোৱা কৃষকসকল উপকৃত হ'ব। চৰকাৰে বেংকত পৰিশোধ কৰিবলগীয়া কৃষকৰ মূলধন আৰু সুদ উভয়ে গণনা কৰিব। গণনাৰ পিছত ৰাজ্য চৰকাৰে এনে প্ৰতিটো ঋণৰ বিপৰীতে বকেয়া ধনৰ ২৫ শতাংশ কৈ সৰ্বাধিক ২৫০০০ টকা পৰিশোধ কৰিব। মই জানো যে ইয়াৰ ফলত ৰাজকোষৰ পৰা এক বৃহৎ অংকৰ ধন ব্যয় হ'ব। কিন্তু ৰাজ্যৰ

খেতিয়কসকলৰ বৃহত্তৰ স্বাৰ্থৰ কথা মনত ৰাখি আমি এই এককালীন ব্যৱস্থাৰ কথা ঘোষণাৰ সিদ্ধান্ত গ্ৰহণ কৰিছো। এই পদক্ষেপে খেতিয়কসকললৈ বহু প্ৰত্যাশিত ঋণৰ যোগান পুনৰ মুকলি কৰিব। এই আঁচনিৰ বাবে মই পাচশ কোটি টকা ধাৰ্য্য কৰিছোঁ। ইয়াৰে সবিশেষ সময়ত যুগুত কৰা হ'ব।

৭৩। ক্ষীপ্ৰতাৰে ঋণ পৰিশোধ কৰা খেতিয়কসকললৈ পুৰস্কাৰ হিচাপে আগবঢ়োৱা চাৰি শতাংশ সুদৰ ৰাজ সাহায্য আমি অব্যাহত ৰাখিম যাতে তেওঁলোকে একলাখ টকা পৰ্যন্ত সকলো হ্ৰস্বকালীন শস্য ঋণ শূণ্য শতাংশ সুদৰ হাৰত লাভ কৰে।

৭৪। শূণ্য সুদৰ শস্য ঋণ, ট্ৰেক্টৰৰ ব্যাপক ব্যৱহাৰ, বকেয়া ঋণৰ ক্ষেত্ৰত ২৫ শতাংশ বৰঙণি আদি আঁচনিসমূহ আমাৰ ৰাজ্যত ৰূপায়ণ কৰিব খেজা কিছুমান অভিনৱ আৰু ঐতিহাসিক আঁচনি। কিন্তু আমি ইয়াতে ৰৈ যাব নোৱাৰোঁ। কৃষি উৎপাদন বৃদ্ধি কৰাৰ অৰ্থে বৈজ্ঞানিক কৃষি উপকৰণ ব্যৱহাৰৰ বাবে ৭৫ শতাংশ ৰাজ সাহাৰ্য্যৰ প্ৰস্তাৱ কৰিছোঁ। এই ৰাজ সাহাৰ্য্যৰ সৰ্বোচ্চ সীমা প্ৰতি গৰাকী কৃষকৰ ক্ষেত্ৰত ৫০০০ টকা ধাৰ্য্য কৰা হৈছে। ৰাজ্যখনৰ প্ৰায় পাঁচ লক্ষ কৃষকক এই আঁচনিয়ে সামৰি ল'ব। এই সকলোবোৰ ঘোষণাৰ বিপৰীতে পৰ্যাপ্ত পৰিমাণৰ বাজেট আৱন্টনৰ ব্যৱস্থা কৰা হৈছোঁ।

উত্তৰণ ঃ বিধান সভা সমষ্টিৰ বাবে ৰাজ্য চৰকাৰৰ বিশিষ্ট প্ৰকল্পসমূহ ঃ-

আমি এটা কথা কৈছো উত্তৰণ। উত্তৰণ আঁচনিটো হ'ল, বিধায়ক সকলে Signature Scheme দিছিল। ইয়াত এখন তালিকা আছে, ১২৬টা সমষ্টিৰ বাবে। আজিৰ দিনটোত আমি ১২৬ টা আঁচনি ঘোষণা কৰিছো। প্ৰতিটো আঁচনিৰ আমি ১০ কোটি টকাকৈ ব্যয় কৰিম আৰু এই বছৰ আমি ৫০০ কোটি টকা ধাৰ্য্য কৰিছো। দুই এজন বিধায়কৰ ইয়াতে ৰখা হৈছে যে আঁচনিৰ বাবে অপেক্ষা কৰি থকা হৈছে। ৪/৫ গৰাকী বিধায়কে আঁচনি দিয়া নাছিল। তেওঁলোকে দিব পাৰে। So,উত্তৰণ, Signature Scheme টোৰ নাম হ'ব উত্তৰণ আৰু এই উত্তৰণত মই অষ্টাদশ মুকুতাৰ উন্নয়ণী মালাৰ আন এটা আঁচনি হিচাপে ঘোষণা কৰিছো।

**IX) উত্তৰণঃ বিধানসভা সমষ্টিৰ বাবে ৰাজ্য চৰকাৰৰ বিশিষ্ট প্ৰকল্পসমূহ ঃ**

৭৫) যোৱা বছৰ বাজেটৰ অংশ হিচাপে আমাৰ মাননীয় বিধায়ক সকলে নিজ নিজ সমষ্টিত অন্তৰ্ভুক্ত কৰিবলৈ বিচৰা আঁচনিসমূহৰ বিষয়ে তেওঁলোকৰ পৰা জানিবলৈ বিচৰা হৈছিল। তেওঁলোকৰ সমষ্টি সমূহৰ বহুসংখ্যক প্ৰয়োজনীয়তাই ইতিমধ্যে ৰাজ্যচৰকাৰে ঘোষণা কৰা আঁচনিৰ অংশ হিচাপে সামৰি লোৱা হৈছে যদিও সমষ্টি ভিত্তিক নিৰ্দ্দিষ্ট 'বিশিষ্ট প্ৰকল্প'সমূহ (Signature Scheme) কাৰ্য্যকৰী কৰাৰ বাবে পুঁজি ধাৰ্য্য কৰাৰ আৱশ্যকতা আছিল।

৭৬) সেয়েহে বিভিন্ন বিধানসভা সমষ্টিত উত্তৰণ আঁচনিৰ অধীনত ৰাজ্য চৰকাৰৰ 'বিশিষ্ট প্ৰকল্প' ৰূপায়ণৰ বাবে ৫০০ কোটি টকা আবণ্টণ দিয়া হৈছে। এই আঁচনিসমূহ ৰূপায়ণৰ বাবে বিস্তৃত নীতি-নিৰ্দ্দেশনা প্ৰস্তুত কৰা হৈছে। মাথোঁ ১০ কোটি পৰ্য্যন্ত ব্যয়ৰ প্ৰকল্পসমূহৰ বাবে বিত্তবিভাগে প্ৰয়োজনীয় অনুমোদন প্ৰদান কৰিব। আঁচনিসমূহ সংশ্লিষ্ট বিভাগে ৰূপায়ণ কৰিব। আঁচনিসমূহৰ তালিকা তলত সংলগ্ন কৰা হ'ল।

| ক্ৰমিক নং | সমষ্টি | আঁচনিৰ সৱিশেষ |
|---|---|---|
| ১) | ৰাতাবাৰী | পণ্ডিত দীন দয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যলয় স্থাপন। |
| ২) | পাথাৰকান্দি | বাজৰি চেৰাত এখন চৰকাৰী আদৰ্শ মহাবিদ্যালয় |

| | | |
|---|---|---|
| | | নির্মাণ। |
| ৩) | উত্তৰকৰিমগঞ্জ | উত্তৰকৰিমগঞ্জ গড়কাপ্তানি পথৰ নির্মাণ। |
| ৪) | দক্ষিণকৰিমগঞ্জ | ১৮০ টা অংগনবাড়ী কেন্দ্ৰ স্থাপন। |
| ৫) | বদৰপুৰ | পথ যোগাযোগৰ উন্নয়ণ। |
| ৬) | হাইলাকান্দি | গোদামঘাট দলং নির্মাণ। |
| ৭) | কাটলিচেৰা | ধলাই মলাইত পথ নির্মাণ আৰু কাবুলিচিৰা নলাত এখন দলং নির্মাণ। |
| ৮) | আলগাপুৰ | ধনেশ্বৰী নদীৰ ওপৰত পকী দলং নির্মাণ। |
| ৯) | শিলচৰ | আৰক্ষী পেৰেড গ্ৰাউণ্ডৰ ক্ৰীড়া ষ্টেডিয়ামৰ উন্নয়ণ। |
| ১০) | সোণাই | চিলিকুৰীৰ পৰা বৈৰাগীটিলা পথ নির্মাণ। |
| ১১) | ধলাই | ভূবন মন্দিৰৰ আন্তঃগাঁথনিত কাম-কাজ। |
| ১২) | উদৰবন্দ | মধুৰা নদীৰ ওপৰত পকী দলং নির্মাণ। |
| ১৩) | লক্ষীপুৰ | ইন্দোৰ ক্ৰীড়া ষ্টেডিয়াম নির্মাণ। |
| ১৪) | বৰখলা | এতিয়াও চূৰান্ত হোৱা নাই। |
| ১৫) | কাটিগড়া | বিহাৰা সমূহীয়া স্বাস্থ্যকেন্দ্ৰক আদৰ্শ চিকিৎসালয়লৈ উন্নীতকৰণ। |
| ১৬) | হাফলং ডিমা হাচাও | হাফলং চহৰলৈ পনীযোগান আঁচনি |
| ১৭) | বোকাজান | আধুনিক প্ৰেক্ষাগৃহ নির্মাণ। |
| ১৮) | হাওৰাঘাট | ডকমকা চহৰত ৰাজহুৱা প্ৰেক্ষাগৃহ নির্মাণ। |
| ১৯) | ডিফু | বিভিন্ন সা-সুবিধাযুক্ত ক্ৰীড়া প্ৰকল্প নির্মাণ। |
| ২০) | বৈঠালাংচু | হংক্ৰামত ক্ৰীড়া আৰু যুৱকেন্দ্ৰ আৰু ষ্টেডিয়াম। |
| ২১) | মানকাচাৰ | মহামায়ানগৰ আৰু শান্তিপুৰ গাওঁৰ বাবে পকীঢাকনী সহ নলানৰ্দমা নির্মাণ। |
| ২২) | দক্ষিণ শালমাৰা | টিপকায় নদীৰ ওপৰত পকী দলং নির্মাণ। |
| ২৩) | ধুবুৰী | চিচিল্লʼক পেভমেণ্টৰ সৈতে ধুবুৰী পাটামাৰী পথ নির্মাণ। |
| ২৪) | গৌৰীপুৰ | আলমগঞ্জৰ পৰা চেলাই পাৰ পথ লৈ পকী দলং নির্মাণ। |
| ২৫) | গোলকগঞ্জ | গোলকগঞ্জ ষ্টেডিয়াম নির্মাণ। |
| ২৬) | পশ্চিম বিলাসীপাৰা | নয়াহাটচাগুউলমাৰি পথত পকী দলং নির্মাণ। |
| ২৭) | পূব-বিলাসীপাৰা | উপ-স্বাস্থ্যকেন্দ্ৰ (ৰাজ্যিক চিকিৎসালয়)ৰ উন্নীতকৰণ আৰু আদৰ্শ চিকিৎসালয় নির্মাণ। |
| ২৮) | গোসাইগাওঁ | পকী দলং নির্মাণ। |
| ২৯) | পশ্চিম কোকৰাঝাৰ | গংগিয়া নদীৰ ওপৰত পকী দলংসহ ফাটাখাটলৈ পথ নির্মাণ। |
| ৩০) | পূব কোকৰাঝাৰ | দতমা-বালাজান পথৰ নির্মাণ, উন্নীতকৰণ আৰু পকী দলং নির্মাণ। |

| | | |
|---|---|---|
| ৩১) | চিদলী | ডাংতলৰ পৰা বেং তললৈ পথ নিৰ্মাণ। |
| ৩২) | বঙাইগাওঁ | উ ত্তৰ শালমাৰাৰ পৰা জাকনাপাৰা হৈ চাপাগুৰৰ পৰা হাপাচাৰালৈ পথ নিৰ্মাণ। |
| ৩৩) | বিজনী | মৰা মানস নৈৰ ওপৰত পকী দলং নিৰ্মাণ। |
| ৩৪) | উত্তৰ অভয়াপুৰী | বৰঘলাৰ পৰা গুণিয়াল গুৰি লৈ পথ নিৰ্মাণ। |
| ৩৫) | দক্ষিণ অভয়াপুৰী | মৰা মানস নৈৰ ওপৰত মালেগড়ৰ পৰা বৰজানলৈ পকী দলং নিৰ্মাণ। |
| ৩৬) | দুধনৈ | ক্ৰীড়া চৌহদ আৰু ষ্টেডিয়াম আন্তঃগাঁথনি নিৰ্মাণ। |
| ৩৭) | পূৱ গোৱালপাৰা | বলদমাৰি চৰক বান আৰু খহনীয়াৰ পৰা সুৰক্ষা। |
| ৩৮) | পশ্চিম  গোৱালপাৰা | তাপৰ ভিটা অঞ্চলৰ গৰা খহনীয়াৰ পৰা সুৰক্ষা। |
| ৩৯) | জলেশ্বৰ | লক্ষিপুৰ জলেশ্বৰ পথৰ উন্নীতি কৰণ। |
| ৪০) | সৰভোগ | বহু উপযোগী গৃহ নিৰ্মাণ। |
| ৪১) | ভৱানীপুৰ | সমষ্টিটোৰপথ নিৰ্মাণ। |
| ৪২) | পাটাচাৰ কুছি | টিহু উন্নয়ন খণ্ডৰ কাৰ্য্যালয় গৃহ নিৰ্মাণ. |
| ৪৩) | বৰপেটা | হৰিজান সুঁতিৰ পৰিষ্কাৰকৰণ আৰু সৌন্দৰ্য্য বৰ্দ্ধন। |
| ৪৪) | জনিয়া | জনিয়া উন্নয়ন খণ্ডৰ কাম-কাজ। |
| ৪৫) | বাঘবৰ | কৰ্মৰত মহিলা আৰু পুৰুষৰ বাবে নিৱাস সমূহ নিৰ্মাণ। |
| ৪৬) | সৰুক্ষেত্ৰী | আধুনিক বজাৰ আৰু প্ৰশিক্ষণৰ সা-সুবিধাৰে গ্ৰাম্য কৃষি কেন্দ্ৰ নিৰ্মাণ। |
| ৪৭) | চেঙা | চেঙাৰ পৰা নগাঁও সৰ্থেবাৰী পথ নিৰ্মাণ। |
| ৪৮) | বকো | জনতা বজাৰ আৰু জলজলী গাইড বান্ধৰ সুৰক্ষাৰ বাবে খহনীয়া প্ৰতিৰোধী ব্যৱস্থা। |
| ৪৯) | ছয়গাঁও | মা চণ্ডীকা দেৱালয়/চান্দ সদাগৰৰ মেৰঘৰ উন্নয়ণ সাধন |
| ৫০) | পলাশবাৰী | দক্ষিণ কামৰূপ ক্ৰীড়া সংঘত ষ্টেডিয়াম নিৰ্মাণ। |
| ৫১) | জালুকবাৰী | উত্তৰ গুৱাহাটীত ষ্টেডিয়াম নিৰ্মাণ। |
| ৫২) | দিশপুৰ | পাথৰ কুছিত প্ৰেক্ষাগৃহৰে সৈতে বহুমুখী মিনি ষ্টেডিয়াম নিৰ্মাণ। |
| ৫৩) | পূৱ গুৱাহাটী | উলুবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আদৰ্শ সংহত একাডেমী উৎকৃষ্টতাৰ কেন্দ্ৰলৈ উন্নীতকৰণ। |
| ৫৪) | পশ্চিম গুৱাহাটী | পাৰিপাৰ্শ্বি কতা আৰু আনুষংগিক পৰ্য্যটনকে ধৰি দীপৰ বিলৰ উন্নয়ণ সাধন। |
| ৫৫) | হাজো | চুইমিং পুলৰে সৈতে ইণ্ডো ৰ ষ্টেডিয়াম। |
| ৫৬) | কমলপুৰ | কমলপুৰত পথ নিৰ্মাণ। |
| ৫৭) | ৰঙিয়া | ৰঙিয়া মহাবিদ্যালয় স্নাতকোত্তৰ মহাবিদ্যালয়লৈ উন্নীতকৰণ। |
| ৫৮) | তামুলপুৰ | বৰলীয়া নৈৰ ওপৰত পকী দলং নিৰ্মাণ। |
| ৫৯) | নলবাৰী | নলবাৰীৰ মধ্য বাহঁজানীত এখন পুৰ্ণাংগ মহাবিদ্যালয় |

| | | |
|---|---|---|
| | | স্থাপন। |
| ৬০) | বৰক্ষেত্ৰী | মুকালমুৱাত এ এন এম আৰু জি এন এন নাৰ্চিং স্কুল স্থাপন। |
| ৬১) | ধৰ্মপুৰ | চামতাত আউটডোৰ প্ৰকল্প নিৰ্মাণ। |
| ৬২) | বৰমা | আইচিপিভিৰে পথ নিৰ্মাণ। |
| ৬৩) | চাপাগুৰি | কলদিয়া নদীৰ ওপৰত পকী দলং নিৰ্মাণ। |
| ৬৪) | পানেৰী | ভেৰগাওঁ বামুনজুলী পথ নিৰ্মাণ। |
| ৬৫) | কলাইগাওঁ | টংলা মাহিলীপাৰা পথ নিৰ্মাণ। |
| ৬৬) | চিপাঝাৰ | চিপাঝাৰত ষ্টেডিয়াম নিৰ্মাণ। |
| ৬৭) | মঙ্গলদৈ | মঙ্গলদৈ ক্ৰীড়া প্ৰকল্প নিৰ্মাণ। |
| ৬৮) | দলগাওঁ | পি ডি ইউ আদৰ্শ মহাবিদ্যালয় উন্নীতকৰণ। |
| ৬৯) | ওদালগুৰি | ভৰলা নদীৰ ওপৰত পকী দলং নিৰ্মাণ। |
| ৭০) | মাজবাট | ইউডি এচ এক্ৰীড়া প্ৰকল্প নিৰ্মাণ। |
| ৭১) | ঢেকীয়াজুলী | ঢেকীয়াজুলীত ষ্টেডিয়াম নিৰ্মাণ। |
| ৭২) | বৰছলা | গুপ্তেশ্বৰৰ ঐতিহ্য স্থলীৰ উন্নয়ণ। |
| ৭৩) | তেজপুৰ | তেজপুৰ ষ্টেডিয়ামত সংহত ক্ৰীড়া প্ৰকল্প নিৰ্মাণ। |
| ৭৪) | ৰঙাপাৰা | বালিপাৰা স্নাতক মহাবিদ্যালয় স্থাপন। |
| ৭৫) | চতীয়া | নাগশংকৰত ষ্টেডিয়াম নিৰ্মাণ। |
| ৭৬) | বিশ্বনাথ | বিশ্বনাথ চহৰত নলা-নৰ্দমা নিৰ্মাণ। |
| ৭৭) | বিহালী | তিনিসুঁতিৰ পৰা ক'লাপানী পথ উন্নীত কৰণ। |
| ৭৮) | গহপুৰ | ক্ৰীড়া প্ৰকল্পৰ উন্নয়ন। |
| ৭৯) | জাগীৰোড | নলা-নৰ্দমাৰ উন্নয়ন। |
| ৮০) | মৰিগাওঁ | পথ আৰু নলা-নৰ্দমাৰ উন্নয়ন। |
| ৮১) | লাহৰিঘাট | তপাতোলাৰ পৰা চেনীয়ালৈ চি চি ব্লকযুক্ত পথ নিৰ্মাণ। |
| ৮২) | ৰহা | মিনা বজাৰৰ পৰা আদৰ্শ বজাৰলৈ সকলো বতৰৰ উপযোগী পথৰ উন্নয়ন সহ বৰাপানী নদীৰ ওপৰত দলং নিৰ্মাণ। |
| ৮৩) | ধিং | নগাঁও-ধিং-বুঢ়াগাওঁ পথৰ উন্নীতকৰণ। |
| ৮৪) | বটদ্ৰৱা | কপেহেৰা ফিল্ডত ষ্টেডিয়াম নিৰ্মাণ। |
| ৮৫) | ৰূপহীঘাট | বেলতলীৰ পৰা চুৰিৰ পাৰলৈ পথ নিৰ্মাণ। |
| ৮৬) | নগাওঁ(সদৰ) | পথ আৰু নলা-নৰ্দমাৰ উন্নয়ন। |
| ৮৭) | বঢ়মপুৰ | শ্বহীদ থগীখুদ ক্ৰীড়া পুখুৰীৰ উন্নয়ণ। |
| ৮৮) | চামগুৰি | আধুনিক বজাৰ আৰু প্ৰশিক্ষণৰ সুবিধাসহ গ্ৰামীণ কৃষি কেন্দ্ৰ নিৰ্মাণ। |
| ৮৯) | কলিয়াবৰ | ড০ টি আও ষ্টেডিয়ামত ক্ৰীড়া হোষ্টেল নিৰ্মাণ। |
| ৯০) | যমুনামুখ | নীলবাগানৰ পৰা মুৰাঝেৰ লৈ পথৰ |

উন্নীতকৰণ।

| | | |
|---|---|---|
| ৯১) | হোজাই | পুব ধনীৰাম পথৰ গাওঁ পঞ্চায়তৰ ক্ৰীড়া প্ৰকল্পৰ উন্নীতকৰণ। |
| ৯২) | লামডিং | পণ্ডিত দীন দয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয় স্থাপন। |
| ৯৩) | বোকাখাট | বোকাখাটত সংহত ক্ৰীড়া প্ৰকল্প নিৰ্মাণ। |
| ৯৪) | সৰুপথাৰ | বিজ্ঞান মহাবিদ্যালয় স্থাপন। |
| ৯৫) | গোলাঘাট | গোলাঘাটত ক্ৰীড়া একাডেমী নিৰ্মাণ। |
| ৯৬) | খুমটাই | সৈনিক স্কুল স্থাপন। |
| ৯৭) | দেৰগাওঁ | দেৰগাওঁত ক্ৰীড়া প্ৰকল্প নিৰ্মাণ। |
| ৯৮) | যোৰহাট | টোকলাইত চাহ পৰ্য্যটন কেন্দ্ৰ। |
| ৯৯) | মাজুলী | টেঙৰাই মুখত ক্ৰীড়া প্ৰকল্প উন্নয়ন। |
| ১০০) | তিতাবৰ | তিতাবৰত দক্ষতা উন্নয়ন কেন্দ্ৰ স্থাপন। |
| ১০১) | মৰিয়ণী | অসম-নাগালেণ্ড সীমান্তত পথ নিৰ্মাণ. |
| ১০২) | টীয়ক | বনাই হোজাই কণৰ পৰা ঘৰছোৰা পথ নিৰ্মাণ. |
| ১০৩) | আমগুৰি | আমগুৰি ক্ৰীড়া প্ৰকল্প স্থাপন। |
| ১০৪) | নাজিৰা | শিশুসকলৰ বাবে ওমলা কেন্দ্ৰৰ সৈতে গ্ৰাম অঞ্চলৰ যুৱক-যুৱতী সকলৰ বাবে দক্ষতা প্ৰশিক্ষণ কেন্দ্ৰ। |
| ১০৫) | মাহমৰা | মাহমৰাত ক্ৰীড়া প্ৰকল্প স্থাপন। |
| ১০৬) | সোণাৰি | জিলা অসামৰিক চিকিৎসালয়ৰ সৈতে সংলগ্ন কৰি নাৰ্ছিং প্ৰতিষ্ঠান স্থাপন |
| ১০৭) | থাওৰা | দিৰই নদীৰ বাওঁপাৰত নতুন মথাউৰি নিৰ্মাণ। |
| ১০৮) | শিৱসাগৰ | শিৱসাগৰ জিলাত পুথিভঁৰাল নিৰ্মাণ। |
| ১০৯) | বিহপুৰীয়া | শিমলুগুৰিৰ পৰা নাৰায়ণপুৰলৈ পথ আৰু দলং নিৰ্মাণ। |
| ১১০) | নাওঁবৈচা | নলমিৰি গাওঁত শীতলীকৰণ গৃহ নিৰ্মাণ। |
| ১১১) | লখিমপুৰ | ৰঙা নদীৰ ওপৰত পকী দলং নিৰ্মাণ। |
| ১১২) | ঢকুৱাখানা | ঢকুৱাখানা যুৱ কেন্দ্ৰ স্থাপন। |
| ১১৩) | ধেমাজী | গোগামুখত দক্ষতা উন্নয়ন কেন্দ্ৰ স্থাপন |
| ১১৪) | জোনাই | পুকীয়া তিনি আলিৰ পৰা জোনাই তিনি আলিলৈ পথৰ উন্নীত কৰণ |
| ১১৫) | মৰাণ | মৰাণ চহৰত নলা-নৰ্দমাৰ ব্যৱস্থা নিৰ্মাণ। |
| ১১৬) | ডিব্ৰুগড় | ডিব্ৰুগড়ত পথ সংযোগ ব্যৱস্থাৰ উন্নীতকৰণ। |
| ১১৭) | লাহোৱাল | এখন পূৰ্ণাংগ পৰ্য্যায়ৰ স্নাতক মহাবিদ্যালয় স্থাপন |
| ১১৮) | দুলীয়াজান | টেঙাখাত ক্ৰীড়া প্ৰকল্প স্থাপন। |
| ১১৯) | টিংখং | পাঁচমহলীয়া বজাৰ গৃহ প্ৰকল্প নিৰ্মাণ. |
| ১২০) | নাহৰকটীয়া | নাহৰকটীয়াত ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান স্থাপন |
| ১২১) | চাবুৱা | চাবুৱাত নলা-নৰ্দমাৰ ব্যৱস্থা উন্নয়ন। |

| | | |
|---|---|---|
| ১২২) | তিনিচুকীয়া | তিনিচুকীয়াত পথ আৰু নলা নিৰ্মাণ |
| ১২৩) | ডিগবৈ | টিংৰাইত ষ্টেডিয়াম নিৰ্মাণ। |
| ১২৪) | মাৰ্ঘেৰিটা | পূৰ্ণাংগ পৰ্য্যায়ৰ স্নাতক মহাবিদ্যালয় স্থাপন |
| ১২৫) | ডুমডুমা | ডুমডুমাত আউটডোৰ আৰু ইণ্ডোৰ ক্ৰীড়া প্ৰকল্প |
| ১২৬) | শদিয়া | কুণ্ডীল নদীৰ ওপৰত পকী-দলং নিৰ্মাণ। |

## X) অসম আদৰ্শ গ্ৰাম যোজনাঃ

৭৭) আমাৰ চৰকাৰে ইতিমধ্যে গাওঁৰ সৰ্বাংগীন বিকাশৰ আৱশ্যকতাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে আৰু মুখ্য মন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়নৰ জৰিয়তে ৫বছৰৰ ভিতৰত কৃষিৰ উপাৰ্জন দুগুণ কৰিবলৈ স্থিৰ কৰিছে।

৭৮) আমাৰ মাননীয় প্ৰধান মন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ সাংসদ আদৰ্শ গ্ৰাম যোজনাৰ পৰা উদ্বুদ্ধ হৈ আমি অসমত আদৰ্শ গ্ৰাম যোজনা নামৰ এখন আঁচনি হাতত লৈছো, যিখন আঁচনিৰ অধীনত এনে কিছু আদৰ্শ গাওঁ গঢ়ি তুলিবলৈ বিচৰা হৈছে য'ত সকলো নাগৰিকলৈ অনাময়ৰ সুবিধা, পথ নলা-নৰ্দমা,বিদ্যুত, খোৱা পানী, বিদ্যালয়, স্বাস্থ্য সেৱা প্ৰতিষ্ঠানৰ লেখীয়া উন্নত মানৰ ৰজহুৱা সেৱাসমূহৰ উপলব্ধ কৰা হ'ব।

৭৯) অহা তিনি বছৰত চৰকাৰে ৰাজ্যখনৰ ১২৬ টা বিধানসভা সমষ্টিৰ প্ৰতিটোতে দুখনকৈ গাওঁ বাচনি কৰিব। এই গাওঁ দুখনৰ সামগ্ৰীক বিকাশ, সৰ্বাত্মক সামাজিক কথা, অৰ্থনৈতিক বিকাশৰ জৰিয়তে আদৰ্শ গাওঁ হিচাপে গঢ়ি তোলা হ'ব।

৮০) অহা তিনি বছৰত প্ৰতিখন আদৰ্শ গাঁৱলৈ আমি ৫ কোটি টকাকৈ প্ৰদান কৰিম আৰু ২০১৮-১৯ বিত্তীয় বৰ্ষত ১২৬ টা সমষ্টিৰ প্ৰতিটোতে ২ খনকৈ আদৰ্শ গাঁও প্ৰতিখনৰ বাবে মই ৫০ লাখ টকা ধাৰ্য্য কৰিছো। এইদৰে ২০১৮-১৯ বৰ্ষৰ বাজেটত মুঠ আবণ্টিত ধনৰ পৰিমাণ হৈছে ১২৬ কোটি টকা। এই আঁচনিখনৰ নীতি নিৰ্দ্দেশনাসমূহ সোনকালে যুগুত কৰা হ'ব আৰু মাননীয় বিধায়ক সকলে যাতে তেখেতসকলৰ সমষ্টিসমূহৰ ৰূপান্তৰৰ বাবে এই সুযোগ গ্ৰহণ কৰে তথা ৰাজ্যখনৰ প্ৰতিখন গাওঁকে আপোন গাঁও হিচাপে গঢ়ি তোলাত অৰিহণা যোগায় তাৰ বাবে মই তেখেতসকলক আহ্বান জনাইছো।

আদৰ্শ গাওঁত আমি দিম আমাৰ প্ৰত্যেকজন এম এল এৰ সমষ্টিত দুখনকৈ আদৰ্শ গাওঁ। দুয়োখন আদৰ্শ গাঁৱত আমি ৫ কোটিকৈ টকা দিম।

৫প্লাচ ৫ কোটি টকা। তাৰ মানে উত্তৰণৰ জৰিয়তে দহ কোটি টকা আৰু আদৰ্শ গ্ৰাম যোজনাৰ জৰিয়তে প্ৰত্যেক আদৰ্শ গাওঁত পি এচ চি থাকিব, বিদ্যুত থাকিব, ৰাস্তা থাকিব। তাত আমি ৫প্লাচ ৫ কোটি টকা দিম। তাৰ মানে মাননীয় অধ্যক্ষ মহোদয়, একেটা সমষ্টিতে এই বাজেটৰ জৰিয়তে ২০ কোটি টকাকৈ ঘোষণা কৰিছো। যিটো ঐতিহাসিক আৰু আগতে কেতিয়াও হোৱা নাছিল।

## XI) নগৰ আন্তঃগাঁথনি উন্নয়ন পুঁজি(CIDF)

৮১) যোৱাবাৰৰ বাজেটত গুৱাহটীৰ বাদে মই ৰাজ্যখনৰ আন ৬খন বৃহৎ নগৰৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে নগৰ আন্তঃগাঁথনি উন্নয়ন পুঁজিৰ কথা ঘোষণা কৰিছিলো। এই নগৰসমূহৰ আন্তঃগাঁথনি উন্নয়নৰ প্ৰাথমিক কাম-কাজ সুচাৰুৰূপে আগবাঢ়িছে আৰু ২০১৮-১৯ বৰ্ষত এই নগৰসমূহত নতুন আন্তঃগাঁথনি বিকশিত হৈ উঠা দেখিবলৈ পোৱা যাব।

৮২) এই বছৰত আমি অতিৰিক্ত ভাৱে (২০১১ চনৰ লোকপিয়ল অনুসৰি) ৪০ হাজাৰতকৈ অধিক জনসংখ্যাৰ মজলীয়া স্তৰৰ চহৰৰ উন্নয়নত মনোনিৱেশ কৰিছো আৰু সেয়েহে ৮খন নতুন চহৰক এই আঁচনিৰ অধীনলৈ অনা হৈছে। এই চহৰসমূহ হ'ল বঙাইগাওঁ, ধুবুৰী, উত্তৰ লখিমপুৰ, কৰিমগঞ্জ, গোৱালপাৰা, শিৱসাগৰ, বৰপেটা, গোলাঘাট। পূৰ্বতে ঘোষণা কৰা (CIDF) ৰ দৰে এই ৮খন চহৰত গুৰুত্ব পূৰ্ণ আন্তঃগাঁথনিৰ আসোঁৱাহসমূহ চিনাক্ত কৰিবলৈ প্ৰয়াস কৰা হ'ব। পুঁজিৰ যোগান এনেদৰে কৰা হ'ব যাতে বৃহৎ সংখ্যক লোক লাভৱান হোৱাকৈ ৰাজহুৱা উদ্যান, গুৰুত্বপূৰ্ণ পথ জিলা পুথিভঁৰাল, জিলা পৰ্য্যায়ৰ ষ্টেডিয়াম আদিৰ দৰে দীৰ্ঘস্থায়ী সম্পদৰ সৃষ্টি কৰা হয়। বৃহৎ নগৰসমূহৰ বাবে বিগত বাজেটত ধাৰ্য্য কৰা ২০০ কোটিৰ পৰিৱৰ্ত্তে মধ্যম স্তৰৰ এই নগৰসমূহৰ বাবে অহা তিনি বছৰত ১০০কোটি টকা ধাৰ্য্য কৰা হ'ব যাতে অধিক চহৰ এই আঁচনিৰ বাবে সামৰি ল'ব পৰা যায়। অহা বিত্তীয় বৰ্ষত আৰু অধিক চহৰ CIDF আঁচনিৰ জৰিয়তে সামৰি লোৱা হ'ব।

৮৩) এই আঁচনিৰ বাবে ২০১৮-১৯ বিত্তীয় বৰ্ষৰ বাজেটত ২৫০ কোটি টকাৰ আবণ্টণ দিছো। তদুপৰি প্ৰয়োজন হ'লে পৰিপূৰক মঞ্জুৰীৰ দ্বাৰা অতিৰিক্ত পুঁজি প্ৰদান কৰিবলৈ প্ৰতিশ্ৰুতি দিলো।

**XII) অসমমালা -ৰাজ্যিক ঘাই পথ আৰু জিলাৰ প্ৰধান পথসমূহ উন্নয়নৰ আৰু পুনঃ নিৰ্মাণৰ আঁচনি।**

৮৪) বছৰ বছৰ ধৰি মেৰামতিৰ বাবে পুঁজিৰ অভাৱ আৰু অৱজ্ঞাৰ ফলস্বৰূপে ৰাজ্যিক ঘাইপথসূহ আৰু জিলাৰ প্ৰধান পথসমূহ জৰাজীৰ্ণ হৈ পৰিছে। এই পথসমূহ তাৎক্ষণিকভাৱে পুনৰ নিৰ্মাণ কৰাৰ প্ৰকয়োজনীয়তা আছে। বেছিভাগ পথৰে ফুটপাথসমূহ দুৰ্বল আৰু অহা যোৱাৰ বাবে অনুপযুক্ত। প্ৰায় যোল্ল শতাংশ মজলীয়া পথ দ্বি-লেন যুক্ত আৰু ইয়াৰ ২০ শতাংশ এতিয়াও পকী নহয়।

৮৫) ৰাজ্যিক ঘাইপথ আৰু জিলাৰ প্ৰধান পথসমূহ উন্নয়ন সাধনৰ অৰ্থে ভাৰতমালা আদি অসমমালা নামৰ এখন আঁচনি গ্ৰহণৰ প্ৰস্তাৱ দিছো। আৰম্ভণিতে পথৰ পুনৰ নিৰ্মাণ তথা মেৰামতি আৰু পকী দলং নিৰ্মাণৰ বাবে ২০১৮-১৯ বিত্তীয় বৰ্ষৰ বাজেটত ২০০ কোটি টকা ধাৰ্য্য কৰা হৈছে। প্ৰয়োজন হ'লে অধিক পুঁজিৰ আবণ্টণ দিবৰ বাবেও আমি সাঁজু আছো।

৮৬) এই আঁচনিখনে পথ সম্পদ পৰিচালনা ব্যৱস্থাতCIDF(Road Asset Management System-RAMS)- ৰ অধীনত নৈমিত্তিকভাৱে ক্ষেত্ৰৰ পৰা তথ্য সংগ্ৰহ আৰু ব্যৱস্থা কৰিব যাতে শেষতীয়া তথ্য মজুত থাকে, আৰু শেষতীয়া পৰিকল্পনা সাঁজু হৈ থকে। ৰূপায়ণকাৰী বিভাগৰ পৰিকল্পনাৰাজিক শক্তিশালী কৰি তুলিবলৈ RAMS ৰ সৈতে প্ৰতিষ্ঠানিক ব্যৱস্থাটোক যুক্ত কৰি তোলা হ'ব। ৮৭) পথ যোগাযোগ ব্যৱস্থাৰ এখন মাষ্টাৰ প্লেন যুগুত কৰা হ'ব। একে সময়তে অসম ৰাজ্যিক পথ প্ৰকল্পৰ অধীনত ইতিমধ্যে যুগুত কৰা কৰ্ম আঁচনিৰ জৰিয়তে অসম ৰাজ্যিক পথ পৰিষদক শক্তিশালী কৰি তোলা হ'ব।

৮৮) দীৰ্ঘম্যাদী দৃষ্টিভংগীৰে ৰাজ্য চৰকাৰে প্ৰাথমিক ভাৱে ৰাজ্যিক ঘাই পথ আৰু জিলাৰ প্ৰধান পথসমূহ পুনৰ নিৰ্মাণ তথা মেৰামতিৰ বাবে পুঁজিৰ যোগান ধৰিব আৰু একে সময়তে চৰকাৰে জাইকা, এছিয়ান ডেভলপমেণ্ট বেংক, বিশ্ব বেংক ইত্যাদি লেখীয়া বহিঃপুঁজি যোগানধৰি সংস্থাসমূহৰ জৰিয়তে অতিৰিক্ত পুঁজিৰ ব্যৱস্থা কৰিব।

অসম মালা। ৰাজ্যৰ ঘাই পথ আৰু জিলাৰ পথসমূহৰ উন্নয়ন। আমি যেতিয়া এম এল এ

সকলে ফাণ্ড লওঁ, সমষ্টিত ফাণ্ড লও ৰাজ্যৰ ঘাই পথ আৰু জিলাৰ পথসমূহৰ কথা পাহৰি যাওঁ। ভাৰতমালাৰ আৰ্হিত অসমমালা নিৰ্মাণ কৰিবলৈ দীৰ্ঘম্যাদীৰ আঁচনি হাতত লৈছো আৰু এই অসমমালাৰ বাবে গড় কাপ্তানি বিভাগত প্ৰায় ৩-৪ হাজাৰ কোটি টকাৰ আঁচনি হ'ব। প্ৰাৰম্ভিক কাম হাতত ল'বলৈ ২৫০ কোটি টকা আমি অনুমোদন দিছো।

**XIII) ১০০খন কাঠৰ দলং পকী দলংলৈ ৰূপান্তৰ কৰণঃ**

৮৯) অধ্যক্ষ মহোদয়, বিগত শেষৰখন বাজেটত আমি ধাৰাবাহিকভাৱে উপেক্ষিত হৈ অহা গ্ৰাম আন্তঃগাঁথনিৰ এক বিশেষ উপকৰণ- কাঠৰ দলংৰ ওপৰত গুৰুত্ব দিছিলো। এই কাঠৰ দলং সমূহৰ বেছি সংখ্যকেই গ্ৰাম্য অসমৰ জীৱনৰেখা স্বৰূপ যদিও কেইবা দশক পূৰ্বে নিৰ্মাণ কৰা দলংসমূহ মেৰামতি আৰু উন্নীতকৰণ কোনোফালে দেখা নগৈছিল।

অধ্যক্ষ মহোদয়, আপুনি দেখিছে যে কিছুমান স্কীম আমি ১৮ স্কীমৰ পৰা এৰা নাই। যিবিলাক স্কীম অলপ কৰিব বাকী আছে। আমি তাত ধৰি ৰাখিছো । তাৰ মানে একত্ৰিকৰণ লগতে ১৮ ৰ স্কীমটো আমি সম্প্ৰসাৰণো কৰিছো। গতিকে একত্ৰিকৰণ, সম্প্ৰসাৰণ আৰু উত্তৰণ এই তিনিটা নীতিতে আমি গৈ আছো। যোৱাবাৰ মই ১০০০ কাঠৰ দলং পকীকৰণৰ বাবে প্ৰস্তাৱ আগবঢ়াইছিলো।

৯০) প্ৰথম পৰ্য্যায়ত আমি ২০৮খন দলংৰ কাম সামৰি লৈছিলো। মোৰ বিশ্বাস যে গড়কাপ্তানি বিভাগে বাকী থকা ৭৯২ খন দলংৰ মঞ্জুৰীৰ বাবে প্ৰস্তাৱ আগবঢ়াব আৰু এইবোৰক দ্ৰুত গতিত পকী দলংলৈ পৰিৱৰ্তন কৰিব। এই কামৰ বাবে বিত্ত বিভাগে মুক্ত আৰু খৰতকীয়াভাৱে ধন মোকলাই দিব। যেতিয়া সম্পূৰ্ণ হ'ব এই শক্তিশালী কথা মসৃণ দলং সমূহে গ্ৰাম অঞ্চলৰ যোগাযোগৰ কেনে উন্নতি সাধিব সেয়া সহজেই অনুমেয়। মোৰ সহযোগী সদস্যসকলে নিশ্চয় এই আঁচনিখন ১৮ টা ধ্বজাবাহী আঁচনিৰ অধীনত অন্তৰ্ভূক্ত কৰাত সমৰ্থন কৰিব।

৯১) এই উদ্দেশ্যে ১৫০ কোটি টকাৰ আবণ্টণ দিয়াৰ প্ৰস্তাৱ দিছো।

**XIV) অটল অমৃত অভিযান।**

৯২) আমাৰ নিৰ্বাচনী প্ৰতিশ্ৰুতি হিচাপে গুণগত স্বাস্থ্য সেৱা সকলোৰে বাবে উপলব্ধ কৰাৰ উদ্দেশ্যে বিগত ২৫ ডিচেম্বৰ, ২০১৬ চনত দূৰদৰ্শী নেতা আৰু প্ৰাক্তন প্ৰধান মন্ত্ৰী অটল বিহাৰী বাজপেয়ীদেৱৰ পৱিত্ৰ জন্মদিন উপলক্ষে ৰাজ্যৰ জনতালৈ অটল অমৃত অভিযান নামৰ এখন উচ্চ অভিলাষী স্বাস্থ্য বীমা আঁচনি মুকলি কৰা হৈছে।

৯৩) বিগত কেইটামান মাহত ৰাজ্যৰ প্ৰতিটো উন্নয়ন খণ্ডৰ পৰ্য্যায়ত এই অভিযানৰ অধীনত নাগৰিক পঞ্জীয়নৰ বাবে কৰ্মচাৰীসকলক নিয়োজিত কৰা হৈছে। ই এক বৃহৎ কৰ্মযজ্ঞ আৰু গৌৰৱৰ বিষয় যে বৰ্তমানলৈ ১.৬ কোটি টকা হিতাধিকাৰী এই অভিযানত পঞ্জীয়ন কৰা হৈছে। ১৮ বছৰতকৈ অধিক বয়সৰ প্ৰতিজন হিতাধিকাৰীক ইউনিক আইডেণ্টিফিকেশ্যন নম্বৰ সহ এখন বায়'মৈট্ৰিক-কাৰ্ড পৰিচয়-পত্ৰ হিচাপে প্ৰদান কৰা হৈছে।

৯৪) নগদবিহীন বীমা আঁচনিখনৰ বাবে পঞ্জীয়ন তথা আন্তঃ গাঁথনি কাম চলি থাকোতেহ ৰোগীৰ প্ৰয়োজন পূৰাবলৈ চৰকাৰে সম্পূৰ্ত্তিৰ ৰূপত দুটা কিস্তিত এতিয়ালৈ ৫২ কোটি টকা মোকলাই দি ৯৩২৯ গৰাকী হিতাধিকাৰীক উপকৃত কৰিছে। ২০১৮ চনৰ এপ্ৰিল মাহৰ পৰা নগদবিহীন সম্পূৰ্ত্তিৰ ব্যৱস্থাটো কাৰ্য্যকৰী হোৱাৰ পূৰ্বে ২০১৮ চনৰ মাৰ্চ মাহৰ ভিতৰত আৰু এটা কিস্তি মোকলাই দিয়া হ'ব। অৱশ্যে আঁচনিখনক এটা সম্পূৰ্ত্তি ঘূৰাই দিয়াৰ ব্যৱস্থালৈ পৰ্য্যবসিত নকৰি

কেতবোৰ তালিকাভুক্ত চিকিৎসালয়ত নগদবিহীন চিকিৎসা প্ৰদানৰ আঁচনিৰ ৰূপতহে গঢ়া তোলা হ'ব। গতিকে দেশৰ আটাইকেইখন প্ৰধান চিকিৎসালয় উদাহৰণ স্বৰূপে নাৰায়ণ হৃদায়ালয়, এপ'ল' , বাঙ্গালুৰু, মেদেণ্টা, মেডিচিটি, টাটা মেম'ৰিয়েল হস্পিটেল, ফ'ৰটিচ হস্পিটাল আদি এই আঁচনিৰ অধীনত তালিকাভুক্ত কৰা হৈছে আৰু ২০১৮ চনৰ এপ্ৰিল মাহত আঁচনি মুকলি কৰাৰ বাবে সাঁজু হৈ উঠিছে।

৯৫) অনুমান কৰা হৈছে যে এই আঁচনিৰ দ্বাৰা অসমৰ মুঠ জনসংখ্যাৰ প্ৰায় ৯২ শতাংশ লোকক সামৰি লোৱা হ'ব আৰু এই আঁচনিখন ৰূপায়ণ হ'লে ই বিশ্বৰ ভিতৰতে এখন অন্যতম বৃহৎ সাৰ্বজনীন স্বাস্থ্য বীমা আঁচনি হ'ব। It is not in the India it will be one of the largest in the world. I have allocatted 4 hundred Cores.তাৰ মানে জোন মানুহে এই Hospital ত যাব cashless, treatment ৬টা পাব। অহা ৭ তাৰিখৰ পৰা আৰম্ভ কৰিব খুজিছো।

**মাননীয় অধ্যক্ষ ঃ** Upper limit will be same?

H.S - Upper limit will be same. but 2 lakhs per individual. এই আঁচনিখনে দৰিদ্ৰ সীমা ৰেখাৰ তলৰ আৰু আৰু ওপৰৰ ব্যক্তিসকল ৰ অভাৱ পূৰণ কৰিব।

৯৬) অধ্যক্ষ মহোদয়, অটল অমৃত অভিযান ৰূপায়ণে ব্যক্তিগতভাৱে মোক গভীৰ মানসিক সন্তুষ্টি প্ৰদান কৰিছে। পীড়িত আৰু বিপদগ্ৰস্ত জনক তেওঁলোকৰ প্ৰয়োজনৰ সময়ত সহায় কৰিবলৈ পোৱাটো মোৰ তিনি দশক জোৰা ৰাজহুৱা জীৱনত এক বিৰল প্ৰাপ্তি। মোৰ ওপৰত বিশ্বাস স্থাপন কৰা অজস্ৰ জনৰ প্ৰতি এয়া মোৰ ঋণ পৰিশোধৰ বিনম্ৰ প্ৰচেষ্টা।

৯৭) আঁচনিখনৰ সুদূৰ প্ৰসাৰী প্ৰভাৱলৈ লক্ষ্য ৰাখি 'অটল অমৃত অভিযান' খনক অষ্টাদশ মুকুটাৰ উন্নয়ণী মালাৰ অ্ধীনলৈ অনা হৈছে। এই বছৰৰ বাজেটত এই আঁচনিৰ বাবে মই ৪০০ কোটি টকা আবণ্টণৰ প্ৰস্তাৱ কৰিছো।

**XV) কৰ্কট ৰোগ নিয়ন্ত্ৰণৰ সৰ্বাত্মক কাৰ্য্যসূচী ঃ টাটা ন্যাসৰ সৈতে চৰকাৰৰ জোঁট বন্ধন**

**ওঁম সৰ্বে ভৱ ন্তু সুখীনহঃ।**

**(ৰোগৰ পৰা সকলোৱেই মুক্ত হওঁক)।**

**৯৮)** প্ৰতি বছৰে কৰ্কট ৰোগত আক্ৰান্ত হোৱা অসমৰ বহু হাজাৰ লোক সুস্থ হৈ উঠাৰ আশাৰে ৰাজ্যৰ বাহিৰলৈ চিকিৎসাৰ বাবে যায়। বহিঃ ৰাজ্যলৈ যাত্ৰা কৰা এই লোকসকলৰ বেছি সংখ্যকেই খৰছান্ত হৈ উভটি অহাৰ উপৰি কোনো কোনো ক্ষেত্ৰত আপোনজনকো হে ৰুৱাব লগা হয়।

৯৯) কৰ্কট ৰোগৰ অধিক প্ৰাদুৰ্ভাৱ থকা অঞ্চল হিচাপে উত্তৰ পূৰ্বাঞ্চল জনাজাত আৰু এই ক্ষেত্ৰত অসমৰেই আক্ৰান্ত ৰোগীৰ সংখ্যা সৰ্বাধিক। কৰ্কট ৰোগ আৰু মৃত্যুক প্ৰায় সমাৰ্থক বুলি গণ্য কৰা হয়- কিন্তু তেনে এক ধাৰণা এতিয়া দূৰ কৰাৰ সময় আহি পৰিছে। অসমত দেখা দিয়া কৰ্কট ৰোগৰ ৬০ শতাংশই হ'ল প্ৰতিৰোধ যোগ্য আৰু প্ৰাথমিক পৰ্য্যায়ত ৰোগ চিনাক্ত কৰিব পাৰিলে এনে ৰোগীৰ জীৱনকাল বৃদ্ধি পোৱাটো নিশ্চিত।

১০০) বিগত দুটা বছৰত এই সমস্যাটো সমাধানৰ বাবে অসম চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। ৰাজ্যখনত কৰ্কট ৰোগৰ চিকিৎসাৰ কাৰণে অত্যাধুনিক কেন্দ্ৰ হিচাপে ৰাজ্যিক কৰ্কট প্ৰতিষ্ঠানখন(SCI) স্বীকৃত হৈ উঠিছে আৰু গৌৰৱৰ বিষয় এই যে অঞ্চলটোৰ প্ৰথম নিউক্লিয়াৰ মেডিচিনৰ সা-সুবিধা থকা প্ৰতিষ্ঠান হিচাপে ইয়াক গঢ়ি তোলা হৈছে। ৰাজ্যিক কৰ্কট প্ৰতিষ্ঠানখনৰ

সম্প্ৰসাৰণৰ পৰিকল্পনাই ইয়াক দেশৰ শীৰ্ষ প্ৰতিষ্ঠানসমূহৰ শাৰীলৈ উন্নীত কৰি তুলিব। অৱশ্যে ৰাজ্যখনৰ বহুতো লোকৰ বাবে গুৱাহটীলৈ অহাটো এক টান কাম আৰু এই ৰোগৰ চিকিৎসাৰ বাবে প্ৰয়োজন হোৱা দীঘলীয়া সময় সেই লোকসকলৰ বাবে এক প্ৰত্যাহ্বান স্বৰূপ।

১০১) কৰ্কট ৰোগৰ আক্ৰান্ত ৰোগীসকলক যথাসম্ভৱ ঘৰৰ সমীপতে সেৱা প্ৰদান কৰাৰ অৰ্থে আমাৰ চৰকাৰী স্বাস্থ্য ব্যৱস্থাটোক শক্তিশালী কৰি এক বিস্তাৰিত কৰ্কট চিকিৎসা সেৱা আৰ্হিৰ যি পৰিকল্পনা কৰা হৈছে সেই বিষয়ে আজি পৱিত্ৰ সদনত মই ঘোষণা কৰিব খোজো। উল্লেখ কৰাৰ প্ৰয়োজন যে কৰ্কট ৰোগ চিকিৎসাৰ এই আৰ্হিটোক অলপতে কেবিনেটেও অনুমোদন জনাইছে।

১০২) ২০১৯ চনৰ ভিতৰত বিভিন্ন স্তৰৰ কৰ্কট ৰোগৰ চিকিৎসা সেৱা আগবঢ়াবলৈ অসমৰ ছয়খন চৰকাৰী চিকিৎসা মহাবিদ্যালয়-গুৱাহটী, ডিব্ৰুগড়, শিলচৰ, যোৰহাট, তেজপুৰ আৰু বৰপেটা তথা এঘাৰখন জিলা চিকিৎসালয়- দৰং, ধুবুৰী, গোৱালপাৰা,গোলাঘাট, হাফলং, হোজাই, কৰিমগঞ্জ, কোকৰাঝাৰ, লখিমপুৰ, নগাঁও আৰু তিনিচুকীয়া জিলা চিকিৎসালয় সমূহক শক্তিশালী কৰি তোলা হ'ব। টাটা মেম'ৰিয়েল হাস্পাতাল ৰ ৰূপত ভাৰতত কৰ্কট ৰোগৰ চিকিৎসাৰ বাটকটীয়াসকলৰ সৈতে আমি জোঁট বন্ধনেৰে কাম কৰাৰ সিদ্ধান্ত লৈছো। এনে এক স্মৰণ যোগ্য ৰাজহুৱা স্বাস্থ্য কাৰ্য্যসূচীত টাটা ন্যাসত চৰকাৰৰ সম অংশীদাৰ হ'ব। ইয়াৰ বাবে টাটা ন্যাসে ৮৩০ কোটি টকা বিনিয়োগ কৰাৰ প্ৰতিশ্ৰুতি দিয়াৰ বিপৰীতে অসম চৰকাৰে ১০৮০ কোটি টকা বিনিয়োগ কৰিব। ইয়াৰ বাবে ২০১৮-ৰ ৩১ মাৰ্চৰ ভিতৰত ২৫০ কোটি টকা মুকলাই দিয়াৰ ব্যৱস্থা কৰিছো।

( সভাপতিৰ সন্মানীয় আসনত মাননীয় অধ্যক্ষ মহোদয় উপবিষ্ট)

**103)** এই আঁচনিৰ পদক্ষেপ হিচাপে এই বৰ্ষৰ বাজেটত আমি ২৫০ কোটি টকা আবন্টন দিছো আৰু মই নিশ্চিত যে ১৮ খন ধ্বজাবাহী আঁচনিৰ মাজত এইখন আঁচনিক স্থান দিয়াত মোৰ সহযোগী সদস্য সকলে নিশ্চয় সন্মতি প্ৰদান কৰিব।

**XVI) বৃদ্ধ পেঞ্চন আঁচনিৰ সাৰ্বজনীনকৰণ ঃ—**

**104)** মাননীয় অধ্যক্ষ মহোদয়, এতিয়া মই মোৰ অন্তৰ চুই যোৱা এফাকি শ্লোক আওৰাবলৈ বিচাৰিছো - অভিবাদন শীলস্য, নিত্যম বৃধোপসেবিন, চত্বাৰি তস্য বৰ্দ্ধন্তে, আয়ুৰবিদ্যা য়শোবলম (যি সকল লোক নম্ৰ আৰু সদায় জ্যেষ্ঠ সকলৰ সেৱক - তেওঁলোকৰ আয়ুস, জ্ঞান, যশস্যা আৰু ক্ষমতা পূৰ্ণৰূপত বিকশিত হয়।)

**105)** বিগত বৰ্ষত ঘোষণা কৰা অনুযায়ী আমাৰ চৰকাৰে ইতিমধ্যে প্ৰণাম আইন বলবৎ কৰিছে। এই আইন অনুসৰি প্ৰতিগৰাকী চৰকাৰী কৰ্মচাৰীয়ে তেওঁলোকৰ বৃদ্ধ পিতৃ-মাতৃৰ পৰিচৰ্যা কৰাটো বাধ্যতামূলক।

**106)** আমি অনুভৱ কৰিছো যে - চৰকাৰৰ নিয়ন্ত্ৰণৰ সীমাৰ বাহিৰত বয়োজ্যেষ্ঠ সম্প্ৰদায়ৰ পৰিচৰ্যা নিশ্চিত কৰা আৰু জীৱনৰ ন্যূনতম সা-সুবিধাখিনি আগবঢ়োৱাৰ সময় উপস্থিত হৈছে।

**107)** আপোনালোকৰ সন্মুখত উপৰিষ্ট হৈ মই এনে এক বিশেষ আঁচনিৰ কথা ঘোষণা কৰিব খুজিছো যি আঁচনিয়ে ৰাজ্যৰ দৰিদ্ৰ সীমাৰেখাৰ তলৰ বা ওপৰৰ প্ৰতিজন বয়োজ্যেষ্ঠ নাগৰিকক সামৰি লয়। আঁচনি অনুসৰি প্ৰতিগৰাকী বয়োজ্যেষ্ঠ নাগৰিকে মাহিলি দুশ পঞ্চাশ (২৫০) টকাকৈ পোৱাৰ অধিকাৰী হ'ব।

**108)** চৰকাৰী পেঞ্চনভোগী অথবা প্ৰণাম আঁচনিয়ে সামৰি লোৱা বয়োজ্যেষ্ঠ লোকসকলৰ বাদে বাকী বয়োজ্যেষ্ঠ লোকসকলৰ আটাইকে সামৰি আঁচনিখনৰ সাৰ্বজনীনকৰণ কৰা হৈছে। ৰাজ্যখনত

আনুমানিক ষোল্ল (১৬) লাখ এনে ধৰণৰ বৃদ্ধ ,বয়োজ্যেষ্ঠ ব্যক্তি আছে আৰু এই কথা সাৰোগত কৰি মই চলিত বৰ্ষৰ বাজেটত চাৰিশ (৪০০) কোটি টকা আবন্টন দিবলৈ প্ৰস্তাৱ লৈছো। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগক মই এই আঁচনি গুৰুত্ব সহকাৰে কাৰ্যকৰী কৰিবলৈ আহ্বান জনাইছো। মোৰ দৃঢ় বিশ্বাস যে ভাৰতবৰ্ষত মাত্ৰ কেইখনমান ৰাজ্যইহে এনে সাৰ্বজনীন বৃদ্ধ পেঞ্চন আঁচনি ইমান ব্যাপকভাৱে ৰূপায়ণ কৰিছে।

**XVII) চাহ বাগিচা ধন পুৰস্কাৰ আৰু জীৱন সুৰক্ষা যোজনা ঃ**

**109)** অধ্যক্ষ মহোদয়, যোৱা বাজেটত কিদৰে সাপ্তাহিক নগদ মজুৰী প্ৰদান ব্যৱস্থা (Weekly Cash Circle) ৰ চক্ৰৰ মাজত চাহ বাগিচাৰ শ্ৰমিক সকল আবদ্ধ হৈ পৰে আৰু কেনেকৈ বিত্তীয় অন্তৰ্ভুক্তিৰ অভাৱত চাহ বাগিছাৰ কৰ্মচাৰী সকল সম্পূৰ্ণ সুৰক্ষাৰ পৰা আতৰত আছে সেই বিষয়ে মই অৱগত কৰিছিলো।

**110)** চাহ বাগিছাৰ কৰ্মচাৰী সকলৰ বিত্তীয় লেনদেনত ডিজিটেল ব্যৱস্থাৰ অন্তৰ্গত কৰাত উদগনি জনোৱাৰ অৰ্থে বিমুদ্ৰাকৰণৰ পিচত খোলা চাহবাগিচাৰ কৰ্মচাৰী সকলৰ প্ৰতি গৰাকীৰ বেংক একাউন্টত ৫০০০ টকাকৈ জমা কৰা হব বুলি আমি ঘোষণা কৰিছিলো ।

**111)** অধ্যক্ষ মহোদয় আমি এই প্ৰতিশ্ৰুতি পূৰণ কৰিছো। ২০১৮ চনৰ জানুৱাৰীত আমি "চাহ বাগিছা ধন পুৰস্কাৰ মেলা" ৰ শুভাৰম্ভ কৰিছো। ইয়াৰ জৰিয়তে অসমৰ ২৬ খন জিলাৰ ৭৫২ খন চাহ বাগিচাৰ শ্ৰমিক সকলৰ ৭,২১,৪৮৫ টা বেংক একাউন্টৰ প্ৰতিটোলৈ প্ৰত্যক্ষ লাভ হস্তান্তৰ ( Direct Benefit transfer) যোগে ২৫০০ টকাৰ প্ৰথম কিস্তি আমি হস্তান্তৰ কৰিছো।

**112)** তদুপৰি এই ডিজিটেল ব্যৱস্থাটোত যাতে আৰম্ভণীতেই যতি নপৰে তাক সুনিশ্চিত কৰিবলৈ যিবোৰ বেংক একাউন্ট একেৰাহে ৬ মাহলৈ সক্ৰিয় হৈ থাকিব সেই বোৰ বেংক একাউন্টলৈ অতিৰিক্ত ২৫০০ টকাৰ উদগনিমূলক ধনৰাশি হস্তান্তৰ কৰাৰ ঘোষণা কৰিছো।

**113)** তদুপৰি আমি এইক্ষেত্ৰত আৰু এখোজ আগুৱাই এই সকলো বেংক একাউন্টক জীৱন বীমা আঁচনি 'প্ৰধানমন্ত্ৰীৰ জীৱন জ্যোতি যোজনা' (PMJJY) বেংক চৰকাৰী সাহায্য প্ৰাপ্ত দুৰ্ঘটনা বীমা আঁচনি 'প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনা' (PMSBY) ৰ অধীনত পঞ্জীয়নভুক্ত কৰাব বিচাৰিছো । এই দুয়োখন চৰকাৰী আঁচনিৰ সৰ্বোচ্চ বীমাকৃত ধনৰাশিৰ পৰিমাণ হল ২ লাখ টকা। প্ৰতি বছৰে প্ৰতিটো একাউন্টৰ বিপৰীতে নিৰ্ধাৰিত বাৰ্ষিক প্ৰিমিয়ামৰ ৩৪২ টকা (PMJJY ৰ বাবে ৩৩০ টকা, আৰু PMSBY ৰ বাবে প্ৰতিবছৰে ১২ টকা ) অসম চৰকাৰে প্ৰদান কৰিব। অধ্যক্ষ মহোদয়, এই প্ৰিমিয়াম খিনি চৰকাৰে ডাইৰেক্ট বেংক একাউন্টত জমা দিব। এনেদৰে চাহ বাগিছাৰ লোক সকলক এক সামগ্ৰিক সামাজিক সুৰক্ষা প্ৰদান কৰাৰ ক্ষেত্ৰত আমাৰ চৰকাৰ খনৰ আশা-আকাংক্ষা বাস্তৱত পৰিণত হব।

**114)** সেই অনুসৰি ২০১৮-১৯ বৰ্ষৰ বাজেটত চাহ বাগিছা ধন পুৰস্কাৰ আৰু জীৱন সুৰক্ষা যোজনাৰ দ্বিতীয় পৰ্যায়ৰ বাবে মই ১২০ কোটি টকা ধাৰ্য্য কৰিছো।

**XVIII) দীনদয়াল দিব্যাংগ সাহায্য আঁচনি ঃ**

**115)** আমাৰ দিব্যাংগ ভাই-ভনী সকলে যাতে মৰ্যাদাসহকাৰে এক পৰিপূৰ্ণ জীৱন যাপন কৰিব পাৰে, সেই উদ্দেশ্যে তেওঁলোকৰ চিকিৎসাৰ বাবে ৫০০০ টকাৰ সহায্য আগবঢ়োৱাৰ অৰ্থে বিগত বৰ্ষত আমি 'দীনদয়াল দ্বিব্যাংগ সাহায্য আঁচনি' খন আৰম্ভ কৰিছিলো। দিব্যাংগ সকলৰ প্ৰতি সজাগতা সৃষ্টিৰ দিশত লোৱা এই আঁচনিৰ অধীনত ২০১৭-১৮ বৰ্ষত প্ৰায় ১.৪ লাখ দিব্যাংগ ভাই-ভনী সামৰি লোৱা হৈছে।

**116)** এই সজাগতামুলক কাৰ্যৰ যোগেদি আমি অনুভৱ কৰো যে আমাৰ সম্পদৰ ওপৰত দিব্যাংগ সকলৰেই প্ৰথম অধিকাৰ আছে। এই ক্ষেত্ৰত তেখেত সকলৰ প্ৰতি আমাৰ সকলোৰে নৈতিক আৰু সামাজিক দায়বদ্ধতা আছে। সেয়েহে২০১৮-১৯ চনৰ পৰা আমাৰ প্ৰতিগৰাকী দিব্যাংগ ভাই-ভনীলৈ মাহিলী ১০০০ টকাকৈ (বছৰি ১২,০০০ টকা ) আগবঢ়ায় আমি এই আচনি খন সম্প্ৰসাৰণ কৰিব বিচাৰিছো। মই অনুভ ৰ কৰো যে ই দিব্যাংগ ভাই-ভনী সকলৰ সহায়ৰ ক্ষেত্ৰত দেশৰ ভিতৰতে এক বৃহৎ প্ৰচেষ্টাৰূপে পৰিগনিত হব। ই কেৱল এখন আঁচনিতেই সীমাবদ্ধ নহৈ দিব্যাংগ ভাই-ভনী সকলে আইনগত ভাৱে পাব লগা এক অধিকাৰলৈ পৰিৱৰ্তন হওঁক - আমি তাকো সুনিশ্চিত কৰিবলৈ বিচাৰো ।

**117)** সেই অনুসৰি চলিত বাজেটত মই ২৫০ কোটি টকাৰ আবন্টন দিছো।

**118)** মাননীয় অধ্যক্ষ মহোদয়, মই মোৰ অষ্টাদশ মুকুতাৰ উন্নয়নী মালা গুণোৎসৱেৰে আৰম্ভ কৰিছিলো আৰু দীনদয়াল দিব্যাংগ সাহায্য আঁচনিৰে শেষ কৰিলো। এই আটাইবোৰ আঁচনিৰে শেষ কৰিলো। এই আটাইবোৰ আঁচনিয়েই অতিশয় গুৰুত্বপূৰ্ণ আৰু প্ৰগতিশীল তথা সমাজ জীৱনত সুদূৰপ্ৰসাৰী প্ৰভাৱ বিস্তাৰ কৰিব পৰাকৈ শক্তিশালী।

## দুৰ্নীতিমুক্ত,বিদেশীমুক্ত,সন্ত্ৰাসবাদমুক্ত,প্ৰদূষণমুক্ত অসম

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোনোৱালে ২০১৬ চনৰে পৰা অসমখনক উত্তম আৰু উন্নত পৰ্যায়ৰ ৰাজ্যলৈ আগুৱাই নিয়াৰ উদ্দেশ্যে আমাক অবিৰতভাৱে অনুপ্ৰাণিত কৰি নেতৃত্ব বহন কৰি আহিছে। তেখেতৰ দুৰ্নীতিমুক্ত, বিদেশীমুক্ত, সন্ত্ৰাসবাদমুক্ত, প্ৰদূষণমুক্ত অসমৰ সুতীক্ষ্ণ আৰু স্পষ্ট আহ্বান আমাৰ চৰকাৰৰ দিগদৰ্শী নীতি হৈ পৰিছে।

**দুৰ্নীতিমুক্ত অসম**

**119)** মহাশয়, আমি বাৰম্বাৰ দুৰ্নীতিমুক্ত অসমৰ প্ৰতি থকা আমাৰ দায়বদ্ধতাৰ দোহাৰি আহিছো। আমাৰ চৰকাৰে দুৰ্নীতি প্ৰতি শূন্য সহনশীলতা নীতি গ্ৰহণ কৰিছে। এই ক্ষেত্ৰত আমি কেতবোৰ নতুন পদক্ষেপ গ্ৰহণ কৰিছো। এই পদক্ষেপ সমূহৰ বিষয়ে মই তলত উল্লেখ কৰিব বিচাৰিছো।

**(i)** যোৱা ২২ মাহত আমি দুৰ্নীতি নিৰ্মূলিকৰণৰবাবে আপ্ৰাণ চেষ্টা চলাইছো। এই ক্ষেত্ৰত নিৰীক্ষণ আৰু দুৰ্নীতি নিবাৰক শাখাৰ বিষয়া সকলে অসম লোক সেৱা আয়োগ, সমাজ কল্যান বিভাগ, বন বিভাগ আদিত সংঘটিত ব্যাপক কেলেংকাৰী উন্মোচিত কৰিবলৈ সক্ষম হৈছে।

**(ii)** এই গুৰুত্বপূৰ্ণ শাখাৰ সদস্য সকলৰ মনোবল বৃদ্ধি কৰাৰ লগতে গৃহ বিভাগৰ অন্যান্য শাখাৰ অধিক সদস্যক এই প্ৰচেষ্টাত অংশগ্ৰহণ কৰিবলৈ উৎসাহ যোগোৱাৰ উদ্দেশ্যে আমাৰ চৰকাৰে অপৰাধ অনুসন্ধান শাখা (**CID**), মুখ্যমন্ত্ৰীৰ বিশেষ নিৰীক্ষণ কোষ আৰু অৰ্থনৈতিক অপৰাধ অনুসন্ধান শাখা (**BIEO**) ৰ কনিষ্টবল আৰু আৰক্ষী অধীক্ষক পৰ্যায়ৰ বিষয়ালৈকে তেওঁলোকৰ নিয়মীয়া দৰমহাৰ উপৰিওঁ অতিৰিক্ত ভাৱে মূল দৰমহাৰ ১৫ শতাংশ ধন আৰ্থিক উদগনি হিচাপে দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই সংস্থা সমূহ ৰ বিষয়া কৰ্মচাৰী সকলৰ অক্লান্ত প্ৰচেষ্টাৰ প্ৰতি শলাগ জনোৱাৰ বাবে আমাৰ এয়া এক বিনম্ৰ প্ৰয়াস।

**প্ৰদূষণমুক্ত অসম ঃ**

**120)** আমাৰ জাতিৰ পিতা মহাত্মা গান্ধীয়ে গুৰুত্বপ্ৰদান কৰা মন্ত্ৰটো হল - "পৰিস্কাৰ পৰিচ্ছন্নতাই ঈশ্বৰ পৰায়ণতা।" গান্ধীজীয়ে আনকি দেশৰ স্বাধীনতা সংগ্ৰামৰ সময়ছোৱাত অনাময় আৰু পৰিস্কাৰ - পৰিচ্ছন্নতাক ৰাজনৈতিক স্বাধীনতাৰো উৰ্ধত স্থান দিছিল। জাতিৰ পিতা গৰাকীয়ে জীৱন জুৰি ব্যক্তিগত আৰু সমূহীয়া পৰিস্কাৰ - পৰিচ্ছন্নতাৰ বিষয়ে নিজে হাতে কামে দেখুওঁৱাৰ লগতে

ইয়াৰ উপকাৰিতা আৰু গুৰুত্ব সম্পৰ্কেও ৰাইজক অৱগত কৰিছিল।

**121)** আমাৰ লক্ষ্য হব সজাগতা সৃষ্টিৰ জৰিয়তে অনাময় ব্যৱস্থাক উৎসাহিত কৰা, নিৰ্বাচিত আৰু প্ৰয়োজনীয় অঞ্চলত স্থানীয় লোক সকলক অনাময় ব্যৱস্থাৰ প্ৰতি সজাগ ক ৰা আৰু অনাময় ব্যৱস্থাক জীৱনৰ অভ্যাসৰূপে গঢ়ি তুলিবলৈ জনসাধাৰণক উৎসাহিত কৰা আৰু পৰিবেশ সৃষ্টি আৰু তেওঁলোকৰ নিজৰ অনাময় ব্যৱস্থা বজাই ৰখাত উৎসাহিত কৰা আৰু সামৰ্থযোগ্য আৰু বহনক্ষম অনাময় ব্যৱস্থাৰ প্ৰতি ৰাইজক অনুপ্ৰাণিত কৰা। এই উদ্দেশ্যে আমি তলত উল্লেখ কৰা বিষয় সমূহ প্ৰস্তাৱ কৰিছো।

**ক)** অসমত ৩৫ খন পৌৰ সভা আৰু ৬৬ খন নগৰ সমিতি আছে। ২০১৯ চনৰ মাৰ্চ মাহৰ ভিতৰত আমাৰ ৰাজ্য খনৰ সকলোবোৰ নগৰ আৰু উপ-নগৰত পৰ্যাপ্ত সমুহীয়া শৌচাগাৰৰ ব্যৱস্থা গঢ়ি তোলাৰ বাবে প্ৰস্তাৱ লোৱা হৈছে।

**খ )** প্ৰতিখন নগৰ সমিতিলৈ শৌচাগাৰ নিৰ্মাণৰ বাবে ৰাজহুৱা আৰু বেচৰকাৰী অংশীদাৰিত্ব **(PPP)**ৰ অধীনত ১০ লাখকৈ টকাৰ আবন্টন দিয়া হব। এই শৌচাগাৰ সমূহৰ তদাৰকৰ দায়িত্বত থাকিব সংশ্লিষ্ট নগৰ সমিতি আৰু পৌৰ সভা।

**মুখ্যমন্ত্ৰী আদৰ্শ দ্বীপ যোজনা (MMADY)ঃ**

**122)** অধ্যক্ষ মহোদয়, শক্তি সংৰক্ষণৰ প্ৰয়োজনীয়তা অস্বীকাৰ কৰিব নোৱাৰি। শক্তি উৎপাদনতকৈ শক্তি সংৰক্ষ ণ কৰাটো অৰ্থনৈতিক ভাৱেও অধিক মিতব্যয়ী। মই ঘোষণা কৰিবলৈ পাই গৌৰৱ অনুভৱ কৰিছো যে শক্তিৰ ক্ষেত্ৰত থকা দক্ষতাৰ বাৰ্তা বিয়পোৱাৰ বাবে মুখ্যমন্ত্ৰী আদৰ্শ দ্বীপ যোজনাই সক্ৰিয় পদক্ষেপ লৈছে। সাধাৰণ বাল্বতকৈ **LED** বাল্বত 90% তকৈ কম শক্তি ব্যয় হয় আৰু **CFL** বাল্বতকৈ 50% কম শক্তি ব্যয় হয় আৰু আনহাতে **LED** বাল্বৰ জীৱনীশক্তিও দীঘলীয়া, যিটো সাধাৰণ বাল্বতকৈ প্ৰায় 50 গুণ বেছি আৰু **CFL** বাল্বতকৈ প্ৰায় 8-10 গুণ বেছি। সেয়েহে **LED** বাল্বে বিদ্যুৎ ৰাহি কৰাৰ লগতে খৰচৰ পৰিমাণো হ্ৰাস কৰে। **LED** বাল্ব সমুহৰ সাধাৰণতে তিনি বছৰৰ ৱাৰেন্টি থাকে। এই আঁচনিৰ অধীনত আমাৰ চৰকাৰে ৰাজ্যখনৰ প্ৰতিটো উপভোক্তা পৰিয়ালক 9 ৱাটৰ চাৰিটাকৈ **LED** বাল্ব দিয়াৰ প্ৰতিশ্ৰুতি দিছে। এই আঁচনিৰ জৰিয়তে 52 লাখ পৰিয়াললৈ এই **LED** বাল্ব বিতৰণ কৰা হব। চ ৰকাৰে এই বাল্ব বিতৰণৰ ব্যৱস্থা কাৰ্যকৰী কৰাৰ বাবে অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ আৰু সকলোবোৰ জিলা আৰু স্বায়ত্ব শাসিত পৰিষদৰ সৈতে কাম কৰিব।

**123)** চৰকাৰৰ সকলো প্ৰতিষ্ঠান, শিক্ষানুষ্ঠান আৰু চিকিৎসালয় সমূহত থকা বাল্বসমূহৰ লগতে ষ্ট্ৰীট লাইটসমূহ **LED** লৈ ৰূপান্তৰিত কৰাৰ মই প্ৰস্তাৱ লৈছো। পৰ্যায়ক্ৰমে এই ব্যৱস্থা কাৰ্যকৰী হ'ব। এই কাৰ্যসূচীৰ অন্তৰ্ভুক্ত সা-সুবিধাসমূহৰ অগ্ৰাধিকাৰ ভিত্তিত তালিকা প্ৰস্তুত কৰি এক পৰিকল্পনা প্ৰস্তুত কৰিবলৈ প্ৰতিখন জিলাক নিৰ্দেশ দিয়া হৈছে।

**124)** এই আঁচনিৰ বাবে এই বছৰৰ বাজেটত চৰকাৰে ১০০ কোটি টকাৰ আবন্টনৰ প্ৰস্তাৱ দিছে।

**125)** আমি যিহেতু প্ৰদূষণমুক্ত অসমৰপিনে গতি কৰিছো, সেয়েহে আমাৰ চৰকাৰৰ আন্তৰিক প্ৰচেষ্টা হ'ল ৰাজ্যখনত কাৰ্বনৰ পৰিমান হ্ৰাস কৰি অসমক এখন কাৰ্বনমুক্ত ৰাজ্য হিচাপে গঢ়ি তোলা। এই ক্ষেত্ৰত নাগৰিকৰ পৰা বিভিন্ন পৰামৰ্শ পোৱা গৈছে। অহা বিত্তীয় বৰ্ষত সমগ্ৰ ৰাজ্যখনতে ৰাইজৰ অংশ গ্ৰহণেৰে ১০ কোটি গছপুলি ৰোপনৰ সিদ্ধান্ত লোৱা হৈছে।

**126)** জলবায়ু পৰিৱৰ্তন সম্পৰ্কীয় বিষয়সমূহ নিৰীক্ষণ কৰাৰ বাবে মই ৫ কোটি টকাৰ পুঁজিৰে

অসমৰ জলবায়ু পৰিৱৰ্তন ব্যৱস্থাপনা সংস্থা গঠন কৰিবলৈ প্ৰস্তাৱ লৈছো।

**বিদেশীমুক্ত অসম ঃ**

**127)** সন্মানীয় অধ্যক্ষ মহোদয়, পূৰ্বৰ চৰকাৰ সমূহে ৰাজ্যখনত থকা বিদেশী ন্যায়াধীকৰণ কাৰ্যালয়ৰ জৰাজীৰ্ণ অৱস্থাৰ প্ৰতি অতি কম মনোযোগ দিছিল। মহাশয়, প্ৰয়োজনীয় মূল আন্তঃ গাঁথনি অবিহনে এই ন্যায়াধীকৰণসমূহে সুচাৰুৰূপে কাম কৰিব নোৱাৰে আৰু বিদেশী চিনাক্ত কৰণতো নিসন্দেহে বাধা জন্মায়। আমাৰ চৰকাৰে ৰাজ্যখনৰ ১০০ টা বিদেশী চিনাক্তকৰণ কাৰ্য্যলয়ৰ প্ৰতিটোলৈ আন্তঃগাঁথনি উন্নয়নৰ বাবে ১০ লাখকৈ টকা ধাৰ্য্য কৰাৰ সিদ্ধান্ত লৈছে। এই উদ্দেশ্যে এই ধনৰাশি গৃহ বিভাগৰ জৰিয়তে সংশ্লিষ্ট জিলাৰ উপায়ুক্ত সকললৈ প্ৰেৰণ কৰা হ'ব। ২০১৮-১৯ বিত্তীয় বৰ্ষৰ বাবে ১০ কোটি টকাৰ বাজেটৰ ব্যৱস্থা কৰা হৈছে।

**128)** মহাশয়, আমাৰ বহুতৰে পাঞ্জাবৰ ৰাঘা সীমান্তত ভাৰত আৰু পাকিস্তানৰ নিৰাপত্তা বাহিনীয়ে আয়োজন কৰা **Beating the Retreat** অনুশীলন চোৱাৰ সৌভাগ্য হৈছে। এইটো মাথো আমাৰ দেশপ্ৰেমৰ প্ৰতীকেই নহয়, ই এক বৃহৎ পৰ্যটনৰ কেন্দ্ৰবিন্দু। মই পৱিত্ৰ সদনক অৱগত কৰিব খুজিছো যে আমাৰ চৰকাৰে ৰাঘা সীমান্তৰ আৰ্হিত সীমান্ত আন্তঃগাঁথনি উন্নয়নৰ সীদ্ধান্ত গ্ৰহণ কৰিছে আৰু আন্তৰ্জাতিক সীমান্তৰ সৈতে সংলগ্ন ৪ খন জিলা-কাছাৰ,কৰিমগঞ্জ, ধুবুৰী আৰু দক্ষিণ শালমাৰালৈ ৫ কোটি টকা আবন্টন দিয়াৰ ব্যৱস্থা কৰিছে। চলিত বাজেটত এই উদ্দেশ্যে মই ১০ কোটি টকা ধাৰ্য কৰিছো।

**ডঃ হিমন্ত বিশ্ব শৰ্মা , মাননীয় মন্ত্ৰী , বিত্ত , স্বাস্থ্য , শিক্ষা ইত্যাদিঃ** সমগ্ৰ বিশ্বতে অসমৰ চাহ এক উৎকৃষ্ট বেঙুৰ চাহ হিচাপে পৰিচিত। আমাৰ চাহ শ্ৰমিকসকলে কেইবা প্ৰজন্ম ধৰি অবিৰত শ্ৰমেৰে অসমৰ চাহক বিশ্বৰ এক বলিষ্ট মানৰ অৰ্ন্তজাতিক বেঙুৰ চাহ হিচাপে স্বীকৃতি লাভত ব্যাপক অৱদান আগবঢ়াইছে। এই টো এটা পৰিতাপৰ কথা যে আনকি আজিও আমাৰ চাহ শ্ৰমিকসকলে প্ৰয়োজনীয় আন্তঃগাঁঠনিমূলক সা- সুবিধাৰ পৰা বঞ্চিত হৈ আছে।পথৰ আঁন্তগাথনিৰ ক্ষেত্ৰত দেখা যায় যে, আমাৰ বেছি ভাগ চাহ বাগিছাৰ শ্ৰমিক লাইন যান বাহনৰ বাবে সূচল নহয় ।বাৰিষাৰ বতৰত এই পথসমূহে বিভিন্ন প্ৰকাৰৰ বিজানুৰ বাহক হৈ পৰে ।ইয়াৰ উপৰিও পথসমূহত দূৰ্ঘটনা আৰু সৰ্প-দংশনৰ আদিৰ দৰে মাৰাত্মক ঘটনাও সংঘটিত হোৱা দেখা যায় । এই শ্ৰমিক লাইনসমূহৰ অৱস্থা উন্নত কৰাৰ প্ৰয়োজনীয়তাৰ বিষয়ে আমাৰ চৰকাৰে গভীৰবাৰে উপলব্ধি কৰিছে। সংশ্লিষ্ট অংশিদাৰ সকলৰ সৈতে এলানি আলোচনাৰ পিচত আমাৰ চৰাকাৰে অসমৰ সকলোবোৰ চাহ বাগিছাৰ শ্ৰমিক লাইনত যান বাহনৰ বাবে সূচল পথ নিৰ্মানি কৰিবলৈ সিদ্ধান্ত লৈছে। এই উদ্দেশ্যে ২০১৮-১৯ চনৰ বাজেটত ২০ কোটি টকাৰ আবন্টন দিয়া হৈছে। চাহ বাগিছাৰ সকলো শ্ৰমিক লাইন অঞ্চল সামৰি ল'ব পৰাকৈ পৰ্য্যায়ক্ৰমে এই পুঁজি আবন্টন কৰা হ'ব । অসম চাহ নিগমৰ অৱসৰ প্ৰাপ্ত কৰ্মচাৰীলৈ আৰ্থিক সাহাৰ্য্য ঃ—

ষাঠিৰ দহকৰ সময়ত চাহ উদ্যোগে দুৰ্যোগৰ সন্মুখীন হোৱাৰ সময়ছোৱাত চাহ শ্ৰমিকসকলৰ অৱস্থা শোচনীয় হৈ পৰিছিল আৰু তেওঁলোকে চাহ মালিকৰ পৰা প্ৰায় এলাগী হৈ পৰাৰ সময়ত তেওলোকৰ সমস্যা লাগৱ কৰাৰ উদ্দেশ্যে ১৯৭২ চনত অসম চাহ নিগম লিমিটেড প্ৰতিষ্ঠা কৰা হৈছিল । এই নিগমৰ তত্বাৱধানত ১৫ খন চাহ বাগিছা আছে, আৰু প্ৰায় ১৬৭৪৮ গৰাকী শ্ৰমিকে কাম কৰি জীবিকা নিৰ্বাহ কৰি আছে। চাহ উদ্যোগৰ বজাৰৰ উত্থান -পতনৰ হেতু এই নিগম আৰ্থিক ক্ষতিৰ সন্মুখীণ হোৱাৰ বাবে যোৱা ১৮ বছৰত তেওলোকে শ্ৰমিকসকলক মজুৰি দৰমহাৰ আদিৰ লগতে গ্ৰেচুইটি, ভবিষ্যনিধি,বকেয়া মজুৰি দৰমহা আদি আদায় দিয়াত ব্যৰ্থ কৰাণে চাহ

শ্ৰমিকসকলৰ জীৱন নিৰ্বাহ দুৰ্বিসহ হৈ পৰিছে। চাহ শ্ৰমিক সকলৰ প্ৰতি এই চৰকাৰ দায়বদ্ধ হোৱাৰ বাবে তেওঁলোকৰ শোচনীয় অৱস্থাৰ প্ৰতি চৰকাৰ নিৰ্বিকাৰ হৈ থাকিব নোৱাৰে। নিগমৰ প্ৰায় ১৬১৩৩ গৰাকী অৱসৰ প্ৰাপ্ত কৰ্মী আৰু কৰ্মচাৰী আছে, যিসকলৰ বেছিভাগেই ২০ বছৰ পূৰ্বে অৱসৰ গ্ৰহণ কৰিছিল আৰু দীৰ্ঘদিন ধৰি তেওলোকাৰ প্ৰাপ্য ধন পোৱাৰ আশাৰে বাট চাই থাকিবলগীয়া হৈছে । নিগমৰ বাৰ্ষিক পুঁজি অভাৱৰ হেতুকে অৱসৰ গ্ৰহণ কৰাৰ পিচতো ৮৩৯ গৰাকী কৰ্মচাৰী অৱসৰৰ পাচতো কাম কৰি থাকিবলৈ অনুম্তি দিয়া হৈছে। যাতে দুখীয়া শ্ৰমিকসকলক বঞ্চিত পৰিয়ালে কিছু সকাহ লাভ কৰিব পাৰে। নিগমৰ ভৱিষ্যত আৰু বঞ্চিত পৰিয়ালৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি নিগমক আৰ্থিক সাহাৰ্য্য আগবঢ়াবলৈ সিদ্ধান্ত লোৱা হৈছে, যাতে কৰ্মচাৰীসকলৰ অৱসৰ কালীন ধন আদায় দিয়া নিগম সক্ষম হ'ব পাৰে আৰু শ্ৰমিকসকলৰ শোচনীয় অৱস্থাৰ কিছু লাঘৱ কৰিব পৰা যায়।

,সেয়েহে অৱসৰপ্ৰাপ্ত কৰ্মী, সহকাৰী কৰ্মী আৰু সহকাৰী কৰ্মচাৰীসকলে ভৰিষ্যনিধি , গ্ৰেছুইটি , বকেয়া মজুৰি , দৰমহা , বোনাছ আদিৰ বাবে পাবলগীয়া ধন আদায়ৰ বাবে মই ৯৯ কোটি টকা আবন্টনৰ প্ৰস্তাৱ দিছো। অৱশ্যে এই সুবিধা লাভ কৰাৰ বাবে অসম চাহ নিগমে অসম চৰকাৰৰ সৈতে বাহ্যিক পিৰচালনা উৎস আৰু বিত্তীয় শৃংখলা ঘুৰাই অনাৰ বাবে এখন বুজাবুজি চুক্তি স্বাক্ষৰ কৰিব লাগিব। চাহ বাগিছাৰ বনুৱাসকলে ডিজিটেল ব্যৱস্থা মজুৰি প্ৰদান সহজভাৱে গ্ৰহণ কৰাৰ ফলত ই এটা বৃহৎ সাফল্য ৰূপে পেঞ্চনাৰ সকলৰ অবিবাহিতা কন্যাৰ অধিকাৰৰ প্ৰতিশ্ৰুতিঃ— ডিজিটেল স্বাক্ষৰতা আৰু তাৰ ব্যৱহাৰত গভীৰ উৎসাহিত কৰাৰ বাবে চাহ বাগিছাৰ চৰ্দাৰসকলক প্ৰায় ৩ হাজাৰ টকা মূল্যৰ স্মাৰ্ট ফোন প্ৰদান কৰা হ'ব । এই ব্যৱস্থাই ৰাজ্যৰ ২০ হাজাৰ চৰ্দাৰক উপকৃত কৰিব। ইয়াৰ বাবে ৭ কোটি টকা ধাৰ্য্য কৰা হৈছে। বৰ্ত্তমান ব্যৱস্থাৰ অধীনত পেঞ্চনাৰসকলৰ মৃত্যুৰ পিছত তেওলোকৰ উপাৰ্জনবিহীন অবিবাহিতা কন্যাসন্তানে পেঞ্চনৰ সা সুবিধা লাভ কৰা কোনো ব্যৱস্থা নাই। আমাৰ সমাজত অভাৱী আৰু পিড়িত মাতৃ-ভগ্নীসকলক আৰ্থিক সুৰক্ষা প্ৰদান কৰাটো আমাৰ চৰকাৰৰ এক উচ্চ অগ্ৰাধিকাৰৰ বিষয় সেয়েহে আমাৰ চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে যে পেঞ্চনাৰসকলৰ মৃত্যুৰ পিচত তেওঁলোকৰ অবিবাহিতা কন্যা সন্তানে পেঞ্চনৰ সুবিধা লাভ কৰাৰ বাবে যোগ্য বিবেচিত হ'ব।

অনাময় নেপকিন ক্ৰয়ৰ বাবে মাহেকীয়া ভাট্টাঃ আমাৰ চৰকাৰে মহিলা স্বাস্থ্য আৰু তেওঁলোকৰ মৰ্য্যদাৰ সুৰক্ষাৰ বাবে সিদ্ধান্ত লৈছে। এইটো অত্যন্ত পৰিত্তপৰ বিষয় যে,২১ শতিকাতো অসমখনত আমাৰ বহু সংখ্যক ভগ্নীৰে মাহেকীয়া ঋতুশ্ৰাৱৰ সময়ছোৱাত এবাৰ ব্যৱহাৰ যোগ্য প্ৰয়োজনীয় উপকৰণ কিনাৰ সামৰ্থ নাথাকে আৰু স্বাস্থ্যসন্মত ব্যৱস্থা সম্পৰ্কেও অৱগত নহয়। একেসময়তে কন্যা সন্তানসকলেও যৌৱনকালত উপনীত হোৱা সময়ত তেওঁলোকৰ মাজত প্ৰাসংগিক স্বাস্থ্য শিক্ষাৰো জ্ঞানৰ অভাৱ দেখা যায় সেয়েহে এবাৰ ব্যহাৰ যোগ্য অনাময় নেপকিন সহজলভ্য কৰাৰ বাবে মই এক নতুন নীতিৰ কথা ঘোষনা কৰিছো। অসমৰ ১২ পৰা ২০ বছৰ বয়সৰ মোৰ ভগ্নীসকল যিসকলৰ পৰিয়ালৰ বাৰ্ষিক আয় ৫ লাখ টকাতকৈ কম তেওঁলোকক মাহিলী ৫০ টকাকৈ আগবঢ়োৱা হ'ব, যিটো তেওঁলোকৰ বেংক একাউন্টত পোনপোটীয়াকৈ জমা হ'ব। ইয়াৰ বাবে পঞ্জীয়ন প্ৰক্ৰিয়া খণ্ড উন্নয়ন কাৰ্য্যালয়ৰ জৰিয়তে কৰা হ'ব। এই পঞ্জীয়নত তেওলোকৰ জন্মৰ তাৰিখ সংযোগ হৈ থাকিব আৰু তেওলোক ২০ বছৰত উপনীত হোৱাৰ সময়ত এই ব্যৱস্থা স্বয়ংক্ৰিয়ভাৱে বন্ধ হ'ব।

এই ধৰনে উন্নত মানৰ স্বাস্থ্যসন্মত সামগ্ৰী ব্যৱহাৰ কৰা উৎসাহিত কৰিব। ২০১৮-১৯ বৰ্ষতে আমি ৫ লাখ কন্যা সন্তানক এই আচনিত সামৰি লোৱাৰ প্ৰস্তাৱ কৰিছো। ইয়াৰ বাবে এই বাজেটত ৩০ কোটি টকাৰ আৱন্টন ঘোষণা কৰিছো।

বিভিন্ন সংস্থাত কৰ্মৰত কৰ্মচাৰীসকলৰ বাবে এককালীন সাহাৰ্য্যঃ—

ৰাষ্ট্ৰীয় ধ্বজাবাহী আঁচনিসমূহ ৰূপায়ণত বিভিন্ন মিচন / সংস্থাত কৰ্মৰত আমাৰ কৰ্মচাৰীসকলৰ বহুমূলীয়া বৰঙনিৰ কথা আমি স্বীকাৰ কৰো। এই আঁচনিসমূহ হৈছে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, ৰাজ্যিক গ্ৰাম্য জীৱিকা অভিযান, সৰ্ব্বশিক্ষা অভিযান , ৰাষ্টীয় উচ্চতৰ শিক্ষা অভিযান , ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান, স্বচ্ছ ভাৰত অভিযান আদি। অৱশ্যে আমি লক্ষ্য ৰাখিচো যে, যোৱা কেইবছৰমানত এনেধৰণৰ বহু সংখ্যক কৰ্মচাৰীয়ে কৰ্ত্তব্যৰত অৱস্তাত মৃত্যুবৰণ কৰিছে। কোনোধৰণৰ উপযুক্ত আঁচনি নথকাত সংস্থা সমূহে মৃত পৰিয়ালৰ ব্যক্তিলৈ কোনোধৰণৰ আৰ্থিক সাহাৰ্য্য আগবঢ়াব পৰা নাই। চলিত বছৰৰ পৰা এই সংস্থা সমূহত কৰ্মৰত অৱস্তাত মৃত্যু বৰন কৰা লোকসকলৰ পৰিয়ালবৰ্গলৈ ৫ লাখ টকাকৈ এককালীন সাহাৰ্য্য হিচাপে আগবঢ়াবলৈ সিদ্ধান্ত লোৱা হৈছে। এই সংস্থাসমূহ আৰম্ভ হোৱাৰ সময়ৰ পৰাই এই লাভালাভ কাৰ্য্যকৰী কৰা হ'ব। এই উদ্দেশ্য ২০১৮-১৯ বৰ্ষৰ বাজেটত মই ৪৫ কোটি টকা আবণ্টন দিছো।

অংগনবাড়ী কৰ্মী /সহায়িকা আৰু আশা কৰ্মীৰ মজুৰি বৃদ্ধি ঃ

মহাশয় শিশুৰ প্ৰথম ১০০০ দিনৰ দৈহিক আৰু মানসিক উন্নতি প্ৰয়োজনীয়তাৰ বিষয়ে আমি সচেতন। আমাৰ অংগনবাদী আৰু আশা কৰ্মীসকলে প্ৰাথমিক স্বাস্থ্য সেৱা বিশেষকৈ মাতৃ আৰু নবজাত শিশুৰ পৰিচাৰ্য্যাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। বৰ্ত্তমান অসমত ১.১৮ লাখ অংগনবাড়ী কৰ্মী আৰু সহায়িকা আৰু ৩১ ৯৫৫ গৰাকীতকৈও অধিক আশা কৰ্মীয়ে সেৱা আগবঢ়াই আছে। অংগনবাদী কৰ্মী আৰু আশা কৰ্মীসকলৰ বিত্তীয় অৱস্তা উন্নত কৰাৰ প্ৰতি আমাৰ চৰকাৰ অংগীকাৰবদ্ধ । আমাৰ চৰকাৰে অংগনবাদী কৰ্মীক আৰু আশা কৰ্মীসকলৰ দৰমহা ভাট্টা ১০০০ টকা আৰু অংগনবাদী সহায়িকাসকলৰ দৰমহা ভাট্টা ৫০০ টকা বৃদ্ধিৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

## IX. গৃহৰক্ষীৰ মজুৰী বৃদ্ধি

**১৪৭)** স্থানীয় প্ৰতিৰক্ষাৰ বাবে 'গৃহৰক্ষী' নামৰ স্বেচ্ছাসেৱী সংস্থাটোৱে আইন শৃংখলা ৰক্ষা নিৰ্বাচনৰ সময়ত আৰু জৰুৰী সময়ত আৰক্ষী সহকাৰী হিচাপে কাম কৰি আহিছে। শান্তি আৰু সুস্থিৰতা অটুট ৰখাৰ ক্ষেত্ৰত তেওঁলোকে স্বাৰ্থহীন ভাৱে সেৱা আগবঢ়াই আহিছে আৰু তেওঁলোক আমাৰ চৰকাৰৰ ধন্যবাদৰ পাত্ৰ। তেওঁলোকৰ দৈনিক মজুৰী **২৫০** টকাৰ পৰা **৩০০** টকালৈ বৃদ্ধি কৰিবলৈ তেওঁলোকৰ এক বহুদিনীয়া দাবি আছে। মই ঘোষণা কৰিবলৈ পাই সুখী হৈছে যে আমাৰ চৰকাৰে এই দাবী মানি লৈছে আৰু **২০১৮ -১৯** বিত্তীয় বৰ্ষৰ পৰা তেওঁলোকে বৰ্দ্ধিত মজুৰি লাভ কৰিব।

## X. মূল্য সুস্থিৰতা পুঁজি

**১৪৮)** মূল্য বৃদ্ধিয়ে দুখীয়ালোক আৰু অনগ্ৰসৰসকলক ক্ষতি কৰে আৰু এই কথা মনত ৰাখি বিগত বৰ্ষত আমি এক মূল্য সুস্থিৰতা পুঁজি গঠন কৰাৰ কথা ঘোষণা কৰিছিলো। যিয়ে অত্যাৱশ্যকীয় সা- সামগ্ৰীসমূহৰ হৈ থকা মূল্য উঠা নমাৰ পৰা আমাৰ গ্ৰাহকসকলক সকাহ প্ৰদান কৰিব। খাদ্য আৰু অসামৰিক যোগান বিভাগে এই পুঁজি ৰূপায়ণৰ আৰ্হি বিতংভাৱে প্ৰস্তুত কৰি উলিয়াইছে। এই ক্ষেত্ৰত বিভাগটোক সবল কৰি তুলিবলৈ আৰু বজাৰত হোৱা মন্দাৰস্থা তথা কৃত্ৰিম মূল্যবৃদ্ধি ৰোধ কৰাৰ অৰ্থে **২০১৮ -১৯** বৰ্ষৰ বাজেটত মই **৫০** কোটি টকা ধাৰ্য কৰিছো।

## XI. চৰকাৰী বিভাগসমূহত ছ'চিয়েল মিডিয়াৰ সুচনা

**১৪৯)** মহাশয়, মই বাৰম্ববাৰ আমাৰ চৰকাৰৰ সু- শাসনৰ লক্ষ্যৰ বিষয়ে দোহাৰি আহিছোঁ। ইয়াৰ অংশ হিচাপে আমি জনসাধাৰণৰ কাষ চপাৰ বাবে সক্রিয় পদক্ষেপ গ্রহণ কৰাৰ প্ৰয়োজনীয়তা আছে। জনসাধাৰণক তেওঁলোকৰ অধিকাৰ সম্পৰ্কে সজাগ কৰাৰ লগতে চৰকাৰে তেওঁলোকৰ বাবে কি কাম কৰি আছে তাক অৱগত কৰোৱাৰ বিশেষ প্ৰয়োজন আছে।

**১৫০)** আজিৰ যুগত জনসাধাৰণৰ সৈতে সংযোগ স্থাপনৰ বাবে আধুনিক ব্যৱস্থাসমূহ গ্রহণ কৰাটো অমি গুৰুত্বপূৰ্ণ। এই উদ্দেশ্যে আমি চৰকাৰৰ প্ৰতিটো বিভাগত ছ'চিয়েল মিডিয়া স্থাপন কৰাৰ ব্যৱস্থা লম, যাতে চৰকাৰ জনসাধাৰণৰ অধিক কাষ চাপিব পাৰে।

**১৫১)** ইয়াৰ বাবে আমি চলিত বাজেটত তিনিকোটি টকাৰ আবন্টন দিছো।

## XII. স্বাস্থ্য সেৱা উৎসৱ আৰু গ্ৰামো উৎসৱ

**১৫২)** উন্নত স্বাস্থ্য সেৱা আগবঢ়াবলৈ আৰু ৰাজ্যত থকা স্বাস্থ্য বিষয়ক অনুষ্ঠানবিলাকৰ মান নিৰ্ণয় কৰাৰ কাৰণে মই স্বাস্থ্য সেৱা উৎসৱৰ প্ৰস্তাৱ ৰাখিছো। শিক্ষাখণ্ডত উন্নত মান নিৰ্ধাৰণৰ বাবে আমি অনুষ্ঠিত কৰি অহা জনপ্ৰিয় আৰু সফল গুণোৎসৱ আঁচনিৰ ই এক অবিকল প্ৰতিৰূপ। ৰাজহুৱা স্বাস্থ্য অনুষ্ঠান, যিবোৰ সংশ্লিষ্ট প্ৰাথমিক আৰু মাধ্যমিক পৰ্যায়ৰ সেৱা প্ৰদান কৰে যেনে- জিলা চিকিৎসালয়, মহকুমা অসামৰিক চিকিশ্ৰশ্ৰৎসালয়, ৰাজহুৱা স্বাস্থ্য কেন্দ্ৰ আৰু প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰসমূহৰ গুণগত মান নিৰ্ণয়ৰ ব্যৱস্থা কৰা হ'ব। চিকিৎসা মহাবিদ্যালয়ৰ সৈতে অন্যান্য স্বাস্থ্য অনুষ্ঠানবিলাককো পৰ্যায়ক্ৰমে সামৰি লোৱা হ'ব।

**১৫৩)** ইয়াৰ বাবে মই ৪কোটি টকা এই বিত্তীয় বৰ্ষত ধাৰ্য কৰিছো।

**১৫৪)** ইয়াৰ বাহিৰেও পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগে ৰাজ্যৰ গাঁও পঞ্চায়তসমূহৰ কাৰ্য্যাৱলীৰ মান নিৰূপণৰ বাবে গ্ৰাম উৎসৱৰ আয়োজন কৰিব।

## XIII .সংসদ আদৰ্শ গাঁৱত পথ উন্নয়ন প্ৰকল্প

**১৫৫)** অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সাংসদসকল দিল্লীত অসমৰ কণ্ঠ বুলি যদি মই কওঁ, তেনেহ'লে কাৰো যে দ্বিমত নাথাকিব এই সম্পৰ্কত মই নিশ্চিত। বিশেষকৈ সাংসদ আদৰ্শ গ্ৰাম্য যোজনা (SAGY) আদিৰ দৰে আঁচনিৰ জৰিয়তে আন্তঃগাঁথনি উন্নয়নৰে গাঁওসমূহৰ অৱস্থা সলনি কৰি দিয়াৰ বাবে সাংসদসকলে গ্ৰহণ কৰা প্ৰচেষ্টা সঁচাকৈয়ে প্ৰশংসনীয়।

**১৫৬)** আমি ৰাজ্য চৰকাৰ হিচাপে তেওঁলোকৰ উন্নয়নমূলক প্ৰচেষ্টাত সহযোগিতা কৰিবলৈ আগ্ৰহী। এই উদ্দেশ্যে আমি সন্মানীয় সাংসদসকলে নিৰ্বাচিত কৰা গাঁওসমূহত পথ উন্নয়ন প্ৰকল্পৰ বাবে ২০ কোটি টকা ধাৰ্য কৰিছো। মই আশা কৰো যে আমাৰ ৰাজ্যখনৰ মাননীয় সাংসদসকলে ৰাজ্য চৰকাৰৰ এই পদক্ষেপক আদৰি ল'ব।

## XIV. ব্যক্তিগত শিক্ষানুষ্ঠান নিয়ন্ত্ৰণ

১৫৭) ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানসমূহৰ দ্বাৰা শিক্ষাৰ্থীৰ পৰা মাত্ৰাধিক মাচুল আদায় কৰা ঘটনা দৈনিক শুনিবলৈ পোৱা যায়। আনহাতে, এনে এক অভিযোগ উঠে যে এনে শিক্ষানুষ্ঠানৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে অতি নিম্ন হাৰৰ দৰমহাত সেৱা আগবঢ়াব লাগে।

১৫৮) এনে ধৰণৰ কু-বৃত্তি ৰোধ কৰাৰ ক্ষেত্ৰত বৰ্তমান কোনো ধৰণৰ আইন নাই। মাত্ৰাধিক মাচুল সংগ্ৰহ ৰোধ কৰিবলৈ শিক্ষক-শিক্ষয়িত্ৰী তথা সহকাৰী কৰ্মীসকলৰ উচিত দৰমহা গাঁঠনি হোৱাটো নিশ্চিত কৰিবৰ বাবে আমি এখন আইন প্ৰনয়ণ কৰিম। শিক্ষাৰ বাণিজ্যকৰণ ৰোধ আৰু ব্যক্তিগতখণ্ডৰ

শিক্ষাত স্বচ্ছতা- এয়াই হ'ব প্ৰস্তাৱিত আঁচনিখনৰ মূল দৰ্শন।

## XV. আৰ্থিক তৰান্বিত সহযোগিতাৰ বাবে উত্তৰ-পূৰ মঞ্চ

১৫৯) উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যকেইখন যে ভৌগলিক ভাৱে নিকটৱৰ্তী তেনে নহয়। এই আটাইকেইখন ৰাজ্যৰ বাসিন্দাসকলৰ মাজত ঐতিহাসিক, সাংস্কৃতিক আৰু পাৰস্পৰিক যোগসূত্ৰ বিদ্যমান। সমগ্ৰ অঞ্চলটো প্ৰাকৃতিক সম্পদেৰে ভৰপূৰ আৰু দক্ষিণ আৰু দক্ষিণ পূৱ এছিয়াৰ সৈতে অঞ্চলটোৰ সীমামূৰীয়া।

১৬০) সমগ্ৰ অঞ্চলটোৰ ৰাজ্যকেইখনৰ এক উমৈহতীয়া দৰ্শন আছে আৰু আটাইকেইখন ৰাজ্যৰ সমন্বিত ঐক্য বহু ক্ষেত্ৰত সহায়ক বুলি প্ৰমাণিত হৈছে। এনে পৰিপ্ৰেক্ষিতত মই উত্তৰ-পূৱৰ ৰাজ্যকেইখনক অলপ লগ লগাই এটি উত্তৰ-পূৱ ফাউণ্ডেচন (North-East Foundation) গঢ়ি তোলাৰ প্ৰস্তাৱ দিছো। কোনো নামজ্বলা সামাজিক গৱেষণা প্ৰতিষ্ঠানৰ সৈতে এই মঞ্চই উত্তৰ-পূৰ্বাঞ্চলৰ সমস্যা আৰু সম্ভাৱনাৰ বিষয়ে চৰকাৰক দিহা-পৰামৰ্শ দিব। প্ৰথম পাঁচ বছৰৰ বাবে এনে এটি মঞ্চক অসম চৰকাৰে পৃষ্ঠপোষকতা কৰিব।

১৬১) মই আশা কৰো যে উত্তৰ-পূৱৰ আন ৰাজ্যসমূহেও এই ফাউণ্ডেচনখনত যোগদান কৰিব।

## XVI. উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্য সমূহৰ বাবে চিকিৎসা মহাবিদ্যালয় সমূহত সংৰক্ষণ ব্যৱস্থা

১৬২) মোৰ শেষৰখন বাজেটত, অসমক উত্তৰ পূৰ্বৰ চিকিৎসা শিক্ষা কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ প্ৰতিশ্ৰুতি দিছিলো। এই ক্ষেত্ৰত আমি ইতিমধ্যে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছো। মই এইক্ষেত্ৰত সচেতন যে উত্তৰ পূৰ্বাঞ্চলনৰ কেইখন মান ৰাজ্যত চিকিৎসা শিক্ষাৰ পৰ্যাপ্ত সুবিধা নথকাৰ বাবে অঞ্চলটোৰ যুৱক-যুৱতীসকল চিকিৎসা শিক্ষা লাভৰ পৰা বঞ্চিত হৈ আছে।

১৬৩) যিহেতুকে, আঠ ভনীৰ ভিতৰত অসম জেষ্ঠ ভগ্নী বুলি গণ্য কৰা হয়, গতিকে উত্তৰ পূৰ্বাঞ্চলৰ যিকেইখন ৰাজ্যৰ নিজা চিকিৎসা মহাবিদ্যালয় নাই, সেই সমূহ ৰাজ্যৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে আমাৰ চিকিৎসা মহাবিদ্যালয়ত দুখনকৈ আসন সংৰক্ষণৰ প্ৰস্তাৱ ৰাখিছো। এই ৰাজ্যসমূহত চিকিৎসা মহাবিদ্যালয় সমূহ স্থাপন হৈ নুঠালৈ আমি এই সুবিধা আগবঢ়াম।

## XVI. নতুন শিক্ষানুষ্ঠান

১৬৪) শিক্ষা সমাজৰ মেৰুদণ্ডস্বৰূপ আমাৰ চৰকাৰে কাৰ্যকাল গ্ৰহণৰ দিনৰ পৰা শিক্ষানুষ্ঠানৰ আন্তঃগাথনিৰ সম্প্ৰসাৰণৰ বিষয়টো চৰকাৰৰ প্ৰধান পদক্ষেপ সমূহৰ ভিতৰত অন্যতম আছিল। আমি পূৰ্বে উল্লেখ কৰা 'উত্তৰণ'ত ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত কেইখনমান স্নাতক মহাবিদ্যালয় স্থাপন কৰাৰ বিষয়ে ঘোষণা কৰিছিলো। ইয়াৰ উপৰি তলত উল্লেখ কৰা শিক্ষানুষ্ঠান সমূহ স্থাপন কৰা হ'ব, যাৰ বাবে পৰ্যাপ্ত বাজেটৰ সুবিধা ৰখা হৈছে।

ক) কৰিমগঞ্জত এখন নতুন চিকিৎসা মহাবিদ্যালয় স্থাপন কৰা হ'ব। আনহাতে এই বছৰৰ পৰা কোকৰাঝাৰ, তিনিচুকীয়া আৰু নলবাৰীত চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মাণ কাৰ্য আৰম্ভ হ'ব। ডিফু, ধুবুৰী, নগাঁও আৰু উত্তৰ লক্ষীমপুৰত নিৰ্মাণৰ কাম অধিক ক্ষিপ্ৰতাৰে চলি আছে।

খ) ধুবুৰী, নলবাৰী, ৰঙিয়া, নগাওঁ, ডিফু, যোৰহাট, ডিব্ৰুগড়, তেজপুৰ, শিলচৰ আৰু উত্তৰ লক্ষীমপুৰত **১০** খন নতুন চৰকাৰী আইন মহাবিদ্যালয় স্থাপন কৰা হ'ব।

গ) কাৰ্বি আংলং (পশ্চিম), বঙাইগাওঁ, বাক্সা, নলবাৰী, কামৰূপ, মৰিগাওঁ, ডিমা হাচাও, শিৱসাগৰ, বিশ্বনাথ আৰু উত্তৰ লক্ষীমপুৰত **১০** খন নতুন বি. এড মহাবিদ্যালয় স্থাপন কৰা হ'ব।

ঘ) টিংখং, মাজুলী আৰু হাজোত তিনিখন নতুন পলিটেকনিক স্থাপন কৰা হ'ব।

ঙ) মোৰ পূৰ্বৰ বাজেট ঘোষণা অনুসৰি পৰৱৰ্তী বিত্তীয় বৰ্ষত বিহালী, বঙাইগাঁও, শুৱালকুছি, ওদালগুৰি, নলবাৰী আৰু নগাঁওত নিৰ্মাণৰ কাম আৰম্ভ কৰিম। ধেমাজী আৰু গোলাঘাটত অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ নিৰ্মাণৰ কাম এই বছৰত সম্পূৰ্ণ হ'ব। আৰু সেই অনুসৰি পৰ্যাপ্ত বাজেট ব্যৱস্থা ৰখা হৈছে।

চ) সংখ্যালঘু অধ্যুষিত অঞ্চল যেনে - সোনাই, চেঙা, বটদ্ৰৱা, জলেশ্বৰ, গোলকগঞ্জ, বিলাসীপাৰা, মঙ্গলদৈ, হাইলাকাণ্ডি আৰু কৰিমগঞ্জত ৯ খন মহিলা মহাবিদ্যালয় স্থাপন কৰা হ'ব।

ছ) উত্তৰণ আঁচনিৰ অধীনত স্থাপন কৰিব লগা আদৰ্শ মহাবিদ্যালয় কেইখনৰ উপৰি বৰচলা (শোণিতপুৰ) ডুমডুমা (তিনিচুকীয়া), মাজুলী, বাক্সা, চিৰাং আৰু ওদালগুৰিত অতিৰিক্ত ছয়খন নতুন স্নাতক মহাবিদ্যালয় স্থাপন কৰা হব।

জ) ৰাজ্যখনত দক্ষতা বিকাশৰ বাবে চিংগাপুৰৰ ITEES ৰ সহযোগত এক মেগা স্কীল চিটী স্থাপন কৰা হ'ব। অসমৰ যুৱক-যুৱতীসকলক আন্তৰ্জাতিক মানসম্পন্ন নিয়োগৰ উপযুক্ত কৰি তোলাৰ বাবে এই প্ৰতিষ্ঠানে সহায় কৰিব। মই মেগা স্কীল চিটি আৰু ইয়াৰ সৈতে জড়িত অন্যান্য কাম-কাজৰ বাবে **১৮** কোটি টকা আছুতীয়াকৈ ৰাখিবলৈ ধাৰ্য কৰিছো।

ঝ) বিষয়া আৰু অংশীদাৰী সকলৰ সামৰ্থ উচ্চ মানৰ কৰি গঢ়ি তোলাৰ বাবে আমি ৰাজ্যিক ৰাজহুৱা বিত্ত প্ৰতিষ্ঠান (State Institute of Public Finance) স্থাপন কৰাৰ বাবে পদক্ষেপ লৈছো।

ঞ) তদুপৰি আমি শ্ৰম কল্যাণ বিষয়া সকলক প্ৰশিক্ষণ দিয়াৰ উদ্দেশ্যে ৰাজ্যিক শ্ৰমিক প্ৰশিক্ষণ আৰু গৱেষণা প্ৰতিষ্ঠান স্থাপন কৰিম।

ট) ডিমা হাচাওত এখন উদ্যান শস্য মহাবিদ্যালয় স্থাপন কৰা হ'ব।

ঠ) শ্ৰী শ্ৰী অনিৰুদ্ধদেৱৰ স্মৃতিত ডিব্ৰুগড়ৰ চাবুৱাত আমি এখন ক্ৰীড়া বিশ্ববিদ্যালয় স্থাপন কৰিম।

১৬৫) আমি শিক্ষাখণ্ডত ওপৰত উল্লেখ কৰা প্ৰকল্পসমূহ ৰূপায়ণ কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ, যাতে ৰাজ্যখনৰ প্ৰতিটো প্ৰান্তত আমাৰ ছাত্ৰ-ছাত্ৰীসকল উচ্চ মানৰ শিক্ষা লাভ কৰিব পাৰে।

## XVIII. কন্যা সন্তানৰ বাবে দুচকীয়া বাহন

১৬৬) মই পূৰ্বৰ বাজেটত ঘোষণা কৰিছিলো যে আমি ২০১৭ চনৰ উচ্চতৰ মধ্যামিক পৰীক্ষাত উত্তীৰ্ণ হোৱা ৰাজ্যখনৰ শীৰ্ষৰ **১০০০** গৰাকী ছাত্ৰীক দুচকীয়া বাহন প্ৰদান কৰিম। তেওঁলোকৰ উচ্চ শিক্ষা সহজলভ্য কৰাৰ উদ্দেশ্যে এই আঁচনি গ্ৰহণ কৰা হৈছিল।

১৬৭) মই এই পদক্ষেপক অধিক আগুৱাই লৈ যাবলৈ বিচাৰিছো। এই বছৰ আমি **২০১৮** চনৰ উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ **৫০০০** গৰাকী ছাত্ৰীক এনে দুচকীয়া বাহন প্ৰদান কৰিম।

১৬৮) মই এই উদ্দেশ্যে **২০১৮ - ১৯** বিত্তীয় বৰ্ষৰ বাজেটত **২৫** কোটি টকাৰ আবন্টন দিছো।

## XIX. আমাৰ নগৰ আৰু মহানগৰত পৌৰ সা-সুবিধা বৃদ্ধি

১৬৯) মহাশয়, বৃহৎ পুঁজি প্ৰকল্প ৰূপায়ণ আমাৰ চৰকাৰৰ অন্যতম মুখ্য বিষয়। বিশেষকৈ আমাৰ নগৰ-চহৰসমূহৰ গুৰুত্বপূৰ্ণ আন্তঃগাঁথনি উন্নয়ণ সাধন আমাৰ অন্যতম লক্ষ্য। বৃহৎ চহৰৰ আন্তঃগাঁথনি উন্নয়ন পুঁজিলৈ আনি আগবঢ়োৱা ধনৰাশি অথবা অতিৰিক্তভাৱে **৮** খন মজলীয়া চহৰৰ বাবে আমি দিয়া আবন্টনে ইয়াৰ যথাৰ্থতা প্ৰদান কৰিছে। অসমৰ বৃহৎ মহানগৰৰ উপৰিও আন্তঃগাঁথনি উন্নয়নৰ প্ৰসাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ যে প্ৰয়োজন সেই সম্পৰ্কে আমি নিশ্চিত। এইটো বিশেষভাৱে সত্য কাৰণ অসম দ্ৰুতগতিত নগৰীকৰণৰ পিনে আগবাঢ়ি গৈছে আৰু এই বিকাশ অব্যাহত ৰখাৰ বাবে উন্নত মানৰ পথ আৰু নলা -নৰ্দমাৰ ব্যৱস্থাৰ আৱশ্যক। ইয়াৰ বাবে মই **২০১৮-**

**১৯** বৰ্ষৰ বাজেটত পথ আৰু নলা-নৰ্দমা নিৰ্মাণৰ বাবে CIDF আঁচনিত অন্তৰ্ভূক্ত হোৱা নগৰ - চহৰসমূহ আৰু গুৱাহাটীৰ বাদে অন্যান্য নগৰ চহৰৰ বাবে **২০০** কোটি টকা ধাৰ্য কৰিছো।

## XX. উন্নততৰ নাগৰিক সেৱাৰ বাবে সহায়তা

১৭০) গুৱাহাটী মহানগৰীৰ উপৰিও আন **৬** খন চহৰ নগাঁও, তেজপুৰ, যোৰহাট, ডিব্ৰুগড়, শিলচৰ আৰু তিনিচুকীয়াত আধুনিক গোটা আৱৰ্জনা ব্যৱস্থাপনা পদ্ধতিৰ প্ৰৱৰ্তন আৰু বিকাশৰ বাবে মই **৫০** শতাংশ viability gap funding ৰ ব্যৱস্থা কৰিছো।

১৭১) মহানগৰ আৰু চহৰসমূহত ষ্ট্ৰীট লাইটৰ ব্যৱস্থা কৰাটো এক প্ৰাথমিক সেৱা বুলি গণ্য কৰা হয়। অৱশ্যে এইটো লক্ষ্য কৰা গৈছে যে স্থানীয় নগৰ নিকায়সমূহে সময়মতে বিদ্যুতৰ বিল আদায় দিবলৈ সক্ষম নোহোৱাৰ বাবে নাগৰিকসকল এই প্ৰাথমিক সেৱাৰ পৰা বঞ্চিত হৈ আছে। এই সমস্যা সমাধানৰ বাবে মই প্ৰতিটো স্থানীয় নগৰ নিকায়ৰ মাহিলি বিদ্যুত মাছুলৰ বাবদ দিবলগীয়া ধনৰ **৫০** শতাংশ দিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰিছে। এই পদক্ষেপ আমাৰ মহানগৰ আৰু নগৰসমূহত ষ্ট্ৰীয লাইটৰ সঠিক কাৰ্যকাৰিতা নিশ্চিত কৰিব।**২০১৮-১৯** বৰ্ষৰ বাজেটত ইয়াৰ বাবে প্ৰয়োজনীয় যথোচিত পুঁজিৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ অতিৰিক্তকৈ বিত্ত বিভাগে পঞ্চম বিত্তীয় আয়োগৰ মজুৰীৰ অধীনত পৌৰ নিকায় সমূহলৈ **২৪২.১২** কোটি টকা আগবঢ়াব যাতে নাগৰিক সেৱা নিশ্চিত কৰিব পৰা যায়।

XXI. গুৱাহাটীৰ পথ নিৰ্মাণৰ বাবে নীতি -নিৰ্দেশনা

**১৭২)** গুৱাহাটীৰ বাসিন্দাসকলে বাৰিষা কালত পানী জমা হোৱাৰ ফলত মুখামুখি হোৱা অসুবিধা সম্পৰ্কে আমি সকলোৱে জ্ঞাত। বছৰ বছৰ ধৰি মহানগৰখনৰ গঢ়ি উঠা প্ৰক্ৰিয়াটোত গুৱাহাটীৰ পথসমূহ বহুবাৰ মেৰামতি আৰু পুনৰ উন্নয় কৰি তোলা হৈছে। কিন্তু উপযুক্ত নীতি-নিৰ্দেশণা আৰু নিৰীক্ষণৰ অভাৱত, দেখা গৈছে যে পথসমূহ পুনৰ নিৰ্মাণ কৰাৰ পূৰ্বে সেইবোৰ ভালদৰে খন্দা নহয়। পথসমূহৰ উচ্চতা ক্ৰমান্বয়ে বৃদ্ধি পোৱাৰ লগে -লগে পথৰ কাষৰ আৱাসিক অঞ্চল আৰু কাৰ্যালয় চৌহদন পানী জমা হোৱা সমস্যা গা কৰি উঠিছে।

**১৭৩)** এই সমস্যাৰ মোকাবিলা কৰিবলৈ আমি এনে এক নিৰ্দেশনা জাৰি কৰিবলৈ প্ৰস্তাৱ কৰিছো য'ত পথৰ পুনৰ নিৰ্মাণৰ পূৰ্বে পূৰণি পথটো খন্দাটো বাধ্যতামূলক হ'ব যাতে পথৰ উচ্চতা বৃদ্ধি নাপায়। আমি আশাবাদী যে এই সমাধানে গুৱাহাটী মহানগৰীত বাস কৰা সহস্ৰাধিক নাগৰিকক লাভান্বিত কৰিব।

## XXII. অটল টিংকাৰিং লেব (Atal Tinkering Lab)

**১৭৪)** ভাৰত চৰকাৰৰ নীতি আয়োগে মজলীয়া বিদ্যালয় পৰ্যায়ত অটল টিংকাৰিং পৰীক্ষাগাৰ স্থাপন কৰিছে। ইয়াত যুৱক-যুৱতীসকলক **৩** ডি প্ৰিন্টাৰ্ছ, lots, ৰবিটিক্স, চেনচোৰ্চ ইত্যাদিৰ লেখীয়া শেহতীয়া প্ৰযুক্তিসমূহ সম্পৰ্কে পৰিচয় কৰাই দিয়া হয়। এই পৰীক্ষাগাৰসমূহ যুৱক-যুৱতীসকলৰ মনত কৌতুহল, সৃষ্টিশীলতা আৰু কল্পনাশক্তি জগাই তুলিব পৰাকৈ যুগুত কৰা হৈছে। অসমৰ প্ৰতিখন চৰকাৰী বিদ্যালয়তে এক উদ্ভাৱনমূলক সংস্কৃতি প্ৰসাৰ ঘটোৱাৰ প্ৰতি আমাৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। অটল টিংকাৰিং পৰীক্ষাগাৰ স্থাপন কৰাৰ ক্ষেত্ৰত নীতি আয়োগে অসমত **৫৬** খন বিদ্যালয় নিৰ্বাচন কৰিছে। ৰাজ্যখনত আৰু অধিক চৰকাৰী বিদ্যালয়ক এই পৰীক্ষাগাৰেৰে সু-সজ্জিত কৰি তুলিবলৈ এই বছৰ আমি প্ৰধান প্ৰকল্প হিচাপে **৫০** খন চৰকাৰী বিদ্যালয়ত অটল

টিংকাৰিং পৰীক্ষাগাৰ স্থাপনত পুঁজি যোগান ধৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে।

**১৭৫)** ইয়াৰ বাবে **২০১৮-১৯** বৰ্ষৰ বাজেটত মই **১০** কোটি টকাৰ আবন্টন দিছো।

## XXIII. ৰাজ্যিক উদ্ভাৱন পুঁজিঃ প্ৰশাসনত উদ্ভাৱনীমূলক ব্যৱস্থাৰ প্ৰতি উৎসাহ।

**১৭৬)** সংশ্লিষ্ট জিলাসমূহৰ উপায়ুক্তসকল হৈছে বিভিন্ন চৰকাৰী আঁচনি তথা কাৰ্যসুচীসমূহৰ মূল ৰূপায়ণকাৰী প্ৰাধিকাৰী। আমাৰ মাননীয় প্ৰধানমন্ত্ৰীৰ সপোনৰ লগত সংগতি ৰাখি আমাৰ চৰকাৰ উদ্ভাৱনৰ তথা স্থানীয় সমস্যা সমাধানৰ বাবে এক অনুকুল পৰিৱেশ সৃষ্টি কৰাৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধ। দেশখনত ৰূপায়িত হোৱা বহুকেইখন সফল আঁচনি জিলা পৰ্য্যায়ত ৰূপায়িত কম ব্যয়ৰ সৰল আঁচনিহে আছিল, যিবোৰ আঁচনি দেশৰ অন্যান্য অংশত সফল কাহিনী হিচাপে পুনৰাবৃত্তি ঘটোৱা হৈছিল। আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত বিভিন্ন জিলাই প্ৰদৰ্শন কৰা উল্লেখযোগ্য আৰু উদ্ভাৱনীমূলক কাম -কাজক স্বীকৃতি দি তেনে প্ৰয়াসক পুৰস্কৃত কৰাৰ অৰ্থে ৰাজহুৱা প্ৰশাসনত কৃতিত্ব প্ৰদৰ্শনৰ বাবে প্ৰধানমন্ত্ৰীৰ উৎকৰ্ষ বঁটা আৰু সেইদৰে ৰাজহুৱা প্ৰশাসনত উৎকৃষ্টতা প্ৰদৰ্শন কৰাৰ বাবে অসমৰ মুখ্যমন্ত্ৰীৰ 'কৰ্মশ্ৰী' উৎকৰ্ষ বঁটা প্ৰদান কৰিবলৈ লোৱা কৃতিত্বৰ পুৰস্কাৰ আৰু স্বীকৃতি হিচাপে এই বঁটা আগবঢ়োৱা হ'ব।

**১৭৭)** স্থানীয় প্ৰশাসনিক সমস্যাসমূহ নিয়াৰিকৈ সমাধান কৰাৰ ক্ষেত্ৰত আমাৰ উপায়ুক্তসকলক সহায় কৰাৰ অৰ্থে আমি এটা 'ৰাজ্যিক উদ্ভাৱন পুঁজি' গঠন কৰাৰ পৰিকল্পনা কৰিছো। এই আঁচনিখনৰ বিতং নীতি -নিৰ্দেশনা অলপতে প্ৰদান কৰা হ'ব আৰু আমি আশা কৰো যে প্ৰশাসনৰ প্ৰাথমিক বিষয়ৰ খুটি-নাতি দুৰ কৰিবলৈ ই এক অনুকুল পৰিৱেশ সৃষ্টি কৰিব।

**১৭৮)** ইয়াৰ বাবে **২০১৮-১৯** বৰ্ষৰ বাজেটত মই **১৫** কোটি টকা ধাৰ্য কৰিছো।

## ˜XXIV. বাঁহ-অসমৰ, অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ বাবে এক নতুন অধ্যায়

**১৭৮)** মহাশয়, আপোনালোকে জ্ঞাত যে আমাৰ গতিশীল প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডীয়ে তেখেতৰ এক বলিষ্ঠ সিদ্ধান্ত যোগে উত্তৰ পূৰ্বাঞ্চলৰ প্ৰতিটো পৰিয়াললৈ এক উপহাৰ প্ৰদান কৰিছে। এই মতে বাঁহক বন বৃক্ষৰ শ্ৰেণীৰ পৰা আঁতৰাই আনিছে আৰু কৃষি শস্য হিচাপে বাঁহৰ খেতি এতিয়া মুক্তভাৱে কৰাৰ ক্ষেত্ৰত অনুমতি প্ৰদান কৰিছে। মই নিশ্চিত যে এই সিদ্ধান্তৰ পিছত অসমৰ গ্ৰাম্য পৰিয়ালসমূহৰ বাবে শীঘ্ৰে বাঁহ এক প্ৰধান ৰাজহ সৃষ্টিৰ উৎস হিচাপে পৰিগণিত হ'ব। ইয়াৰ উপৰি নুমলীগড় ৰিফাইনেৰীৰ আসন্ন জৈৱ-ইন্ধন প্ৰকল্প (Biofuel plant) ৰ বাবে বাঁহক কেঁচা মাল হিচাপে ব্যৱহাৰ কৰিব পৰা যাব।

**১৮০)** ৰাষ্ট্ৰীয় বাঁহ মিচনৰ সক্ৰিয় তত্বাৱধানৰ অধীনত আমি অসমৰ ৰাজ্যিক বাঁহ মিছ্নক সম্পূৰ্ণভাৱে শক্তিশালী কৰিব পাৰিম। দেশৰ বিভিন্ন মহানগৰত থকা অসম ভৱন, অসম হাউচৰ লগতে গুৱাহাটী আৰু ৰাজ্যখনৰ সকলোবোৰ জিলা সদৰত পৰ্যায়ক্ৰমে অসম বাঁহ অৰ্হতা কেন্দ্ৰ (ABEC) স্থাপন কৰা হ'ব। এই কেন্দ্ৰ সমূহ বাঁহ কেচাঁমাল হিচাপে ব্যৱহাৰ হ'ব। অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যেগৰ কাম-কাজক উদ্বীপ্ত কৰি তুলিব। এই কেন্দ্ৰ সমূহ স্থাপনত পুঁজিৰ কোনো বাধা নহ'ব, এই উদ্দেশ্য চলিত বাজেটত ৫ কোটি টকাৰ ব্যৱস্থা ৰাখিছো।

## XXV. অসমৰ যুৱ প্ৰজন্মক প্ৰোৎসাহনঃ কেম্পাচৰ পৰা ক'ৰপৰেটলৈ

**১৮১)** মহোদয়, প্ৰতি বছৰে আমি যথেষ্ট সংখ্যক অভিযান্ত্ৰিক আৰু বাণিজ্য শাখাত স্নাতকৰ সংখ্যা বৃদ্ধি কৰি আছো। কিন্তু সদা পৰিবৰ্তিত পৰিস্থিতিত কেৱলমাত্ৰ শৈক্ষিক ডিগ্ৰীয়ে আমাৰ যুৱ-চামক যথাযথ সংস্থাপন আনি দিব নোৱাৰে। বিভিন্ন আধুনিক চফটৱেৰ মডিউল আৰু অন্যান্য অধ্যয়ণ

কাৰ্যক্ৰম যেনে enterprise research planning আদিৰ প্ৰশিক্ষণৰ জৰিয়তে দক্ষতা অৰ্জন কৰিলেহে তেওঁলোকৰ সংস্থাপন লাভৰ সম্ভৱনা বৃদ্ধি কৰিব। যদিওবা এই ধৰণৰ বৃদ্ধি প্ৰশিক্ষণৰ ব্যয় ২ লাখ টকাৰ পৰা ৪ লাখ টকা পৰ্যান্ত হ'ব। সেয়েহে আমাৰ সমাজৰ অৰ্থনৈতিক ভাৱে পিছপৰা শ্ৰেণীৰ মানুহ এই ধৰণৰ অধ্যয়ণ সুচীৰ পৰা প্ৰায় বঞ্চিত হৈ থাকে।

**১৮২)** মই আপোনালোকক জনাবলৈ পাই সুখি হৈছে যে আমাৰ চৰকাৰে ভাৰতৰ অন্যান্য ৰাজ্যৰ আৰ্হিত অভিযান্ত্ৰিক আৰু বাণিজ্য শাখাৰ ৫০০০ স্নাতকলৈ **১০** টা 'উৎকৰ্ষ বিকাশ কেন্দ্ৰ' কম খৰচতে অহা তিনি বছৰৰ ভিতৰত স্থাপন কৰাৰ বাবে ERP মেজৰ, SAP আদিৰ লগত যোগাযোগ ৰক্ষা কৰি আছে। এবাৰ প্ৰশিক্ষণপ্ৰাপ্ত হৈ উঠাৰ পাছত মই আশাবাদী যে তেওঁলোকে আমাৰ নিজৰ দেশত আৰু বাহিৰতো প্ৰখ্যাত কোম্পানি বিলাকত নিযুক্তি লাভ কৰিব।

**১৮৩)** ইয়াৰ বাবে মই **২০১৮ -১৯** বিত্তীয় বছৰটোত দহ কোটি টকা আছুতীয়াকৈ ধাৰ্য্য কৰিম।

## XXVI. অসমৰ বিভিন্ন থলুৱা সা-সামগ্ৰী ভৌগোলিক সুচক চিহ্ন

**১৮৪)** দেশৰ সন্মুখত অসমৰ প্ৰতিচ্ছবি বুলিলে সাধাৰণতে চাহ আৰু গড়ৰ ছবি দুখনহে ভাঁহি আহে। এই দুই সম্পদৰ লগতে অন্য বহু থলুৱা সামগ্ৰী আছে যিসমূহে প্ৰকৃতাৰ্থত স্বীকৃতি পোৱা নাই।

**১৮৫)** অসমৰ পাৰম্পৰিক গহণা, কৰঙা (যোৰহাট) ৰ কহাৰ, সৰ্থেবাৰীৰ কাঁহ পিতলৰ শিল্প, এৰি পাট, স্থানীয় সুৰা (লাওপানী, সাজ), কোমল চাউল, জহা চাউল,বৰা চাউল, কেকুৰা বাও চাউল, কপৌফুল আৰু ফুলাম জাপি আদি অসমৰ থলুৱা সম্পদে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বজাৰত যথোপযুক্ত সমাদৰ এতিয়াও পোৱা নাই।

**১৮৬)** এই থলুৱা সম্পাদসমূহ চিনাক্ত কৰি সংৰক্ষণ আৰু পূৰ্ণ সম্ভাৱনীয়তা উপলদ্ধিৰ বাবে ভৌগোলিক সূচক চিহ্ন আহৰণ কৰিবৰ বাবে প্ৰস্তাৱ কৰিছো। ইয়াৰ দ্বাৰা এই দুৰ্লভ সামগ্ৰীসমূহৰ ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বজাৰত সমাদৰ বৃদ্ধি কৰিব। যিয়ে ৰপ্তানিৰ যোগেদি অৰ্থনৈতিক বিকাশ কৰিব আৰু পৰ্যটনৰ বিকাশৰ লগতে সংশ্লিষ্ট খেতিয়ক ও শিল্পীসকলৰ আয় বৃদ্ধি কৰিব।

## XXVII. জিলা পৰ্যায়ৰ দক্ষতা তথা বিনিয়োগ মেলা

**১৮৭)** মহোদয়, বিশ্ব বিনিয়োগকাৰী সন্মিলন , Advantage Assam ৰ বৃহত্তম সফলতাই প্ৰতিজন অসমীয়াক প্ৰদান কৰা গৌৰৱ আৰু আশাৰ বিষয়ে আপোনালোক অৱগত। উদ্যমিতা আৰু স্বনিয়োজনৰ এই বাৰ্তা গুৱাহাটীৰ পৰিসীমাৰ বাহিৰলৈ প্ৰসাৰ কৰিবৰ বাবে জিলা পৰ্যায়ৰ দক্ষতা আৰু বিনিয়োগ মেলা আয়োজন কৰিবলৈ আমি পৰিকল্পনা কৰিছো। ইয়াৰ উপৰিও SVAYEM (স্বামী বিবেকান্দ অসম যুৱ সবলীকৰণ) যোজনাৰ অধীনত উপাৰ্জনক্ষম উপলদ্ধ হোৱা ঋণৰ বিষয়ে যুৱকসকলক অৱগত কৰাৰ ক্ষেত্ৰত ই এক মঞ্চ হিচাপে পৰিগণিত হব।

**১৮৮)** এই আঁচনিৰ অংশ হিচাপে থলুৱা যুৱক আৰু আত্মসমৰ্পণ কৰা সংগ্ৰামী যুৱকসকলক স্ব-নিৰ্ভৰশীল হোৱাৰ বাবে **১৫ - ৩০** দিনীয়া দক্ষতা বিকাশৰ প্ৰশিক্ষণ দিয়া হ'ব।

**১৮৯)** এই আঁচিন ৰূপায়ণৰ বাবে মই **১০** কোটি টকাৰ প্ৰস্তাৱ কৰিছো।

সৰ্থেবাৰীৰ প্ৰতিটো ঘৰৰ পৰা উৎপন্ন হোৱা টাং টুং শব্দবোৰ এসময়ত সমৃদ্ধিৰ সংগীত আছিল। যিয়েই নহওক আজি অসমৰ কাহঁ -পিতলৰ অৱস্থা স্বচ্ছল নহয়। কষ্টসহকাৰে তৈয়াৰ কৰা সা-সৰঞ্জামৰ ঠাইত কাৰাখানাত তৈয়াৰ হোৱা সস্তীয়া সামগ্ৰীৰ আৰু বিপদজনক পদ্ধিতিৰে কৰ্ম সম্পাদন, এই দুইকাৰণতেই থলুৱা কাহ-পিতলৰ শিল্পৰ অৱনতি ঘটিছে।

১৯১) মহাশয়, আমি এই আন্ত ৰাষ্ট্ৰীয় খ্যাতি সম্পন্ন হস্তশিল্পক পুনৰুজ্জীবিত কৰিবলৈ প্ৰস্তাৱ

গ্ৰহণ কৰিছো। উদ্যোগ বিভাগে হস্তক্ষেপ কৰি এই শিল্প উদ্যোগক সম্পূৰ্ণৰূপে পুনুৰুজ্জীবিত কৰাৰ বাবে এটা পথ পৰিকল্পনা প্ৰস্তুত কৰিব আৰু বাণিজ্যিক ভাৱে ব্যৱহাৰ উপযোগী কৰি কাৰিকৰ সকলৰ বাবে ৰাজহ সৃষ্টিৰ পথ প্ৰশস্ত কৰিব।
১৯২) সৰ্থেবাৰী আৰু অন্যান্য উদ্যোগ সমূহক পুনুৰুজ্জীৱিত কৰাৰ বাবদ এই বৰ্ষত বাজেটত মই ১৭.৫ কোটি টকা প্ৰস্তাৱ ৰাখিছো।

XXIV বৃহৎ প্ৰকল্পসমূহৰ সম্প্ৰসাৰণৰ বাবে মূলধন বিনিয়োগ।

১৯৩) অসম চৰকাৰৰ এটি লাভ উপাৰ্জনকাৰী ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান অসম পেট্ৰ কেমিকেল লিমিটেড ১৯৭১ চনত স্থাপন কৰা হৈছিল। এই প্ৰতিষ্ঠানে উজনি অসমৰ জিলাসমূহত স্থানীয়ভাৱে উপলব্ধ হোৱা প্ৰাকৃতিক গেছৰ পৰা মিথানল উৎপন্ন কৰে। এই প্ৰকল্পৰ প্ৰতিদিনে ১০০টন মিথানল আৰু ১২৫ টন ফৰমেলিন উৎপাদন ক্ষমতা আছে।
১৯৪) বৰ্দ্ধিত চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতিদিনে ৫০০ টন মিথানল আৰু ২০০ টন ফৰমেলি উৎপাদন কৰিব পৰাকৈ উৎপাদন ক্ষমতা বৃদ্ধিৰ বাবে ৰাজ্যিক কেবিনেটত ১৭৭ কোটি টকা বিনিয়োগৰ অনুমোদন দিছে। এই প্ৰতিষ্ঠানত অসম চৰকাৰে ইতিমধ্যে ৮৮.৪৬ কোটি টকা মূলধন বিনিয়োগ কৰিছে। তদুপৰি ১৩৩৭ কোটি টকাৰ এই বৃহৎ প্ৰকল্পৰ সম্প্ৰসাৰণ অৰ্থে ৬৮.৫৪ কোটি টকা মূলধন বিনিয়োগৰ বাবে ধাৰ্য্য কৰাৰ প্ৰস্তাৱ কৰিছো।

XXX. কাজিৰঙা উদ্ভিদ উদ্যান

১৯৫) আমাৰ চৰকাৰে কাজিৰঙাৰ বিশ্বমানৰ এখন উদ্ভিদ উদ্যান গঢ়ি তুলিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে, যিখিন বাগিছাই পৰ্যটকসকলক আকৰ্ষিত কৰাৰ লগতে দেশৰ অৰ্কিড উদ্যানৰ মানচিত্ৰত আমাৰ ৰাজ্যখনক অন্তৰ্ভূক্ত কৰিব।

XXXI. বিদ্যুৎ খণ্ডৰ কৰ্মচাৰী সকলৰ বাবে পেঞ্চন নিধি

১৯৭) ২০১৮-১৯ বিত্তীয় বৰ্ষৰ শেষৰ পাৱাৰ ইউটিলিটিৰ পেঞ্চন আনুমানিক ঘাটিৰ পৰিমাণ হব ১১৬৩.৮৭ কোটি টকা। ইয়াৰে ২০১৮-১৯ বৰ্ষত ঘাটিৰ পৰিমাণ হব ৩৭৬.৯২ কোটি টকা। ২০১৮ চনৰ ২৮ফেব্ৰুৱাৰীলৈকে পেঞ্চনাৰৰ সংখ্যা হৈছে প্ৰায় ১৬৫০০ গৰাকী আৰু অহা ৫বছৰত এই সংখ্যা আৰু ৪৫০০ গৰাকী বৃদ্ধি পাব। সেই অনুসৰি দিবলগীয়া ধনৰ পৰিমাণ আৰু ঘাটিৰ পৰিমাণো বৃদ্ধি পাব। সেয়েহে পেঞ্চনাৰ সকললৈ প্ৰদানকৰিবলগীয়া ধন সময়মতে দিবলৈ বৰ্তমানৰ ঘাটি পূৰণৰ বাবে এককালীন সাহায্য অতি সোনকালে আগবঢ়োৱাৰ প্ৰয়োজনীয়তা আছে। মই এককালীন বিত্তীয় সাহায্য হিচাপে ১১৬৩.৮৭ কোটি টকা প্ৰদান কৰিবলৈ প্ৰস্তাৱ কৰিছো। ২৭৬ কোটি টকাৰ বাৰ্ষিক ঘাটি হ্ৰাস কৰাৰ ক্ষেত্ৰত ইয়ে পাৱাৰ ইউটিলিটিক সহায় কৰিব।

**XXXII. তৃতীয় আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰীৰ খালীপদ পূৰণ**

১৯৮) শেহতীয়া ভাৱে, মোৰ দৃষ্টি গোচৰ হৈছে যে একাংশ প্ৰচাৰ চলোৱাৰ চেষ্টা চলাইছে যে বিত্ত বিভাগে নিযুক্তকৰণৰ ক্ষেত্ৰত নিষেধাজ্ঞ আৰোপ কৰিছে । এই কথাৰ কোনো ধৰণৰ সত্যতা নাই। পদ সৃষ্টি আৰু যুক্তিসংগতকৰণ, উৎপাদন/আহৰণ সাধ্যতা বৃদ্ধিৰ বাবে কৰ্মচাৰী বৰ্গৰ মকৰল আদি এক ধাৰাবাহিক প্ৰক্ৰিয়া । আমি শাসনলৈ অহাৰ পৰা এতিয়ালৈ অসম চৰকাৰৰ ৩৭১১ টা চতুৰ্থবৰ্গৰ পদ ইতিমধ্যে পূৰণ কৰা হৈছে। অতিৰিক্ত পদ সৃষ্টিত বিত্ত বিভাগ অতি উদাৰ। মোৰ বাজেট ভাষণৰ জৰিয়তে আজি মই আগ্ৰহ প্ৰকাশ কৰিছো যে বিভাগীয় খালী পদসমূহ পূৰণ

কৰিবলৈ যাতে সমূহ বিভাগে আগভাগ লয়। বিত্ত বিভাগে তেওঁলোকৰ প্ৰস্তাৱসমূহ সক্ৰিয়ভাৱে বিবেচনা কৰিব আৰু সমগ্ৰ প্ৰক্ৰিয়াটোক সহায় কৰিব।

## XXXIII. তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদৰ বাবে বয়স ৰেহাই

১৯৯) ২০১৬ চনৰ মাৰ্চ মাহত ৰাজ্য চৰকাৰে চৰকাৰী চাকৰিত যোগদানৰ বাবে বয়সৰ উৰ্দ্ধসীমাৰ সংশোধন কৰি ৫বছৰ বৃদ্ধি কৰে। সেই মৰ্মে ৩৮বছৰৰ পৰা বৃদ্ধি হৈ ৪৩ বছৰ বয়স পৰ্যন্ত চাকৰি প্ৰাৰ্থীয়ে চৰকাৰী পদত আবেদন কৰাৰ সুবিধা লাভ কৰিছে। নব্বৈ দশকৰ পিছৰ ৫বছৰত বিভিন্ন সেৱাৰ পদত স্বাভাৱিক নিযুক্তি প্ৰক্ৰিয়া ভালেমানে দিন ধৰি বন্ধ হৈ থকাৰ বাবে বহু যোগ্য প্ৰাৰ্থীয়ে চৰকাৰী সেৱাত অন্তৰ্ভূক্ত হোৱাৰ সুযোগ হেৰুৱাব লগা হৈছিল। বয়সৰ এই শিথিলতা আৰক্ষী সেৱা (সশস্ত্ৰ অথবা নিৰস্ত্ৰ) , গৃহৰক্ষী বাহিনী, অসামৰিক প্ৰতিৰক্ষা, অগ্নি নিৰ্বাপক বাহিনী আৰু কাৰাগাৰ সেৱাত বাদ দি দুবছৰ সময়লৈ প্ৰযোজ্য।

২০০) লক্ষ্য কৰা যায় যে, ৰাজ্যখনৰ বৃহৎ সংখ্যক প্ৰাৰ্থীয়ে এতিয়াও চৰকাৰী চাকৰিত আবেদন কৰাৰ এটা সুযোগ লাভ কৰা উচিত। এই কথা মনত ৰখি ৰাজ্য চৰকাৰৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ চাকৰিৰ বাবে আবেদন কৰিবলৈ প্ৰাৰ্থীৰ বয়সৰ উৰ্ধসীমা ৪৪ বছৰলৈ বৃদ্ধি কৰা হৈছে। ২০১৯ চনৰ মাৰ্চ মাহ পৰ্যন্ত বয়সৰ উৰ্দ্ধসীমা ৪৪বছৰলৈ বৃদ্ধি কৰা হৈছে। ২০১৯ চনৰ মাৰ্চ মাহ পৰ্যন্ত বয়সৰ এই শিথিলতা প্ৰজোযা্য থাকিব। এই সম্পৰ্কীয় বিশদ জাননী যথা সময়ত প্ৰকাশ কৰা হব।

## XXXIV. নিযুক্তিৰ ক্ষেত্ৰত স্বচ্ছতা আৰু জবাবদিহিতা

২০১) বৰ্তমানৰ ডিজিটেল যুগত বিভাগসমূহৰ প্ৰতি মোৰ আগ্ৰহপূৰ্ণ আবেদন এই যে আবেদন প্ৰক্ৰিয়াত পুৰণি পদ্ধতিৰ ঠাইত অন-লাইন প্ৰক্ৰিয়াক আদৰি সমগ্ৰ ব্যৱস্থাটোক যাতে আধুনিক কৰি গঢ়ি তোলা হয়। এই প্ৰক্ৰিয়াই চৰকাৰি ব্যৱস্থাত অধিক স্বচ্ছতা আৰু দ্বায়বদ্ধতা আনিব।

২০২) তদুপৰি আমি অনুভৱ কৰো যে বিভিন্ন শ্ৰেণীৰ পদসমূহ যুক্তি সংগত ভাৱে বিবেচনা কৰাৰ প্ৰয়োজন আছে। পৰিৱৰ্তিত সময় আৰু প্ৰয়োজনৰ প্ৰতি লক্ষ্য ৰাখি কোনো পদৰ বিলুপ্তি সাধন নকৰাকৈ কম প্ৰয়োজনীয় পদ সমূহৰ পৰা প্ৰয়োজনীয় পদলৈ পুনৰ নিযুক্তিকৰণৰ বাবে মই এক আয়োগ গঠন কৰাৰ প্ৰস্তাৱ কৰিছো। এই অনুশীলন প্ৰক্ৰিয়া চলিত বিত্তীয় বৰ্ষৰ ভিতৰতে সম্পূৰ্ণ কৰা হব।

## XXXV. তৃতীয় আৰু চতুৰ্থ বৰ্গৰ চাকৰিৰ বাবে ট্ৰেজাৰী চালানৰ বিলুপ্তি

২০৩) বৰ্তমান দৰিদ্ৰ সীমাৰেখাৰ তলৰ প্ৰাৰ্থীসকলৰ বাহিৰে আন প্ৰাৰ্থীয়ে প্ৰতিটো পদৰ আবেদনৰ বাবে ২৫০ টকা আদায় দিব লগা হয়। নিবনুৱা সকলৰ প্ৰতি সদিচ্ছা প্ৰকাশ কৰি মই তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদৰ আবেদন মাছুলৰ ব্যৱস্থা বিলুপ্তি কৰাৰ প্ৰস্তাৱ দিছো।

## XXXVI. আন্তঃৰাজ্যিক সীমা স্তম্ভ

২০৪) মহোদয়, মই এই পৱিত্ৰ সদনক জনাবলৈ পাই সুখী হৈছো যে আমাৰ চৰাকৰে "assam.mygov.in" ৰ দৰে প'ৰ্টেলৰ জৰিয়তে নাগৰিক সকলৰ পৰা পৰামৰ্শ গ্ৰহণ আৰু সেইমৰ্মে কৰ্ম সম্পাদন কৰাৰ ক্ষেত্ৰত যথেষ্ট সক্ৰিয় ভূমিকা পালন কৰিছে।

২০৫) মই অলপতে এজন নাগৰিকৰ পৰা এটা পৰামৰ্শ লাভ কৰিছিলো যে আন্তঃৰাজ্যিক সীমান্তত উপযুক্ত সীমা স্তম্ভ স্থাপন কৰা উচিত যাতে এই ক্ষেত্ৰত আমাৰ ভগ্নী ৰাজ্যসমূহৰ মাজত কোনো ধৰণৰ ভুল বুজাবুজিৰ সৃষ্টি নহয়। এই অনুসাৰে মই বিবাদহীন সীমা এলেকাত পকী সীমা স্তম্ভ স্থাপন কৰাৰ বাবে চলিত বাজেটত ১০ কোটি টকাৰ পৰ্যাপ্ত বাজেট সাহায্যৰ প্ৰস্তাৱ দিছো।

## XXXVII. প্ৰত্যাহ্বান

২০৬) মহোদয়, আজিৰ ভাষণত মই গুণোৎসৱ আঁচনি সম্পৰ্কে ইতিমধ্যে বৰ্ণনা কৰিছো। আমি এই আঁচনিখন আগলৈ লৈ যাব বিচাৰো। নিজৰ সম্ভাৱনীয়তা প্ৰাপ্তিৰ সুযোগৰ পৰা যাতে কোনো শিশুৱে বঞ্চিত নহয় সেয়া আমাৰ সপোন। আমি নিশ্চত কৰিব বিচাৰিছো যাতে চৰকাৰী বিদ্যালয় সমূহত অধ্যয়নৰত শিশুসকলেও উৎকৃষ্ট ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ সম সুবিধা আন্তঃগাথনি, সজুলি আৰু শিক্ষাৰ মান লাভ কৰিবলৈ সক্ষম হয়।

২০৭) এই লক্ষ্য আগত লৈ আমি 'প্ৰত্যাহবান' শীৰ্ষক এখন আঁচনিৰ আৰম্ভ কৰিছো। অসমৰ ভৱিষ্যতে প্ৰজন্মক সৰ্বশ্ৰেষ্ঠ শিক্ষা প্ৰদান কৰিবলৈ সক্ষম বিদ্যালয়ক এই আঁচনিৰ জৰিয়তে সামৰি লোৱা হব। এই শিক্ষানুষ্ঠান সমূহ আৰু শিক্ষক সকলক সমাজৰ শৈক্ষিক পথ প্ৰদৰ্শকৰূপে গঢ়ি তোলাই আঁচনিখনৰ লক্ষ্য। পৰীক্ষামূলক পৰ্যায়ত এই আঁচনি প্ৰতিখন গাওঁ পঞ্চায়তৰ পৰা আৰু ষষ্ঠ অনুসূচী অঞ্চলৰ সমপৰ্যায়ৰ ঠাইৰ পৰা এখনকৈ বিদ্যালয়ক নিৰ্বাচন কৰা হয়।

২০৮) এই নিৰ্বাচনত বিদ্যালয়সমূহৰ বাবে চৰকাৰে পৃষ্ঠপোষকতাৰ ব্যৱস্থা কৰিব। এই সাহায্য ব্যৱস্থাৰ ভিতৰত আছে বিনামূলীয়া ৰাতিপুৱাৰ আহাৰ, উন্নত আন্তঃগাথনি, ব্যক্তিগত শিক্ষানষ্ঠানৰ দৰে মান সম্পন্ন ইউনিফৰ্মৰ একোটা ছেট আৰু পৰ্যাপ্ত শিক্ষক।

২০৯) এই পৃষ্ঠপোষকতাই আমাৰ নিৰ্বাচনত চৰকাৰী বিদ্যালয়সমূহক সংশ্লিষ্ট এলেকাৰ শ্ৰেষ্ঠ ব্যক্তিগত শিক্ষানুষ্ঠান সমূহৰ সৈতে ফেৰ মাৰিবলৈ সক্ষম কৰিব আৰু অঞ্চলটোৰ উৎকৰ্ষৰ কেন্দ্ৰ হৈ পৰিব। এই আশা আৰু উৎসাহ-উদ্দীপনাৰে ৰাজ্য চৰকাৰে পৰৱৰ্তী বিত্তীয় বৰ্ষৰ পৰা 'প্ৰত্যাহ্বান' নামৰ আঁচনিখন প্ৰৱৰ্তন কৰিব। ইয়াৰ বাবে চলিত বাজেটত ২৫কোটি টকা আবণ্টন প্ৰস্তাৱ দিছো, যিটো আঁচনিখনৰ ফলাফলৰ ওপৰত ভিত্তি কৰি পৰৱৰ্তী সময়ত বৃদ্ধি কৰা হব।

## XXXVIII.কথাছবি গৃহ উদ্যোগীলৈ সাহায্য

২১০) মোৰ বিগত বাজেটত বন্ধ হৈ যোৱা ছবিগৃহ মুকলি কৰণৰ বাবদ ৫০ লাখ টকা আৰু চলিত চবিগৃহৰ মেৰামতিৰ বাবদ ২৫ লাখ টকাৰ ৰাজসাহায্য ঘোষণা কৰা হৈছিল। তদুপৰি ন কৈ নিৰ্মাণ কৰা চবিগৃহৰ ক্ষেত্ৰটো ২৫শতাংশ ৰাজসাহায্য ঘোষণা কৰা হৈছিল। সদনক এই কথা জনাবলৈ পাই আনন্দিত হৈছো যে উক্ত ৰাজসাহায্যৰ ক্ষেত্ৰত ৰাজ্যিক কেবিনেটে ইতিমধ্যে যাবতীয় নীতি-নিৰ্দেশনা অনুমোদন জনাইছে। এই ব্যৱস্থাই ৰাজ্যৰ কথাচবি উদ্যোগটো পুণৰাই ঠন ধৰি উঠাত সহায় কৰিব।

## XXXIX.সঞ্জীৱনী আঁচনিৰ সম্প্ৰসাৰণ-গ্ৰাম্য স্বাস্থ্য বৰ্হিসংযোগ আঁচনি

২১১) সাধৰণতে হোৱা সকলোবোৰ সংক্ৰামক আৰু অসংক্ৰামক ৰোগৰ সৰ্বাঙ্গীন পৰিচালনা আৰু চিকিৎসাৰ বাবে ২০১১ চনৰ পৰা ৮০টা ভ্ৰাম্যমান স্বাস্থ্যগোটৰ দ্বাৰা সঞ্জীৱনী গ্ৰাম্য স্বাস্থ্য বৰ্হিসংযোগ আঁচনিখন চলি আছে। মাহৰ এটা নিৰ্দিষ্ট দিনত গাওঁ পৰ্য্যায়ত বিশেষকৈ উচ্চৰক্তচাপ আৰু মধুমেহ ৰোগী চিনাক্ৰকৰণৰ প্ৰচেষ্টা চলি আহিছে। এই সেৱাই ঘৰৰ পদুলি মুখতে শীঘ্ৰেই ৰোগৰ চিনাক্তকৰণ

পৰ্যবেক্ষণ, ৰেফাৰেল, পৰৱৰ্তী ব্যৱস্থা নিৰীক্ষণ আৰু ৰোগ নিৰাময়ৰ বাবে বিনামূলীয়া ঔষধ প্ৰদানৰ লক্ষ্য সামৰি লৈছে। প্ৰতিটো ভ্ৰাম্যমাণ চিকিৎসা গোটে প্ৰতিদিনে দুখন গাওঁ আৰু ৩০০০ জনসংখ্যা সামৰে আৰু গড়ে মাহৰ ২৪ দিনত ৪৮ খন গাওঁত এই সেৱা আগবঢ়ায়। ২০১৭-১৮ বৰ্ষত ৩৭৪৪ খন গাঁওত ওই সেৱা উপলব্ধ হৈছে।

২১২) ৰাজ্যত সংক্ৰামক ৰোগতকৈ অসংক্ৰামক ৰোগ বৃদ্ধি পোৱালৈ লক্ষ্য ৰাখি মই এই আঁচনিৰ ভিতৰত অসমৰ সকলো গাঁৱকে সামৰি লবলৈ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। ইয়াৰ বাবে মই বাজেটত

১৬ কোটি টকা আবণ্টন কৰিছো।

XL. অসম পলিয়েষ্টাৰ সমবায় সমিতি লিমিটেড (APOL) ৰ পুনৰুজ্জীবিতকৰণ

২১৩) ৰাজ্যখনৰ এসময়ৰ উজ্জল নক্ষত্ৰ স্বৰূপ অসম পলিষ্টাৰ সমবায় সমিতি লিমিটেড, চমুকৈ APOL স্পিনিং প্ৰেচেচিং আৰু উইভিং গোটসমূহ ১৯৮১ চনত স্থাপন কৰা হৈছিল আৰু এই মিলটো ২০০৩ চনলৈকে চলি আছিল। কাৰ্য্যকৰী মূলধনৰ অভাৱত মিলটো বন্ধ হৈ পৰিছিল। পৰৱৰ্তী সময়ত ২০০৬ চনত স্পিনিং গোটটো পুনৰুজ্জীৱিত কৰা হৈছিল, কিন্তু চৰকাৰৰ পৰা প্ৰদান কৰা সাহায্য আৰু নীতি নিৰ্দেশনাৰ অভাৱত এই গোটটো বিত্তীয় সমস্যাৰ সন্মুখীন হৈছিল, যিটোয়ে বহু লোকৰ জীৱিকা নিৰ্বাহত ক্ষতি গ্ৰস্থ কৰিছিল। আমাৰ চৰকাৰে অলপতে এই সমবায় সমিতি লিমিটেডৰ পুনৰুজ্জীৱিত কৰণৰ বাবে এটা পেকেজৰ অনুমোদন জনাইছে, যিটোই বিভিন্ন পৰিয়াললৈ সকাহ প্ৰদান কৰিব।

২১৪) সেই অনুসৰি, APOL মিলটো পুনৰুজ্জীবিত কৰণৰ বাবে মই ৯.১কোটি টকা আবণ্টন কৰিছো আৰু মোৰ বিশ্বাস যে ই এই মিলটোৰ এক নতুন আৰম্ভণি সুচনা কৰিব।

XLI. **বড়োলেণ্ড আন্দোলনৰ শ্বহীদ সকললৈ এককালীন সাহায্য**

২১৫) বিংশ শতাব্দীৰ শেষ দশকত অসমৰ কিছু অংশত বড়ো আন্দোলন আৰম্ভ হৈছিল। পৰৱৰ্তী সময়ত ঐতিহাসিক বড়োলেণ্ড চুক্তি স্বাক্ষৰিত হৈছিল আৰু তাৰ ফলত বড়োলেণ্ড আঞ্চলিক পৰিষদ গঠন হৈছিল। এই চুক্তিয়ে বড়ো সকলৰ আৰ্থ সামাজিক আৰু সাংস্কৃতিক বিকাশৰ বাবে নিশ্চয়তা প্ৰদান কৰে। এই চুক্তিৰ মুল আধাৰ আছিল অসমৰ একতা আৰু অখণ্ডতা। বড়ো সকলৰ স্বতন্ত্ৰতা সু নিশ্চিত কৰি আৰ্থ সামজিক আৰু সাংস্কৃতিক অগ্ৰগতি আছিল চুক্তিৰ অন্যতম উদ্দেশ্য। বড়োলেণ্ড আঞ্চলিক পৰিষদ সৃষ্টিৰ মূলতে আছিল বহুতো শ্বহীদৰ আত্মবলিদান।

২১৬) সেয়েহে আজি আমি সকলোকে একেলগে হাতত হাত মিলাই এখন প্ৰগতিশীল, স্পন্দিত আৰু একত্ৰিত অসম গঢ়াৰ বাবে কাম কৰিছে। আমাৰ চৰকাৰে এই শ্বহীদ সকলক উপযুক্ত সন্মান দিয়াৰ বাবে বদ্ধপৰিকৰ। বড়োলেণ্ড আন্দোলনত প্ৰাণ ত্যাগ কৰা সকলো শ্বহীদৰ নিকট আত্মীয়লৈ মই ৫ লাখ টকাৰ এককালীন সাহায্য ঘোষণা কৰিলো। ইয়াৰ বাবে মই বাজেটত যথোপযুক্ত ব্যৱস্থা কৰিছো।

আমাৰ মাননীয় প্ৰধান মন্ত্ৰীৰ উদ্ধৃতি দি কওঁ যে "সু-অভিপ্ৰায়েৰে সু -প্ৰশাসন আমাৰ চৰকাৰৰ পৰিচয়। সততাৰে কাৰ্য্য ৰূপায়ণ কৰাটো আমাৰ মূল উদ্যম"। এই বাজেটৰ মূল নীতি একত্ৰিকৰণ, সম্প্ৰাসৰণ  আৰু উত্তৰণ। পুনৰাবৃত্তি কৰি মই চৰকাৰৰ সকলো বিভাগ, সঞ্চালকালয়, জিলা পৰ্যায়ৰ সংস্থাসমূহ, স্বায়ত্ব শাসিত পৰিষদ সমূহ তথা সমিতি সমূহক, যিয়েনেকি চৰকাৰৰ নীতিসমূহ বাস্তৱায়িত কৰিবলৈ নিৰন্তৰ প্ৰচেষ্টা চলাই আছে। আটাইকে অভিনন্দন জনাব বিচাৰো, কিন্তু আমাৰ এতিয়াও বহু কাম বাকী আছে। প্ৰকৃততে এই কামৰ আৰম্ভণিহে হৈছে। আমি ঘোষণা কৰা প্ৰতিজ্ঞাবদ্ধতাৰে ৰাজ্যখনৰ আৰু নাগৰিকসকলৰ জীৱনৰ উন্নতিৰ বাবে কাম কৰি যাবলৈ নিজকে পুনৰ সমৰ্পন কৰাৰ সময় আহি পৰিছে। মই এতিয়া চৰকাৰৰ বিভিন্ন বিভাগে ৰূপায়ণ কৰা আঁচনি আৰু কামৰ খতিয়ান দাঙি ধৰাৰ লগতে ২০১৮-১৯ বৰ্ষৰ বাজেটত ৰূপায়ণ কৰিব বিচৰা আঁচনিৰ বিষয়ে অৱগত কৰিব বিচাৰিছো।

I. **প্ৰশাসননীয় সংস্কাৰ আৰু প্ৰশিক্ষণ বিভাগ ঃ শক্তিশালী প্ৰশাসন নিৰ্মাণ**

২১৭) মোৰ বক্তৃতাৰ আৰম্ভণিতে মই বিশ্ব বেংকৰ পৰা পৰা ৩১৫ কোটি টকাৰ সাহায্যপ্ৰাপ্ত Assam Citizen Centric Service Delivery Pro jcct (ACCSDP) প্ৰকল্পটোৰ

বিষয়ে উল্লেখ কৰিছিলো- যিটো প্ৰকল্প বৰ্তমান ৰূপায়ণ কৰি থকা হৈছে আৰু ইয়াৰ জৰিয়তে চৰকাৰী সেৱা সমূহ ৰাইজৰ দুৱাৰডলিলৈ যোৱাৰ প্ৰচেষ্টা কৰা হৈছে। এই প্ৰকল্পটো নাগৰিকসকলক সবল-সচেষ্ট কৰি গঢ়ি তোলাৰ সহায়ক হব কাৰণ প্ৰকল্পটোৰ মাজত প্ৰভূতভাৱে সংস্কাৰমূলক সম্ভাৱনা নিহিত হৈ আছে ইয়াৰ ৰূপায়ণৰ কাম আমি সঠিক পথেৰে আৰম্ভ কৰিচো।

২১৮) ARTPS আইন, ২০১২ ৰ অধীনত পূৰ্বৰ ৫৫বিধ সেৱাৰ উপৰি অতিৰিক্ত ৩৯১ বিধ সেৱা অধিসূচিত কৰা হৈছে।

২১৯) গুৱাহাটী, বঙাইগাওঁ, শিলচৰ আৰু মাজুলীত তৃতীয় আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰী সকলৰ চাকৰিকালত দক্ষতা বঢ়াবলৈ ৪খন প্ৰশিক্ষণ প্ৰতিষ্ঠান স্থাপন কৰাৰ কথা মই যোৱাবাৰৰ বাজেট বক্তৃতাত উল্লেখ কৰিছিলো। ইতিমধ্যে আমি গুৱাহাটী, বঙাইগাও, শিলচৰ আৰু মাজুলীত উক্ত প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰিবলৈ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছো।

২২০) ৰাজহুৱা সেৱাত বিশেষ পাৰদৰ্শিতা দেখুওৱা লোকৰ বাবে কৰ্মশ্ৰী বটা ৰাজ্যিক ভিত্তিত ঘোষণা কৰাৰ কথা মই আগতে উল্লেখ কৰিছিলো। মই আশা কৰো এই বটাই ৰাজ্য চৰকাৰৰ বিভিন্ন ৰূপায়ণ কৰি থকা ক্ষেত্ৰ বিষয়া কৰ্মীসকলক তেওঁলোকক উদগনি যোগাব।

২২১) এই বিভাগটোৰ বাবে মই ২৬.২ কোটি টকাৰ প্ৰস্তাৱ ৰাখিছো।

## II. কৃষি বিভাগ ঃ সমৃদ্ধিৰ হেতু ভিত্তি স্থাপন

২২২) মই ইতিমধ্যে কৃষকসকলৰ উন্নয়নৰ বাবে বিভিন্ন নতুন আঁচনিৰ বিষয়ে এই বাজেটত উল্লেখ কৰিছো।

২২৩) কৃষকসকলৰ সহায়ৰ বাবে চৰকাৰৰ বিভিন্ন উদ্যমৰ সহায় লবৰ বাবে আমি কৃষকৰ পৰিচয় পত্ৰ প্ৰদানৰ কাম আৰম্ভ কৰিছো। এই প্ৰচেষ্টা বাবে মই ১১.০০ কোটি টকা আবন্টন দিছো।

২২৪) আমাৰ চৰকাৰে মাটিৰ পৰীক্ষণ বাধ্যতামূলক কৰাৰ পদক্ষেপ গ্ৰহণ কৰিছে আৰু প্ৰতিজন কৃষককে চইল হেলথ কাৰ্ড বিতৰণ কৰি ইয়াৰ দ্বাৰা কৃষকসকলে যাতে নিজৰ কৃষিভূমিৰ প্ৰকৃত স্থিতি সম্পৰ্কে অৱগত হয় আৰু উৎপাদনৰ বাবে প্ৰয়োজনীয় পোষক সামগ্ৰী ব্যৱহাৰ কৰিব পাৰে। ইয়াৰ বাবে মই ১৪.৯৬ কোটি টকাৰ প্ৰস্তাৱ ৰাখিছো।

২২৫) প্ৰধান মন্ত্ৰী কৃষি সিঞ্চন যোজনাৰ অধীনত সকলো কৃষিভূমিত জলসিঞ্চন ব্যৱস্থা কৰাটো আমাৰ চৰকাৰৰ এক মুখ্য উদ্যোগ। প্ৰধানমন্ত্ৰী কৃষি সিঞ্চয়ী যোজনা (PMKSY) আঁচনিৰ অধীনত প্ৰতিটোপাল পানীত অধিক শস্য উৎপাদনৰ দৰ্শনেৰে প্ৰতিখন কৃষিভূমিত জলসিঞ্চনৰ ব্যৱস্থা কৰা হৈছে। এই আঁচনি অধীনত বিভিন্ন বিভাগে বাস্তবায়িত কৰা বিভিন্ন জলসিঞ্চন কাৰ্যসূচী সামৰি লবলৈ ইতিমধ্যে ৰাজ্যিক কৰ্ম আঁচনি চূড়ান্তকৰণ কৰা হৈছে। ইয়াৰ বাবে মই ১৬.৫ কোটি টকা ধাৰ্য্য কৰিছো।

২২৬) আমাৰ চৰকাৰে এটা উৎকৃষ্টমানৰ (State of the art) 'কৃষি কলাকৰ্ষণ কেন্দ্ৰ' (Tissue Culture) স্থাপন কৰাৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰিছে। এই কেন্দ্ৰ বিজ্ঞানভিত্তিক কৃষিকৰ্মৰ প্ৰচাৰত বিশেষভাৱে সহায়ক হব। ইয়াৰ বাবে মই ১৫ কোটি টকা ধাৰ্য্য কৰিছো।

২২৭) বীজপামক (Seed farm) আধুনিক ৰূপত পুনৰুত্থান কৰিবলৈ মই ৫০ কোটি টকা ধাৰ্য্য কৰিছো যি পুঁজি এই পামসমূহৰ আন্তঃগাঠনি উন্নয়নৰ বাবে আৰু বিভিন্ন যন্ত্ৰপাতি ক্ৰয়ৰ বাবে ব্যৱহাৰ কৰা হব। কৃষিখণ্ডক এই কাৰ্য্যসূচীয়ে এক নতুন ৰূপত পৰিণত কৰিব বুলি মই আশাবাদী।

২২৮) মই এই বিভাগটোৰ বাবদ সৰ্বমুঠ ১৮০১.১৪ কোটি টকা ২০১৮-১৯ বিত্তীয় বৰ্ষৰ বাবে ধাৰ্য্য কৰিছো।

## III. পশুপালন আৰু পশু চিকিৎসা বিভাগ ঃ কৃষকৰ সমপূৰক আয়

২২৯) আমাৰ চৰকাৰৰ এক মুখ্য উদ্দেশ্য হৈছে নিয়োগৰ সা-সুবিধাৰ সৃষ্টি। পশুপালন আৰু দুগ্ধ খণ্ডটোৱে মাংস, গাখীৰ আৰু কণীৰ চাহিদা পূৰণৰ ক্ষেত্ৰত থকা ব্যৱধান হ্ৰাস কৰাৰ লগতে স্বনিয়োজনৰ সুবিধা সৃষ্টি কৰাত গুৰুত্ব ভূমিকা পালন কৰে।

২৩০) মহোদয়, আমাৰ চৰকাৰে কৃষক সমাজৰ উপকাৰত অহা ফলদায়ক আঁচনি, যেনে বৰ্ণসংকৰ দামুৰী/চেঁউৰী পালন কমখৰচী প্ৰযুক্তিৰ প্ৰয়োজন হোৱা কুকুৰা চৰাই যেনে বনৰজা, গিৰিৰজা, কামৰূপা পালন আদিৰ ক্ষেত্ৰত কৃষক সমাজক সহযোগিতা আগবঢ়োৱাত গুৰুত্ব প্ৰদান কৰিছে আৰু ইয়াক গ্ৰাম্যঞ্চলৰ মহিলাসকলে যথেষ্ট পৰিমাণে গ্ৰহণ কৰিছে। সেই মৰ্মে বিভাগটোৱে ২০১৮-১৯ বিত্তীয় বৰ্ষত কণীৰ উৎপাদন বৃদ্ধি কৰাৰ লগতে মহিলা সৱলীকৰণ উৎসাহ দিবলৈ নিম্ন বিনিয়োগ প্ৰযুক্তিৰ চৰাই বিতৰণ কৰাৰ প্ৰস্তাৱ আগবঢ়াইছে।

২৩১) পশুখাদ্যৰ খৰচ হ্ৰাস কৰিবলৈ আগ্ৰহী কৃষকসকলৰ মাজত পশুখাদ্য বীজ যোগান পশুধনৰ কাম-কাজৰ অধিক বিজ্ঞানসন্মত ব্যৱস্থাপনাৰ উদ্দেশ্যে পশুধন আৰু কুকুৰা পালকক সকলৰ দক্ষতা বৃদ্ধিৰ বাবে তেওঁলোকৰ সক্ষমতা বিকাশ, ৰাষ্ট্ৰীয় পশুধন অভিযাজনৰ অধীনত গৰু, মহ, গাহৰি, ছাগলী, হাহঁ-কুকুৰাক সামৰি ৰাষ্ট্ৰীয় পশুধন অভিযানৰ অধীনত পশুধনৰ বীমা কাৰ্যসূচী আৰম্ভ গৰুৰ ভৰি আৰু মুখৰ ৰোগ প্ৰতিৰোধ কৰিবলৈ বিস্তৃত টীকাকৰণ আৰু ছাগলীৰ বসন্ত ৰোগৰ বিৰুদ্ধে এক কাৰ্য্যসূচী ৰূপায়ণ তথা ৰাষ্ট্ৰীয় পশুধন স্বাস্থ্য আৰু প্ৰতিৰোধ আঁচনিৰ অধীনত এণ্টেৰোট'ক্সেমিয়া পেষ্টি দ্যা-পেটিটছ ৰুমিনেণ্টৰ দৰে নিয়ন্ত্ৰণ কাৰ্য্যসূচী ৰূপায়ণ কৰিবলৈ আমাৰ চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে।

২৩২) মহোদয়, দুগ্ধ উন্নয়নৰ ক্ষেত্ৰত অসমে ২০১৮ বৰ্ষৰ সময়ছোৱাত ২১খন জিলাত ২০০খন দুগ্ধসমবায় সমিতি গঠন কৰাৰ প্ৰক্ৰিয়া সম্পন্ন কৰিব। অগ্ৰমী দুগ্ধ সমবায় সমিতিসমূহলৈ দুগ্ধ উৎপাদন বৃদ্ধি কৰাৰ বাবে প্ৰয়োজনীয় সহযোগীতা আগবঢ়োৱাত গুৰুত্ব প্ৰদান কৰা হব যেনে পশুখাদ্য, দুগ্ধ আহৰণ কৰা যন্ত্ৰ , বৃহৎ দুগ্ধ শীতলকৰণ যন্ত্ৰ, দুগ্ধ সংগ্ৰহ কেন্দ্ৰ। ইয়াৰ বাবে যথেষ্ট পৰিমাণৰ পুঁজি নিৰ্ধাৰিত কৰা হৈছে।

২৩৩) বিগত বাজেট ভাষণত ঘোষণা কৰা অনুসৰি দুগ্ধ প্ৰযুক্তি বিষয়ত টেক পাঠ্যক্ৰম প্ৰবৰ্তন কৰিবলৈ বৰপেটা সৰভোগত দুগ্ধ বিজ্ঞান মহাবিদ্যালয় স্থাপনৰ কাম-কাজ সুচাৰুৰূপে আগবাঢ়িছে আৰু অতি সোনাকলে এই পাঠ্যক্ৰমৰ আৰম্ভ হব।

২৩৪) ২০১৮-১৯বৰ্ষত উক্ত বিভাগৰ বাবে মই সৰ্বমুঠ ৪৫৫কোটি টকাৰ প্ৰস্তাৱ ৰাখিছো।

## IV. সীমান্ত অঞ্চল উন্নয়ন বিভাগ-ভূমিৰ সুৰক্ষা, সীমাৰ সুৰক্ষা, ভৱিষ্যতৰ সুৰক্ষা

২৩৫) আমাৰ সীমামূৰীয়া অৰুণাচল, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা, মণিপুৰ, মেঘালয় আৰু পশ্চিমবংগৰ সৈতে আমাৰ ২৭৪৩.১কিলোমিটাৰ দৈৰ্ঘ্যৰ আন্ত-ৰাজ্যিক সীমান্ত আৰু ভাৰত বাংলা আৰু ভাৰত ভূটান আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ জনসাধৰণৰ মনত এক সুৰক্ষাৰ ভাৱ সঞ্চাৰ কৰাটো তথা ৰাজ্যখনৰ প্ৰান্তীয় আৰু দূৰৱৰ্তী অঞ্চলবোৰ বিকশাই তেঙ্গলাত আমাৰ চৰকাৰৰ এক অন্যতম লক্ষ্য আৰু উদ্দেশ্য।

২৩৬) চুবুৰীয়া ৰাজ্যসমূহৰ সৈতে শান্তিপূৰ্ণ সহাৰস্থান বৰ্তাই ৰখাৰ অৰ্থে সীমান্ত সৌহাৰ্দ্যপূৰ্ণ কাৰ্যসূচীৰ প্ৰস্তাৱ কৰা হৈছে যাৰ বাবে ২০১৮-১৯ বৰ্ষৰ বাজেটত যথোচিত পৰিমাণৰ পুঁজিৰ প্ৰস্তাৱ ৰখা হৈছে।

২৩৭) ৰাজ্যখনৰ আন্তঃৰাজ্যিক সীমান্ত অঞ্চলত সাংস্কৃতিক প্ৰেক্ষাগৃহ, বজাৰ চৌহদ আৰু সমূহীয়া

গৃহ নিৰ্মাণৰ বাবে ১২ কোটি টকাৰ প্ৰস্তাৱ ৰখা হৈছে।
২৩৮) ২০১৮-১৯ বৰ্ষত উক্ত বিভাগটোৰ বাবে সৰ্বমুঠ ১৬১ কোটি টকাৰ প্ৰস্তাৱ ৰখা হৈছে।

## V. সমবায় বিভাগঃ একতাই পৰম বল

২৩৯) ৰাজ্যখনৰ সমবায় সমিতিসমূহক অনুপ্ৰেৰিত আৰু শক্তিশালী কৰাৰ বাবে আমাৰ চৰকাৰে "বিশিষ্ট সমবায় মান্যতা বঁটা" প্ৰৱৰ্তন কৰিছে আৰু ৬ টা শিতানত ১৮ খন উৎকৃষ্টতা প্ৰদৰ্শন কৰা সমবায় সমিতিক এই বঁটা প্ৰদান কৰা হব।
২৪০) গাঁও পঞ্চায়ত সমবায় সমিতিসমূহৰ সামগ্ৰী তথা সেৱা আহৰণ ক্ষমতা বৃদ্ধিৰ বাবে সমবায় সমিতিসমূহলৈ পৰিচালনা ৰাজ সাহয্য প্ৰদানৰ এখন আঁচনি ৰূপায়ণ কৰিবলৈ লোৱা হৈছে।
২৪১) তদুপৰি, গ্ৰাম্যাঞ্চলত খাদ্য সামগ্ৰীৰ মজুত ভঁড়াল আৰু সংৰক্ষণৰ পৰ্যাপ্ত গ্ৰাম্য আন্তঃগাঁথনিৰ বাবে RIDF- ৰ অধীনত মই ৫০ কোটি টকা ধাৰ্য কৰিছোঁ।
২৪২) মহিলাৰ আৰ্থিক সবলীকৰণ আৰু আৰ্থিক অন্তৰ্ভুক্তিৰ বাবে মহিলা সমবায় সমিতি আৰু গোটসমূহ অতি গুৰুত্বপূৰ্ণ। সমবায় ক্ষেত্ৰত মহিলাসকলৰ অংশগ্ৰহণ বৃদ্ধিৰ বাবে "মহিলা সমবায় সবলীকৰণ যোজনা" আৰু সমবায় বিপনীৰ বাবে মই পৰ্যাপ্ত পুঁজি ধাৰ্য কৰিছো।
২৪৩) আমাৰ সমবায় সমিতিসমূহৰ সদস্যসকল কাৰিকৰী, বিত্তীয় আৰু প্ৰশাসনীয় ব্যৱস্থাপনাত দক্ষ তথা প্ৰশিক্ষিত হলেহে সমবায় সমিতিসমূহ সবল হ'ব। প্ৰশাসনীয় ভৱন, শ্ৰেণীকোঠা ইত্যাদিৰ লেখীয়া স্থায়ী আন্তঃগাঁথনিৰ উন্নয়ন আৰু এই সমবায় সমিতিসমূহৰ সামৰ্থ বৃদ্ধিৰ বাবে মই বাজেটত প্ৰয়োজনীয় ধন আবন্টন কৰিছো।
২৪৪) আমাৰ ৰাজ্যখনত দুগ্ধ উৎপাদন বৃদ্ধি কৰিবলৈ আৰু অসমক দুগ্ধ খণ্ডত স্বাৱলম্বী কৰিবলৈ আমাৰ চৰকাৰে দুগ্ধ সমবায় সমিতিসমূহলৈ আৰ্থিক সাহায্য প্ৰদান কৰিছে। ইয়াৰ বাবে বাজেটত প্ৰয়োজনীয় ধন ধাৰ্য কৰা হৈছে।
২৪৫) ২০১৮-১৯ বৰ্ষত ১৫৬.৯৯ কোটি টকা বাজেটত ধৰা হৈছে।

## VI. সাংস্কৃতিক পৰিক্ৰমা বিভাগঃ ঐতিহ্য সংৰক্ষণ

২৪৬) সংস্কৃতি আৰু ঐতিহ্যই আমাৰ মূল্যবোধ, বিশ্বাস আৰু আকাংক্ষাৰ দিশটো প্ৰতিফলিত কৰে আৰু এইবোৰক ৰূপ প্ৰদান কৰে। সংস্কৃতি আৰু ঐতিহ্যই আমাৰ জাতীয় পৰিচয় দাঙি ধৰে। সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ কৰাটো অতি প্ৰয়োজন, কিয়নো ই আমাক একতাৰ এনাজৰীৰে বান্ধে। বৈচিত্ৰময় সাংস্কৃতিক ঐতিহ্যৰে অসমে বিভিন্ন সম্প্ৰদায়ৰ মাজত এক আত্মা হিচাপে ইয়াৰ গৌৰৱময় সংস্কৃতিক প্ৰতিফলিত কৰে।
২৪৭) মাননীয় অধ্যক্ষ মহোদয়, পুৰাতাত্বিক স্থান আৰু কীৰ্তিস্তম্ভ সমূহ হৈছে আমাৰ ইতিহাসৰ সাক্ষীস্বৰূপ। ৰজ্যখনৰ ১২৭ টা পুৰাতাত্বিক স্থান আৰু কীৰ্তিস্তম্ভৰ সংৰক্ষণৰ বাবে আমি কাম কৰি আছো আৰু আহিবলগা দিনসমূহত আমি ঐতিহাসিক পৰ্যটনৰ প্ৰসাৰ কৰিব বিছাৰো। ইয়াৰ অৰ্থ এইটোৱে যে ইতিহাসৰ ভঁড়ালস্বৰূপ আমাৰ বৰ্তমানৰ সংগ্ৰহালয় সমূহ উন্নীত কৰাৰ প্ৰয়োজনীয়তা আছে। বৰাক উপত্যকাত এটা নতুন সংগ্ৰহালয় স্থাপন কৰিবলৈ আমি পৰিকল্পনা কৰিছো।
২৪৮) মোৰ ভাষণৰ আৰম্ভণিতে মই উল্লেখ কৰা মতে এই বৰ্ষটো হৈছে পথৰুঘাট বিদ্ৰোহৰ ১২৫ তম বাৰ্ষিকী উদযাপনৰ বছৰ। এই বিদ্ৰোহৰ ১৪০ গৰাকী সাহসী শ্বহীদলৈ জ্ঞাপন কৰা শ্ৰদ্ধাঞ্জলি হিচাপে পথৰুঘাটত এটা স্মাৰক সংগ্ৰহালয় প্ৰতিষ্ঠা কৰিবলৈ আমি প্ৰস্তাৱ লৈছো আৰু ইয়াৰ বাবে

মই ১ কোটি টকাৰ প্ৰস্তাৱ কৰিছো।

২৪৯) মোৰ বিগত বৰ্ষৰ বাজেট ভাষণত সাংস্কৃতিক ক্ষেত্ৰখনত গ্ৰহণ কৰিবলগীয়া বিভিন্ন পদক্ষেপ সম্পৰ্কে মই কেইবাটাও প্ৰতিশ্ৰুতিৰ কথা উল্লেখ কৰিছিলো। মহাশয়, এই পৱিত্ৰ সদনত মই জনাবলৈ পাই সুখী হৈছো যে এই ক্ষেত্ৰত আমি সফলতা লাভ কৰিছোঁ। নলবাৰীত কুমাৰ ভাস্কৰবৰ্মণ ক্ষেত্ৰ স্থাপনৰ কাম আৰম্ভ হৈছে। শিৱসাগৰত আজান-পীৰ ক্ষেত্ৰ স্থাপনৰ বাবে ভূমি আবন্টন দিয়া হৈছে। তদুপৰি প্ৰতিশ্ৰুতি দিয়া অনুসৰি সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ বাৰ্ষিক কেলেণ্ডাৰত আলি-আয়ে-লিগাং আৰু মে-ডাম-মেফি আমি অন্তৰ্ভূক্ত কৰিছো।

২৫০) তদুপৰি, গৌৰীপুৰত নীলিমা বৰুৱা লোক কলা সংগ্ৰহালয়টো মেৰামতি কৰাৰ প্ৰস্তাৱ লোৱা হৈছে আৰু ইয়াৰ বাবে বাজেটত প্ৰয়োজনীয় ধন আবন্টন দিয়া হৈছে।

২৫১) নগাঁও, যোৰহাট, গুৱাহাটী আৰু বঙাইগাঁওত থকা জিলা পুথিভঁড়ালসমূহৰ উন্নীতকৰণ তথা আধুনিকীকৰণৰ কাম ইতিমধ্যে আৰম্ভ হৈছে তথা শিলচৰত এটা জিলা পুথিভঁড়াল আৰু প্ৰেক্ষাগৃহ নিৰ্মাণৰ প্ৰশাসনীয় প্ৰক্ৰিয়া চলি আছে আৰু ইয়াৰ বাবে ২০১৮-১৯ বৰ্ষৰ বাজেটত মই ৮ কোটি টকা ধাৰ্য কৰিছো।

২৫২) মাননীয় অধ্যক্ষ মহোদয়, মই গুৱাহাটী আন্তৰাষ্ট্ৰীয় চলচিত্ৰ মহোৎসৱৰ বিষয়ে বিগত বাজেটত উল্লেখ কৰাৰ দৰে ইয়াক অলপতে যথেষ্ট সফলতাৰে অনুষ্ঠিত কৰা হৈছে। ২০১৮-১৯ বিত্তীয় বৰ্ষত জ্যোতি চিত্ৰবনৰ পৃষ্ঠপোষকতাত আমি ২য় গুৱাহাটী আন্তঃৰাষ্ট্ৰীয় মহোৎসৱৰ লগতে প্ৰথম আন্তঃৰাষ্ট্ৰীয় শিশু চলচিত্ৰ মহোৎসৱ আৰু প্ৰথম আন্তঃৰাষ্ট্ৰীয় ডকুমেন্টৰী চলচিত্ৰ মহোৎসৱ অনুষ্ঠিত কৰিবলৈ মই প্ৰস্তাৱ কৰিছো। ২০১৮-১৯ বিত্তীয় বৰ্ষত এই অনুষ্ঠানসমূহৰ বাবে মই পৰ্যাপ্ত পুঁজিৰ ব্যৱস্থা কৰিছোঁ।

২৫৩) অসমৰ চলচিত্ৰ জগতৰ কিংবদন্তি বিজু ফুকনক সন্মান জনাই তেখেতৰ নামত আমি এটা বঁটা প্ৰদান কৰিবলৈ বিচাৰিছো। মোৰ বিশ্বাস যে ইয়াৰ দ্বাৰা এই বৃত্তিৰ লগত জড়িত নবীন অভিনেতা-অভিনেত্ৰীসকল অনুপ্ৰাণিত হব।

২৫৪) 'সবকা সাথ সবকা বিকাশ' - আমাৰ সামূহিক পৰিচয়লৈ একাজলি শ্ৰদ্ধাঞ্জলি বৃহত্তৰ অসমীয়া সমাজ তথা ইয়াৰ সংস্কৃতিৰ অংগ স্বৰূপ সৰু-ডাঙৰ প্ৰতিটো সম্প্ৰদায়ৰ অস্তিত্ব তথা বৰঙনিক আমাৰ চৰকাৰে স্বীকৃতি প্ৰদান কৰিব বিচাৰে। বৈচিত্ৰতাই হৈছে আমাৰ শক্তি। আজি মই গৌৰৱেৰে ঘোষণা কৰো যে আমি তিনিচুকীয়া জিলাৰ ধলা সমন্বয় ক্ষেত্ৰত 'একতা ভৱন' কৰিম। এই ভৱনত অসমৰ বিভিন্ন সম্প্ৰদায়ৰ সংস্কৃতি প্ৰদৰ্শন কৰা হ'ব। এই ভৱনত প্ৰতিটো সৰম্প্ৰদায়ৰ বাবে স্থান ৰখা হ'ব।

২৫৫) অহা বিত্তীয় বৰ্ষত এই উদ্যম অব্যাহত ৰখাৰ অৰ্থে এই বৰ্ষৰ বাজেটত বিভাগৰ বাবে মই ১৫৫.৮৩ কোটি টকা ধাৰ্য কৰিছো।

## VII. শিক্ষা বিভাগ

### প্ৰাথমিক শিক্ষা বিভাগঃ মানসম্পন্ন সৰ্বাত্মক অন্তৰ্ভুক্তি

২৫৬) অতিৰিক্ত শ্ৰেণীকোঠা, ভিতৰৰ বেৰ, বিদ্যুতৰ ব্যৱস্থা, প্ৰত্যাহবান, বি. এড মহাবিদ্যালয় স্থাপন আদিৰ দৰে এই বিভাগৰ কেইবাখনো ধ্বজাবাহী আঁচনিৰ বিষয়ে মোৰ ভাষণৰ অষ্টাদশী মুকুতাৰ উন্নয়নীমালা অথবা অন্যান্য প্ৰধান ঘোষণাসমূহৰ ভিতৰত ইতিমধ্যেই উল্লেখ কৰা হৈছে। পূৰ্বৰ অধিকাংশ আঁচনিয়েই অব্যাহত ৰখাৰ উপৰি এই বছৰো আমি কিছুসংখ্যক নতুন পদক্ষেপ

হাতত লোৱাৰ প্ৰস্তাৱ আগবঢ়াইছো।

২৫৭) মোৰ বিগত বাজেট ভাষণত উল্লেখ কৰা অনুসৰি একেটা চৌহদতে থকা বা একেবাৰে ওচৰৰ অঞ্চলত থকা বিভিন্ন বিদ্যালয়ৰ সংলগ্নকৰণৰ প্ৰক্ৰিয়া প্ৰাথমিক শিক্ষা বিভাগে আৰম্ভ কৰিছে। এই ব্যৱস্থাই প্ৰশাসনীয় ব্যয় হ্ৰাস কৰাৰ লগতে শিক্ষক সকলক যুক্তি সংগত ভাৱে নিয়োগৰ ক্ষেত্ৰত সহায় কৰিব।

২৫৮) তদুপৰি শিক্ষা ব্যৱস্থাৰ শৈক্ষিক আৰু প্ৰশাসনিক পৰিৱেশ উন্নীতকৰণৰ অৰ্থে আমি পঞ্চায়ত শিক্ষা বিষয়া ধাৰণাটো প্ৰৱৰ্তন কৰিব বিচাৰিছো যিসকলে পঞ্চায়তটোত থকা সকলোবোৰ প্ৰাথমিক, মধ্য ইংৰাজী, মজলীয়া, উচ্চ প্ৰাথমিক বিদ্যালয় তথা চৰকাৰী প্ৰাদেশীকৃত বিদ্যালয়ৰ বাবে আহৰণ আৰু বিতৰণ প্ৰাধিকাৰী (DDO) হিচাপে কাম কৰিব। নগৰ আৰু মধ্য নগৰীয় অঞ্চলসমূহৰ পৌৰসভা/পৌৰ নিকায় আদিত নগৰ শিক্ষা বিষয়াসকল ইয়াৰ সমপৰ্যায়ৰ হ'ব।

২৫৯) প্ৰাথমিক শিক্ষা ব্যৱস্থাত ১৫০০০ নতুন শিক্ষক নিযুক্তিৰ বাবে আমি নিয়মীয়া নিযুক্তি প্ৰক্ৰিয়া অনুষ্ঠিত কৰিবলৈও বিচাৰিছো।

২৬০) মহোদয়, আমি এই বছৰো গুণোৎসৱ কাৰ্যসূচী অব্যাহত ৰাখিম। ইয়াৰ বাবে মই ৩০ কোটি টকা আবন্টন কৰিছো আৰু মই নিশ্চিত যে এই বছৰ গুণোৎসৱৰ বাবে বিদ্যালয় সমূহ ভ্ৰমণ কৰোতে আমি শিক্ষা আৰু আন্তঃগাঁথনিগত সা-সুবিধা উন্নত ৰূপত প্ৰত্যক্ষ কৰিবলৈ সক্ষম হ'ম।

২৬১) এই বাজেটত প্ৰাথমিক শিক্ষা বিভাগৰ বাবে মই ৮৫১৯ কোটি টকা ধাৰ্য কৰিছো।

**মাধ্যমিক শিক্ষাঃ প্ৰস্তুতিয়েই মূল চাবিকাঠী**

২৬২) অনগ্ৰসৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকললৈ বিনামূলীয়া শিক্ষা প্ৰদানৰ উদ্দেশ্যে আমাৰ চৰকাৰে পোনপ্ৰথমবাৰৰ বাবে ২০১৭-১৮ বৰ্ষৰ পৰা উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু মহাবিদ্যালয়ত নামভৰ্ত্তি কৰা ছাত্ৰ-ছাত্ৰী সকলৰ নামভৰ্ত্তি আৰু পাঠদান মাচুল আদি ৰেহাই দিছে। পৰৱৰ্তী বিত্তীয় বৰ্ষত আমি এই আঁচনি অব্যাহত ৰাখিম।

২৬৩) আমাৰ চৰকাৰে প্ৰথমবাৰৰ বাবে মাধ্যমিক স্তৰত (নৱমৰ পৰা দ্বাদশ শ্ৰেণীলৈ) বিনামূলীয়া পাঠ্যপুথি বিতৰণৰ আঁচনি আৰম্ভ কৰিছে আৰু ২০১৭ শৈক্ষিক বৰ্ষত নৱম আৰু দশম শ্ৰেণীৰ ৭,৬৬,১০০ গৰাকী ছাত্ৰ-ছাত্ৰীৰ মাজত ১.০৮ কোটি বিনামূলীয়া পাঠ্যপুথি বিতৰণ কৰা হৈছে।

২৬৪) নৱমৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী সকলক বিনামূলীয়া পাঠ্যপুথি প্ৰদানৰ বাবে ২০১৮-১৯ বৰ্ষৰ বাজেটত মই ৪৭ কোটি টকাৰ প্ৰস্তাৱ কৰিছো। একাদশ আৰু দ্বাদশ শ্ৰেণীৰ বাবে বিজ্ঞান, কলা, বানিজ্য আৰু বৃত্তিমুখী শিক্ষা এই আটাইকেইটা শাখাৰ ৫ টা প্ৰধান বিষয়ত এই পাঠ্যপুথি প্ৰদান কৰা হব। ২০১৮-১৯ বৰ্ষৰ পৰা স্নাতক প্ৰথম, দ্বিতীয় আৰু তৃতীয় বৰ্ষৰ ছাত্ৰ-ছাত্ৰীৰ বাবেও এই আঁচনিখন সম্প্ৰসাৰণ কৰা হব।

২৬৫) কেতবোৰ শৈক্ষিকভাৱে পিছপৰা অঞ্চলত শিক্ষাৰ মান এতিয়াও উদ্বিগ্নতাৰ বিষয় হৈ আছে। দক্ষ শিক্ষক আৰু সম্পদৰ অভাৱেই হৈছে ইয়াৰ মূল কাৰণ। সেয়েহে, বিগত বৰ্ষত আমাৰ চৰকাৰে "ভাৰ্চুৱেল শ্ৰেণীকোঠাৰ জৰিয়তে টেলি শিক্ষা প্ৰৱৰ্তন" নামৰ এখন আঁচনি আৰম্ভ কৰিছে। ইয়াৰ উদ্দেশ্য হৈছে ষষ্ঠ শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ ইংৰাজী, বিজ্ঞান আৰু গণিতৰ দৰে প্ৰধান বিষয় সমূহত ভাৰ্চুৱেল আলোচনাৰ জৰিয়তে ধাৰণাভিত্তিক শিক্ষাৰ প্ৰৱৰ্তন কৰা।

২৬৬) বিদ্যালয় শিক্ষাৰ সমাপ্তিকৰণত সহায় কৰিবলৈ আৰু আধাতে বিদ্যালয় এৰাৰ হাৰ হ্ৰাসৰ বাবে চৰকাৰে শৈক্ষিকভাৱে পিচপৰা অঞ্চলসমূহত বৰ্তমানে থকা প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক

সমূহক উচ্চ মাধ্যমিক বিদ্যালয়লৈ (দশম শ্ৰেণী পৰ্যন্ত) উন্নীত কৰি ৰাজহুৱা আৰু ব্যক্তিগত অংশীদাৰিত্বত ১০০ খন নতুন বিদ্যালয় স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। অসমৰ চাহবাগিচা অঞ্চলসমূহত ৰাজহুৱা আৰু ব্যক্তিগত অংশীদাৰিত্বত মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা আৰু ব্যৱস্থাপনাৰ বাবে ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান, অসমে (RMSA) ৰ কাম-কাজ আৰম্ভ কৰিছে।

২৬৭) উচ্চতৰ মাধ্যমিক / হাইস্কুল শিক্ষান্ত পৰীক্ষা কেন্দ্ৰসমূহৰ সীমাৰ বেৰা নিৰ্মাণৰ বাবে অসম চৰকাৰৰ মাধ্যমিক শিক্ষা বিভাগে ২০১৭-১৮ বৰ্ষত এখন নতুন আঁচনি আৰম্ভ কৰিছে। সন্মানীয় বিধায়ক সকলৰ অতিৰিক্ত শিথিল পুঁজিৰ পৰা আমি সহায় বিচাৰিছো। আঁচনিখনৰ নিয়মাৱলী অনুসৰি নিৰ্মাণ কাৰ্য্যৰ বাবে অনুমোদিত মুঠ ব্যয়ৰ ৫০ শতাংশ চৰকাৰে প্ৰদান কৰিব আৰু বাকী ৫০ শতাংশ ব্যয় বিধায়ক / সাংসদৰ এলেকা উন্নয়ন পুঁজিৰ জৰিয়তে প্ৰদান কৰা হ 'ব। ২০১৮-১৯ বৰ্ষত আঁচনিখন অব্যাহত ৰখাৰ বাবে পৰ্যাপ্ত পুঁজিৰ ব্যৱস্থা কৰাৰ প্ৰস্তাৱ আগবঢ়োৱা হৈছে।

২৬৮) আনন্দৰাম বৰুৱা বঁটা, বিনামূলীয়া চাইকেল বিতৰণ আঁচনি আদিৰ দৰে পূৰ্বৰ কিছুমান সফল আঁচনি আমি এই বছৰো আব্যাহত ৰাখিম আৰু এই আঁচনিসমূহৰ বাবে মই প্ৰয়োজনৰ আবন্টনৰ ব্যৱস্থা কৰিছো।

২৬৯) তদুপৰি, বৰ্তমান মাহিলী ১৫৫০০.০০ টকা নিৰ্দিষ্ট দৰমহা (Fixed Pay) তপ্ৰায় ৬০০০ গৰাকী অতিৰিক্ত শিক্ষক ঠিকাভিত্তিক নিয়োজিত হৈ আছে। পৰৱৰ্তী বিত্তীয় বৰ্ষৰ পৰা আমি তেওঁলোকৰ দৰমহাৰ পৰিমাণ ২০০০০.০০ টকালৈ বৃদ্ধি কৰিম।

২৭০) ইয়াৰোপৰি, ২০১৮-১৯ বিত্তীয় বৰ্ষত অৰ্হতাসম্পন্ন শিক্ষকসকলৰ প্ৰাদেশীকৰণৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰা হ'ব।

২৭১) ২০১৮-১৯ বৰ্ষৰ বাবে মাধ্যমিক শিক্ষাবিভাগলৈ মই ৫০৯ কোটি টকা আবন্টনৰ প্ৰস্তাৱ কৰিছো।

**উচ্চ শিক্ষাঃ আকাশেই সীমা**

২৭২) ৰাজ্যখনত উচ্চ শিক্ষাৰ সুবিধা সুনিশ্চিত কৰাৰ অৰ্থে মাথো গুৱাহাটী ভিত্তিক নতুন বিশ্ববিদ্যালয় স্থাপনেই নহয় নতুন মহাবিদ্যালয় আৰু নতুন পলিটেকনিক মুকলি, মহাবিদ্যালয় সমূহত বৃত্তিমূলক পাঠ্যক্ৰম আৰু একক শাখা থকা মহাবিদ্যালয়সমূহত অতিৰিক্ত শাখা সংযুক্তকৰণৰ জৰিয়তে এনে ধৰণৰ সা-সুবিধা উপলব্ধ কৰিবলৈ বিগত ডেৰ বছৰত ক্ষীপ্ৰ সম্প্ৰসাৰণৰ কাম কৰা হৈছে। শিক্ষাৰ গুণগত মানৰ ক্ষেত্ৰত কোনো আপোচ নকৰাকৈ মহাবিদ্যালয়সমূহত এইবছৰৰ পৰা স্নাতকোত্তৰ শ্ৰেণীও আৰম্ভ কৰাৰ নিৰ্দেশ দিয়া হব। তদুপৰি এই বছৰ ৫০ খন মহাবিদ্যালয়ত অতিৰিক্তভাৱে বিজ্ঞান শাখা খোলা হব।

২৭৩) উচ্চ শিক্ষাৰ ক্ষেত্ৰখনত সংস্কাৰ সাধন ত্বৰান্বিত কৰাৰ অৰ্থে কেতবোৰ গুৰুত্বপূৰ্ণ গাঠনিগত পৰিবৰ্তনৰ কামো আমি হাতত লৈছো। মহাবিদ্যালয় সমূহত গৱৰ্ণিং বডিত অৰাজনৈতিক প্ৰসিদ্ধ শিক্ষাবিদ সকলক অধ্যক্ষ হিচাপে ৰাখিবলৈ সংশ্লিষ্ট বিশ্ববিদ্যালয়ৰ উপাচাৰ্যক মুৰব্বী হিচাপে লৈ গঠিত সমিতিৰ জৰিয়তে অধ্যক্ষ বাচনি কৰিবৰ বাবে প্ৰয়োজনীয় নীতি সাল-সলনি কৰা হৈছে। মহাবিদ্যালয়ৰ অধ্যক্ষৰ পদটোৰ কাৰ্যকাল এতিয়া ৫ বছৰীয়া কৰা হৈছে। নিৰপেক্ষতা সুনিশ্চিত কৰি এজন শিক্ষকে যদিহে তিনিবছৰৰো অধিক কাল এখন মহাবিদ্যালয়ত কাম কৰে তেনেহলে সেই মহাবিদ্যালয় খনৰ অধ্যক্ষ পদৰ বাবে আবেদন কৰিব নোৱৰাৰ এক নীতি প্ৰৱৰ্তন কৰিবলৈ

প্ৰস্তাৱ লোৱা হৈছে।

২৭৪) আমি সকলো চৰকাৰী অভিযান্ত্ৰিক মহাবিদ্যালয়ক অসম বিজ্ঞান প্ৰযুক্তি বিশ্ববিদ্যালয়ৰ অধীনলৈ

অনাৰ বাবে ইতিমধ্যে প্ৰক্ৰিয়া আৰম্ভ কৰিছো। সকলো চৰকাৰী অভিযান্ত্ৰিক মহাবিদ্যালয়লৈ কাম-কাজৰ স্বায়ত্বতা প্ৰদান কৰা হ'ব। প্ৰতিষ্ঠানসমূহৰ প্ৰশাসক মণ্ডলীৰ যোগেদি স্বতন্ত্ৰ কাম-কাজ আৰু নিজাকৈ সিদ্ধান্ত লব পৰা ক্ষমতা প্ৰদান কৰাৰ বাবে আৰ্হি অলপতে সম্পূৰ্ণ কৰা হব। কাৰিকৰী শিক্ষাৰ মান উন্নীতকৰণ কাৰ্যসূচীৰ অধীনত পুঁজি অভিযান্ত্ৰিক মহাবিদ্যালয়সমূহৰ বাবে ব্যৱহাৰ কৰা হ'ব।

২৭৫) মই জনাবলৈ পাই সুখী যে ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযানৰ অধীনত (RUSA) যোৱা বছৰ ঘোষণা কৰা ৫ খন পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ স্নাতক মহাবিদ্যালয় ইতিমধ্যেই বিহালী (বিশ্বনাথ), আমজঙা (গোৱালপাৰ), তুলুঙ্গীয়া (বঙাইগাঁও), এৰালীগোল (কৰিমগঞ্জ) আৰু দলগাঁও (দলং) ত আৰম্ভ কৰা হৈছে। তদুপৰি দেইঠৰ (কাৰ্বিআংলং) আৰু বৰখলা (কাছাৰ) ত আৰু দুখন মহাবিদ্যালয়ৰ শৈক্ষিক কাৰ্যসূচী এই বছৰৰ পৰা আৰম্ভ কৰা হ'ব।

২৭৬) তিনিখন মহাবিদ্যালয়ক উন্নীতকৰণৰ জৰিয়তে তিনিখন নতুন বিশ্ববিদ্যালয় স্থাপনৰ বাবে এক বিধেয়ক গৃহীত হৈছে আৰু বিশ্ববিদ্যালয় কেইখনক ভট্টদেৱ বিশ্ববিদ্যালয়, মাধৱদেৱ বিশ্ববিদ্যালয় আৰু কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰ বিশ্ববিদ্যালয় হিচাপে নামকৰণ কৰা হৈছে। বিশ্ববিদ্যালয় কেইখন ক্ৰমান্বয়ে বৰপেটা, উত্তৰ লক্ষীমপুৰ আৰু হোজাইত স্থাপন কৰা হ'ব। পদ সৃষ্টি আৰু উপাচাৰ্য নিয়োগ প্ৰক্ৰিয়া খৰতকীয়া কৰি তোলা হৈছে আৰু ই সোনকালে সম্পূৰ্ণ হোৱাৰ আশা কৰা হৈছে আৰু শৈক্ষিক পাঠ্যক্ৰম সোনকালেই আৰম্ভ কৰা হ'ব।

২৭৭) মহাবিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষামূলক ভ্ৰমণ কাৰ্যসূচীক অগ্ৰগতি প্ৰদান কৰিবলৈ আৰু তেওঁলোকক উন্নত সা-সুবিধা প্ৰদানৰ অৰ্থে 'এক ভাৰত শ্ৰেষ্ঠ ভাৰত' প্ৰকল্পৰ অধীনত মই ৰাজস্থানৰ সৈতে সহযোগিতা গঢ়ি তোলাৰ প্ৰস্তাৱ আগবঢ়াইছো।

২৭৮) ছাত্ৰী সকলক কাৰিকৰী শিক্ষা গ্ৰহণৰ বাবে উৎসাহিত কৰিবলৈ পলিটেক্‌নিক্ আৰু অভিযান্ত্ৰিক মহাবিদ্যালয় সমূহত অধ্যয়ন কৰি থকা ১০০ গৰাকী মেধাৱী ছাত্ৰীলৈ বছৰি ৩০০০০.০০ টকাকৈ জলপানি আগবঢ়াবলৈ মই প্ৰস্তাৱ কৰিছো।

২৭৯) উচ্চ শিক্ষা বিভাগে যোৰহাট আৰু গুৱাহাটীত আগশাৰীৰ মহাবিদ্যালয়সমূহৰ দুটা জোঁটক বিশ্ববিদ্যালয় জোঁটলৈ (Cluster University) উন্নত কৰাৰ বাবে চিনাক্ত কৰিছে। যোৰহাট জোঁটৰ বিশ্ববিদ্যালয়ত জেবি মহাবিদ্যালয়, বাহনা মহাবিদ্যালয়, ডিচিবি কন্যা মহাবিদ্যালয় আৰু চিকেবি বাণিজ্য মহাবিদ্যালয় আৰু গুৱাহাটী জোঁটৰ বিশ্ববিদ্যালয়ত আৰ্যবিদ্যাপীঠ মহাবিদ্যালয়, বি বৰুৱা মহাবিদ্যালয়, সন্দিকৈ ছোৱালী মহাবিদ্যালয়, গুৱাহাটী বানিজ্য মহাবিদ্যালয় আৰু প্ৰাগজ্যোতিষ মহাবিদ্যালয় অন্তৰ্ভূক্ত।

২৮০) শিক্ষা (উচ্চ, কাৰিকৰী) বিভাগৰ বাবে ২০১৮-১৯ বৰ্ষত মই ২,৫৪৫ কোটি টকা মুঠ বাজেট আবন্টনৰ ব্যৱস্থা কৰিছো।

## VIII. পৰিবেশ আৰু বন বিভাগ- সেউজীয়া আৱৰণৰ দিশে

২৮১) দীপৰ বিলৰ সংৰক্ষণৰ দায়িত্ব অৰ্পণ কৰিবলৈ মই মাননীয় মুখ্য মন্ত্ৰী মহোদয়ৰ সভাপতিত্বত দীপৰ বিল সংৰক্ষণ আৰু উন্নয়ণ প্ৰাধিকৰণ নামেৰে এক স্বতন্ত্ৰ প্ৰাধিকৰণ স্থাপন কৰিবলৈ প্ৰস্তাৱ

আগবঢ়াইছো।

২৮২) মই এই পবিত্ৰ সদনক জনাব খুজিছো যে বাহিৰা উৎসৰ পৰা বিত্তীয় সাহায্য আদায়ৰ বাবে 'মানুহ-পশুৰ সংঘাত নিৰসনৰ প্ৰকল্প'টোৰ বিষয়ে চৰকাৰে বিবেচনা কৰি আছে। এই প্ৰকল্পটোৱে বসতিস্থানৰ পৰ্যবেক্ষণ, বৃক্ষৰোপণ, আগতীয়া বিপদ সংকেত প্ৰেৰণ, নতুন উদ্ভাৱনীয় ব্যৱস্থাৰ দ্বাৰা বন্যহস্তীক খেদি পঠিওৱা আদি ব্যৱস্থাৰ দ্বাৰা মানুহ আৰু পশুৰ সংঘাত লাঘৱ কৰিবলৈ যত্নপৰ হব।

বিভাগটোৰ প্ৰতিষ্ঠানিক সবলীকৰণৰ বাবদ এই প্ৰকল্পত ২৭৫০ কোটি টকাৰ প্ৰয়োজন হব।

২৮৩) আমি অসম ৰাজ্যিক চিৰিয়াখানাক বিশ্বৰ আগশাৰীৰ চিৰিয়াখানালৈ উন্নত কৰাৰ ব্যৱস্থা কৰিম আৰু মই ইয়াৰ বাবদ প্ৰাৰম্ভিক পৰ্যায়ত ৫ কোটি টকা ধাৰ্য কৰিছো।

২৮৪) এই বিভাগটোৰ বাবদ ২০১৮-১৯ বৰ্ষত ৫০৫ কোটি টকা ধাৰ্য কৰা হৈছে।

## IX. মীন বিভাগ ঃ আত্মনিৰ্ভৰশীলতাই লক্ষ্য

২৮৫) মোৰ বিগত বৰ্ষৰ বাজেট ভাষণত প্ৰস্তাৱ কৰা অনুসৰি বহনক্ষম মৎস্য উৎপাদনৰ প্ৰসাৰ ঘটোৱাৰ উদ্দেশ্যে 'মৎস্য জাগৰণ ঘৰে ঘৰে পুখুৰী ঘৰে ঘৰে মাছ' নামৰ এক বিশেষ কাৰ্যসূচী আৰম্ভ কৰা হৈছে। এই আঁচনি খন আগবঢ়াই নিবৰ বাবে ২০১৮-১৯ বৰ্ষত মই অতিৰিক্ত ধনৰ আবন্টন কৰিছো।

২৮৬) অসমত মৎস্য উৎপাদনৰ ক্ষেত্ৰত স্ব-নিৰ্ভৰশীলতা আহৰণ কৰাৰ অৰ্থে আমি এটা প্ৰকল্প প্ৰস্তাৱ প্ৰস্তুত কৰিছো। এই প্ৰকল্প প্ৰস্তাৱটো হৈছে জাইকা (JICA) ৰ বিত্তীয় সাহায্যত ৩৪০০ কোটি টকা ব্যয় সাপেক্ষে 'অসম মীন উন্নয়ন আৰু জীৱিকা প্ৰকল্প'। এই প্ৰকল্পৰ অধীনত সমূহীয়া পুখুৰী তথা ব্যক্তিগত পুখুৰীসমূহৰ উন্নয়ন সাধন কৰা হব আৰু ই 'মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা' ৰ পৰিপূৰক হিচাপে কাম কৰিব। সদনত জনাবলৈ পাই সুখী হৈছো যে ভাৰত চৰকাৰে জাইকাৰ বাৰ্ষিক পৰিকল্পনাত প্ৰকল্প প্ৰস্তাৱ অন্তৰ্ভূক্ত কৰিছে আৰু ৰাজ্য চৰকাৰে প্ৰকল্প প্ৰস্তুতি আৰু নিৰীক্ষণৰ বাবে এটা উৎসৰ্গিত কোষ গঠন কৰিছে।

২৮৭) থলুৱা প্ৰজাতিৰ মাছৰ উৎপাদন বৃদ্ধি তথা নিৰ্মল পানীত থকা মিছা মাছৰ উৎপাদন বৃদ্ধিৰ ওপৰত গুৰুত্ব প্ৰদানেৰে অসমৰ ৫০০ টা অ-পঞ্জীয়নকৃত জলাশয়ক মীন পালনৰ উপযোগী কৰি গঢ়ি তুলিবলৈ আমি ১৮০০ কোটি টকাৰ আন এটা প্ৰকল্প প্ৰস্তাৱ প্ৰস্তুত কৰিছো। লগতে বিত্তীয় সাহায্য বিচাৰি ফৰাচী উন্নয়ন অভিকৰণ (French Development Agency) ৰ সৈতে আমি আন্তৰিক ভাৱে কাম কৰি আছো।

২৮৮) বিলুপ্তপ্ৰায় প্ৰজাতিৰ মাছৰ পুনৰুদ্ধাৰ আৰু ৰাজ্যখনৰ মৎস্য জৈৱ-বৈচিত্ৰ্যৰ সংৰক্ষণৰ বাবে মীন বিভাগে থলুৱা মাছৰ প্ৰজাতি সমূহৰ এক নামপঞ্জিকা প্ৰস্তুত কৰিছে। তদুপৰি, এক তথ্যভাণ্ডাৰ গঢ়ি তোলাৰ পৰিকল্পনা কৰিছে। বিভাগটোৱে ৯.৩৬ কোটি টকাৰ আনুমানিক ব্যয়েৰে থলুৱা মাছৰ প্ৰজাতি সমূহৰ এক জিন বেংক স্থাপনৰ কাম হাতত লৈছে। সেই অনুসৰি ইয়াৰ বাবে চলিত বৰ্ষৰ বাজেটত মই পৰ্যাপ্ত পৰিমাণৰ ধন ধাৰ্য কৰিছো।

২৮৯) সৰ্বমুঠ ১৬০ কোটি টকা ২০১৮-১৯ বিত্তীয় বৰ্ষৰ বাবে ধাৰ্য কৰিছো।

## X. খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা বিভাগ ঃ দৰিদ্ৰসকল উপকৃত হব

লাগিব

২৯০) মহোদয়, এইটো গৌৰৱৰ বিষয় যে যোৱা বৰ্ষটোত ৰাজ্য চৰকাৰৰ এককেন্দ্ৰীক প্ৰচেষ্টা আৰু কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশনাৰ দ্বাৰা প্ৰধান মন্ত্ৰী উজ্জ্বলা আঁচনিৰ (PMUY) অধীনত ৰাজ্যখনৰ ৯.৫ লাখ পৰিয়ালৰ মহিলাসকলক আমি ৰন্ধন গেছৰ সংযোগ প্ৰদান কৰিছো। দাৰিদ্ৰ সীমাৰেখাৰ তলৰ অন্যান্য পৰিয়ালসমূহকো ৰন্ধন গেছৰ সংযোগ লোৱাত উৎসাহিত কৰাৰ বাবে আমাৰ চৰকাৰে প্ৰতিটো পৰিয়ালকে ১০০০ টকাকৈ এক বিত্তীয় সাহায্য আগবঢ়োৱাৰ পৰিকল্পনা কৰিছে। এই বৰ্ষৰ বাজেটত মই ১২৮.৭০ কোটি টকা ধাৰ্য কৰিছো।

২৯১) বিগত বৰ্ষৰ বাজেট ভাষণত মই ঘোষণা কৰিছিলো যে আমি NFSA ৰ অধীনত খাদ্যসামগ্ৰীৰ বাবে ধন মুকলি কৰাৰ প্ৰক্ৰিয়াটোৰ পৰিৱৰ্তন সাধন কৰিম। এই প্ৰক্ৰিয়া অনুসৰি আমি গাওঁপঞ্চায়ত সমবায় সমিতি আৰু অন্যান্য সকললৈ পৰিবহন ব্যয় আৰু কমিছ্ন আগতীয়াকৈ মুকলি কৰি দিয়াৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছো আৰু পৰবৰ্তী সময়ত খাদ্য আৰু অসামৰিক যোগান মন্ত্ৰালয়ে মুকলি কৰি দিবলগীয়া পুঁজিৰ বিপৰীতে এই ধনৰ জোৰা মৰা হৈছে। বিগত বছৰটোত এই ব্যৱস্থা পৰীক্ষা কৰি চোৱা হৈছে আৰু এতিয়া আমি স্পষ্টভাৱে দেখিছো যে ভ্ৰষ্টাচাৰৰ চক্ৰটোৰ অন্ত পৰিছে। ২০১৮-১৯ বিত্তীয় বৰ্ষৰ বাবে পৰিবহন ব্যয় আৰু কমিছ্ন পৰিশোধনৰ বাবে ৫৯১ কোটি টকাৰ বাজেটৰ ব্যৱস্থা কৰা হৈছে।

২৯২) অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে পৰিৱেশ অনুকুল ই-ৰিক্সাৰ জৰিয়তে আৱশ্যকীয় সামগ্ৰী (ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ বাহিৰে) দুৱাৰডলিতে প্ৰদান কৰিব পৰাকৈ 'ভ্ৰাম্যমান আমাৰ দোকান' নামৰ এক উদ্ভাৱনীমূলক কাৰ্য্যসূচীও আৰম্ভ কৰিছে। এই আঁচনিৰ জৰিয়তে গ্ৰাহকসকলে তেওঁলোকৰ নিত্য অত্যাৱশ্যকীয় সামগ্ৰীসমূহ সুলভমূল্যত দুৱাৰডলিতে লাভ কৰে আৰু একেসময়তে আঁচনিখনে নিৰনুৱা যুৱক-যুৱতী সকলক নিয়োগৰ সুবিধাও প্ৰদান কৰিছে। এই উদ্ভাৱনীমূলক আঁচনিখন আগবঢ়াই নিয়াৰ বাবে মই ২০১৮-১৯ বিত্তীয় বৰ্ষত আৱশ্যকীয় পুঁজিৰ ব্যৱস্থা কৰিছো।

২৯৩) তদুপৰি, ২০১৮-১৯ বৰ্ষত আমি অতিৰিক্ত ৬৬৪ খন নতুন 'আমাৰ দোকান' খোলাৰ প্ৰস্তাৱ আগবঢ়াইছো আৰু এই উদ্দেশ্যে বাজেটত আৱশ্যকীয় পুঁজিৰ ব্যৱস্থা কৰিছো।

২৯৪) আমি ৰাজ্যখনত ৬ টা স্থানত ৱেৰহাউছ আৰু শীতল ভঁড়াল স্থাপন কৰাৰ বিষয়েও লক্ষ্যনিৰ্দ্ধাৰণ কৰিছো।

২৯৫) ভাৰত চৰকাৰৰ সৈতে ৭৫:২৫ অনুপাতৰ ব্যৱস্থাৰে 'সুলভ মূল্যৰ দোকানৰ স্বয়ংক্ৰিয়কৰণ' নামৰ এক নতুন আঁচনি আৰম্ভ কৰা হৈছে। চলিত বাজেটত মই ইয়াৰ বাবে ২৫ কোটি টকা আৱন্টন কৰিছো।

২৯৬) মই এই বিভাগটোৰ বাবে এই ২০১৮-১৯ বিত্তীয় বৰ্ষত ৮৭৭ কোটি টকাৰ প্ৰস্তাৱ কৰিছো।

২৯৭) আমাৰ চৰকাৰ জ্ঞাত যে, আমাৰ সমাজখনৰ প্ৰতিটো স্তৰতেই নাগৰিক সকলৰ স্বাস্থ্যজনিত , শিক্ষা আৰু অন্যান্য কাৰণত দেশৰ মেট্ৰ চহৰ সমূহ ভ্ৰমন কৰাৰ প্ৰয়োজন হয়। সেই সমূহ চহৰত বসবাস কৰাৰ খা-খৰচ আনকি ছুটি ভ্ৰমনৰ খৰচো অত্যাধিক হ'বপাৰে। দীৰ্ঘদিনৰ পৰা অনুভৱ কৰা এই উদ্দেশ্য পূৰণৰ অৰ্থে নতুন দিল্লী, ভেলোৰ, চেন্নাই আৰু অতিৰিক্তভাৱে কলকাতাত নতুন বহুমহলীয়া অসম ভৱন আৰু ভৱন নিৰ্মানৰ কাম হাতত লোৱা হৈছে। হাইদৰাবাদত অসম ভৱন নিৰ্মানৰ বাবে আমাৰ চৰকাৰে তেলেংগানা চৰকাৰক তিনি একৰ ভুমিৰ বাবে আনুষ্ঠানিক ভাৱে প্ৰস্তাৱ আগবঢাইছে আৰু আমি তেলেংগানা চৰকাৰৰ ওচৰত কৃতজ্ঞ যে, তেলেংগানা চৰকাৰে

আমাৰ প্ৰস্তাৱক যোগাত্মক সহাঁৰি জনাইছে। পুনে, চণ্ডিগড়, কোচি, থিৰুৱানন্তপুৰম , ভুপাল, জয়পুৰ , আহমেদাবাদ আৰু ভুৱনেশ্বৰতো অসম ভৱন নিৰ্মানৰ বাবে একেধৰণৰ পদক্ষেপ গ্ৰহন কৰা হৈছে। তাৰোপৰি নতুন দিল্লীত তৃতীয়টো অসম ভৱন নিৰ্মানৰ প্ৰস্তাৱ ৰখা হৈছে।উক্ত ভৱন সমূহ নিৰ্মানৰ বাবে Assam Infrastructure Financing Authority ৰ অধীনত ১০০ কোটি টকা পুজিৰ প্ৰস্তাৱ ৰখা হৈছে।

২৯৮) আমাৰ চৰকাৰে লিঙ্গ অন্তভূৰ্ক্তি আৰু সকলো কৰ্মচাৰীৰ বাবে সম মৰ্য্যদা আৰু সুবিধা আগবঢ়োৱাত বিশ্বাস কৰে। উক্ত কথাৰ অনুসৰণৰ মাজেৰে আমি সচিবালয় আৰু উপায়ুক্তৰ কাৰ্য্যালয়ত মহিলা কৰ্মচাৰীৰ বাবে সাধাৰণ সা- সুবিধা থকা একোটা বৈঠকখানা (Common Facility Centre) ৰ ব্যৱস্থা প্ৰবৰ্তন কৰিম।

২৯৯) অনতিপলমে কাৰ্য্যকৰী হ'বলগা আন এটা প্ৰধান কাৰ্য্যসূচী হ'ল ৰাজ্যৰ সকলো যোগ্য নিবাসীকে ২০১৮-১৯ বৰ্ষৰ আধাৰ উপস্থিতি পঞ্জীয়নৰ অন্তৰ্ভুক্ত কৰা। এই বিশাল কাৰ্য্যসূচীত সহযোগ আৰু অংশগ্ৰহন কৰিবলৈ মই সমূহ নিৰ্বাচিত প্ৰতিনিধি, বিষয়া আৰু আমাৰ জনগণক আহ্বান জনাইছো।

৩০০) ২০১৮-১৯ বৰ্ষত উক্ত বিভাগটোৰ বাবে মই সৰ্বমুঠ ৭২৭ কোটি টকা পুজিঁৰ প্ৰস্তাৱ ৰাখিছো।

**গুৱাহাটী উন্নয়ন বিভাগ : যথাযথ গুৰুত্ব বাটচ'ৰাৰ প্ৰাপ্য**

৩০১) মই যোৱাবছৰৰ বাজেট ভাষনত প্ৰতিশ্ৰুতি দিয়া মতে অসম ৰাজ্যিক ৰাজধানী অঞ্চল উন্নয়ন প্ৰাধিকৰণ আইন ২০১৭ খন ১ জানুৱাৰী, ২০১৮ ৰ পৰা প্ৰযোজ্য হৈছে। গুৱাহাটী ৰাজধানী অঞ্চলৰ সমগ্ৰ এলেকাৰ দ্ৰুত আৰু সংহত উন্নয়নৰ লগতে বৃহৎ প্ৰানবন্ত মহানগৰলৈ ৰূপান্তৰ কৰাৰ বাবে নতুন প্ৰাধিকৰণে এক আঞ্চলিক পৰিকল্পনাৰ গ্ৰহন কৰিব।

৩০২) গুৱাহাটী মুকলিস্থান আৰু উদ্যান সংলগ্নীকৰণৰ আৰ্হিৰ (GOPI) কাম সমূহ চিংগাপুৰ চৰকাৰৰ চিংগাপুৰ কৰপৰেচন এন্টাৰপ্ৰাইজ(SCE) ক আবন্টন দিয়া হৈছে। এই কাৰ্য্য ৰূপায়ণৰ বাবে মই আৱশ্যকীয় পুঁজিএই বাজেটত আবণ্টন দিছো।

৩০৩) মা কামাখ্যাৰ আশীৰ্বাদ লবলৈ অহা লক্ষ-লক্ষ তীৰ্থযযাত্ৰীৰ সুবিধাৰ অৰ্থে আৰু মন্দিৰ চৌহদৰ উন্নয়ণৰ হকে কামাখ্যাৰ ৰোপৱে আৰু কামাখ্যা ৰেল ষ্টেচনৰ মাজৰ সংযোগী ব্যৱস্থাৰ কাম সন্তোষজনক ভাৱে আগবাঢ়িছে। বিস্তৃত প্ৰকল্প প্ৰতিবেদনৰ প্ৰস্তুতিৰ কাম চলি আছে য'ত ১.০৬ কি: মি প্ৰকল্পৰ বাবে ৩৩ কোটি টকা ব্যয় হ'ব।

৩০৪) নগৰ অঞ্চলত অধিক মুকলি আৰু সেউজ স্থান সৃষ্টিৰ বাবে ৫৮.৬৩ কোটি ব্যয় সাপেক্ষে ফাচী বজাৰৰ পুৰণা কাৰাগাৰৰ ভূমি, ৮.৭৪ কোটি ব্যয় সাপেক্ষে মালিগাওঁৰ আদাবাৰীত অসম ৰাজ্যিক গৃহ নিৰ্মাণ পৰিষদৰ চৌহদ আৰু ১৪.৮১ কোটি ব্যয় সাপেক্ষে হেঙ্গেৰাবাৰীত খাদী আৰু গ্ৰামীন উদ্যোগ পৰিষদৰ ভুমিত কামৰ অগ্ৰগতি লাভ কৰিছে।

৩০৫) চহৰৰ সৌন্দৰ্য্য বৰ্ধন আৰু উল্লেখযোগ্য প্ৰকল্পৰ আন্ত:গাথনিৰ সৃষ্টিৰ বাবে যোৱা বাজেটত ঘোষণা কৰা মৰ্মে নগৰ আন্ত:গাথনি উন্নয়ন পুঁজি (CIDF) বাহাল থাকিব আৰু ইয়াৰ বাবে চলিত বাজেটত ১০০ কোটি টকা আবণ্টন দিছো।

৩০৬) গুৱাহাটী চহৰৰ প্ৰদুষণ আৰু যান-যটৰ সমস্যা দূৰীকৰণৰ আৰু দুৰ্ঘটণা হ্ৰাস কৰাৰ বাবে আ-ন্তঃচালিত পৰিবহণৰ (Intermodal Transport) সহযোগত চাংসাৰী, ছয়গাওঁ আৰু সোনাপুৰত ৩ টা আধুনিক Freight Terminusস্থাপনৰ বাবে প্ৰস্তাৱ আগবঢ়ালো। এই প্ৰকল্প উন্নয়ণৰ বাবে মই ৫ কোটি টকা এই বাজেটত আবণ্টন কৰিলো। এই প্ৰকল্পৰ বাবে ৰাজহুৱা আৰু ব্যক্তিগত অংশীদাৰক উৎসাহিত কৰা হ'ব।

৩০৭) চহৰখনত যান বাহনৰ পাৰ্কিঙৰ অসুবিধা দুৰীকৰণৰ বাবে অধিক পাৰ্কিঙৰ ব্যৱস্থা কৰা হ'ব। ৫ কোটি টকা চলিত বাজেটত আবণ্টন কৰা হৈছে।

৩০৮) গুৱাহাটীৰ কৃত্ৰিম বান পানী দূৰ কৰাৰ বাবে আৰু পানী ধাৰণ কৰা জলাধাৰ সমূহৰ বেচিনৰ উন্নয়ন আৰু মেৰামতিৰ বাবে ৫০কোটি টকা আবণ্টন দিয়া হ'ল।

৩০৯) গুৱাহাটী পৌৰনিগমে ৫৮ টা স্বেচ্ছাসেৱী অনুষ্ঠানক গোটা বৰ্জনীয় সামগ্ৰী ঘৰে -ঘৰে গৈ সংগ্ৰহৰ বাবে নিয়োগ কৰিছে। গুৱাহাটী পৌৰনিগমে উপ-পথ, ৰাস্তা, পদপদ, আলিবাটৰ কাষ আদি ঝাৰু দিয়াৰ কাম ব্যাপকভাৱে কৰিছে। গুৱাহাটী পৌৰনিগমে ৩৭৫০ টা ষ্ট্ৰিট লাইট প্ৰচলিত চডিয়াম ভেপাৰ লাইটৰ পৰা এল ই ডি লাইটলৈ পৰিবৰ্তন কৰিছে। ইয়ে শক্তিৰ ব্যৱহাৰ হ্ৰাস কৰাৰ লগতে উন্নত মানৰ পোহৰ প্ৰদান কৰিছে।

৩১০) গুৱাহাটী স্মাৰ্ট চিটি লিমিটেড(GSCL) এ বিভিন্ন প্ৰকল্প আৰম্ভ কৰিছে। তাৰে মাজত বৰচলা বিল প্ৰকল্পত নিষ্কাষণৰ বাবে প্ৰতিষ্ঠান স্থাপন, বিলখন পৰিদৃশ্য আৰু পৰিস্কাৰ কৰা , ব্ৰহ্মপুত্ৰ নদীপাৰ উন্নয়ণ প্ৰকল্পৰ যোগে কামাখ্যাৰ পৰা ৰাজভৱনলৈকে ব্ৰহ্মপুত্ৰ নদী কাষৰীয়া অঞ্চলৰ উন্নয়ণ কৰাৰ কাম আৰম্ভ কৰা হৈছে। অগ্ৰনী প্ৰকল্প হিচাপে ২০ টা স্থানত আমি জৈৱিক শৌচাগাৰ আৰু পানীৰ এ টি এম স্থাপন কৰিছো।

৩১১) (JICA) ৰ দ্বাৰা সাহায্যপ্ৰাপ্ত গুৱাহাটী পানী যোগান আচঁনিৰ কাম দ্ৰুত গতিত চলি আছে আৰু এই বছৰটোত পানী যোগান দিয়াৰ প্ৰচেষ্টা চলি আছে। ইয়াৰ বাবে মই এই বিত্তীয় বৰ্ষত পয্যাপ্ত পৰিমাণৰ ধন আবণ্টন কৰিছো।

৩১২) চহৰখনৰ অধিকতম অংশৰ বাবে পয়-প্ৰণালী প্ৰকল্প স্থাপনৰ বাবে JICA আৰু কেন্দ্ৰ চৰকাৰৰ লগত গুৱাহাটী পয়-প্ৰণালী প্ৰকল্প (মণ্ডল -১) চুক্তি সাক্ষৰ কৰা হৈছে। ২০১৮-১৯ বিত্তীয় বৰ্ষত এই প্ৰকল্পৰ বাবে ১০ কোটি টকা ধাৰ্য্য কৰা হৈছে।

৩১৩) গুৱাহাটী আৰু ডিব্ৰুগড় চহৰৰ পানী যোগান, নলা-নৰ্দমা আৰু জাবৰ নিস্কাষণৰ ব্যৱস্থা উন্নত কৰাৰ বাবে আমাৰ চৰকাৰে এছিয়ান ডেভেলপমেণ্ট বেঙ্কৰ সাহাৰ্য্যত নগৰাঞ্চল আন্থ:গাঠনি

উন্নয়ন প্ৰকল্পৰ (AUIIP) ৰ অধীনত ব্যৱস্থা গ্ৰহণ কৰিছে। মাৰ্চ ২০১২ চনৰ পৰা দুটা অংশত মুঠ ১৮৮৬ কোটি ব্যয় সাপেক্ষে এই প্ৰকল্প হাতত লোৱা হৈছে। এছিয়ান ডেভেলপমেণ্ট বেঙ্কৰ ঋণৰ সৈতে ২০১৮ -১৯ বৰ্ষৰ বাজেটত মুঠ ৩৫৮ কোটি টকা ধাৰ্য্য কৰা হৈছে।

৩১৪) ২০১৮-১৯ বৰ্ষত বিভাগে মুঠ ১৫১৫ কোটি টকাৰ প্ৰস্তাৱ ৰাখিছো।

**হস্ততাত বস্ত্ৰ আৰু ৰেচন বিভাগঃ বয়নৰ ভৰিষ্যত**

৩১৫) মোৰ বিগত বাজেট ভাষণত ২০২৬ চনৰ ভিতৰত ১ নিযুত কিলোগ্ৰাম মুগা উৎপাদনৰ লক্ষ্যৰে মিছন মুগা আৰম্ভ কৰাৰ কথা মই ঘোষণা কৰিছিলো। মুগা উৎপাদনৰ পৰিমান ১০ গুন বৃদ্ধি কৰিবলৈ আমাৰ চৰকাৰ প্ৰতিশ্ৰুতি বদ্ধ। এই খণ্ডটো আমাৰ কাম-কাজ অব্যাহত ৰাখিম।

৩১৬) বিগত বৰ্ষৰ বাজেটত ঘোষণা কৰা অনুসৰি শুৱালকুছিত আমি এটা নুনী পাট সুতাৰ ভঁৰাল স্থাপন কৰিছো। এই ভঁৰালৰ জৰিয়তে স্থানীয় শিল্পী সকললৈ উচিত মুল্যত গুনগত মানৰ সুতা যোগান ধৰা হ'ব। এই আচঁনি অনুসৰি বয়ন শিল্পী সকলৰ নক্সা অংকণত শেহতীয়া কৌশল সমূহ অন্তৰ্ভুক্ত কৰাৰ বাবে শুৱালকুছিত ফেছন টেকনলজিৰ প্ৰতিষ্ঠান স্থাপনৰ উপৰি নুনি পাট সুতা ক্ৰয়ৰ বাবে আবৰ্ত পুঁজি হিচাপে ১৮.৪ কোটি টকা ধাৰ্য্য কৰা হৈচে। শিপিনী হিতাধিকাৰী সকলক পৰিচয় পত্ৰ প্ৰদান কৰা হ'ব যাৰ যোগেদি সৰ্বাধিক ৫ খন শালৰ বিপৰীতে তেওঁলোকলৈ প্ৰতি মাহত প্ৰতিখন শালৰ বাবে ১.৫ কেজি সুতা প্ৰদান কৰা হ'ব আৰু এই সুতাৰ মূল্য বজাৰ দৰতকৈ ২০ শতাংশ কম হ'ব। শিপিনী সকলে এই পদক্ষেপক আদৰণি জনাইছে আৰু আমি এই পদক্ষেপ অব্যাহত ৰাখিম। ইয়াৰ বাবে মই বাজেটত ২০ কোটি টকা ধাৰ্য্য কৰিছো।

৩১৭) আমাৰ পৰম্পৰাগত শিল্পী সকলক আৰু অধিক দক্ষ কৰি তুলিবলৈ আমাৰ চৰকাৰে ২০ গৰাকীকৈ শিপিনীৰ একোটা গোটক সহায় কৰাৰ অৰ্থে এখন আচঁনিৰ প্ৰস্তাৱ কৰিছে। এই আচঁনি খনৰ অধীনত এনে প্ৰতিটো গোটকে নতুন কৌশল সম্পৰ্কে জ্ঞাত কৰিবলৈ ৫ লাখ টকাকৈ প্ৰদান কৰা হ'ব। ২০১৮-১৯ বিত্তীয় বৰ্ষত এনে ১০০ গৰাকী শিপিনীক সামৰি লবলৈ মই প্ৰয়োজনীয় ধন আবণ্টন কৰিছো।

৩১৮) জনগোষ্ঠীয় মিচিং সম্প্ৰদায়ৰ লোকেৰে পৰিপূৰ্ণ মাজুলী ইয়াৰ অনুপম বস্ত্ৰশৈলীৰ বাবে পৰিচিত। এই পৰম্পৰাগত উদ্যোগৰ প্ৰসাৰ তথা সংৰক্ষণৰ বাবে আমি মাজুলীত এখন "আদৰ্শ হস্ততাত গাওঁ" প্ৰতিষ্ঠা কৰিব বিচাৰিছো। ইয়াৰ বাবে ২০১৮-১৯ বিত্তীয় বৰ্ষৰ বাজেটত ২০০ লাখ টকা ধাৰ্য্য কৰা হৈছে।

৩১৯) হস্ততাত, বস্ত্ৰ আৰু ৰেচম বিভাগৰ বাবে বাজেটত মই ৩৮৫ কোটি টকা ধাৰ্য্য কৰিছো।
স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ ঃ উন্নত মানৰ সৈতে বৃহত্তম অন্তৰ্ভুক্তিৰ বাবে অব্যাহত যাত্ৰা
৩২০) বিগত দশকটোত অসম চৰকাৰৰ স্বাস্থ্য বিভাগে বৰ্জন কৰা দ্ৰুত অগ্ৰগতিৰ এক অৱলোকন কৰিবলৈ পাই মই অতিশয় আনন্দিত হৈছো।

৩২১) ৰাজ্যখনত নৱজাতকৰ মৃত্যৰ হাৰ যথেষ্ঠ পৰিমানে হ্ৰাস পাই এতিয়া ৪৪ টা হৈছে আৰু বিভিন্ন পদক্ষেপৰ ফলস্বৰূপে ৫ বছৰৰ তলৰ শিশুসকলৰ মৃত্যুৰ হাৰো হ্ৰাস পাইছে।

৩২২) যোৱা বছৰ মই ঘোষণা কৰিছিলো যে, চাহ বাগিছা সমূহত উচ্চ নৱজাতকৰ মৃত্যুৰ হাৰ / প্ৰসুতিৰ মৃত্যুৰ হাৰৰ সমস্যাৰ মোকাবিলা কৰিবলৈ চাহ বাগিছাৰ সকলো অস্থায়ী মহিলা শ্ৰমিকলৈ তেওঁলোকৰ মাতৃত্বৰ সময়ত ১২ হাজাৰ টকাকৈ মজুৰীৰ ক্ষতিপূৰণ প্ৰদান কৰা হ'ব। মই জনাবলৈ পাই সুখী হৈছো যে, কেবিনেটে অলপতে এই আচঁনিখনত অনুমোদন জনাইছে আৰু আমি অচিৰেই এইখন আৰম্ভ কৰিম। তদুপৰি কেবিনেটে স্থায়ী কৰ্মচাৰী সকলকো এই আচঁনি খনৰ অধীনত সামৰি লবলৈ অনুমোদন জনাইছে। মই এই কথা বিশ্বাস কৰো যে, চাহ বাগিছাৰ মহিলা শ্ৰমিক সকলে নিজৰ পৰিয়ালৰ জীৱিকাৰ সৈতে আপোচ নকৰাকৈ এই আচঁনিখনৰ সহায়ত নিজৰ লগতে নিজৰ হ'বলগীয়া সন্তানৰো যত্ন ল'ব পাৰিব।

৩২৩) মই ঘোষণা কৰিবলৈ পাই সুখী হৈছো যে, গুৱাহাটীত এইমচ্ স্থাপন কৰিবলৈ প্ৰাৰম্ভিক কাম-কাজ আৰম্ভ হৈছে। ৰাজ্য চৰকাৰে প্ৰতিষ্ঠানটোলৈ বিদ্যুৎ তথা পানী যোগান আৰু পথৰ ব্যৱস্থা কৰিব লাগিব যিবোৰৰ বাবে পদক্ষেপ ইতিমধ্যে গ্ৰহণ কৰা হৈছে। অসমত এইমচ্ স্থাপন হলে ৰাজ্যখনৰ জনসাধাৰণৰ এটা বহুদিনীয়া দাবী পূৰণ হ'ব।

৩২৪) ৰোগ নিৰ্নয়ৰ সুবিধাসহ সৰ্ব্বাঙ্গীন প্ৰাথমিক স্বাস্থ্য সেৱা প্ৰদান কৰিবলৈ অসম চৰকাৰে কেৱল চাহ বাগিছা অঞ্চলৰ বাবে উৎসৰ্গিত ৮০ টা ভ্ৰাম্যমান চিকিৎসা গোট নিয়োজিত কৰিছে।

৩২৫) অসম চৰকাৰে মান সন্মত ঔষধ ক্ৰয়ৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। অত্যাৱশ্যকীয় ঔষধ সমূহ জেনেৰিক ৰূপত ক্ৰয় কৰা হয় আৰু বহিঃবিভাগ তথা অন্তঃবিভাগৰ সকলো ৰোগীলৈ বিনামূলীয়াকৈ প্ৰদান কৰা হয়। চৰকাৰে সংশোধিত অত্যাৱশ্যকীয় ঔষধৰ তালিকা প্ৰকাশ কৰিছে য'ত কেঞ্চাৰ,নেফ্ৰ, হিমোফিলিয়া , থেলাচিমিয়া আদি বিশেষ চিকিৎসাৰ প্ৰয়োজন হোৱা ৰোগকে ধৰি সংক্ৰামক আৰু অসংক্ৰামক ৰোগৰ চিকিৎসাৰ বাবে বিনামূলীয়া ঔষধৰ সংখ্যা উল্লেখনীয়ভাৱে ২০৫ টাৰ পৰা ৪৪১ টা লৈ বৃদ্ধি পাইছে।

৩২৬) মোৰ বিগত বাজেট ভাষণত ঘোষণা কৰা অনুযায়ী, সামাজিক আৰু প্ৰতিৰোধ মূলক ঔষধৰ অংশ হিচাপে অসম যোগ প্ৰকল্প (পৰ্য্যায়-১)ৰ অধীনত ৰাজ্যখনৰ ১০০ টা নিৰ্বাচিত উন্নয়ন খণ্ডত ইতিমধ্যে ১০০ টা যোগ কেন্দ্ৰ স্থাপন কৰা হৈছে। বাকী ৰোৱা উন্নয়ন খণ্ডসমূহক দ্বিতীয় পৰ্য্যায়ত ২০১৮-১৯ বিত্তীয় বৰ্ষত সামৰি লোৱা হ'ব।

৩২৭) ৰাষ্ট্ৰীয় স্বাস্থ্য মিছন, অসমে ৩৬৯ কোটি টকা মুঠ ব্যয় সাপেক্ষে ৬ খন মহকুমা অসামৰিক

চিকিৎসালয়ক জিলা চিকিৎসালয়লৈ, ৮ খন প্ৰাথমিক চিকিৎসা কেন্দ্ৰ/ সমূহীয়া স্বাস্থ্য কেন্দ্ৰ/ প্ৰথম প্ৰেৰণ গোটক মহকুমা সমূহীয়া স্বাস্থ্যকেন্দ্ৰলৈ উন্নীত কৰিব আৰু ১২ খন সমূহীয়া স্বাস্থ্যকেন্দ্ৰ(Model Hospital) ৰ নিৰ্মাণ তথা অন্যান্য খণ্ড প্ৰাথমিক চিকিৎসা কেন্দ্ৰ/ সমূহীয়া স্বাস্থ্য কেন্দ্ৰৰ উন্নয়ন সাধন কৰিব।

বিতং প্ৰস্তাৱিত স্বাস্থ্য প্ৰতিষ্ঠান উন্নীতকৰণ আৰু উন্নীতকৰণৰ ব্যয় তলত উল্লেখ কৰা হ'ল।

উন্নীত কৰিবলগা অনুমোদিত স্বাস্থ্য প্ৰতিষ্ঠান সমূহৰ তালিকা--

**ক) মহকুমা অসামৰিক চিকিৎসালয়ৰ পৰা জিলা অসামৰিক চিকিৎসালয়লৈ উন্নীতকৰণ-**

(১) হোজাই জিলা চিকিৎসালয় -২৮৪৮.৭৭ লাখ
(২) গড়মূৰ মহকুমা অসামৰিক চিকিৎসালয় -২২২৯.৪৭ লাখ
(৩) হাটশিঙিমাৰী মহকুমা অসামৰিক চিকিৎসালয় -২১৬২.৭৯ লাখ
(৪) বিশ্বনাথ চাৰিআলী মহকুমা অসামৰিক চিকিৎসালয় - ২১৮৭.৮৯লাখ
(৫) হামৰেণ মহকুমা অসামৰিক চিকিৎসালযয় -২৮২৮.১ লাখ
(৬) সোণাৰি মহকুমা অসামৰিক চিকিৎসালয় -১৭৪৪.২ লাখ

**(খ) বি. পি. পি. এইচ.চি/ চি.এইচ. চি/ এফ.আৰ.ইউ ৰ পৰা এচ.ডি. চি. এইচ.**

(১) জোনাই খণ্ড প্ৰাথমিক চিকিৎসা কেন্দ্ৰ -১৮২৪.৪৩ লাখ
(২) তামুলপুৰ খণ্ড প্ৰাথমিক চিকিৎসা কেন্দ্ৰ -১৬২৭.২৯ লাখ
(৩) জখলাবন্ধা এফ.আৰ.ইউ -১৫৩৬.৫৫ লাখ
(৪) সৰভোগ চি.এইচ. চি -১৫০০.৭৭ লাখ
(৫) শদিয়া খণ্ড প্ৰাথমিক চিকিৎসা কেন্দ্ৰ -২০৪২.১৫ লাখ
(৬) বোকাখাত মহকুমা অসামৰিক চিকিৎসালয় - ১২০৫.৬৯ লাখ
(৭) মুকালমুৱা এফ.আৰ. ইউ -১৪৫১.৩৭ লাখ
(৮) লক্ষীপুৰ খণ্ড প্ৰাথমিক চিকিৎসা কেন্দ্ৰ -১১৩৯.১৯ লাখ

**(গ) সামূহিক স্বাস্থ্যকেন্দ্ৰৰ নিৰ্মাণ (মডেল হস্পিটেল)**

(১) মহালিপাৰা (মাজবাট) -৬৬৪.৫৮ লাখ
(২) ডিমাকুছি (পানেৰী) -৬৬৮.৫ লাখ
(৩) কাৰিগাওঁ (কোকৰাঝাৰ) -৬৫৬.৩২ লাখ
(৪) মালিনী বিল (শিলচৰ) - ৬৮৩.২ লাখ
(৫) লংনীত নতুন বজাৰ (ডিফু) -৬৭৮.৭৭ লাখ
(৬) বিলাসীপাৰা -৬৬৭.৫৭লাখ
(৭) বকো -৬৬৭.৫৭লাখ
(৮) গোসাইগাওঁ -৬৬৭.৫৭লাখ
(৯) ধিং -৬৬৭.৫৭লাখ
(১০) নাজিৰা -৬৬৭.৫৭লাখ

(১১) ককলাবাৰি (চাপাগুৰি) -৬৬৭.৫৭লাখ

(১২) হালোৱাটিং ( আমগুৰি) -৬৬৭.৫৭লাখ

**(ঘ) খণ্ড প্ৰাথমিক চিকিৎসা কেন্দ্ৰ / প্ৰাথমিক চিকিৎসা কেন্দ্ৰ ইত্যাদি-**

(১) ৰাজগড় ১৯১.৮৮ লাখ

(২) চাচনি - ১১৭.৯৯ লাখ

(৩) ৰঙাগৰা- ৬৩.২৯ লাখ

(৪) নিলাম বজাৰ -১০৬.৮ লাখ

(৫) লামডিং -২০১৬.৫ লাখ

**সৰ্ব্বমুঠ - ৩৬৮৪৯.৪৮ লাখ**

**৩২৮)** আমি খাদ্য সুৰক্ষা আৰু ঔষধ প্ৰশাসনৰ এক আয়ুক্তালয় স্থাপন কৰিছো যাক আমি সামৰ্থ বৃদ্ধি, অতিৰিক্ত পথ সৃষ্টি আৰু শক্তিশালী বলবৎকৰণ ব্যৱস্থাৱলীৰে অধিক সৱল কৰিম। ঔষধ পৰীক্ষন আৰু খাদ্য বিশ্লেষণৰ বাবে আমি উৎকৃষ্ট অনুশীলন গ্ৰহন কৰাৰ লগতে ২০১৮-১৯ বিত্তীয় বৰ্ষত ৰাজ্যিক ঔষধ নিয়ন্ত্ৰণ পৰীক্ষাগাৰক কাৰ্য্যক্ষম কৰি তুলিম।

৩২৯) আধুনিক সুবিধাৰে সংযোজিত এটা এডভাঞ্চড এ'মা কেয়াৰ চেন্টাৰ যোৰহাটত স্থাপন কৰা হ'ব যাতে ৰোগী সকলে চিকিৎসাৰ বাবে গুৱাহাটী বা ডিব্ৰুগড়লৈ অহাৰ প্ৰয়োজন নাথাকে।

৩৩০) মহোদয়, মই এই পবিত্ৰ সদনক জনাবলৈ বিচাৰিছো যে, স্বাস্থ্য ব্যৱস্থা আৰু চিকিৎসা শিক্ষাৰ সৰলীকৰণৰ অৰ্থে ২৮৭৫ কোটি টকা ব্যয় সাপেক্ষে জাপান আন্তঃৰাষ্ট্ৰীয় সমবায় অভিকৰণে বিত্তীয় সাহাৰ্য্য প্ৰদান কৰিবলগীয়া এটা প্ৰকল্প প্ৰস্তাৱ ড'নাৰ মন্ত্ৰালয়ৰ বিবেচনাধীন হৈ আছে। প্ৰস্তাৱিত প্ৰকল্পটোৰ উদ্দেশ্য হৈছে নৱজাতকৰ মৃত্যুৰ হাৰ, প্ৰসুতিৰ মৃত্যুৰ হাৰ আদিৰ দৰে গুৰুত্বপূৰ্ণ স্বাস্থ্য সূচক সমূহৰ উন্নীতকৰনকে ধৰি অসমত স্বাস্থ্যসেৱা , স্বাস্থ্য প্ৰশাসন আৰু স্বাস্থ্যৰ সা- সুবিধা / আন্তঃগাঁথনিৰ সৰ্ব্বাত্মিক উন্নীতকৰণ।

৩৩১)এইটো বিভাগৰ বাবে মই ২০১৮-১৯ বৰ্ষত ৫০৮২ কোটি টকা বাজেট আবণ্টনৰ প্ৰস্তাৱ কৰিছো।

**পাৰ্বত্য অঞ্চল বিভাগ ঃ**

৩৩২) মহাশয়, মই এই সুযোগতে উল্লেখ কৰিব বিচাৰিছো যে, আমাৰ চৰকাৰে অসমৰ কাৰ্বি আংলং স্বায়ত্ব শাষিত পৰিষদ আৰু ডিমা হাচাও স্বায়ত্ব শাসিত পৰিষদলৈ বিগত বছৰবোৰৰ তুলনাত অধিক পুঁজি আবণ্টন দিছে। নিম্নলিখিত তালিকাত পুঁজি আবণ্টনৰ সবিশেষ উল্লেখ কৰা হ'ল ঃ

কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদ আৰু ডিমা হাচাও স্বায়ত্ব শাসিত পৰিষদৰ বাবে বাজেট আবণ্টন

কোটি টকাৰ হিচাপত

| বছৰ | ২০১৫-১৬ | ২০১৬-১৭ | ২০১৭-১৮ | ২০১৮-১৯ |
|---|---|---|---|---|
| কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদ | ২৮২.০১ | ২৮২.০১ | ৩৩৯.৪৪ | ৩৭৪.৩২ |
| ডিমা হাচাও স্বায়ত্ব শাসিত পৰিষদ | ১২১.৩৫ | ১২১.৩৫ | ১৪৬.৫০ | ১৬১.৩৯ |

৩৩৩)তদুপৰি, বিগত বাজেটত মই ঘোষণা কৰিছিলো যে আমি কাৰ্বি আংলাং স্বায়ত্ব শাসিত পৰিষদ আৰু ডিমা হাচাও স্বায়ত্ব শাসিত পৰিষদলৈ সেই অঞ্চলৰ উন্নয়ণৰ ক্ষেত্ৰত থকা ব্যৱধান সমূহ দূৰ কৰিবলৈ এককালীন বিশেষ অনুদান আগবঢ়াম। সেই অনুসৰি বিগত বাজেটত কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদলৈ ১০০কোটি টকা আৰু ডিমা হাচাও স্বায়ত্ব শাসিত পৰিষদলৈ ৪৫ কোটি টকা ধাৰ্য্য কৰিছিলো আৰু চলিত বিত্তীয় বৰ্ষৰ ২০১৮ ৰ ৩১ মাৰ্চৰ আগতে এই দুখন পাহাৰীয়া জিলালৈ বৃহৎ মূলধন বিনিয়োগ প্ৰকল্পৰ বাবে সমূদায় পুঁজি মুকলি কৰি দিয়া হ'ব। ২০১৮-১৯ চনত ৩৭৪.৩২ কোটি KAACলৈ আৰু ১৬১.৩৯ কোটি DHACলৈ প্ৰামানিক আবণ্টনৰ বাদেও মই KAAC লৈ অতিৰিক্ত ১০০ কোটি আৰু DHAC লৈ অতিৰিক্ত ৫০ কোটি টকা ২০১৮-১৯ বিত্তীয় বৰ্ষত নিৰ্দ্ধাৰিণ কৰিছো।

৩৩৪) এই পৰ্যাপ্ত বিত্তীয় অনুদানৰ উপৰিও পঞ্চম অসম ৰাজ্যিক বিত্ত আয়োগৰ অনুমোদন অনুসৰি কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদলৈ ৩৯.৪৪ কোটি টকা আৰু ডিমা হাচাও স্বায়ত্ব শাসিত পৰিষদলৈ ২৪.৮৭ কোটি টকাৰ পুঁজিৰ আবণ্টনৰ প্ৰস্তাৱ ৰখা হ'ব।

৩৩৫) মই আশাবাদী যে, অঞ্চলটোৰ আন্ত:গাঁথনিৰ উন্নয়ণ আৰু অঞ্চলটোত বসবাস কৰা লোকসকলৰ জীৱন ধাৰণৰ মান উন্নীতকৰণৰ বাবে দুয়োখন স্বায়ত্ব শাসিত পৰিষদে এই পুঁজি ফলপ্ৰুসু ভাৱে আৰু সচ্ছ পদ্ধতিৰে ব্যৱহাৰ কৰিব।

৩৩৬) ৰাজ্যখনৰ দুয়োখন পাৰ্বত্য জিলাত কেইবাখনো শৈক্ষিক প্ৰতিষ্ঠান স্থাপন কৰাৰ কথাও মই ঘোষণা কৰিছো। মই নিশ্চিত যে এই পদক্ষেপে অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰী সকলক নিজৰ পছন্দৰ পাঠ্যক্ৰমত অধ্যয়ণ কৰাৰ বৃহৎ সুযোগ প্ৰদান কৰিব।

**গৃহ আৰু ৰাজনৈতিক বিভাগ ঃঅসমৰ সুৰক্ষাত**

৩৩৭) মোৰ আগৰ বাজেট ভাষণত উল্লেখ কৰাৰ দৰে আৰক্ষী আমাৰ চৰকাৰৰ 'পৰিবৰ্তন'ৰ মুখস্বৰূপ আৰু ই এক বহল পৰিসৰৰ নিৰ্দিষ্ট কাৰ্য্য আৰু সেৱা সামৰি লয় যিবিলাক সমাজৰ সুৰক্ষাৰ বাবে অতি ব প্ৰয়োজন।

৩৩৮) আমাৰ চৰকাৰে বিগত বৰ্ষত আৰক্ষীক অধিক উত্তৰদায়ী , প্ৰযুক্তিত দক্ষ, জনমুখী কৰিবৰ

বাবে Mission for Overall Improvement of Thana for Responsive image নামৰ আচঁনি আৰম্ভ কৰিছিল। ইয়াৰ উদ্দেশ্য আছিল থানা সমূহক জনমুখী সেৱা প্ৰদানকাৰী ৰূপে গঢ়ি তোলা। প্ৰথম পৰ্য্যায়ত প্ৰস্তাৱিত ৭৩ খন থানাৰ ভিতৰত ২৭ খনত এই আচঁনিৰ অধীনত নিৰ্মানৰ কাম আৰম্ভ কৰা হৈছে। ইয়াৰ বাবে ২০১৮-১৯ বিত্তীয় বৰ্ষত ১০০ কোটি টকা বাজেটত ধাৰ্য্য কৰা হৈছে।

৩৩৯) আমি ইতিমধ্যে প্ৰায় ৩ হাজাৰ গৰাকী যুবক-যুৱতীক আৰক্ষীত নিযুক্তি দিছো। তদুপৰি ২০১৮-১৯ বিত্তীয় বৰ্ষত অতিৰিক্ত ৫ হাজাৰ গৰাকী কণিষ্ঠ বল নিযুক্তি দিবৰ বাবে মই প্ৰস্তাৱ আগবঢ়াইছো।

৩৪০) আমাৰ চৰকাৰে আন্তঃৰাষ্ট্ৰীয় আৰু আন্তঃৰাজ্যিক সীমান্ত নিৰিক্ষণ সাৱলীকৰণ আৰু আইন শৃংখলা পৰিস্থিতিৰ উন্নয়ণৰ বাবে ৫ টা নতুন আই আৰ বেটেলিয়ান গঠণৰ প্ৰস্তাৱ কৰিছে আৰু ইয়াৰ বাবে মই ২৫ কোটি টকাৰ বাজেট ধাৰ্য্য কৰিছো।

৩৪১) গুৱাহাটীত ছাইবাৰ ড'ম আৰু আৰক্ষী জিলা সদৰত ছাইবাৰ- থানা: যোৱা বছৰৰ বাজেট ভাষণত প্ৰতিশ্ৰুতি দিয়া মতে অসম আৰক্ষীয়ে ডিজিটেল ফৰেনচিক সহ টেকনিকেল ইনটেলিজেঞ্চ কালেকচন , বৃহৎ তথ্যৰ বিশ্লেষণ তথা ডিজিটেল আন্তঃগাঁথনিৰ ছাইবাৰ সুৰক্ষাৰ বাবে এটা ছাইবাৰ ড'ম প্ৰকল্প আৰম্ভ কৰিছে। অসম আৰক্ষীৰ বিশেষ শাখাই এন.টি. আৰ. অ' (National Technical Research Organization) ৰ সৈতে এটা অত্যাধুনিক "অনলাইন ছছিয়েল মিডিয়া লেব" আৰু প্ৰশিক্ষণৰ ব্যৱস্থা আৰম্ভ কৰিবলৈ এক বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে, যিয়ে কেৱল অসমৰ আৰক্ষীৰে নহয় বৰঞ্চ উত্তৰ পূৰ্বাঞ্চলৰ অন্যান্য ৰাজ্যৰ আৰক্ষীকো সেৱা আগবঢ়াব। অসম হ'ব হাৰিয়াণাৰ পিচত এনে সুবিধা থকা দেশখনৰ দ্বিতীয়খন ৰাজ্য।

৩৪২) ইয়াৰ লগতে আমাৰ চৰকাৰে প্ৰতিখন জিলাতে এখনকৈ অৰ্থ্যাৎ ৩৫ খন ছাইবাৰ অপৰাধ আৰক্ষী থানা স্থাপন কৰিবলৈ প্ৰস্তাৱ আগবঢ়াইছে। গুৱাহাটীস্থিত ছাইবাৰ ড'মে ছাইবাৰ নিৰাপত্তা, ছাইবাৰ ফৰেনচিক, ডিজিটেল তথ্য বিশ্লেষন, ছছিয়েল মিডিয়া নিৰিক্ষণৰ বাবে মূখ্য ছাইবাৰ অপৰাধ তত্বাবধান কেন্দ্ৰ হিচাপে কাম কৰাৰ লগতে প্ৰস্তাৱিত জিলা পৰ্য্যায়ৰ ছাইবাৰ আৰক্ষী থানাৰ সৈতে সমন্বয় স্থাপন কৰিব আৰু ছাইবাৰ গতি বিধি গভীৰভাৱে নিৰিক্ষণ কৰিব। ইয়াৰ উপৰি এই প্ৰকল্পটোৱে আৰক্ষী- জনসাধাৰণৰ প'টেল ৰ জৰিয়তে জনসাধাৰণৰ সৈতে আৰক্ষী বিভাগৰ জৰিয়তে জনসাধাৰণৰ সৈতে আৰক্ষী বিভাগৰ ডিজিটেল যোগাযোগ সুগম কৰি তুলিব আৰু ই অসম আৰক্ষীৰ সৰ্ব্বাঙ্গীন সেৱা প্ৰদান ব্যৱস্থা উন্নত কৰি তুলিব।

৩৪৩) পৰ্য্যটন হৈছে সামাজিক সমন্বয়নৰ এক বৃহৎ অনুঘটক। ঘৰুৱা আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্য্যটক সকলৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ আমাৰ চৰকাৰে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান (গোলাঘাট), মানাহ ৰাষ্ট্ৰীয় উদ্যান(বৰপেটা), ডিব্ৰু চৈখোৱা ৰাষ্ট্ৰীয় উদ্যান(তিনিচুকীয়া), নামেৰী ৰাষ্ট্ৰীয় উদ্যান( শোনিতপুৰ), ওৰাং ৰাষ্ট্ৰীয় উদ্যান(ৰৌতা), আৰু গুৱাহাটীত এখনকৈ অৰ্থাৎ মুঠ ছখন পৰ্য্যটক আৰক্ষী থানা স্থাপন কৰিবলৈ প্ৰস্তাৱ আগবঢ়াইছে।

৩৪৪) আমি ডেৰ গাওঁৰ আৰক্ষী প্ৰশিক্ষণ মহাবিদ্যালয়ক ৰাজ্যিক আৰক্ষী একাডেমীলৈ উন্নীত কৰিম। এই একাডেমীক আমি এটা সুন্দৰভৱন, আধুনিক সা- সজুলি আৰু প্ৰশিক্ষণৰ শেহতীয়া প্ৰনালী সমূহেৰে সজ্জিত কৰিম। ২০১৮-১৯ বিত্তীয় বৰ্ষত এই প্ৰকল্পত অধিক অগ্ৰগতি প্ৰদান কৰা হ'ব আৰু ইয়াৰ উদ্দেশ্যে মই ৬ কোটি টকাৰ পুঁজি ধাৰ্য্য কৰিছো।

৩৪৫) চৰকাৰে অসমৰ বিভিন্ন অঞ্চলত ৪২ টা নতুন অগ্নি আৰু জৰুৰীকালীন সেঁৱা কেন্দ্ৰ অনুমোদনৰ বাবে প্ৰস্তুতি চলাই আছে।

৩৪৬) ন্যায় প্ৰদান ব্যৱস্থাত ফৰেনচিক বিজ্ঞানৰ ভূমিকা অনুধাৱন কৰাৰ ক্ষেত্ৰত নতুন প্ৰজন্মক সহায় কৰিবৰ বাবে ফৰেনচিক বি জ্ঞান সঞ্চালকালয়, অসমত এক ফৰেনচিক বিজ্ঞান প্ৰতিষ্ঠান আৰম্ভ কৰাৰ পৰিকল্পনা হাতত লোৱা হৈছে। এই প্ৰস্তাৱিত প্ৰতিষ্ঠানত বিভিন্ন চৰকাৰী কৰ্মচাৰীৰ বাবে চাইবাৰ অপৰাধ, জালনোটৰ প্ৰবঞ্চনা, আদিৰ দৰে বিষয়সমূহত বহলভিত্তিত প্ৰশিক্ষণ কাৰ্য্যসূচীও আৰম্ভ কৰা হ'ব।

**৩৪৭)** এই বিভাগটোৰ বাবে ২০১৮-১৯ বৰ্ষত মুঠ ৫৫৮৪ কোটি টকা ধাৰ্য্য কৰা হৈছে।

**অসম চুক্তি ৰূপায়ণঃ প্ৰতিশ্ৰুতি ৰক্ষা**

"আছে মানুহৰ ওপৰত বিশ্বাস,
আমাৰ আছে ভৱিষ্যতৰ সুস্থ ৰঙা সূৰ্য্যৰ পিনে চকু
বৰ্তমানৰ নিৰালম্ব নিৰাশক্তিৰ, বিকৃত জঞ্জাল লই
জীয়াৰ বুকুত, আমাৰ দুৰু দুৰু স্পন্দমান অন্তৰতো আছে
শতেক ভৰসা-----
------তাৰ বাবে আমি উৰ্বৰা মাটিৰ কৰ্মনিষ্ঠ পুজাৰী।
আমি যুগ পৰিস্থিতিৰ প্ৰতীক
বস্তু আৰু আদৰ্শৰ দ্বন্দ্বাত্মক গতি
সংগ্ৰাম লিপ্ত বিপ্লবী"

৩৪৮) হিংসাত্মক ঘটনাত দুখজনকভাৱে নিজৰ জীৱন হেৰুওৱা শ্বহীদ অমুল্য বৰুৱাৰ এটা কৰিতাৰ পৰা মই ওপৰৰ শাৰী কেইটা উদ্ধৃত কৰিছো। ইতিহাসে আমাক কয় যে, চাৰি বেৰৰ সুৰক্ষাৰ মাজৰ পৰা ওলাই আহি দেশৰ হকে মাতমতা ব্যক্তিসকলৰ বাবেই আমাৰ স্বাধীনতা, আমাৰ অধিকাৰ আৰু আমাৰ সংস্কাৰ সুৰক্ষিত আৰু বিজয়া হৈ আহিছে। যথেষ্ঠ পলমকৈ হলেও অসম আন্দোলনৰ ৮৫৫ গৰাকী শ্বহীদক ২০১৭ চনৰ ডিচেম্বৰ মাহত ৰাজ্য চৰকাৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। যদিও এই মহান আত্মা সকলৰ ওচৰত থকা আমাৰ ঋণ আমি কেতিয়াও পৰিশোধ কৰিব নোৱাৰো, তথাপিও আমাৰ কৃতজ্ঞতা আৰু শ্ৰদ্ধাৰ চিনস্বৰূপে এই ৮৫৫ গৰাকী শ্বহীদৰ নিকট আত্মীয়লৈ ৫ লাখ টকাকৈ আগবঢ়োৱা হৈছে। মোৰ পূৰ্বৰ বাজেট ভাষণত মই কৈছিলো যে বন্দুকৰ গুলীত আহত সকল আৰু যৌন অপৰাধৰ বলী হোৱা সকলৰ প্ৰতিও আমাৰ এটা দায়িত্ব আছে। এই কথা কাৰ্য্যত ৰূপায়ণ কৰাৰ অৰ্থ গুলীত আহত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত আৰু ধৰ্ষণৰ

বলী হোৱা সকললৈ ২ লাখ টকাকৈ আৰ্থিক সাহায্য প্ৰদানৰ কথা মই ঘোষণা কৰিছো। ইয়াৰ বাবে মই ১০ কোটি টকা ধাৰ্য কৰিছো।

৩৪৯) অসম চুক্তি কাৰ্য্যকৰী ভাৱে আখৰে আখৰে ৰূপায়ণৰ প্ৰতি অসম চৰকাৰ প্ৰতিশ্ৰুতি বদ্ধ। মোৰ বিগত বাজেট ভাষণত মই উল্লেখ কৰিছিলোঁ যে অসম আন্দোলন কেৱল বিদেশীৰ অগ্ৰাসনৰ পৰা অসমক বচাবলৈ কৰা আন্দোলনেই নাচিল, বৰঞ্চ ই আছিল দেশৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতাক সুৰক্ষা দিয়াৰ আন্দোলন।

৩৫০) বাংলাদেশ সীমান্তৰে হোৱা অবৈধ অনুপ্ৰৱেশ ৰোধ কৰাৰ বাবে ভাৰত- বাংলাদেশ সীমান্ত ছীল কৰাটো অসম চৰকাৰৰ সৰ্বোচ্চ অগ্ৰাধিকাৰ বিষয়। ২৬৩ কি: মি দৈৰ্ঘ্যৰ অসম বাংলাদেশ সীমান্তৰ ভিতৰত ২০১.৫১ কি: মি দৈৰ্ঘ্যৰ সীমাক কাঁইটীয়া তাঁৰৰ বেৰাৰে আবৃত কৰা হৈছে। কেমেৰা, সংবেদক যন্ত্ৰ, ৰাডাৰ, লেজাৰ, উচ্চ ক্ষমতা -সম্পন্ন লাইট আদি সংস্থাপনৰ দৰে প্ৰযুক্তিগত ব্যৱস্থাৰ জৰিয়তে অৱশিষ্ট অঞ্চল সমূহকো সামৰি লোৱাৰ প্ৰক্ৰিয়া চলি আছে। এই স্থানত প্ৰযুক্তিগত সমাধান ব্যৱস্থা ৰূপায়ণৰ কাম সীমান্ত সুৰক্ষা বাহিনীয়ে কৰি আছে।

৩৫১) অসমত বাস কৰা ১.৯০ কোটি ভাৰতীয় নাগৰিকৰ নাম অন্তৰ্ভুক্তিৰে অদ্যাবধিকৃত ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ প্ৰথমখন খচৰা তালিকাৰ প্ৰকাশ ৰাজ্য তথা দেশৰ ইতিহাসত এক বৃহৎ পৰিঘটনা। অৱশিষ্ট ১.৩৯ কোটি লাখৰ নামৰ ক্ষেত্ৰত পৰীক্ষণ প্ৰক্ৰিয়া মহামান্য উচ্চতম ন্যায়ালয়ৰ সামগ্ৰিক তত্বাবধানত অব্যাহত আছে। ২০১৮-১৯ বৰ্ষত এন আৰ চি সম্পৰ্কীয় কাম০ কাজ সম্পাদনৰ বাবে মই ৯১ কোটি টকা আৱণ্টনৰ প্ৰস্তাৱ কৰিছোঁ।

৩৫২) অসম চুক্তিৰ এক অন্যতম চৰ্ত অনুসৰি অশোক কাগজ কল (অসম) পৰিসীমিতৰ পুনৰজ্জীৱিতকৰণৰ প্ৰক্ৰিয়া চলি আছে। মোৰ বিশ্বাস যে এই ক্ষেত্ৰত আমি শীঘ্ৰেই এক সমাধানত উপনীত হ'বলৈ সক্ষম হ'ম।

উদ্যোগ আৰু বাণিজ্য বিভাগ ঃ সৰ্বদিশত বিকাশ সৃষ্টি

৩৫৩) মোৰ ভাষণত পূৰ্বতে উল্লেখ কৰি অহাৰ দৰে, গুৱাহাটীত ২০১৮ চনৰ ৩ আৰু ৪ ফেব্ৰুৱাৰী তাৰিখে অনুষ্ঠিত হৈ যোৱা "এডভাণ্টেজ আছাম: বিশ্ব বিনিয়োগ কাৰী সন্মিলন"খনে অসমক আছিয়ান দেশ সমূহলৈ ভাৰতৰ দ্ৰুতপথ(India's Expressway to ASEAN)ৰূপে প্ৰতিপন্ন কৰিলে। মাননীয় প্ৰধান মন্ত্ৰীৰ 'এক্ট ইষ্ট' ভবিষ্য দৰ্শনৰ অংশ হিচাপে অসমক আছিয়ান / বি বি এন দেশ সমূহৰ আৰু সংগঠিত ব্যৱসায়িক সংস্থা সমূহৰ উদ্যোগিক কেন্দ্ৰ আৰু বজাৰৰ কেন্দ্ৰস্থল হিচাপে গঢ়ি তোলাৰ বাবে আকৰ্ষণ লাভ কৰিবলৈ আমি সক্ষম হৈছো।

৩৫৪) ইয়াৰ উপৰিও সম্ভাব্য বিনিয়োগকাৰীসকলৰ বাবে ভূমিৰ উপলব্ধতা সহজ কৰি তুলিবলৈ আমি তেওঁলোকক নিজৰ গোট স্থাপন কৰাৰ ক্ষেত্ৰত সহায় কৰিবলৈ 'ভূমি বেঙ্ক' সৃষ্টি কৰিছো। আমাৰ চৰকাৰে ৰাজ্যখনৰ ক্ষীপ্ৰ ঔদ্যোগীকৰণৰ বাবে খিলঞ্জীয়া লোকসকলৰ ভূমি স্বত্বৰ হানি

নোহোৱাকৈ কামৰূপ মহানগৰ জিলাৰ জালুক বাৰীৰ পৰা কামৰূপ জিলাৰ কুকুৰমাৰালৈ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ আৰু একেধৰণে কামৰূপ মহানগৰ জিলাৰ জালুকবাৰীৰ পৰা নলবাৰী জিলাৰ টিহুলৈ ৩১ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দুয়োকাষৰে ৫০০ মিটাৰ দুৰত্বৰ পিছৰ ১ কি: মি দুৰত্বৰ ভিতৰৰ জনজাতীয় বেষ্টনী আৰু খণ্ড, আৰ্দ্ৰভূমি , অধিসূচিত বনভূমি তথা সংৰক্ষিত গ্ৰাম্য চৰনীয়া ভুমিৰ বাদে বাকী অঞ্চলক 'ঔদ্যোগীক অঞ্চল' হিচাপে ঘোষণা কৰিছে।

৩৫৫) জি.এছ.টি. বলৱৎ হোৱাৰ পিছৰ পৰা সংশ্লিষ্ট ঔদ্যোগিক নীতিৰ অধীনত বৰ্তমানে থকা ঔদ্যোগিক গোট সমূহক কৰ ৰেহাই দিয়াৰ ব্যৱস্থাটো অপ্ৰাসংগিক হৈ পৰিছে যিহেতু ঔদ্যোগিক গোট সমূহে বৰ্তমান জি.এছ.টি. ৰ অধীনতহে কৰ আদায় দিব লাগে। ঔদ্যোগীকৰণত আমাৰ গুৰুত্ব বাহাল ৰাখিবলৈ অসম উদ্যোগ (উপযুক্ত গোট সমূহৰ বাবে কৰ পৰিশোধ) আঁচনি, ২০১৭ Assam Industries (Tax Reimbursement for Eligible Units) Scheme, 2017 প্ৰৱৰ্তন কৰি এক অগ্ৰগামী পদক্ষেপ গ্ৰহণ কৰিছে। আঁচনি খনৰ অধীনত কেৱল বৰ্তমান থকা ঔদ্যোগিক গোট সমূহকেই নহয় বৰঞ্চ জি.এছ.টি. বলৱৎ হোৱাৰ পিছত গঠন হোৱা ঔদ্যোগিক গোট সমূহলৈও ১০০% কৰ ঘূৰাই দিয়াৰ ব্যৱস্থা আছে।

৩৫৬) বিশ্ব বিনিয়োগকাৰী সন্মিলনৰ দ্বাৰা সৃষ্ট উদ্যমৰ পৰা লাভালাভ আহৰণ কৰিবলৈ 'ইনভেষ্ট আছাম' নামেৰে এক কেন্দ্ৰীভূত সংস্থা স্থাপনৰ প্ৰস্তাব লোৱা হৈছে। এই সংস্থাটোৱে 'ইনভেষ্ট ইণ্ডিয়া'ৰ সৈতে কাম কৰিব আৰু নিয়মিত ভাৱে বিনিয়োগৰ প্ৰসাৰ তথা বিনিয়োগৰ পৰৱৰ্তী কাম-কাজ নিয়মীয়া ভাৱে চোৱা-চিতা কৰিব।

৩৫৭) আমি গুৱাহাটীক পূৰ ভাৰতৰ ব্যৱসায়ীক উদ্‌ঘাটন কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰো পৰিকল্পনা কৰিছো। গুৱাহাটীত ক্ষীপ্ৰভাৱে গঢ়ি উঠা প্ৰাৰম্ভিক উদ্যোগ স্থাপন সংস্কৃতিক সহায় কৰাৰ লগতে উদ্যোগীসকলক এখন মঞ্চ প্ৰদান কৰাৰ উদ্দেশ্যে আমি " End to End Innovation Eco-system" সম্বলিত তথা "Plug and Play Work Spaces" সুবিধাযুক্ত দ্ৰুত ইণ্টাৰনেট সংযোগ ব্যৱস্থা, সভাগৃহ, বিশেষজ্ঞ আৰু বিনিয়োগকাৰীৰ সৈতে সহজ যোগাযোগ, ন্যায়িক আৰু নিয়ন্ত্ৰণৰ নিৰ্দেশনাৱলী আদি সা-সুবিধাৰে গুৱাহাটীৰ আমবাৰীত Assam Hub নামেৰে এক অত্যাধুনিক উদ্ভাৱনী কেন্দ্ৰ হিচাপে স্থাপন কৰিবলৈ লৈছো। বিভাগটোৱে লগতে Assam Startup Policy, 2017 ৰূপায়ণ কৰি প্ৰাৰম্ভিক উদ্যোগ সমূহলৈ আৰ্থিক আৰু অনা-আৰ্থিক উদগনি আগবঢ়াব।

৩৫৮) ২০১৮-২০১৯ বৰ্ষৰ বাজেটত মই উদ্যোগ আৰু বাণিজ্য বিভাগৰ বাবে সৰ্বমুঠ ৮৩৯ কোটি টকাৰ পুঁজিৰ প্ৰস্তাব ৰাখিছো।

**তথ্য আৰু জন সংযোগ বিভাগঃ ৰাজ্যখনক সংযোগকৰণ**

৩৫৯) মোৰ যোৱা বাজেট ভাষণত কৰ্তব্যৰত অৱস্থাত প্ৰাণ হেৰুৱাব লগীয়া হোৱা সাংবাদিক সকলৰ শোক-সন্তপ্ত পৰিয়াললৈ বিত্তীয় সাহাৰ্য প্ৰদান কৰাৰ উদ্দেশ্যে "সাংবাদিক পৰিয়াল কল্যাণ পুঁজি" গঠন কৰিবলৈ প্ৰস্তাব আগবঢ়াইছিলো। ঘোষণা কৰা অনুসৰি ইয়াৰ বাবে আমি ইতিমধ্যে ১০০ লাখ টকাৰ আৱণ্টন কৰিছো আৰু ২০১৮-১৯ বৰ্ষৰ বাবে মই বাজেটত পৰ্যাপ্ত পুঁজিৰ ব্যৱস্থা কৰিছো।

৩৬০) এই বছৰ আমি ৰাজ্য খনৰ প্ৰয়াত অথবা কৰ্তব্যত থকা অৱস্থাত নিৰুদিষ্ট বুলি ঘোষিত হোৱা ৩১ গৰাকী সাংবাদিকৰ নিকট আত্মীয়লৈ ৫ লাখ টকাকৈ এককালীন সাহাৰ্য আগবঢ়াইছো

আৰু ২০১৮-১৯ বৰ্ষৰ বাবে মই এই বাজেটত পৰ্যাপ্ত ধন ধাৰ্য কৰিছো।

৩৬১) ইয়াৰোপৰি, মোৰ যোৱা বছৰৰ বাজেট  ভাষণত দিয়া প্ৰতিশ্ৰুতি অনুসৰি অসমত ২০ বছৰতকৈ অধিক সময় সেৱা আগবঢ়োৱা সাংবাদিক সকললৈ অৱসৰৰ সুবিধা প্ৰদান কৰাৰ অৰ্থে "সাংবাদিকৰ বাবে পেঞ্চন আঁচনি" আৰম্ভ কৰা হৈছে আৰু আমি ইতিমধ্যে সাংবাদিকতাৰ ক্ষেত্ৰলৈ প্ৰভুত বৰঙণি আগবঢ়োৱা ৰাজ্যখনৰ কেইবাগৰাকী শ্ৰদ্ধেয় সাংবাদিকলৈ  ৮০০০ টকাকৈ ব্যক্তিগত পেঞ্চন আগবঢ়াইছো। চলিত বৰ্ষতো আমি এই আঁচনি অব্যাহত ৰাখিম আৰু প্ৰতি বছৰত অতিৰিক্ত ২০ জন সাংবাদিকক পেঞ্চন দিয়াৰ ব্যৱস্থা কৰিম। ইয়াৰ বাবে প্ৰয়োজনীয় ধন বাজেটত ধাৰ্য কৰা হৈছে।

৩৬২) ইয়াৰোপৰি, সাংবাদিক তথা তেওঁলোকৰ পৰিয়ালৰ সুৰক্ষা তথা নিৰাপত্তা নিশ্চিত কৰিবলৈ মই এতিয়া " সাংবাদিক বীমা আঁচনি" নামেৰে এখন নতুন আঁচনি প্ৰৱৰ্তন কৰাৰ প্ৰস্তাৱ কৰিছো। এই  আঁচনিৰ নীতি-নিৰ্দেশনা তথা ৰূপায়ণ প্ৰণালী তথ্য আৰু জনসংযোগ বিভাগে প্ৰস্তুত কৰিব আৰু ইয়াৰ বাবে মই প্ৰয়োজনীয় পুঁজি বাজেটত ধাৰ্য কৰিছো।

৩৬৩) সাংবাদিকতাৰ ক্ষেত্ৰ খনত উচ্চ শিক্ষা লাভৰ সুবিধাৰ্থে ২০ গৰাকী সাংবাদিকক ৫০ হাজাৰ টকাকৈ Fellowship প্ৰদান কৰিবৰ বাবে Media Fellowship স্থাপন কৰাৰ বাবে মই প্ৰয়োজনীয় ব্যৱস্থা হাতত লৈছো।

৩৬৪) অধ্যক্ষ মহোদয়, আমাৰ ইয়াত  কাম কৰা  সাংবাদিক  শ্ৰী ৰাধিকা মোহন ভাগৱতী, তেখেতৰ পৰলোক প্ৰাপ্তি হ'ল। গতিকে, Media Trust এ কৰি থকা কামৰ শলাগৰ চিন স্বৰূপে মই এই Trust লৈ  ১০ লাখ টকাৰ এককালীন মঞ্জুৰি  প্ৰদানৰ  প্ৰস্তাৱ লৈছো।

৩৬৫) ২০১৮-১৯ বৰ্ষত এই বিভাগৰ বাবে মই ৬৩ কোটি টকা ধাৰ্য কৰিছো।

**তথ্য প্ৰযুক্তি বিভাগঃ ডিজিটেল প্ৰযুক্তিৰ সুবিধা আহৰণ**

৩৬৬) আমাৰ চৰকাৰে অলপতে তথ্য প্ৰযুক্তি সঞ্চালকালয় উদ্বোধন কৰিছে আৰু সঞ্চালকালয় স্থাপনৰ ফলত প্ৰসাৰতা তথা ৰাজ্য চৰকাৰৰ সেৱা প্ৰদানৰ সামৰ্থ বৃদ্ধি পাব বুলি আশা কৰা হৈছে।

৩৬৭) অলপতে প্ৰৱৰ্তন কৰা বৈদ্যুতিন সেৱা প্ৰদান নিয়মাৱলী, ২০১৭ কাৰ্যকৰী ভাৱে ৰূপায়ণৰ লক্ষৰে ২০১৮-১৯ বৰ্ষৰ বাজেটত আৱশ্যকীয় পুঁজি ধাৰ্য কৰা হৈছে।

৩৬৮) আমি গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰৰ ওচৰত এখন প্ৰযুক্তি নগৰ স্থাপন কৰি আছো। ১১৯.৮৯ কোটি টকাৰ  মুঠ প্ৰকল্প ব্যয়েৰে এই প্ৰযুক্তি নগৰৰ কাম-কাজ ২০১৯  চনৰ ১ জানুৱাৰীৰ পৰা আৰম্ভ হ'ব। আমি ৰপ্তানি ভিত্তিক কোৱাণ্টাম ডট্ নেনো কনা উৎপাদন আৰম্ভ কৰাৰ প্ৰস্তাৱ ৰাখিছো আৰু ই হ'ব ভাৰতৰ প্ৰথম আৰু বিশ্বৰ ভিতৰতে চতুৰ্থতম কাৰখানা। এই কাৰখানাই কোৱাণ্টাম ডট্ এল.ই.ডি প্ৰদৰ্শন, সৌৰ ফটো ভলটিত, কাৰ্যক্ষম বেটাৰী আৰু নিৰাপত্তা চিয়াঁহী উৎপাদন কৰাৰ  বাবে ভটিয়নী উদ্যোগৰ উৎপত্তি আৰু বিকাশৰ বাবে সহায়ক হ'ব। লগতে গুৱাহাটীৰ IT Park ত Hardware নিৰ্মাণৰ বাবে আমি এই বছৰৰ পৰাই কাম আৰম্ভ কৰিম।

৩৬৯) অধ্যক্ষ মহোদয়, শেহতীয়া প্ৰযুক্তিৰ সহায়ত  আমাৰ ৰাজ্যৰ গাঁও সমূহৰ উত্তৰোত্তৰ উন্নতি আৰু শ্ৰীবৃদ্ধি ঘটোৱাটো আমাৰ এক স্বপ্ন। এই সপোন মনত ৰাখি আমি অসমৰ " প্ৰযুক্তিমূলক গাঁও" (Tech-Village in Assam) নামৰ এক আঁচনি প্ৰাৰম্ভিক ভিত্তিত স্থাপন কৰিব খুজিছো। উচ্চ মানৰ প্ৰযুক্তি সম্বলিত  ইণ্টাৰনেট , ৰব'টিক্স (Robotics), কৃত্ৰিম বুদ্ধিমত্তা (Artificial

Intelligence) আদি এই আঁচনিৰ অন্তৰ্ভূক্ত হ'ব। যদি সফল হ'ব পাৰো তেন্তে এই উদ্যোগক আমি ৰাজ্যখনৰ অন্যান্য প্ৰান্তলৈকে আগবঢ়াই লৈ যাম।

৩৭০) মই আপোনালোকক জনাবলৈ পাই সুখী হৈছো যে ই-জিলা সেৱা ব্যৱস্থাই এতিয়া দুবছৰ সম্পূৰ্ণ কৰিছে আৰু এই সময়ছোৱাত নাগৰিক সকলে এক নিযুততকৈও অধিক অনলাইন আবেদন দাখিল কৰিছে। এই দিশত শ্ৰেষ্ঠ প্ৰদৰ্শনকাৰী জিলাসমূহক চিহ্নিত কৰি ই-জিলা প্ৰকল্পৰ সফল ৰূপায়ণৰ বাবে তেওঁলোকক পুৰস্কৃত কৰিবলৈ মই প্ৰস্তাৱ আগবঢ়াইছো।

৩৭১) মই বিভাগটোৰ নামত ২০১৮-১৯ বিত্তীয় বৰ্ষত ৬০ কোটি টকাৰ আৱণ্টন ৰখাৰ প্ৰস্তাৱ দিছো।

**জল সিঞ্চন বিভাগঃ সম্ভাৱনীয়তা উন্মুক্তকৰণ**

৩৭২) ২০২২ চনৰ ভিতৰত কৃষকৰ উপাৰ্জন দুগুণ কৰাৰ প্ৰতি আমাৰ চৰকাৰ প্ৰতিশ্ৰুতি বদ্ধ আৰু সেই অনুসৰি এই লক্ষ্যত উপনীত হ'বলৈ চৰকাৰে কেইবাখনো আঁচনি হাতত লৈছে। ২০ খন বৃহৎ আৰু মজলীয়া জলসিঞ্চন আঁচনিৰ ভিতৰত আমি ইতিমধ্যে ১৫ খন আঁচনি সম্পূৰ্ণ কৰিছো আৰু ৫ খন আঁচনিৰ ৰূপায়ণৰ কাম চ লি আছে। ইয়াৰ দ্বাৰা ২০১৭ চনৰ ডিচেম্বৰ মাহলৈকে ২.৭৯৪২৩ লাখ হেক্টৰ ভূমিত জলসিঞ্চনৰ সম্ভাৱনীয়তা সৃষ্টি কৰা হৈছে।

৩৭৩) বৃহৎ আৰু মজলীয়া জলসিঞ্চন খণ্ডত নাবাৰ্ডৰ পৰা লাভ কৰা ঋ ণৰ অধীনত ধনশিৰি জলসিঞ্চন প্ৰকল্প (বৃহৎ) ৰ কাম হাতত লোৱা হৈছে আৰু ২০১৮ চনৰ মাৰ্চৰ ভি তৰত ইয়াক সম্পূৰ্ণ কৰাৰ লক্ষ্য লোৱা হৈছে। ইয়াৰ দ্বাৰা ২৩৯৭২ হেক্টৰ ভূমিত জলসিঞ্চনৰ সম্ভাৱনীয়তা সৃষ্টি কৰা হ'ব।

৩৭৪) ভাৰত চৰকাৰৰ পৰা PMSKY (HKKP) আৰু PMSKY ৰ অধীনত পুঁজি লাভ কৰা সাপেক্ষে প্ৰতিটো সমষ্টিত ৪ খন ক্ষুদ্ৰ জলসিঞ্চন আঁচনি আৰু সৌৰ শক্তি তথা বিদ্যুৎ শক্তিৰ দ্বাৰা চালিত এক হাজাৰ খন টিউবৱেল আঁচনিৰ প্ৰস্তাৱ কৰা হৈছে। ইয়াৰ দ্বাৰা ২০১৮-১৯ বৰ্ষত ১৯১২০ হেক্টৰ ভূমিক জলসিঞ্চনৰ অধীনলৈ অনা হ'ব।

৩৭৫) ২০১৮-১৯ বৰ্ষত বিভাগটোৰ বাবে ১৭০০ কোটি টকাৰ প্ৰস্তাৱ কৰা হৈছে।

**ন্যায়িক বিভাগঃ আইনৰ শাসন**

৩৭৬) এইটো কোৱা হয় যে "ন্যায় প্ৰদানত বিলম্ব হোৱা মানে ন্যায় দানৰ পৰা বঞ্চিত কৰা"। এখন নাগৰিককেন্দ্ৰীক চৰকাৰ হিচাপে আমি সদায় ৰাজ্যৰ ন্যায়িক ব্যৱস্থাটোৰ প্ৰতি অগ্ৰাধিকাৰ দি আহিছো যাতে ন্যায় প্ৰদানত বিলম্ব নহয় নাইবা ন্যায় প্ৰদানৰ পৰা কাকো বঞ্চিত কৰা নহয়। ন্যায় ব্যৱস্থাটোলৈ গুণগত আন্তঃগাঁথনি প্ৰদানৰ দ্বাৰা সম্ভাব্য সকলো সুবিধা প্ৰদান কৰাটো হৈছে আমাৰ চৰকাৰৰ অগ্ৰাধিকাৰৰ বিষয়। গুৱাহাটী উচ্চ ন্যায়ালয় চৌহদত প্ৰেক্ষাগৃহ নিৰ্মাণ, চি.চি. টি.ভি. কেমেৰা স্থাপন, দিব্যাংগ সকলৰ বাবে সহায়ক হোৱাকৈ আদালত স্থাপন, বিশুদ্ধ খোৱা পানী যোগান আৰু ৰাজ্যখনৰ

সকলো আদালত চৌহদতে ৰাজহুৱা প্ৰস্ৰাৱগাৰ নিৰ্মাণৰ পদক্ষেপ হাতত লোৱা হৈছে।

৩৭৭) মই আপোনালোকক জনাব পাই সুখী হৈছো যে বন্যপ্ৰাণী (সুৰক্ষা) আইন, ১৯৭২ ৰ অধীনত ফাষ্ট ট্ৰেক আদালত অনুষ্ঠিত কৰাৰ বিষয়ে ইতিমধ্যে অধিসূচীত কৰা হৈছেআৰু এই গোচৰ সমূহ ক্ষীপ্ৰতাৰে নিষ্পত্তি কৰাৰ বাবে পদক্ষেপ হাতত লোৱা হৈছে। তদুপৰি ২০০৮ চনৰ ৩০ অক্টোবৰ তাৰিখে সংঘটিত হোৱা বোমা বিস্ফোৰণ সম্পৰ্কীয় গোচৰটোৰ বিচাৰৰ বাবে এখন 'বিশেষ আদালত' অলপতে উদ্বোধন কৰা হৈছে। এই ঘটনাৰ বলি হোৱা ব্যক্তি সকললৈ ন্যায় প্ৰদান কৰাৰ ক্ষেত্ৰত

মাননীয় উচ্চ ন্যায়ালয়ে গ্ৰহণ কৰা পদক্ষেপ যথেষ্ট প্ৰশংসনীয়।

৩৭৮) বিভিন্ন পদক্ষেপ হাতত লোৱাৰ বাবে ২০১৮-১৯ বৰ্ষৰ বাজেটত ন্যায়িক বিভাগলৈ মই ৫৮২ কোটি টকাৰ আবণ্টন দিছো।

**বিধায়িনী বিভাগঃ বিবাদ নিষ্পত্তি, ন্যায় প্ৰদান**

৩৭৯) আমাৰ চৰকাৰ আইনী বিবাদ সমূহ ক্ষিপ্ৰতাৰে নিষ্পত্তি কৰাৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধ। দৰং, নলবাৰী , তিনিচুকীয়া, শোণিতপুৰ আৰু কাছাৰ জিলাত বিকল্প বিবাদ নিষ্পত্তিকৰণ কেন্দ্ৰ নিৰ্মাণ কৰা হৈছে আৰু বঙাইগাঁও, ধেমাজি, গোলাঘাট, যোৰহাট, ডিব্ৰুগড়, কোকৰাঝাৰ আৰু বৰপেটাত এনে কেন্দ্ৰৰ নিৰ্মাণ কাৰ্য সোনকালে সম্পূৰ্ণ হৈ উঠিব। চতুৰ্দশ বিত্ত আয়োগৰ অনুদানেৰে অৱশিষ্ট জিলা সমূহতো পৰ্যায়ক্ৰমে এনে কেন্দ্ৰ নিৰ্মাণ কৰা হ'ব।

৩৮০) এই বিভাগৰ বাবে ২০১৮-১৯ বৰ্ষত ৪৫ কোটি টকা আবণ্টন কৰা হৈছে।

**খনি আৰু খনিজ সম্পদঃ প্ৰকৃতিৰ অৱদান**

৩৮১) অসম চৰকাৰৰ খনি আৰু খনিজ সম্পদ বিভাগে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে আৰু বিগত বৰ্ষ সমূহত অসমৰ খনিজাত সম্পদৰ প্ৰবৰ্ধনৰ ক্ষেত্ৰত উল্লেখযোগ্য সফলতা লাভ কৰিছে। খাৰুৱা তেল, প্ৰাকৃতিক গেছ, কয়লা আৰু চূণ শিলৰ পৰা সংগৃহীত ৰাজহৰ জৰিয়তে ৰাজ্যখনৰ ৰাজহ উপাৰ্জনৰ ক্ষেত্ৰত উল্লেখযোগ্য বৰঙণি লাভ কৰা হৈছে।

৩৮২) তদুপৰি, খনিৰ দাঁতি কাষৰীয়া অঞ্চলসমূহত বসবাস কৰা লোক সকলৰ ওপৰত তথা পৰিৱেশৰ ওপৰত পৰা খননৰ প্ৰভাৱ সম্পৰ্কে আমাৰ চৰকাৰ যথেষ্ট উদ্বিগ্ন। খনি আৰু খনিজাত দ্ৰব্য (উন্নয়ন আৰু নিয়ন্ত্ৰণ) আইন, ২০১৫ ৰ অধীনত অসমৰ ৩৩ খন জিলাত জিলা খনিজ প্ৰতিষ্ঠান নামৰ এক মুনাফাৰহিত প্ৰতিষ্ঠান গঠন কৰা হৈছে। এই প্ৰতিষ্ঠান সমূহে খনিৰ কাম-কাজৰ দ্বাৰা ক্ষতিগ্ৰস্ত হোৱা এলেকা সমূহ তথা পৰিয়াল সমূহৰ স্বাৰ্থ আৰু কল্যাণৰ বাবে কাম কৰিব।

৩৮৩) ৰাজ্যখনত খনিজাত দ্ৰব্য সমূহৰ পৰিবহন নিৰীক্ষণ কৰাৰ অৰ্থে আৰু ক্ষুদ্ৰ খনিজাত দ্ৰব্যসমূহৰ অবৈধ ব্যৱসায় ৰোধ কৰাৰ অৰ্থে এই বিভাগে জি.পি.এচ যুক্ত যান-বাহন, ট্ৰেকিং ব্যৱস্থা স্থাপনৰ বাবে সক্ৰিয় ভাৱে কাম কৰি আছে। এই ব্যৱস্থাটোৱে খনিজাত দ্ৰব্যৰ পৰা সংগৃহীত ৰাজহৰ পৰিমাণ বৃদ্ধি কৰিব আৰু ভ্ৰষ্টাচাৰ তথা বে-আইনী কাম ৰোধ কৰিব।

৩৮৪) ৰাজ্যখনৰ ৰাজহ বৃদ্ধিৰ অৰ্থে খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছ উৎপাদনৰ বাবে বিভাগে ইতিমধ্যে পেট্ৰ'লিয়াম খনন লীজ (PML) মঞ্জুৰ কৰিছে।

৩৮৫) তদুপৰি, মই বিভিন্ন সন্ধানমূলক কাম-কাজ আৰম্ভ কৰাৰ বাবে কেতবোৰ প্ৰস্তাৱ আগবঢ়াব খুজিছো। যেনে- কাৰ্বি আংলং জিলাৰ কল্যাডাং এলেকাত কয়লা খনিৰ উদ্‌ঘাটন, ডিমা-হাচাও জিলাৰ বুঢ়াহুনডং এলেকাত চূণশিলৰ খনিৰ উদ্‌ঘাটন, ভূ-তাত্বিক মেপিং আৰু নগাঁও জিলাৰ জীয়াজুৰিত বালিচন্দা ভঁড়ালৰ ড্ৰিলিং, গোৱালাপাৰা জিলাৰ অজগৰ পাহাৰত আৰু মৰিগাঁও জিলাৰ বঘৰা, মনহা, হাতীউঠা পাহাৰ আৰু কচুঘোপাত আলংকাৰিক শিলৰ ব্যাপক অধ্যয়ন তথা বিস্তৃত মেপিঙৰ কাম।

৩৮৬) এই বিভাগৰ বাবে মই ২০১৮-১৯ বিত্তীয় বৰ্ষত ২২ কোটি টকা ধাৰ্য কৰিছো।

**পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগঃ গ্ৰামাঞ্চলৰ সমৃদ্ধি**

৩৮৭) ইতিমধ্যে মই মোৰ ভাষণত এই বিভাগটোৰ বাবে কনকলতা মহিলা সৱলীকৰণ যোজনা আৰু বৃদ্ধ পেঞ্চন আঁচনিৰ সাৰ্বজনীনকৰণকে ধৰি সংখ্যক আঁচনিৰ কথা ঘোষণা কৰিছো।

৩৮৮) শিক্ষিত যুৱক-যুৱতী সকললৈ আত্ম-সংস্থাপনৰ বাবে অনুদান আগবঢ়োৱাৰ উদ্দেশ্যে ৰাজ্যিক

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন প্ৰতিষ্ঠানৰ অধীনত অটল আত্ম-সংস্থাপন যোজনা নামৰ এখন নতুন আঁচনিৰ প্ৰস্তাৱ কৰা হৈছে আৰু ইয়াৰ বাবে ২০১৮-১৯ বিত্তীয় বৰ্ষৰ বাজেটত ৫ কোটি টকা ধাৰ্য কৰাৰ প্ৰস্তাৱ কৰা হৈছে।

৩৮৯) প্ৰধান মন্ত্ৰী আৱাস যোজনাৰ অধীনত যোৱা বছৰ ১,৬৭,৬৬২ টা ঘৰ নিৰ্মাণৰ কাম আমি আৰম্ভ কৰিছো আৰু বৰ্তমান ইয়াৰ লগত সংগতি ৰাখি এল.ই.ডি. বাল্ব বিতৰণ আঁচনিৰ অধীনত মই পূৰ্বে ঘোষণা কৰা মৰ্মে PMAY ৰ অধীনত উপকৃত সকলো হিতাধিকাৰীয়ে শক্তিৰ ক্ষেত্ৰত মিতব্যয়ী এল.ই.ডি. ৰ দ্বাৰা উপকৃত হ'ব।

৩৯০) তদুপৰি, ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত আমি ৮০,১১১টা আত্ম-সহায়ক গোটলৈ ঘূৰ্ণীয়মান পুঁজি প্ৰদান কৰিছো আৰু দীনদয়াল গ্ৰামীণ কৌশল যোজনাৰ অধীনত প্ৰায় ২১,২০০ গৰাকী প্ৰাৰ্থীক প্ৰশিক্ষণ দিয়া হৈছে। তদুপৰি, গ্ৰাম্য আত্ম-নিয়োজন প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ অধীনত ৭০,৩০৬ গৰাকী গ্ৰামীণ যুৱক-যুৱতীক স্ব-নিয়োগৰ সুবিধা প্ৰদান কৰা হৈছে আৰু এই পদক্ষেপ অব্যাহত থাকিব।

৩৯১) মই প্ৰতিটো গোটৰ বিপৰীতে ৮ লাখ টকাৰ ব্যয়ত সমূহীয়া শৌচাগাৰৰ ৭৭ টা ব্লক নিৰ্মাণৰ প্ৰস্তাৱ লৈছো আৰু ইয়াৰ বাবে ২০১৮-১৯ বৰ্ষৰ বাজেটত ৬.১৬ কোটি টকাৰ আৱণ্টন দিয়া হৈছে।

৩৯২) ৰাজ্য চৰকাৰে পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ সাজু হৈছে আৰু ইয়াৰ বাবে প্ৰস্তুতি চলাই থকা হৈছে।

৩৯৩) এই বিভাগৰ বাবে ২০১৮-১৯ বিত্তীয় বৰ্ষৰ বাজেটত সৰ্বমুঠ ৫,৮০৮ কোটি টকাৰ ধাৰ্য কৰা হৈছে।

**পেঞ্চন আৰু ৰাজহুৱা ওজৰ-আপত্তি বিভাগ**

৩৯৪) অধ্যক্ষ মহোদয়, মই ঘোষণা কৰিবলৈ পাই সুখী হৈছো যে পেঞ্চনাৰ আৰু পৰিয়াল পেঞ্চনাৰসকলৰ অধিক কল্যাণৰ অৰ্থে বহু সংখ্যক নতুন নিৰ্দেশনা তথা পেঞ্চনৰ সংশোধন জাৰি কৰিছে।

৩৯৫) পেঞ্চনাৰসকল (পৰিয়াল পেঞ্চনাৰ সকলক বাদ দি) ৮০ বছৰীয়া হোৱাৰ লগে-লগে তেওঁলোকৰ মূল পেঞ্চন ২০% বৃদ্ধি কৰা হ'ব। ইয়াক পেঞ্চনাৰ গৰাকী ৮০ বছৰ বয়সীয়া হোৱা দিনটোত লাভ কৰা মূল পেঞ্চনৰ ভিত্তিত হিচাপ কৰা হ'ব।

৩৯৬) ইয়াৰোপৰি আমি চৰকাৰী চাকৰিয়ালৰ অৱসৰ/মৃত্যুৰ তাৰিখ নিৰ্বিশেষে তেওঁলোকৰ দিব্যাংগ পুত্ৰ/কন্যালৈ জীৱনজোৰা পৰিয়াল পেঞ্চন প্ৰদান কৰাৰ নিয়মৰ সংশোধন কৰিছো। এই সংশোধন চৰকাৰী চাকৰিয়াল সকলৰ দিব্যাংগ পুত্ৰ/কন্যাৰ লাভ/কল্যাণৰ অৰ্থে কৰা হৈছে।

৩৯৭) ২০১৬ বৰ্ষৰ জুন মাহৰ পৰা ২০১৮ বৰ্ষৰ জানুৱাৰী মাহলৈ এই সময়ছোৱাত মুঠ ২০,৮৭৩ পেঞ্চনৰ গোচৰ নিষ্পত্তি কৰা হৈছে আৰু ৬ মাহৰ পিছত পেঞ্চনৰ কোনো arrear নাথাকিব । মই এই পৱিত্ৰ সদনত ঘোষণা কৰিবলৈ পাই সুখী হৈছো যে ২০১৮-১৯ বিত্তীয় বৰ্ষত সকলোবোৰ বাকী থকা পেঞ্চনৰ গোচৰ নিষ্পত্তি কৰা হ'ব। মই ইয়াক আমাৰ চৰকাৰৰ বৃহৎ সাফল্য সমূহৰ ভিতৰত অন্যতম সাফল্য হিচাপে গণ্য কৰিছো, কিয়নো ইয়াৰ দ্বাৰা কেইবা হাজাৰ চৰকাৰী কৰ্মচাৰীয়ে সকাহ লাভ কৰিব, ইয়াৰ ব্যতিৰেকে তেওঁলোকে পেঞ্চন-পত্ৰ মঞ্জুৰ কৰিবলৈ কাৰ্যালয়ে কাৰ্যালয়ে ঘূৰি ফুৰিব লাগিলহেঁতেন।

৩৯৮) ২০১৮-১৯ বিত্তীয় বৰ্ষত এই বিভাগৰ বাবে মই ৮০০৫.৭৯ কোটি টকা ধাৰ্য কৰিছো।

**কৰ্মচাৰী বিভাগঃ ভৱিষ্যতৰ বাবে সাজু দল গঠন**

৩৯৯) এই চৰকাৰে মেধাৰ ওপৰত ভিত্তি কৰি অসামৰিক বিষয়াৰে গঠিত ভৱিষ্যতৰ বাবে এক সাজু দল গঠন কৰিবলৈ বদ্ধ পৰিকৰ।

৪০০) বিগত বৰ্ষৰ বাজেটত মুচৌৰীত থকা ভাৰতীয় প্ৰশাসনীয় বিষয়া সকলক প্ৰশিক্ষণ দিয়া Lal Bahadur Shastri National Academy of Administration ৰ আৰ্হিত অসামৰিক বিষয়া সকলক প্ৰশিক্ষণ প্ৰদানৰ বাবে উমৰাংচুত এক অত্যাধুনিক প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰাৰ কথা মই ঘোষণা কৰিছিলো। এই প্ৰক্ৰিয়াৰ কাম-কাজ চলি আছে আৰু ইয়াৰ বাবে মই ২০১৮-১৯ বিত্তীয় বৰ্ষৰ বাজেটত আৱশ্যকীয় পুঁজি ধাৰ্য কৰিছো।

৪০১) কৰ্মচাৰী বিভাগৰ বাবে মই ২০১৮-১৯ বিত্তীয় বৰ্ষত ১৬ কোটি টকা আৱণ্টন দিছো।

**শক্তি বিভাগ- সৰ্বদিশত উন্নতি তৰান্বিত কৰাৰ বাবে**

৪০২) বিদ্যুৎ শক্তি উৎপাদনৰ ক্ষমতা বঢ়াবলৈ অসম শক্তি উৎপাদন কোম্পানী লিমিটেডে লাকুৱা আৰু নামৰূপত বিকল্প শক্তি প্ৰকল্প স্থাপনৰ কাম হাতত লৈছে। তাৰোপৰি, মিনট্ৰিয়াং ক্ষুদ্ৰ জল বিদ্যুৎ প্ৰকল্পৰ সম্পাদন আৰু প্ৰতিস্থাপনৰ কামো আৰম্ভ কৰিছে। উক্ত প্ৰকল্পটো চলিত বিত্তীয় বৰ্ষত সম্পূৰ্ণ কৰা হ'ব। APDCL এ ১,১১৫ কোটি ব্যয় সাপেক্ষে নামনি কপিলী জল বিদ্যুৎ প্ৰকল্পৰ কামো হাতত লৈছে যি প্ৰকল্পৰ ব্যয় Asian Development Bank, কেন্দ্ৰীয় চৰকাৰ আৰু অসম চৰকাৰে বহন কৰিব। উক্ত প্ৰকল্পটো ২০১৮ চনৰ এপ্ৰিল মাহত আৰম্ভ কৰা হ'ব। APDCL এ আমগুৰিত ৮০ মেগাৱাট সামৰ্থ্যৰ এক সৌৰ পাৰ্ক স্থাপনৰ কাম হাতত লৈছে।

৪০৩) ১০ মেগাৱাট গড় সামৰ্থ্যৰ Rooftop সৌৰশক্তি উৎপাদন পদ্ধতি স্থাপন কৰা হ'ব। এনে ধৰণৰ শক্তি উৎপাদন সঁজুলি সমূহ ব্যক্তিগত ঘৰ, শিক্ষানুষ্ঠান, সামাজিক ক্ষেত্ৰ আদিত ৭০ঃ৩০ অনুপাত ৰাজ-সাহাৰ্যৰ আধাৰত স্থাপন কৰা হ'ব। কেন্দ্ৰীয় চৰকাৰৰ M.N.R.I. বিভাগে ২০২১-২২ চনৰ ভিতৰত ৬৮৮ মেগাৱাট সম্পন্ন বিদ্যুৎ উৎপাদন কৰাৰ লক্ষ্য হাতত লৈছে। ইয়াৰে ৬৬৩ মেগাৱাট সৌৰশক্তিৰ পৰা আৰু ২৫ মেগাৱাট ক্ষুদ্ৰ জলবিদ্যুৎ কেন্দ্ৰৰ পৰা পোৱা যাব।

৪০৪) দীনদয়াল উপাধ্যায় গ্ৰাম্য জ্যোতি যোজনা (DDUGJY) আঁচনিৰ অধীনত সকলো অবৈদ্যুতিকৃত গাঁৱত বিদ্যুৎ যোগান ধৰা হৈছে।

৪০৫) অসমৰ সকলো গৃহতে বৈদ্যুতিকৰণৰ বাবে ২০১৮ চনৰ ২৩ জানুৱাৰীত "সৌভাগ্য" নামৰ এক আঁচনিৰ কাম শুভাৰম্ভ কৰা হৈছে। এই আঁচনিৰ উদ্দেশ্য হ'ল অসমৰ চুকে-কোণে থকা গাঁও আৰু চহৰৰ সকলো ঘৰলৈ বিদ্যুৎ সংযোগ আগবঢ়োৱা। যিবোৰ দুৰ্গম গাঁৱত গ্ৰীড সংযুক্ত বিদ্যুৎ যোগান ধৰিব পৰা নাযায়, সেইবোৰ গাঁৱত Standalone Solar Photovoltaic (SPV) পদ্ধতিৰে বিদ্যুৎ যোগানকো এই আঁচনিয়ে সামৰি ল'ব আৰু এই আঁচনিৰ কাম চলিত বিত্তীয় বৰ্ষতে সম্পূৰ্ণ হ'ব।

৪০৬) গুৱাহাটীকে ধৰি অসমৰ ৭২ খন নগৰত তথ্য প্ৰযুক্তিৰ পূৰ্ণ ব্যৱহাৰৰ সুবিধা আৰু বৈদ্যুতিক আন্তঃগাঁথনি উন্নয়নৰ সুবিধা প্ৰদান কৰা হৈছে। এতিয়া apdcl.org আৰু my Bijuli Android App ৰ যোগেদি বিজুলী বিল পৰিশোধ কৰিব পাৰি। তদুপৰি, PayTm, SBI Buddy, PhonePe আদি ৱালেটৰ যোগেদি বিদ্যুৎ বিল পৰিশোধ কৰিব পাৰি। APDCL ৰ গ্ৰাহক সকলৰ সুবিধাৰ্থে গুৱাহাটীৰ ছয়মাইলত এটা কেন্দ্ৰীয় গ্ৰাহক সেৱা কেন্দ্ৰ স্থাপন কৰা হৈছে। APDCL ৰ ১,৯১২ টা সেৱা কেন্দ্ৰক শক্তিশালী কৰিবলৈ আমি গুৰুত্ব প্ৰদান কৰিব বিচাৰিছো যাতে গ্ৰাহক সকলৰ অসুবিধাসমূহ তাৎক্ষণিক ভাৱে নিষ্পত্তি কৰিব পৰা যায়।

৪০৭) গুৱাহাটীৰ বৈদ্যুতিক আন্তঃগাঁথনি উন্নয়নৰ কাম এই বছৰতে সমাপ্ত হ'ব। বিদ্যুৎ যোগান ব্যৱস্থা সকলো পৰিস্থিতিতে অব্যাহত ৰাখিবলৈ গুৱাহাটীক আধুনিক "স্কাডা" প্ৰযুক্তিৰ আওতালৈ অনাৰ ব্যৱস্থা লোৱা হৈছে আৰু লগতে এই মহানগৰীত অত্যাধুনিক স্মাৰ্ট গ্ৰীড ব্যৱস্থাৰ পাইলট প্ৰজেক্টৰ কামো চলি আছে। গুৱাহাটীৰ নিৰ্বাচিত অঞ্চলসমূহত Underground Cable স্থাপনৰ কামত অনুমোদন জনোৱা হৈছে আৰু ইয়াৰ প্ৰাৰম্ভিক কামৰ আৰম্ভণিও হৈছে।

৪০৮) মহাশয়, মই জনাবলৈ পাই সুখী হৈছো যে, বিত্ত বিভাগৰ অধীনত এটা প্ৰকল্প প্ৰস্তাৱৰ বাবে বাহ্যিক সাহাৰ্যৰ পৰ্যালোচনা চলি আছে। উক্ত প্ৰকল্পটো হ'ল- উচ্চ শক্তি সম্পন্ন বিদ্যুৎ বিতাৰণ ব্যৱস্থা। যি ব্যৱস্থাৰ লক্ষ্য হ'ল- AT&C ৰ ক্ষতি অনুকুল স্তৰলৈ হ্ৰাস কৰি সংস্থাগত সুদৃঢ়ীকৰণ আৰুবিত্তীয় স্থিৰতা আনি অসমৰ বিদ্যুৎ বিতাৰণ ব্যৱস্থাৰ পৰিদৃশ্যৰ উন্নতিকৰণ কৰা। উক্ত প্ৰকল্পৰ প্ৰাক্কলিত ব্যয় হ'ব ৩০০০ কোটি টকা।

৪০৯) ২০১৮-১৯ বৰ্ষত উক্ত বিভাগৰ বাবে মই সৰ্বমুঠ ২৭০২ কোটি টকাৰ পুঁজিৰ প্ৰস্তাৱ ৰাখিছো।

**ৰাজহুৱা প্ৰতিষ্ঠান বিভাগঃ পুনৰুজ্জীৱিতকৰণৰ দিশত**

৪১০) ৰাজ্যখনৰ ৰুগ্ন উদ্যোগ সমূহক পুনৰুজ্জীৱিত কৰাৰ বাবেই নহয়, ৰাজ্যিক ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান সমূহক দক্ষ ভাৱে পৰিচালনা কৰা আৰু সেই সমূহক স্থায়ী আৰু লাভজনক কৰি তোলাৰ বাবেও আমাৰ চৰকাৰে সকলো ধৰণৰ প্ৰয়োজনীয় প্ৰচেষ্টা গ্ৰহণ কৰিছে। সেইমতে ৰাজহুৱা প্ৰতিষ্ঠান বিভাগে " ৰাজহুৱা প্ৰতিষ্ঠান নীতি"ৰ এক খচৰা প্ৰস্তুত কৰিছে।

৪১১) ৰাইজক ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান সমূহত অংশীদাৰ হিচাপে বিনিয়োগ কৰাত উৎসাহিত কৰাৰ অৰ্থে ২০১৮-১৯ বিত্তীয় বৰ্ষত আমি কিছুমান নিৰ্বাচিত ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানত নিৰ্বিনিয়োগৰ প্ৰক্ৰিয়া আৰম্ভ কৰাৰ প্ৰস্তাৱ লৈছো, যাতে এই প্ৰতিষ্ঠান সমূহৰ ব্যৱস্থাপনা, প্ৰশাসনীয় ব্যৱস্থা আৰু দায়বদ্ধতা বৃদ্ধি পায় আৰু এই সমূহৰ কাম-কাজত অধিক পেছাদাৰিত্ব আনিব পৰা যায়।

**জনস্বাস্থ্য কাৰিকৰী বিভাগঃ পৰিষ্কাৰ পানী নিৰ্মল অসম**

৪১২) অসমৰ গ্ৰামীণ অঞ্চলত মুঠ ৮৮,০৯৯ টা বসতি স্থলৰ ভিতৰত ৫২,৭৪২ টা বসতিস্থল ২০১৭ চনৰ ডিচেম্বৰ মাহ পৰ্যন্ত পানী যোগান ব্যৱস্থাৰ দ্বাৰা সামৰি লোৱা হৈছে। ২০১৮-১৯ বৰ্ষত নিম্নমানৰ পানীৰ দ্বাৰা আক্ৰান্ত ৩০০টা বসতি স্থল আৰু ২০০ টা আংশিক ভাৱে সামৰি লোৱা বসতিস্থললৈ বিশুদ্ধ খোৱা পানীৰ যোগান ধৰা হ'ব।

৪১৩) খোৱাপানীৰ উৎস সমূহত ফ্লৰাইড আৰু আৰ্চেনিক থকা বিষয়টো এক গভীৰ উদ্বেগৰ বিষয় যিটো অতি সোনকালে নিৰাময় কৰাৰ প্ৰয়োজন। নীতি আয়োগৰ দ্বাৰা আৱণ্টিত পুঁজিৰ সহায়ত এই জটিল ৰাজহুৱা সমস্যাটো লাঘৱ কৰাৰ অৰ্থে ৯৬ টা সমূহীয়া পানী বিশুদ্ধকৰণ প্ৰকল্প সম্পূৰ্ণ কৰাৰ প্ৰস্তাৱ লোৱা হৈছে।

৪১৪) বিশ্ব বেংকৰ দ্বাৰা সাহাৰ্য প্ৰাপ্ত " নীৰ নিৰ্মল পৰিযোজনা"ৰ অধীনত কামৰূপ (মেট্ৰ'), যোৰহাট, হাইলাকান্দি, শিৱসাগৰ, মৰিগাঁও, বঙাইগাঁও আৰু শোণিতপুৰ জিলাক সামৰি ৭ খন "বৃহৎ বহু-গাঁও আঁচনি" (Large Multi-Village Schemes) ৰ কাম হাতত লোৱা হৈছে। উক্ত প্ৰকল্পৰ প্ৰাক্কলিত ব্যয় হ'ব ১৪৭৪.০৩ কোটি টকা ।

৪১৫) ভাৰত চৰকাৰৰ ধ্বজাবাহী আঁচনি 'স্বচ্ছ ভাৰত অভিযান'ৰ প্ৰধান উদ্দেশ্য হৈছে মুকলি ঠাইত মলত্যাগ মুক্ত আৰু নিৰ্মল গাঁও গঢ়া। ২০১৮ চনৰ ২৫ জানুৱাৰী পৰ্যন্ত ৪ খন জিলা, ২৫টা উন্নয়ন খণ্ড, ৪১৭ খন গাঁও পঞ্চায়তক সামৰি মুঠ ৭৮৯৩ খন গাঁওক মুকলি স্থানত মলত্যাগমুক্ত এলেকা হিচাপে ঘোষণা কৰা হৈছে। আমাৰ চৰকাৰে অতি সোনকালে সমগ্ৰ ৰাজ্যখনক মুকলি

স্থানত মল ত্যাগ মুক্ত কৰাৰ লক্ষ্যত উপনীত হোৱাৰ চেষ্টা চলাব আৰু ২০১৮-১৯ বিত্তীয় বৰ্ষত মুকলি স্থানত মল ত্যাগ মুক্ত কৰা অৱস্থাটো বৰ্তাই ৰখাৰ বাবে আৰু গোটা-জুলীয়া আৱৰ্জনা নিষ্কাষণ ব্যৱস্থাপনাৰ ওপৰত গুৰুত্ব আৰোপ কৰিব।

৪১৬) ২০১৮-১৯ বিত্তীয় বৰ্ষত ৰাজ্যখনৰ ৪০০ খন গাঁও পঞ্চায়তত গোটা-জুলীয়া আৱৰ্জনা নিষ্কাষণ ব্যৱস্থাপনা সম্পৰ্কীয় কাম-কাজ হাতত লোৱা হ'ব। ইয়াৰোপৰিও ৩০০টা সমূহীয়া অনাময় চৌহদ নিৰ্মাণৰ প্ৰস্তাৱ লোৱা হৈছে।

৪১৭) ২০১৮-১৯ বিত্তীয় বৰ্ষত এই বিভাগৰ বাবে ২৬৬১ কোটি টকা ধাৰ্য কৰা হৈছে।

**গড়কাপ্তানী (গৃহ আৰু ৰাষ্ট্ৰীয় ঘাই পথ) বিভাগঃ আন্তঃগাঁথনি নিৰ্মাণ**

৪১৮) আমাৰ চৰকাৰে ভাৰত চৰকাৰৰ সহযোগত বৰ্তমান অসমত থকা ৩৯০০ কিঃমিঃ মুঠ দৈৰ্ঘ্যৰ ৰাষ্ট্ৰীয় ঘাই পথক প্ৰায় ৭০০০ কিঃমিঃলৈ বৃদ্ধি কৰিবলৈ লক্ষ্য লৈছে।

৪১৯) ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত আৰু চাৰি খন নতুন দলং নিৰ্মাণ কৰিবলৈ প্ৰস্তাৱ লোৱা হৈছে। সেইকেইখন হ'ল- ক) ধুবুৰী-ফুলবাৰী, খ) গহপুৰ-নুমলীগড়, গ) দিচাংমুখ-টেকেলীফুটা, ঘ) কমলাবাৰী-নিমাতীঘাট। ভাৰত চৰকাৰে শেহতীয়াকৈ অনুমোদন জনোৱা পানবজাৰ আৰু উত্তৰ গুৱাহাটীৰ মাজত ব্ৰহ্মপুত্ৰৰ ওপৰত এখন দলং নিৰ্মাণৰ কথা মই মোৰ ভাষণত ইতিমধ্যে উল্লেখ কৰিছো।

৪২০) ভাৰতীয় ৰাষ্ট্ৰীয় ঘাই পথ প্ৰাধিকৰণে ৰাষ্ট্ৰীয় ঘাইপথৰ বিভিন্ন অংশত ৯ খন নতুন উৰণ সেঁতু নিৰ্মাণ কৰিব। ৰাজ্যখনৰ আন্তঃ গাঁথনি উন্নয়নৰ বাবে ঘোষণা কৰা উল্লেখযোগ্য পদক্ষেপ সমূহৰ বাবেই মাথো নহয়, অনুমোদিত প্ৰকল্প সমূহৰ ৰূপায়ণ ক্ষিপ্ৰ কৰি তোলাৰ বাবেও পথ পৰিবহন আৰু ঘাই পথ মন্ত্ৰালয় আমাৰ কৃতজ্ঞতাৰ পাত্ৰ।

৪২১) গুৱাহাটীৰ যান জঁটৰ সমস্যা লাঘৱ কৰাৰ অৰ্থে নাৰেংগী আৰু কুৰুৱাৰ মাজত ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত প্ৰস্তাৱিত ৬ লেন যুক্ত দলং ব্যৱহাৰেৰে নাৰেংগী, খানাপাৰা, বশিষ্ঠ, আজাৰা, জালুকবাৰী আৰু চাংসাৰীৰ মাজেৰে জালাহ আৰু কুৰুৱা হৈ চাংসাৰীৰ পৰা নাৰেংগীলৈ এটা বিকল্প ৰিং ৰোড (Ring Road) নিৰ্মাণৰ প্ৰস্তাৱ লোৱা হৈছে।

৪২২) মই এই বিভাগৰ বাবে ২০১৮-১৯ বৰ্ষত ৪৬৯ কোটি টকা ধাৰ্য কৰিছো।

**গড়কাপ্তানি (পথ) বিভাগ-অসমক সংযোগকৰণ**

৪২৩) ২০১৬-১৭ আৰু ২০১৭-১৮ বিত্তীয় বৰ্ষ দুটাত ৭৪৫ খন পকী দলঙকে ধৰি প্ৰায় ৭৯১৩ কিঃমিঃ পথক সকলো বতৰতে ব্যৱহাৰৰ উপযোগী কৰি তুলিবৰ বাবে ৫৮৭২ কোটি টকা মঞ্জুৰ কৰা হৈছে। এই কাম সমূহ নিবিদা, কাম প্ৰদান আৰু নিৰ্মাণৰ বিভিন্ন পৰ্যায়ত আছে।

৪২৪) মোৰ পূৰ্বৰ বাজেট সমূহত তিনি বছৰৰ ভিতৰত নতুন পথ নিৰ্মাণ আৰু পুৰণি পথ সমূহৰ মেৰামতিৰ বাবে মই ২০০০ কোটি প্ৰদানৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছিলো । সেই অনুযায়ী আমি ২০১৬-১৭ বৰ্ষত৬০০ কোটি টকাৰ ২০১৭-১৮ বৰ্ষত ৮০০ কোটি টকাৰ আৱণ্টন দিছো। প্ৰতিশ্ৰুতি দিয়া অনুসৰি মই মেৰামতিৰ বাবে Assam State Road Board ত ২০১৮-১৯ বৰ্ষত ৬০০ কোটি টকাৰ আৱণ্টন দিছো।

৪২৫) বিশ্ব বেংকে যোগান ধৰা পুঁজিৰে অসম ৰাজ্যিক পথ প্ৰকল্পৰ অধীনত ২৫৮ কিঃমিঃ ৰাজ্যিক ঘাই পথৰ উন্নীতকৰণ আৰু ৭৭০ কিঃমিঃ ৰাজ্যিক ঘাই পথ/জিলাৰ প্ৰধান পথ সমূহৰ পুনৰ নিৰ্মাণৰ

কাম চলি আছে। ইতিমধ্যে ৯৮ কিঃমিঃ পথৰ উন্নীতকৰণৰ কাম আৰু ৪১০ কিঃমিঃ পথৰ পুনৰ

নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈছে আৰু বাকী থকা পথৰ কাম সমূহ চলি আছে। কেন্দ্ৰীয় পথ পুঁজিৰ অধীনত ২৫ খন পকী দলঙকে ধৰি ৩৩৩ কিঃমিঃ পথৰ কামৰ বাবে ৮৪২ কোটি টকা মঞ্জুৰ কৰা হৈছে আৰু ইয়াৰ কাম ইতিমধ্যে আৰম্ভ হৈছে।

৪২৬) তদুপৰি, অসম ৰাজ্যিক পথ প্ৰকল্পৰ অধীনত গড়কাপ্তানী বিভাগে এটা পথ সম্পদ পৰিচালনা ব্যৱস্থা স্থাপন কৰিছে। ইয়ে গ্ৰেডিয়েণ্ট আদিৰ লেখীয়া বিজ্ঞানসন্মত সূচক সমূহৰ ওপৰত ভিত্তি কৰি ৰাজ্যখনত পথ যোগাযোগ ব্যৱস্থাটোৰ মূল্যায়ন কৰিব। ৰাজ্যিক ঘাই পথ আৰু জিলাৰ প্ৰধান পথ সমূহৰ বাচনি এতিয়াৰে পৰা পূৰ্বৰ উদ্দেশ্য ভিত্তিক পদক্ষেপৰ পৰিৱৰ্তে পথ সম্পদ পৰিচালনা ব্যৱস্থাই গ্ৰহণ কৰা উদ্দেশ্য , বিজ্ঞান সন্মত বিচাৰ মানৰ জৰিয়তে হ'ব।

৪২৭) ইয়াৰোপৰি অসমৰ প্ৰায় ১১০০ কিঃমিঃ পথ পুনৰ নিৰ্মাণৰ জৰিয়তে ৰাজ্যখনৰ পৰা চুবুৰীয়া ৰাজ্য সমূহলৈ যাতায়তৰ বাবে অহা-যোৱা কৰা পথ সমূহৰ উন্নীত কৰণৰ উদ্দেশ্যে আমি ৩১৯০ কোটি টকাৰ অসম আন্তঃৰাজ্যিক পথ সংযোগী প্ৰকল্পৰ প্ৰস্তাৱ যুগুত কৰিছো আৰু জাপান আন্তঃ ৰাষ্ট্ৰীয় সমবায় অভিকৰণ (JICA) ৰ জৰিয়তে পুঁজি যোগান পাবৰ বাবে ভাৰত চৰকাৰৰ ওচৰত এই প্ৰস্তাৱ উত্থাপন কৰিছো।

৪২৮) তদুপৰি, ৰাজ্যখনৰ ব্যস্ত ৰে'লৰে লেভেল ক্ৰচিং সমূহ লুপ্ত কৰাৰ উদ্দেশ্যে ৰে'ল কৰ্তৃপক্ষৰ প্ৰস্তাৱৰ প্ৰতি সঁহাৰি জনাই ৰে'লৰে অভাৰব্ৰীজ নিৰ্মাণৰ এক আঁচনি ইতিমধ্যে আৰম্ভ কৰা হৈছে আৰু ই নক্সা প্ৰস্তুত কৰণৰ পৰ্যায়ত আছে। ৰে'ল মন্ত্ৰালয়ৰ সৈতে যুটীয়া ব্যয়ৰে আঁচনিখন ৰূপায়ণ কৰা হ'ব।

৪২৯) এই বিভাগৰ বাবে ২০১৮-১৯ বৰ্ষত মই ৪৫২৯ কোটি টকাৰ প্ৰস্তাৱ কৰিছো।

**ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগঃ ভূমি আৰু ৰাইজৰ তত্বাৱধান**

৪৩০) অধ্যক্ষ মহোদয়, আমি ৰাজ্যখনৰ এতিয়ালৈকে জৰীপ নোহোৱা ১০৩০ খন গাঁৱত জৰীপ চলোৱাৰ বাবে প্ৰস্তাৱ আগবঢ়াইছো। এই গাঁও সমূহ জৰীপ কৰাৰ পিছত কেইবালাখ থলুৱা পৰিয়ালে ইয়াত বাস কৰাৰ সুবিধা লাভ কৰিব আৰু ভূমিপট্টা পাব। আমাৰ নাগৰিক সকলৈ জাতি-মাটি-ভেটি সুনিশ্চিত কৰিবলৈ আমি প্ৰদান কৰা প্ৰতিশ্ৰুতিবদ্ধতাৰ অংশ আছিল এই ভূমিপট্টা প্ৰদান।

৪৩১) আমি সৰ্বসাধাৰণ ৰাইজলৈ সংহত ভূমি অভিলেখ্য ব্যৱস্থাপনা পদ্ধতি, e-stamping সুবিধা, আধুনিক অভিলেখাগাৰ (Record Room) আদিকে ধৰি ই-পদক্ষেপ ব্যৱস্থাৱলীৰ দৰে সম্ভৱপৰ সকলো সা-সুবিধা প্ৰদান কৰিবলৈ প্ৰস্তাৱ লৈছো। ই-পদক্ষেপ ব্যৱস্থাৱলীয়ে ভূমি ৰাজহ প্ৰশাসনলৈ স্বচ্ছতা আনিব আৰু ইয়াৰ দ্বাৰা সাধাৰণ ৰাইজৰ লগতে বিভাগটোও উপকৃত হ'ব।

৪৩২) আমাৰ চৰকাৰে গাঁওবুঢ়া সকলক উদগনি দিয়াৰ লগতে তেওঁলোকে আগবঢ়োৱা সেৱাৰ পুৰস্কাৰ হিচাপে তেওঁলোকৰ পাৰিতোষিক ৪২০০ টকাৰ পৰা ৬৫০০ টকালৈ বৃদ্ধি কৰিছে।

৪৩৩) আমাৰ চৰকাৰে সকলোবোৰ গাঁৱলীয়া চৰণীয়া পথাৰ আৰু ব্যৱসায়িক (professional) চৰণীয়া পথাৰসমূহৰ GIS মেপিং কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে যাতে অনলাইন GIS Portal ৰ সহায়ত এই চৰণীয়া পথাৰসমূহ নিৰীক্ষণ কৰি বেদখল কাৰ্য ৰোধ কৰিব পাৰি।

৪৩৪) আমাৰ চৰকাৰে গাঁৱলীয়া চৰণীয়া পথাৰ, ব্যৱসায়িক চৰণীয়া পথাৰ , আৰ্দৰ ভূমিকে ধৰি চৰকাৰী ভূমিত অবৈধ দখলৰ বিৰুদ্ধে বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰিছে। আমাৰ চৰকাৰে প্ৰথম দুটা বছৰত ১৪৪৮৩ বিঘা ২ কঠা আৰু ১১ লেচা চৰকাৰী ভূমিৰ লগতে জনজাতীয় বেষ্টনি আৰু খণ্ডৰ ভূমি বেদখলমুক্ত কৰিবলৈ সক্ষম হৈছে আৰু আমি অসম চুক্তিৰ ১০ নম্বৰ দফাৰ ৰূপায়ণ

অব্যাহত ৰাখিবলৈ প্ৰতিশ্ৰুতিবদ্ধ।

৪৩৫) আমাৰ চৰকাৰে উগ্ৰপন্থী/ সন্ত্ৰাসবাদী/ দুৰ্বৃত্তৰ হাতত প্ৰাণ হেৰুওৱা নাইবা সাম্প্ৰদায়িক গোষ্ঠীগত ফৈদৰ মাজত হোৱা সংঘৰ্ষত নিহত নাইবা নিৰাপত্তা বাহিনীৰ গুলীত মৃত্যু হোৱা লোক সকলৰ নিকটাত্মীয়লৈ আগবঢ়োৱা এককালীন সাহাৰ্যৰ পৰিমাণ ৩ লাখ টকাৰ পৰা ৫ লাখ টকালৈ বৃদ্ধি কৰিছে। একেদৰে ৰাজহুৱা স্থানত নাইবা ৰাজহুৱা যান-বাহনৰ দুৰ্ঘটনাৰ ফলত প্ৰাণহানি হোৱা সকলৰ ক্ষেত্ৰত এই সাহাৰ্যৰ পৰিমাণ ১ লাখ টকাৰ পৰা ২ লাখ টকালৈ বৃদ্ধি কৰা হৈছে। তদুপৰি, আমি সামান্যভাৱে আহতসকলৰ আৰ্থিক সাহাৰ্যৰ পৰিমাণ ১০ হাজাৰ টকাৰ পৰা ২০ হাজাৰ টকালৈ, গুৰুতৰ ভাৱে আহতসকলৰ ক্ষেত্ৰত ৫০ হাজাৰ টকাৰ পৰা ১ লাখ টকালৈ আৰু চিৰজীৱনলৈ ঘূণীয়া হোৱা সকলৰ ক্ষেত্ৰত ২ লাখ টকাৰ পৰা ৩ লাখ টকালৈ বৃদ্ধি কৰা হৈছে।

৪৩৬) দক্ষিণ গাঁৱত অৱস্থিত অসম জৰীপ আৰু বন্দৰস্তী প্ৰশিক্ষণ কেন্দ্ৰই ভাৰতীয় প্ৰশাসনীয় সেৱা (IAS) , অসম অসামৰিক সেৱা (ACS) ৰ বিষয়া সকলৰ উপৰিও কাননগো, লাটমণ্ডল আদিকো প্ৰশিক্ষণ আগবঢ়ায়। জৰীপ কাৰ্যৰ পৰম্পৰাগত পদ্ধতিৰ পৰিবৰ্তে আধুনিক জৰীপ ব্যৱস্থা প্ৰবৰ্তনৰ পাছত এই প্ৰশিক্ষণ কেন্দ্ৰটোৰ উন্নীতকৰণৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি এই কেন্দ্ৰটোক গেলাৰী আৰ্হিৰ প্ৰেক্ষাগৃহ, পৰীক্ষাগাৰ আৰু অন্যান্য আধুনিক সা-সুবিধাৰে সৈতে এক উৎকৰ্ষতাৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলা হৈছে। ইয়াৰ বাবে চলিত বাজেটত ১০ কোটি টকাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে।

৪৩৭) বিদ্যাৰ্থীসকলৰ মাজত বৈজ্ঞানিক চিন্তাধাৰা প্ৰসাৰ কৰাৰ বাবে আমি অসম বিজ্ঞান, প্ৰযুক্তি আৰু পৰিৱেশ পৰিষদৰ অধীনত বহু সংখ্যক পদক্ষেপ গ্ৰহণ কৰিছো।

৪৩৮) এই বিভাগৰ বাবে ২০১৮-১৯ বিত্তীয় বৰ্ষৰ বাজেটত সৰ্বমুঠ ১৫৬৫ কোটি টকাৰ প্ৰস্তাৱ আগবঢ়োৱা হৈছে।

**বিজ্ঞান আৰু প্ৰযুক্তি বিভাগঃ প্ৰযুক্তিৰ ব্যাপক প্ৰয়োগ**

৪৩৯) ৰাজ্যখনত বিজ্ঞান আৰু প্ৰযুক্তিৰ বিকাশক উৎসাহিত কৰাৰ অৰ্থে প্ৰযুক্তি সেৱা সমূহৰ লাভালাভ ৰাইজৰ মাজলৈ লৈ যোৱাৰ বাবে বিভিন্ন পদক্ষেপ হাতত লোৱা হৈছে। ভাৰতীয় মহাকাশ সংস্থা (ISRO) ৰ এক অতিৰিক্ত কেন্দ্ৰ গুৱাহাটীত স্থাপন কৰিবলৈ চৰকাৰে এক অভিলাসী পদক্ষেপ গ্ৰহণ কৰিছে। মাননীয় মুখ্য মন্ত্ৰীয়ে এই সন্দৰ্ভত ISRO লৈ ইতিমধ্যে লিখিছে। এই উদ্দেশ্যে চলিত বাজেটত মই প্ৰতিকী ব্যৱস্থা ৰাখিছো আৰু বিষয়টো চূড়ান্ত হ'লে পৰৱৰ্তী সময়ত অতিৰিক্ত পুঁজিৰ আবণ্টন দিম।

৪৪০) মই ঘোষণা কৰিবলৈ পাই সুখী হৈছো যে কোকৰাঝাৰ, উত্তৰ লখিমপুৰ আৰু নলবাৰীত তিনিটা নতুন তাৰকাগৃহৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হোৱাৰ পথত। তদুপৰি মাজুলী, কলিয়াবৰ, আমিনগাঁও, বঙাইগাঁও, শিলচৰ আৰু ডিফুত প্ৰস্তাৱিত অতিৰিক্ত ৬ টা নতুন তাৰকাগৃহৰ নিৰ্মাণ কাৰ্য সোনকালে আৰম্ভ হ'ব।

৪৪১) জৈৱ প্ৰযুক্তি আৰু সহযোগী খণ্ডত নতুন ব্যৱসায়ৰ প্ৰসাৰ সাধনৰ বাবে গুৱাহাটী জৈৱ প্ৰযুক্তি উদ্যানত আমি এটা প্ৰযুক্তি ইনকিউবেচন (Incubation) কেন্দ্ৰ স্থাপন কৰিম।

৪৪২) বিজ্ঞান আৰু প্ৰযুক্তি বিভাগৰ বাবে মই বাজেটত ৫১ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰিছো।

**সচিবালয় প্ৰশাসন বিভাগঃ সেৱাই মূল মন্ত্ৰ**

৪৪৩) ২০১৭-১৮ বাজেটত ঘোষণা কৰা অনুযায়ী আমাৰ চৰকাৰে ২০১৮ চনৰ জানুৱাৰী মাহৰ পৰা অসম সচিবালয়ৰ কৰ্মৰত মহিলা কৰ্মচাৰীসকল কাৰ্যালয়লৈ অহা-যোৱাৰ সুবিধাৰ্থে বাছ

সেৱাৰ প্ৰৱৰ্তন কৰিছে।

৪৪৪) সচিবালয়ৰ দৈনন্দিন কাম-কাজসমূহৰ ডিজিটেল পৰিৱৰ্তনৰ ক্ষেত্ৰত দিছপুৰত ৰূপায়ণ কৰা ‘ ই-অফিচ’ প্ৰকল্পই যথেষ্ট সফলতা লাভ কৰিছে। সচৰাচৰ উত্থাপিত হোৱা ‘ফাইল বিচাৰি নোপোৱা’ অথবা ‘ ফাইল হেৰুওৱা’ আদি অভিযোগ সমূহ এতিয়াৰে পৰা নোহোৱা হ’ব। বিচাৰি উলিওৱাৰ বাবে প্ৰতিটো ফাইলতে একোটাকৈ ইলেক্ট্ৰনিক নম্বৰ সংলগ্ন কৰা হ’ব। বৰ্তমান ৰাজ্য চৰকাৰে এই ‘ই-অফিচ’ সেৱা ৰাজ্যৰ সকলো সঞ্চালকালয় আৰু পৰ্যায়ক্ৰমে জিলা সমূহলৈ প্ৰসাৰ কৰাৰ পৰিকল্পনা কৰিছে, যাতে সহজতে ফাইল সমূহ বিচাৰি উলিয়াব পাৰি আৰু ফাইল হেৰুওৱাৰ দৰে কাৰ্যসমূহ সম্পূৰ্ণ ৰূপে বিলুপ্ত হয়। এই পদক্ষেপে সফলতা আৰু দক্ষতাৰে চৰকাৰখন পৰিচালনা কৰাৰ প্ৰত্যক্ষভাৱে প্ৰভাৱ পেলাব।

৪৪৫) সচিবালয় প্ৰশাসন বিভাগৰ বাবে ২৪৩ কোটি টকা আৱন্টনৰ প্ৰস্তাৱ আগবঢ়োৱা হৈছে।

**দক্ষতা উন্নয়ন, নিয়োগ আৰু উদ্যমিতা তথা শ্ৰমিক কল্যাণ- আমাৰ প্ৰধান অগ্ৰাধিকাৰৰ বিষয়**

৪৪৬) মহাশয়, মই ইতিমধ্যে “ৰাজ্যিক পৰ্যায়ৰ বৃহৎ দক্ষতা বিকাশ আঁচনি”- নামৰ এখন আঁচনিৰ বিষয়ে ঘোষণা কৰিছো। ‘অষ্টাদশ মুকুতাৰ উন্নয়নী মালা’ৰ অধীনৰ এই আঁচনিখনৰ লগত আই. টি. ই. ই. এছ. ছিংগাপুৰৰ সৈতে হোৱা আমাৰ বুজা-বুজি সম্পৰ্কেও মই ঘোষণা কৰিছো।

৪৪৬) তদুপৰি, ৰাজ্যখনৰ নিবনুৱা যুৱক-যুৱতী সকললৈ নিয়োগ বিনিময় কেন্দ্ৰসমূহৰ জৰিয়তে ঔদ্যোগিক দিহা-পৰামৰ্শ প্ৰদান, বৃত্তিমুখী প্ৰশিক্ষণ আৰু কেৰিয়াৰ পৰামৰ্শ প্ৰদানৰ বাবে মই বাজেটত পৰ্যাপ্ত পুঁজিৰ ব্যৱস্থা কৰিছো।

৪৪৮) শ্ৰমিক সকলৰ অসুবিধা আৰু অভাৱ-অভিযোগ দূৰ কৰাৰ ক্ষেত্ৰত টেলিফোন যোগে পৰামৰ্শ, তথ্য আৰু সাহাৰ্য আগবঢ়োৱাৰ উদ্দেশ্যে শ্ৰমিক কল্যাণ বিভাগৰ সহযোগত এক অভিযোগ নিষ্পত্তিকৰণ আৰু তথ্যকেন্দ্ৰ আৰম্ভ কৰিবলৈ মই প্ৰস্তাৱ আগবঢ়াইছো।

৪৪৯) কাৰাবন্দী সকলক আত্ম-নিৰ্ভৰশীল কৰি তুলিবলৈ বিভিন্ন ক্ষেত্ৰত তেওঁলোকক দক্ষতা প্ৰশিক্ষণ প্ৰদানৰ বাবে মই “কাৰাগাৰৰ পৰা কাৰিকৰ (KPK)” নামৰ এখন নতুন আঁচনিৰ বাবে পৰ্যাপ্ত পুঁজিৰ ব্যৱস্থা কৰিছো।

৪৫০) ২০১৮-১৯ বৰ্ষত এই বিভাগৰ বাবে বাজেটত মই ৩৮৫ কোটি টকা ধাৰ্য কৰিছো।

**সমাজ কল্যাণ বিভাগ-সংস্কাৰতে চাবিকাঠি নিহিত হৈ আছে**

৪৫১) এই বিভাগে ৰূপায়ণ কৰা আমাৰ চৰকাৰৰ এক অন্যতম বৃহৎ পদক্ষেপ দীন দয়াল দিব্যাংগ সাহায্য আঁচনিৰ বিষয়ে মই মোৰ ভাষণত ইতিমধ্যে উল্লেখ কৰিছো । দিব্যাংগ ব্যক্তিসকলৰ বাবে এক পূৰ্ণাংগ তথ্যভাণ্ডাৰ প্ৰস্তুতিৰ প্ৰক্ৰিয়া আমি ত্বৰান্বিত কৰিম ।এবাৰ ই সাজু হৈ উঠাৰ পিছত এই প্ৰকল্পই সকলোবোৰ জিলাক সামৰি ল’ব ।

৪৫২) বিভিন্ন আঁচনিৰ ফলপ্ৰসূ ৰূপায়ণৰ বাবে সমাজ কল্যাণ সঞ্চালকালয়ক বিভক্ত কৰি (১) মহিলা আৰু শিশু উন্নয়ন তথা (২) সামাজিক ন্যায় আৰু সৱলীকৰণ সঞ্চালকালয় গঠন কৰিবলৈ সিদ্ধান্ত লোৱা হৈছে ।

৪৫৩) মহিলা সকলৰ সুৰক্ষা নিশ্চিত কৰিবৰ বাবে এটি হেল্প-লাইন আৰম্ভ কৰিছো আৰু ১৮১ টেলিফোন নম্বৰসহ অতিশ্ৰীঘ্ৰে ইয়াৰ কাম আৰম্ভ কৰিব ।

৪৫৪) শিশু কল্যাণ আৰু শিশু সুৰক্ষা আমাৰ চৰকাৰৰ মূল লক্ষ্য। এই উদ্দেশ্য আগত ৰাখি আমাৰ চৰকাৰে শিশু শ্ৰমিক প্ৰতিৰোধ আৰু পুনৰ সংস্থাপন, শিশু সৰবৰাহ প্ৰতিৰোধ, শিশু গৃহসমূহত স্পৰ্শকাতৰ শিশুৰ বাবে সুৰক্ষিত আৰু শিশুসুলভ স্থান নিৰ্মাণ কৰা, বাল্য বিবাহ প্ৰতিৰোধৰ আঁচনি, শিশু অপৰাধীসকলৰ সৰ্বাংগীন বিকাশ নিশ্চিত কৰা আদিৰ দৰে বিভিন্ন আঁচনি ৰূপায়ণ কৰি আছে যাৰ বাবে প্ৰয়োজনীয় বাজেটৰ ব্যৱস্থা কৰা হৈছে ।

৪৫৫) জ্যেষ্ঠ নাগৰিকসকলৰ বাবে থকা বিভিন্ন সুবিধাৰ বিষয়ে সজাগতা সৃষ্টিৰ বাবে 'চেতনা' নামৰ এখন উদ্ভাৱনীমূলক আঁচনি ৰূপায়ণ কৰি থকা হৈছে । দুই তিনিখন জিলাক একগোট কৰি সুবিধাজনক ঠাইত সজাগতা শিবিৰ অনুষ্ঠিত কৰা হৈছে । এনেধৰণৰ ১৫ টা সজাগতা শিবিৰ অনুষ্ঠিত কৰাৰ প্ৰস্তাৱ কৰা হৈছে যাৰ বাবে প্ৰয়োজনীয় বাজেটৰ ব্যৱস্থা কৰা হৈছে ।

৪৫৬) ৰাজ্যিক আইন সেৱা প্ৰাধিকৰণৰ সহযোগত "Project Reach Out -Respond" নামৰ এখন আঁচনিৰ জৰিয়তে কৃত্ৰিম হাত-ভৰি আৰু সহায়ক সঁজুলি ALIMCO আৰু ভগৱান মহাবীৰ বিকলাংগ সহায়তা সমিতিৰ যোগেদি বিতৰণ কৰা হৈছে ।

৪৫৭) এই বিভাগৰ বাবে ২০১৮-১৯ বৰ্ষত মই ২০৯৮ কোটি টকা ধাৰ্য কৰিছো ।

**ভূমি সংৰক্ষণ বিভাগ ঃ সৰ্বাঙ্গীন বিকাশৰ বাবে ক্ষয় প্ৰতিৰোধ**

৪৫৮) শস্য উৎপাদন বৃদ্ধি কৰিবলৈ আৰু পাৰিপাৰ্শ্বিক ভাৰসম্যতা ৰক্ষা কৰিবলৈ বিগত দুই বছৰত ভূমি আৰু জল সংৰক্ষণৰ বাবে বিভিন্ন কাৰ্যসূচী হাতত লোৱা হৈছে ।

৪৫৯) গুৱাহাটী মহানগৰত হোৱা কৃত্ৰিম বান ৰোধ কৰাৰ বাবে আমাৰ চৰকাৰে বিভিন্ন প্ৰকল্প হাতত লৈছে । ইয়াৰ উপৰি RIDF ৰ অধীনত পানী সংৰক্ষণ গাঁথনি সৃষ্টি আৰু ভূমি ক্ষয় প্ৰতিৰোধৰ অৰ্থে ভাৰত চৰকাৰৰ বিত্তীয় সাহায্যৰে 'প্ৰধান মন্ত্ৰী কৃষি সিঁচাই যোজনা'-ৰ অধীনত ৮৬ টা প্ৰকল্প হাতত লোৱা হৈছে । এই প্ৰকল্পসমূহ ৰূপায়ণৰ ফলশ্ৰুতিত আদ্ৰতা বৃদ্ধি, ভূমিক্ষয় নিয়ন্ত্ৰণ, খাদ্য উৎপাদন বৃদ্ধি, পৰিৱেশৰ ভাৰসমতা ৰক্ষা ইত্যাদিৰ নিচিনা লাভালাভ সমূহ পৰিলক্ষিত হ'ব ।

৪৬০) ২০১৮-১৯ বৰ্ষৰ বাজেটত এই বিভাগৰ বাবে মই ১৮১ কোটি টকা আবণ্টন কৰিছো ।

**ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগ ঃ এক উদ্যম, এটা দল -**

৪৬১) মহাশয়, আমি একমত যে সামাজিক আৰু সাংস্কৃতিক সীমাৰ মাজত সাঁকো হিচাপে কাম কৰি ক্ৰীড়াই ৰাষ্ট্ৰক একতাৰ বান্ধোনেৰে বান্ধে আৰু তাৰ দ্বাৰা জাতীয়তাবাদ তথা সংহতিক উদগনি যোগায়।

৪৬২) গুৱাহাটীক দেশৰ ক্ৰীড়া ৰাজধানী আৰু অসমক এক ক্ৰীড়া কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ প্ৰতি থকা মাননীয় মুখ্যমন্ত্ৰীৰ সপোনক সাকাৰ ৰূপ দিয়াৰ বাবে আমাৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ । এই লক্ষ্যৰে ৰাজ্যখনৰ ক্ৰীড়াৰ সৰ্বাংগীন উন্নয়নৰ বাবে তথা সমগ্ৰ ক্ৰীড়া ব্যৱস্থাটোত এক পদ্ধতিগত পৰিৱৰ্তন অনাৰ বাবে আমাৰ চৰকাৰে এক সংহত ক্ৰীড়া নীতি গ্ৰহণ কৰিছে ।

৪৬৩) অসমক, ভাৰতবৰ্ষৰ ক্ৰীড়া ৰাজ্য হিচাপে গঢ়ি তুলিবলৈ মুখ্যমন্ত্ৰীৰ যি সপোন তাক বাস্তৱায়িত কৰাৰ বাবে ডিব্ৰুগড়, যোৰহাট, কৰিমগঞ্জ, ডিফু, মঙ্গলদৈ, তেজপুৰ আৰু তিনিচুকীয়াত থকা ষ্টেডিয়াম কেইখনত ফ্লাড লাইট স্থাপন কৰাৰ বাবে এনে প্ৰতিখন ষ্টেডিয়ামলৈ ৫ কোটিকৈ টকা আগবঢ়াবলৈ আমি প্ৰস্তাৱ লৈছো । ইয়াৰ দ্বাৰা গ্ৰাম্য ক্ৰীড়া আন্তঃগাঁথনি সবল হ'ব । চলিত বৰ্ষৰ বাজেটত ইয়াৰ বাবে মই ২০ কোটি টকা আবণ্টন কৰিছো।

৪৬৪) প্ৰতিযোগিতা আৰু প্ৰতিযোগিতাত অংশ গ্ৰহণৰ উদ্যমক উৎসাহিত কৰাৰ অৰ্থে গাওঁ পঞ্চায়ত পৰ্য্যায়ত ফুটবল টুৰ্নামেণ্ট অনুষ্ঠিত কৰা হ'ব । প্ৰতিখন গাওঁ পঞ্চায়তকে ইয়াৰ বাবে ২৫ হাজাৰ টকা

আগবঢ়োৱা হ'ব । একেদৰে আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদ পৰ্য্যায়তো টুৰ্ণামেণ্টৰ আয়োজন কৰা হ'ব । ইয়াৰ দ্বাৰা সময়মতে যুৱ প্ৰতিভা প্ৰদৰ্শিত হ'ব । টুৰ্ণামেণ্ট আয়োজন কৰাৰ বাবে প্ৰতিখন আঞ্চলিক পঞ্চায়তলৈ দুই লাখকৈ টকা আৰু প্ৰতিখন জিলা পৰিষদলৈ তিনিলাখ টকা প্ৰদান কৰা হ'ব । ইয়াৰ বাবে বাজেটত মই ১০ কোটি টকা ধাৰ্য কৰিছো ।

৪৬৫) সীমান্তৱৰ্তী এলেকাৰ ৰাইজৰ মাজত মৈত্ৰী আৰু বন্ধুত্বপূৰ্ণ ভাৱধাৰাৰ প্ৰসাৰৰ বাবে আমাৰ চৰকাৰে 'সীমান্ত সৌহাৰ্দপূৰ্ণ কাৰ্যসূচী' হাতত লোৱাৰ প্ৰস্তাৱ আগবঢ়াইছে । আন্তঃৰাজ্যিক আৰু আন্তঃৰাষ্ট্ৰীয় সীমান্ত অঞ্চলসমূহত খেলৰ বিভিন্ন কাৰ্যসূচী আয়োজন কৰা হ'ব আৰু এই এলেকাসমূহৰ স্থানীয় যুৱক-যুৱতীৰ জৰিয়তে খেলৰ দলসমূহ গঠন কৰা হ'ব আৰু এই আঁচনিয়ে উক্ত অঞ্চলসমূহত ক্ৰীড়াৰ সঠিক পৰিবেশ সৃষ্টি কৰিব আৰু সামাজিক তথা সাংস্কৃতিক সীমাসমূহ দূৰ কৰি সংহতিৰ প্ৰসাৰ ঘটোৱাত সহায় কৰিব ।

৪৬৬) এই বৰ্ষৰ বাজেটত বিভাগৰ বাবে মুঠ ১৬৩ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ লোৱা হৈছে ।

**পৰ্যটন বিভাগ ঃ অতুলনীয় অসম**

৪৬৭) আমাৰ চৰকাৰে ক্ষমতালৈ অহাৰে পৰা অসমক সমগ্ৰ মহাদেশখনৰ পৰ্যটন মানচিত্ৰত প্ৰতিস্থিত কৰিবৰ বাবে আমি পূৰ্ণগতিত ব্ৰেণ্ড নিৰ্মাণ, আন্তঃৰাষ্ট্ৰীয় ৰোড শ্ব', অসম পৰ্যটনৰ ইন-ফ্লাইট ব্ৰেণ্ডিং, ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলাত অংশগ্ৰহণ, প্ৰচাৰ সম্বন্ধীয় সামগ্ৰী ছপা কৰাৰ কাম আৰম্ভ
কৰিছো ।

৪৬৮) অসম পৰ্যটন নীতি, ২০১৭ ত প্ৰস্তাৱিত উদগনি আৰু ৰাজ সাহায্য প্ৰস্তুত কৰা হৈছে এই খণ্ডটোত অসমলৈ বিনিয়োগ আকৰ্ষণ কৰিবৰ বাবে আৰু বিনিয়োগৰ অংকুৰণ ইতিমধ্যেই প্ৰত্যক্ষ কৰা হৈছে ।

৪৬৯) পৰ্যটন বিভাগে বহু বছৰ ধৰি সফলতাৰে অম্বুবাচী মেলা অনুষ্ঠিত কৰি আহিছে । এই বছৰৰ পৰা আমাৰ চৰকাৰে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ অধ্যক্ষতাত কুম্ভ মেলাৰ সমপৰ্য্যায়ত অধিক বিশাল আৰু আড়ম্বৰপূৰ্ণভাবে অম্বুবাচী মেলা অনুষ্টিত কৰি ইয়াৰ জনপ্ৰিয়তা বৃদ্ধিৰ বাবে চেষ্টা কৰিব ।

৪৭০) আমাৰ চৰকাৰে ধৰ্মীয় আৰু সাংস্কৃতিক ভ্ৰমণৰ বাবে ৰাজ্যখনৰ পৰা পুৰী, বৃন্দা বন, আজমীৰ দৰগাহ শ্বৰীফলৈ ১৫০০০ তীৰ্থযাত্ৰীক ভ্ৰমণৰ বাবে পঠিয়াবলৈ পদক্ষেপ হাতত লৈছে । এই আঁচনিৰ অধীনত ৫৫ বছৰৰ পৰা ৭৫ বছৰৰ ভিতৰত ১১০০ গৰাকী তীৰ্থযাত্ৰীয়ে এতিয়ালৈকে ভাৰতবৰ্ষৰ বিভিন্ন তীৰ্থস্থান ভ্ৰমণ কৰিছে । ২০১৮-১৯ বৰ্ষত এই উদ্দেশ্যে বাজেটত ৫০০ লাখ টকা ধাৰ্য কৰা হৈছে ।

৪৭১) কম খৰচী পৰ্যটনৰ প্ৰসাৰৰ বাবে 'আমাৰ আলহী' নামৰ ঘৰতে পৰ্যটকক ৰাখিব পৰা এখন আন্তঃগাঁথনিগত উন্নয়ন আঁচনি ৰূপায়ণ কৰিবলৈ লোৱা হৈছে । এই জীৱিকা আঁচনিৰ অধীনত ৫ খন ৰাষ্ট্ৰীয় উদ্যান আৰু মাজুলীত ৩১ গৰাকী উদ্যোগী-হিতাধিকাৰীক পৰ্যটকক ঘৰতে ৰাখিব পৰা আন্তঃগাঁথনিগত উন্ননয়নৰ বাবে বাছনি কৰা হৈছে ।

৪৭২) মহোদয়, মই এই পৱিত্ৰ সদনক অৱগত কৰিব বিচাৰিছো যে ৭২০ কোটি প্ৰাক্কলিত ব্যয় সাপেক্ষে পৰ্যটনৰ সংহত আৱৰ্ত উন্নয়নৰ বাবে এটা প্ৰকল্পৰ প্ৰস্তাৱ বৰ্তমান ড'নাৰ মন্ত্ৰালয়ৰ বিবেচনাধীন হৈছে । প্ৰস্তাৱিত প্ৰকল্পটোৰ উদ্দেশ্য হৈছে উৎসৰ্গিত পৰ্যটন আৱৰ্তৰ উন্নয়ন সাধন, আন্তঃগাঁথনি সৃষ্টি আৰু সামৰ্থ বৃদ্ধিৰ দ্বাৰা ৰাজ্যখনলৈ পৰ্যটকৰ আগমণ বৃদ্ধি কৰা । এই প্ৰকল্পটোৱে উত্তৰ পূৰ্বাঞ্চলৰ

আটাইকেইখন ৰাজ্যৰে পৰ্যটন ৰাজহৰ ওপৰত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিব কিয়নো অসমত ব্যয় কৰা প্ৰতিটো টকাই সমগ্ৰ অঞ্চলত বৰ্দ্ধিত প্ৰভাৱ দেখুৱাব ।

৪৭৩) এই বিভাগটোৰ বাবে মই ২০১৮-১৯ বৰ্ষত ৮১ কোটি টকাৰ বাজেট আৱণ্টন ধাৰ্য কৰিছো ।

**ৰূপান্তৰ আৰু উন্নয়ন বিভাগ- উন্নয়নৰ আধাৰ**

৪৭৪) অষ্টাদশ মুকুতা উন্নয়নী মালাৰ মণিবোৰৰ মাজৰ এটা মণি 'অসম আদৰ্শ গ্ৰাম যোজনা'ৰ বিষয়ে মই ইতিমধ্যে আলোচনা কৰিছো যিটোক বিভাগে ৰূপায়ণ কৰাৰ ব্যৱস্থা কৰিব ।

৪৭৫)'পৰিৱৰ্তন' আৰু বিভিন্ন বিভাগৰ কাম-কাজসমূহৰ সমন্বয় সাধনৰ হেতু সংযোগী সংস্থা হিচাপে সেৱা আগবঢ়াবলৈ এই বিভাগটো গঠন কৰা হৈছিল যাতে বিভাগীয় কাম-কাজসমূহ এক লক্ষ্যত উপনীত হোৱাৰ বাবে শৃংখলাবদ্ধ হৈ থাকে ।

৪৭৬) ৰূপান্তৰ আৰু উন্নয়ন বিভাগে ৰাজ্যিক উদ্ভাৱন আৰু ৰূপান্তৰণ আয়োগ (SITA) ৰ জৰিয়তে ৰাজ্যৰ অগ্ৰধিকাৰমূলক উন্নয়নৰ ক্ষেত্ৰসমূহত বিভিন্ন হিতাধিকাৰী অংশীদাৰ সকলক এখন মঞ্চ আগবঢ়াইছে ।

৪৭৭) ৰূপান্তৰ আৰু উন্নয়ন বিভাগৰ অধীনত এটা বহনক্ষম উন্নয়ন লক্ষ্যৰ কোষ স্থাপন কৰা হৈছে আৰু 'অসম ২০৩০ সকলোৰে বাবে সকলোখিনি সৰ্বাত্মক আৰু বহনক্ষম উন্নয়ন অৰ্জন' প্ৰকাশ কৰা হৈছে ।

৪৭৮)কাম-কাজ চলি থকা ৰাজ্যখনৰ বিভিন্ন অগ্ৰাধিকাৰমূলক প্ৰকল্পৰ গভীৰ মূল্যায়ণ আৰু নিৰীক্ষণৰ উদ্দেশ্যে আধুনিক GPS আৰু GIS সুবিধাযুক্ত প্ৰযুক্তি আৰু অন্যান্য বৈজ্ঞানিক সা-সঁজুলি ব্যৱহাৰ কৰা হৈছে ।

৪৭৯) ২০১৮-১৯ বৰ্ষত উক্ত বিভাগটোৰ বাবে মই ১৭৮৭ কোটি টকা পুঁজি প্ৰস্তাৱ কৰিছো

**পৰিবহন বিভাগ ঃ ঘাই পথ, জলপথ আৰু অন্যান্য সংযোগকৰণ**

৪৮০) আগতে ৰখা মোৰ ভাষণত বিশ্ব বেংক অনুদিত আভ্যন্তৰীণ জলপৰিবহন বিভাগৰ চলি থকা প্ৰকল্পৰ প্ৰস্তুতিমূলক কাৰ্যৰ বিষয়ে মই উল্লেখ কৰিছিলো ।

৪৮১) মহোদয়, আভ্যন্তৰীণ জলপৰিবহনৰ ফেৰী সেৱাত দ্ৰুতগামী জলপৰিবহনৰ ব্যৱস্থা প্ৰৱৰ্তনৰ বাবে ব্ৰহ্মপুত্ৰ নদীৰ ফেৰী সেৱাৰ উন্নয়নৰ উদ্দেশ্যে ৰিভাৰ টেক্সী হিচাপে ব্যৱহাৰ কৰিব পৰাকৈ Fibre Reinforced Plastic (FPR) নাওঁ ক্ৰয় কৰিবলৈ আমাৰ চৰকাৰে প্ৰস্তাৱ আগবঢ়াইছে ।

৪৮২) আভ্যন্তৰীণ জলপৰিবহনৰ জাহাজসমূহক যাত্ৰাৰম্ভ কৰা আৰু লঙ্গৰ পেলোৱাৰ বাবে এক সুৰক্ষিত, নিৰাপদ আৰু সহজ ব্যৱস্থা প্ৰদানৰ উদ্দেশ্যে ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীৰ বিভিন্ন ফেৰীঘাটত ওপঙা টাৰমিনেল স্থাপনৰ বাবেও মই প্ৰস্তাৱ আগবঢ়াইছো ।

৪৮৩ ) আভ্যন্তৰীণ জলপৰিবহন, অসমে ৰাজ্যখনৰ বিভিন্ন ফেৰীঘাটত কেন্দ্ৰীয় খণ্ডৰ আঁচনিৰ (১০০ % সাহায্য মঞ্জুৰি) অধীনত ওপঙা টাৰমিনেলৰ উন্নয়নৰ বাবে ভাৰত চৰকাৰৰ জাহাজ পৰিবহন মন্ত্ৰালয়ৰ অধীনস্থ ভাৰতীয় আভ্যন্তৰীণ জলপথ প্ৰাধিকৰণৰ সৈতে সমন্বয় ৰক্ষাৰে কাম কৰি আছে ।

৪৮৪) বৰ্তমানে থকা তিনিবছৰ বা তাতকৈ পুৰণি চুপাৰ ডিলাক্স বাচসমূহৰ ঠাইত অসম ৰাজ্যিক পৰিবহন বিভাগে ২৩০.০০ লাখ টকাৰ আনুমানিক ব্যয়েৰে ৬ খন চুপাৰ ডিলাক্স বাছ ক্ৰয়ৰ প্ৰস্তাৱ আগবঢ়াইছে ।

৪৮৫) ২০১৮-১৯ বৰ্ষত মই এই বিভাগৰ কাৰণে সৰ্বমুঠ ৫১৮ কোটি টকাৰ প্ৰস্তাৱ ৰাখিছো ।

**নগৰ উন্নয়ন বিভাগ ঃ প্ৰসাৰিত দিগন্ত**

৪৮৬) নগৰীয় স্থানীয় নিকায়সমূহক অধিক সবল কৰি তুলিবলৈ মই তিনিটা বিশেষ পৌৰ সেৱাৰ প্ৰস্তাৱ কৰিছো । সেই সমূহ হ'ল - অসম নগৰীয় প্ৰশাসনিক সেৱা, অসম নগৰীয় অভিযান্ত্ৰিক সেৱা আৰু অসম নগৰীয় বিত্তীয় সেৱা । ইয়াৰে প্ৰতিটো সেৱাই নগৰীয় স্থানীয় নিকায়সমূহক শক্তিশালী কৰি সেইসমূহক 'অৰ্থনৈতিক বিকাশৰ প্ৰকৃত চালক' ৰূপে গঢ়ি তোলাত সহায় কৰিব ।

৪৮৭)'অটল মিশ্বন ফৰ ৰিজুভিনেশ্যন এণ্ড আৰ্বান ট্ৰান্সফৰ্মেশ্যন' ( অমৰুত) ৰ অধীনত ২০২০ বৰ্ষৰ ভিতৰত ১৬ টা প্ৰকল্প ৰূপায়ণ কৰিবলৈ তালিকাভুক্ত কৰা হৈছে । ইয়াৰ লগতে গুৱাহাটীত অচিৰেই এক যন্ত্ৰবিহীন যাতায়ত (Non-Motorized Transport ) প্ৰকল্প আৰম্ভ কৰা হ'ব ।

৪৮৮) দীনদয়াল অন্ত্যদয়া যোজনা-ৰাষ্ট্ৰীয় নগৰীয় জীৱিকা অভিযান (DAY-NULM) ৰ অধীনত আমি ১৩,০০০ নগৰীয় যুৱক-যুৱতীক নিয়োগৰ বাবে প্ৰশিক্ষিত কৰি তুলিবলৈ প্ৰস্তাৱ আগবঢ়াইছো ।

লগতে আমি ৩,০০০ মহিলা আত্ম-সহায়ক গোটক ঘূৰ্ণীয়মান পুঁজিৰ সাহায্য প্ৰদানেৰে শক্তিশালী কৰি তুলিবলৈ প্ৰস্তাৱ আগবঢ়াইছো । উদ্যমিতাক উৎসাহ প্ৰদান কৰিবলৈ আমি ১১৪৫ টা ব্যক্তিগত আৰু দলীয় উদ্যোগক সুত ৰেহাই সহ বেংকৰ ঋণৰ সুবিধা প্ৰদান কৰিবলৈ আৰু ৭৪০ টা আত্ম-সহায়ক গোটলৈ ঋণ সংযোগৰ সুবিধা আগবঢাবলৈ প্ৰস্তাৱ লৈছো ।

৪৮৯) আৰ্থিকভাৱে দুৰ্বল আৰু নিম্ন আয় গোটৰ পৰিয়ালসমূহৰ বাবে কামৰূপ জিলাৰ আজাৰা ৰাজহ চক্ৰৰ অন্তৰ্গত দদৰাত ২০০০ টা আৰু ডিব্ৰুগড় জিলাৰ মানকটা খনিকৰ মৌজাৰ অন্তৰ্গত খনিকৰ গাওঁত আন ৩০০ টা বহনসাধ্য আৱাস গৃহ নিৰ্মাণৰ বাবে মই প্ৰস্তাৱ আগবঢ়াইছো ।

৪৯০) মহোদয়, মই আপোনাক জনাব বিচাৰো যে ভাৰত চৰকাৰৰ ওচৰত অসম পৌৰ উন্নয়ণৰ এটা প্ৰকল্প প্ৰস্তাৱ আগবঢ়োৱা হৈছে আৰু বৰ্তমান ই পৰ্য্যালোচনা পৰ্য্যায়ত আছে । প্ৰস্তাৱিত প্ৰকল্পটোৰ উদ্দেশ্য হৈছে অমৰুত [AMRUT] আৰু স্মাৰ্ট চিটি মিছনসমূহৰ জৰিয়তে হাতত লোৱা নগৰীয় সংস্কাৰমূলক কাৰ্যসমূহৰ পৰিপূৰক হিচাপে কাম কৰাৰ লগতে নগৰীয় সেৱাসমূহ অব্যাহত ৰখা তথা প্ৰসাৰিত কৰাৰ ক্ষেত্ৰত সহায় কৰিবলৈ অসমৰ নগৰীয় সেৱাসমূহ তথা নগৰীয় স্থানীয় নিকায় আৰু ৰাজ্যিক পৰ্য্যায়ৰ নগৰীয় অনুষ্ঠানসমূহ উন্নত কৰি তোলা । মই আশাবাদী যে চলিত বৰ্ষতে আমি ভাৰত চৰকাৰৰ পৰা অনুমোদন লাভ কৰিম ।

৪৯১) এই বিভাগটোৰ বাবে ২০১৮-১৯ বৰ্ষত মই ১৬৩৩ কোটি টকাৰ মুঠ বাজেট আৱণ্টনৰ বাবে প্ৰস্তাৱ আগবঢ়ালো ।

**জলসম্পদ বিভাগ- প্ৰকৃতিৰ সৈতে নিৰন্তৰ যুদ্ধ**

৪৯২) অসম এখন জল সম্পদেৰে ভৰপুৰ ৰাজ্য । অসমৰ মাজেৰে বৈ থকা দুখন প্ৰধান নদী ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীয়ে ৰাজ্যখনৰ আৰ্থ-সামাজিক আৰু সাংস্কৃতি ক ক্ষেত্ৰৰ সকলো দিশতে উন্নতি সাধন কৰিবলৈ যথেষ্ট পৰিমাণে অৰিহণা আগবঢ়াইছে । ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে দ্ৰুত ঘাইপথ নিৰ্মাণৰ প্ৰস্তাৱ লোৱা হৈছে আৰু এই কামৰ বাবে প্ৰাৰম্ভিক জৰীপ তথা তদন্তৰ কাম ইতিমধ্যে সমাপ্ত হৈছে ।

৪৯৩) ২০১৭-১৮ বৰ্ষত হাতত লোৱা কলং নদীৰ পুনৰুজ্জীৱিতকৰণৰ ছিগনেচাৰ প্ৰকল্পৰ কাম আগবাঢ়িছে আৰু এই কামৰ বাবে ২০১৮-১৯ বৰ্ষৰ বাজেটত ১৫ কোটি টকা ধাৰ্য কৰা হৈছে ।

৪৯৪) বহিঃ সাহায্যপ্ৰাপ্ত অসম সংহত নদীৰ পাৰ ব্যৱস্থাপনা প্ৰকল্প (AIRBMP) ৰূপায়ণৰ অৰ্থে ২০১৮-১৯ বৰ্ষৰ বাজেটত যথেষ্ট পৰিমাণৰ ধন ধাৰ্য কৰা হৈছে ।

৪৯৫) বিশ্বৰ সৰ্ববৃহৎ জনবসতিপূৰ্ণ নদী-দ্বীপ মাজুলীৰ বান আৰু খহনীয়া সমস্যাটোৰ স্থায়ী সমাধানৰ অৰ্থে মাজুলীত পূৰ্ণ পৰ্য্যায়ৰ জল সম্পদ চৌহদ নিৰ্মাণ, আপাতকালীন পৰিস্থিতিত প্ৰয়োজনীয় বান প্ৰতিৰোধী সামগ্ৰীসমূহ জমা ৰাখিবলৈ এটা সামগ্ৰী বেংক নিৰ্মাণ আৰু অন্যান্য কাম-কাজ সমূহে বৰ্তমানে অগ্ৰগতি লৈছে ।

৪৯৬) চৰকাৰে ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহত প্ৰথমবাৰৰ বাবে নদীৰ বুকু খন্দাৰ পদক্ষেপ লোৱা সম্পৰ্কে গভীৰভাবে চিন্তা-চৰ্চা কৰি আছে ।ব্ৰহ্মপুত্ৰ আৰু বৰাকৰ উপনৈসমূহত নদীৰ বুকু খন্দাৰ দৰে উদ্ভাৱণীমূলক কামটোৰ প্ৰথম পৰ্য্যায়ত চৰকাৰে এটা ড্ৰেজাৰ আৰু ইয়াৰ সৈতে সংলগ্ন যন্ত্ৰ-পাতি ক্ৰয় কৰিবলৈ প্ৰস্তাৱ আগবঢ়াইছে । চৰকাৰে ইতিমধ্যে SDRF ৰ অধীনত প্ৰস্তাৱটোলৈ ১৮.০০ কোটি টকাৰ আবণ্টন দিছে ।

৪৯৭) এই বিভাগটোৰ বাবে মই ২০১৮-১৯ বৰ্ষত ৮২৪ কোটি টকাৰ মুঠ বাজেট আবণ্টন ধাৰ্য কৰিছো ।

**সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগ ঃ সৰ্বাঙ্গীন উন্নয়নৰ পথত**

৪৯৮) আমাৰ চৰকাৰৰ লক্ষ্য হৈছে সৰ্বাঙ্গীন বিকাশ । অসমৰ বৈচিত্ৰময় সামাজিক গাথঁনি হৈছে আমাৰ শক্তি ।আমাৰ ৰাজ্যখনে যাতে প্ৰগতিৰ পথত অগ্ৰসৰ হ'ব পাৰে সেইটো সুনিশ্চিত কৰিবলৈ আমি ইয়াক কামত খটুৱাৰ প্ৰয়োজনীয়তা আছে । ভাষিক সংখ্যালঘুকে ধৰি সংখ্যালঘু সম্প্ৰদায় সমূহৰ তথা চৰ এলেকাত বসবাস কৰা লোকসকলৰ সৰ্বাঙ্গীন বিকাশৰ প্ৰতি আমি প্ৰতিশ্ৰুতিবদ্ধ ।

৪৯৯) স্ব-নিয়োজনক উৎসাহিত কৰাৰ অৰ্থে অগ্ৰাধিকাৰ ভিত্তিত সংখ্যালঘু যুৱক-যুৱতীসকললৈ দক্ষতা বিকাশৰ প্ৰশিক্ষণ প্ৰদান কৰিবলৈ আমি প্ৰস্তাৱ লৈছো ।

৫০০) সংখ্যালঘু সম্প্ৰদায়ৰ মহিলাসকলৰ সৱলীকৰণৰ বাবে মই ইতিপূৰ্বে মোৰ ভাষণত কেইবাখনো আঁচনিৰ কথা ঘোষণা কৰিছো ।

৫০১) ২০১৮-১৯ বৰ্ষত এই বিভাগৰ বাবে ৩২৭ কোটি টকাৰ ব্যৱস্থা কৰা হৈছে ।

**বড়োলেণ্ড আঞ্চলিক পৰিষদ - স্বায়ত্ততাক সন্মান প্ৰদান**

৫০২) আমাৰ চৰকাৰে বড়োলেণ্ড আঞ্চলিক পৰিষদৰ বিশেষ উন্নয়নমূলক প্ৰয়োজনীয়তাসমূহ পূৰণ কৰাৰ বাবে তেওঁলোকলৈ আবণ্টন পৰিমাণ বৃদ্ধি কৰিছে । তলৰ তালিকাত এই কথা স্পষ্ট হয় ।

| বছৰ | ২০১৫-১৬ প্ৰকৃত | ২০১৬-১৭ প্ৰকৃত | ২০১৭-১৮ বাজেট | ২০১৮-১৯ বাজেট |
|---|---|---|---|---|
| টকাৰ পৰিমাণ (কোটিত) | ৪৬২.৬৬ | ৫২৩.৬৬ | ৫৫৫.১৯ | ৬১০.৭১ |

৫০৩) ভাৰতৰ মাননীয় প্ৰধান মন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোডী ডাঙৰীয়াই বড়োলেণ্ড আঞ্চলিক পৰিষদ (BTC) এলেকাত উন্নয়নমূলক কাম-কাজ হাতত লোৱাৰ বাবে ৰাজ্য চৰকাৰক উৎসাহিত কৰিছে । সেই অনুসৰি আমি অঞ্চলটোৰ বাবে ১০০০ কোটি টকাৰ এককালীন বিশেষ অনুদান ঘোষণা কৰিছিলো । ইয়াৰে ৩০০ কোটি টকা ২০১৮ চনৰ ৩১ মাৰ্চৰ পূৰ্বে মুকলি কৰি দিয়া হ'ব । বিগত বৰ্ষত এই অঞ্চললৈ আগবঢ়োৱা আমাৰ আৱণ্টন অব্যাহত ৰাখি সাধাৰণ আৱণ্টনৰ উপৰিও ২০১৮-১৯ বৰ্ষত বড়োলেণ্ড আঞ্চলিক পৰিষদলৈ ৩০০ কোটি টকা পুঁজি আৱণ্টন কৰিছো।

৫০৪) উচ্চ সাধাৰণ আবণ্টন আৰু ৩০০ কোটি টকাৰ 'বিশেষ আবণ্টন'ৰ উপৰি অসম ৰাজ্যিক বিত্ত আয়োগৰ অনুমোদন অনুসৰি বড়োলেণ্ড আঞ্চলিক পৰিষদলৈ মই অতিৰিক্তভাবে ১৭৭.৫২ কোটি টকা আবণ্টন দিছো ।

৫০৫) মোৰ বিশ্বাস যে অঞ্চলটোৰ উন্নয়নৰ ঘাটিসমূহ পূৰণ কৰাত ই যথেষ্ট সহায় কৰিব আৰু বড়োলেণ্ড অঞ্চলসমূহে সন্মুখীন হোৱা আন্তঃগাঁথনিগত সুবিধাসমূহ দূৰ কৰাত ই সহায়ক হ'ব । মই আশাবাদী যে বৰ্দ্ধিত আবণ্টনসমূহ আৰু এই বিশেষ এককালীন অনুদান সম্পূৰ্ণ দায়বদ্ধতাসহ সতৰ্কতাৰে আৰু স্বচ্ছভাবে খৰছ কৰা হ'ব আৰু তেওঁলোকৰ বিভিন্ন প্ৰয়োজনীয়তাসমূহ পূৰণ কৰাত যথেষ্ট সহায়ক হোৱাৰ লগতে বি. টি. চি. এলেকাৰ আৰ্থ সামাজিক পৰিস্থিতিৰ উন্নতি সাধিত হ'ব ।

বাজেট আৰু প্ৰকৃত পুঁজি মুকলিৰ খতিয়ান- স্বায়ত্ব শাসিত পৰিষদ ঃ

১) লালুং (তিৱা) স্বায়ত্ত শাসিত পৰিষদ ২০১৭-১৮ ৰ বাজেটত আছিল ৩৬.০০কোটি টকা ২০১৮-১৯ ৰ বাজেটত ৩৯.০০ কোটি টকা। ২) মিছিং স্বায়ত্ত শাসিত পৰিষদ ২০১৭-১৮ ৰ বাজেটত আছিল ৭২.০০কোটি টকা ২০১৮-১৯ ৰ বাজেটত ৭৯.২০ কোটি টকা। ৩) ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদ ২০১৭-১৮ ৰ বাজেটত আছিল ৫৪.৩৬কোটি টকা ২০১৮-১৯ ৰ বাজেটত ৫৯.৮০ কোটি টকা। ৪) দেউৰী স্বায়ত্ত শাসিত পৰিষদ ২০১৭-১৮ ৰ বাজেটত আছিল ২০.৩৫কোটি টকা ২০১৮-১৯ ৰ বাজেটত ২২.৩৯ কোটি টকা। ৫)সোনোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদ ২০১৭-১৮ ৰ বাজেটত আছিল ৩৩.১৮কোটি টকা ২০১৮-১৯ ৰ বাজেটত ৩৬.৫০ কোটি টকা। ৬) ঠেঙাল কছাৰী স্বায়ত্ত শাসিত পৰিষদ ২০১৭-১৮ ৰ বাজেটত আছিল ১৮.০০কোটি টকা ২০১৮-১৯ ৰ বাজেটত ১৯.৮০ কোটি টকা।

৫০৮) ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদ এলেকাত আদৰ্শ প্ৰাথমিক বিদ্যালয় স্থাপনৰ বাবে ২০১৮-১৯ বৰ্ষৰ বাজেটত মই ১০ কোটি টকা আবণ্টন কৰিছো।

৫০৯) ২০১৮-১৯ বৰ্ষত এই বিভাগৰ বাবে মই ৪,০৮৫ কোটি টকা আৱণ্টনৰ প্ৰস্তাৱ কৰিছো।

## XLVIII) চাহ জনজাতি কল্যাণ বিভাগ ঃ অসমৰ গৌৰৱ

৫১০) আমাৰ চৰকাৰে চাহবাগানৰ শ্ৰমিক সকলৰ কল্যাণৰ প্ৰতি উচ্চ অগ্ৰাধিকাৰ প্ৰদান কৰিছে আৰু আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে চাহবাগান সমূহৰ কল্যাণৰ প্ৰতি বিশেষ মনোযোগ প্ৰদান কৰিছে। তেখেতৰ সপোনক বাস্তৱায়িত কৰাৰ অৰ্থে আমি চাহবাগান এলেকাৰ যুৱক যুৱতী সকলৰ বাবে কেইবাখনো কল্যাণ মূলক আঁচনি হাতত লৈছো। অসামৰিক সেৱাৰ পৰীক্ষা সুখ্যাতিৰে উত্তীৰ্ণ হ'ব পৰাকৈ মাননীয় মুখ্যমন্ত্ৰীয়ে ২০১৭ চনৰ ১৬ নৱেম্বৰ তাৰিখে চাহ জনজাতি সম্প্ৰদায়ৰ যুৱক যুৱতী সকলৰ বাবে এক বিশেষ কোচিং কাৰ্য্যসুচী আনুষ্ঠানিক ভাৱে মুকলি কৰে। ল'ৰা আৰু ছোৱালী উভয়ৰ বাবে নিৱাস গৃহ নিৰ্মাণৰ কাম হাতত লোৱা হৈছে।

৫১১) চাহ জনগোষ্ঠীৰ ক্ৰীয়া আৰু যুৱ কল্যাণত উৎসাহ যোগাবৰ বাবে মুখ্যমন্ত্ৰীৰ চাহ জনগোষ্ঠী ফুটবল টুৰ্ণামেণ্টৰ উপৰি তেওঁলোকৰ বাবে ক্ৰীয়াৰ ক্ষেত্ৰত থকা জন্মগত ক্ষমতাক উদ্ভাসিত কৰিবৰ বাবে চাহ জনগোষ্ঠীয় ল'ৰা আৰু ছোৱালীৰ বা বে তিনিখন ফুটবল আৰু ধৰ্নুবিদ্যা ˉ একাডেমী স্থাপন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

৫১২) তদুপৰি, মোৰ পূৰ্বৰ বাজেট ভাষণত দিয়া প্ৰতিশ্ৰুতি অনুসৰি প্ৰতিখনত ১৫ লাখ টকা ব্যয় সাপেক্ষে অন্য ২৫ খন ৰঙ্গমঞ্চ এই বৰ্ষতেই নিৰ্মাণ কৰা হ'ব।

৫১৩) গুৱাহাটী চিকিৎসা মহাবিদ্যালয় প্ৰাঙ্গনত কেৱল চাহ জনগোষ্ঠীৰ লোকৰ বাবে ৰোগী পৰিচৰ্যা গৃহ নিৰ্মাণ কৰিবলৈও প্ৰস্তাৱ কৰা হৈছে।

৫১৪) চাহ জনগোষ্ঠীৰ প্ৰায় ৭০ টা কৃষক গোটলৈ পাৱাৰ টিলাৰ প্ৰদান কৰাৰ বাবে এখন আঁচনি হাতত লোৱা হৈছে। ৰাজ্যখনৰ ২০ খন চাহ বাগিচাত পাইলট প্ৰকল্প হিচাবে ক্ষুদ্ৰ গ্ৰাম্য পানী যোগান আঁচনি হাতত লোৱা হৈছে।

৫১৫) ২০১৮-১৯ বৰ্ষত এই বিভাগৰ বাবে ৮১ কোটি টকা আৱণ্টনৰ প্ৰস্তাৱ লোৱা হৈছে।

**অংশ ২**

**কৰ প্ৰস্তাৱ**

মাননীয় অধ্যক্ষ মহোদয়,

বিগত দুয়োখন বাজেটতে মই ৰাজহ সৃষ্টিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিলো আৰু বাজেটৰ দ্বিতীয় অংশত সম্পদ বৃদ্ধিৰ ওপৰত ব্যাপক গুৰুত্ব প্ৰদানেৰে বাজেট ভাষণক দুটা অংশত বিভক্ত কৰিছিলো। মোৰ ভাষণৰ আৰম্ভণীতে উল্লেখ কৰা মতে বৃহৎ হাৰত উন্নয়নমূলক প্ৰকল্প ৰূপায়ণৰ অৰ্থে অধিক সম্পদ সৃষ্টি কৰিবলৈ আমাৰ চৰকাৰে 'ৰিষ্টাৰ্ট অসম' (ReSTART ASSAM) ৰ ওপৰত অত্যাধিক গুৰুত্ব প্ৰদান কৰিছে।

আমাৰ চৰকাৰে দৃঢ়ভাৱে বিশ্বাস কৰে যে আমি আমাৰ সামৰ্থ্যৰ ভিতৰত জীৱন নিৰ্বাহ কৰা উচিত। পৰ্যাপ্ত সম্পদ সৃষ্টিৰ ওপৰত চকু নাৰাখিলে বহনক্ষম উন্নয়নত উপনীত হ'ব নোৱাৰি। সামগ্ৰী আৰু সেৱা কৰ সংগ্ৰহ ব্যৱস্থাটোক সু-শৃংখলিত কৰাৰ ক্ষেত্ৰত আমি গ্ৰহণ কৰা বিভিন্ন প্ৰচেষ্টাৰ ফলশ্ৰুতিত কৰ ৰাজহ সংগ্ৰহৰ পৰিমাণ যথেষ্ট বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। প্ৰযুক্তিৰ ব্যৱহাৰ, প্ৰগতিশীল নীতি গ্ৰহণ, ৰাজহ ফাঁকিৰ সুৰুঙা হ্ৰাস কৰা বিধায়িনী আৰু প্ৰশাসনীয় কাৰ্যব্যৱস্থা সমূহৰ ফলত ই সম্ভৱ হৈ উঠিছে।

অৱশ্যে কৰ বিহীন উৎসৰ পৰা লাভ কৰা ৰাজহ সংগ্ৰহৰ পৰিমাণলৈ ভালদৰে লক্ষ্য কৰিলে এই কথাই প্ৰতিপন্ন হয় যে বিকাশৰ বাবে পৰ্যাপ্ত সুযোগ আছে। আমি উপলব্ধি কৰিছো যে অসম চৰকাৰে কাম কাজৰ ব্যয় জোৰা মৰাৰ বাবে পৰ্যাপ্ত সম্পদ সৃষ্টি অবিহনেই ইয়াৰ বিভিন্ন প্ৰশাসনিক ব্যৱস্থাৰ জৰিয়তে এলানি সেৱা আগবঢ়াই আহিছে।

মাচুল, জৰিমনা , ব্যৱহাৰ কাৰীৰ মাচুল ইত্যাদিকে ধৰি কৰবিহীন উৎসসমূহৰ পৰা লাভ কৰা ৰাজহ বৃদ্ধি দীৰ্ঘম্যাদীভাৱে সেৱা প্ৰদানৰ বাবে গুৰুত্বপূৰ্ণ। মোৰ ভাষনৰ পৰৱৰ্তী অংশত এই এই সম্পৰ্কে মই বিতং ভাৱে উল্লেখ কৰিম। প্ৰথমে মই সদনত কৰ ৰাজহৰ প্ৰতিবেদন দাখিল কৰিব খুজিছো।

অসমত সামগ্ৰী আৰু সেৱা কৰ ৰূপায়ণ আৰু ৰাজহ সংগ্ৰহৰ স্থিতি

১) অধ্যক্ষ মহোদয়, আপোনাৰ জ্ঞাত যে অসম হৈছে ঐতিহাসিক সামগ্ৰী আৰু সেৱা কৰ সাংবিধানিক সংশোধন বিধেয়কখন গৃহীত কৰা দেশৰ ভিতৰতে প্ৰথমখন ৰাজ্য আৰু জি এছ টি পৰিষদত আমি এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছো। অন্যান্য প্ৰতিনিধিৰ লগতে কেন্দ্ৰীয় বিত্ত মন্ত্ৰীয়ে অংশগ্ৰহণ কৰা ২৩ সংখ্যক জি এছ টি পৰিষদৰ বৈঠক অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত আমালৈ প্ৰদান কৰা সুযোগেই এই কথাই প্ৰতিফলিত কৰিছে। মহোদয়, অসমত জি এছ টিৰ আওঁতালৈ যোৱাটো কম-বেছি পৰিমাণে সুগম আৰু বাধাহীন আছিল। ৰাইজে ব্যৱহাৰ কৰা বহু সামগ্ৰীৰ ওপৰত কৰ হ্ৰাস কৰা সত্বেও জি এছ টিৰ অধীনত ৰাজহ সংগ্ৰহৰ উৰ্দ্ধমূখী যথেষ্ট উৎসাহৰ বিষয়।

২) **ৰাজহৰ ধাৰা** ঃ চলিত বিত্তীয় বৰ্ষত বাণিজ্যিক কৰ বিভাগে ২০১৮ বৰ্ষৰ ফেব্ৰুৱাৰী মাহলৈ

ইতিমধ্যে ১০,১৪৭ কোটি টকা সংগ্ৰহ কৰিছে। যাৰ বিৱৰণ তলত উল্লেখ কৰা হ'ল ঃ
সামগ্ৰী আৰু সেৱা কৰ (জি এছ টি) ৰ অধীনত সংগ্ৰহ (১-৭-২০১৭ ৰ পৰা) ৩,৫৫৮ কোটি টকা, জি এছ টি ৰ ক্ষতিপূৰণ ৬৮৪ কোটি টকা, জি এছ টি বহিৰ্ভূত সামগ্ৰীৰ পৰা সংগ্ৰহ ৩,১৫১ কোটি টকা, মূল্য সংযোজিত কৰকে ধৰি অন্যান্য কৰাৰোপন আইনসমূহ ২,৭৫৪ কোটি টকা, মুঠ সংগৃহীত ধন ১০,১৪৭ কোটি টকা।

এইটো উল্লেখনীয় যে সামগ্ৰী আৰু সেৱা কৰ ব্যৱস্থাটো ২০১৭ চনৰ ১ জুলাইৰ পৰা কাৰ্যকৰী হৈছে। সেয়েহে চলিত বিত্তীয় বৰ্ষটোৰে ২০১৭ চনৰ ১ এপ্ৰিলৰ পৰা ৩০ জুনলৈ প্ৰাক্- জি এছ টি কালছোৱাকো সামৰি লৈছে। পূৰ্বৰ ২০১৬-১৭ বিত্তীয় বৰ্ষৰ একছোৱা সময়ত আমি ৮৯৯৩.৯৫ কোটি টকা সংগ্ৰহ কৰিছিলো। এইদৰে চলিত বিত্তীয় বৰ্ষত সংগৃহীত ধনৰ পৰিমাণ এতিয়ালৈকে ১৩ শতাংশ বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে।

৩) **আবকাৰী সংস্কাৰ আৰু ৰাজহ আহৰণৰ স্থিতি ঃ** আমাৰ চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়ে মই চমুকৈ দোহাৰিব বিচাৰিছো আৰু লগতে অহা বৰ্ষৰ বাবে পৰিকল্পনা কৰা পদক্ষেপ সমূহৰ উল্লেখ কৰিব বিচাৰিছো ঃ

ক) অসম আবকাৰী বিধি, ১৯৪৫ ৰ স্থানত ২০১৬ বৰ্ষৰ ১ ছেপ্তেম্বৰৰ পৰা নতুন অসম আবকাৰী বিধি, ২০১৬ খন বলৱৎ কৰা হৈছে।

খ) বিভাগে অনুজ্ঞাপত্ৰ মাচুলৰ গাঁথনি শৃংখলাবদ্ধকৰণ , ড্ৰাই দে'ৰ সংখ্যা যুক্তিসংগতকৰণ, সুৰাৰ বিপণী খোলা আৰু বন্ধ কৰাৰ সময় নিয়ন্ত্ৰণ কৰা আদিৰ লেখীয়া বহুতো সংস্কাৰমূলক কাম-কাজ ৰূপায়ণ কৰিছে।

গ) কিছুমান নিদিষ্ট অপৰাধৰ বাবে কঠোৰ শাস্তি প্ৰদান কৰাৰ উদ্দেশ্যে অসম আবকাৰী (সংশোধনী) বিধেয়ক, ২০১৮ খন প্ৰৱৰ্তন কৰা হৈছে।

ঘ) আবকাৰী শুল্কৰ ফাঁকি ৰোধ কৰিবলৈ আমাৰ চৰকাৰে সুৰাৰ বটলত বাৰ কোড আৰু হ'লোগ্ৰীফিক প্ৰযুক্তি ( Barcode & Holographic Technology) ব্যৱহাৰৰ বাবে পদক্ষেপ হাতত লৈছে।

ঙ) এই পদক্ষেপ সমূহৰ ফলস্বৰূপে আবকৰী ৰাজহ সংগ্ৰহ ৯৮০ কোটি টকালৈ বৃদ্ধি পাইছে ( ২০১৮ বৰ্ষৰ ফেব্ৰুৱাৰীলৈকে), যিটো যোৱা বৰ্ষৰ তুলনাত ১৮ শতাংশ অধিক।

৪) যান-বাহন সংস্কাৰ আৰু ৰাজহ আহৰণৰ স্থিতি ঃ যান-বাহনৰ পৰা লাভ কৰা ৰাজহৰ পৰিমাণ বৃদ্ধি কৰিবলৈ আমি অনলাইন ডিলাৰ পইণ্ট পঞ্জীয়ণৰ সুবিধা, অনলাইন অনুজ্ঞাপত্ৰ লাভ, আবেদন আৰু মাচুল জমাকে ধৰি বহু সংখ্যক সংস্কাৰ মূলক কাম-কাজ আৰম্ভ কৰিছো। তদুপৰি অন ডিমাণ্ড ট্ৰেন্সপোৰ্ট টেকন'লজী ৰুল, ২০১৭ অহা এমাহৰ ভিতৰত ৰূপায়ণ কৰা হ'ব যিখনে ৰেব আধাৰিত টেক্সি আৰু আন তেনে গোষ্ঠীক নিয়ন্ত্ৰণ কৰিব আৰু ই ৰাজ্যখনৰ বাবে অতিৰিক্ত ৰাজহ সৃষ্টি কৰিব।

৫) চলিত বিত্তীয় বৰ্ষত যান-বাহনৰ কৰ ৰাজহ ৫৬১ কোটি টকালৈ বৃদ্ধি পাইছে। ( ২০১৮ বৰ্ষৰ ফেব্ৰুৱাৰীলৈকে), যিটো যোৱা বৰ্ষৰ সংগ্ৰহৰ তুলনাত ২২.৫ শতাংশ অধিক।

ক্ষুদ্ৰ চাহ খেতিয়কলৈ সকাহ ঃ

বিগত দুখন বাজেটত নিদিষ্ট ভূমি উপকৰৰ হাৰ দুটা পৰ্য্যায়ত প্ৰতি কেজি কেঁচাপাতত ২৫ পইচাৰ পৰা ১০ পইচালৈ হ্ৰাস কৰা হৈছে। এচোৱা সময়ৰ ভিতৰত এই উপকৰ সম্পূৰ্ণৰূপে বিলুপ্ত কৰা হ'ব হব বুলি মোৰ পূৰ্বৰ বাজেট ভাষণত দিয়া প্ৰতিশ্ৰুতি অনুসৰি আমি এতিয়া আৰু

এখোজ আগুৱাব বিচাৰিছো আৰু ইয়াৰ ফলত পৰিব পৰা সম্ভাব্য বিত্তীয় প্ৰভাৱ সত্বেও কেচাঁপাতৰ উপকৰ সম্পূৰ্ণৰূপে ৰেহাই দিব খুজিছো। তদুপৰি কৃষি আয়কৰ আইনৰ অধীনত ৰেহাইৰ সীমা ১ লাখ টকাৰ পৰা ২.৫ লাখ টকালৈ বৃদ্ধি কৰা হৈছে আৰু অন্যান্য কৰ গাথনিসমূহো যুক্তিসংগত কৰা হৈছে।

**নতুন কৰ প্ৰস্তাৱ ঃ** উচ্চ বাজেট প্ৰতিশ্ৰুতি সত্বেও, অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ কৰ্মচাৰী সকল অথবা তেওঁলোকৰ উত্তৰাধিকাৰী সকললৈ অৱসৰকালীন লাভালাভ প্ৰদান সম্পৰ্কীয় বিষয়সমূহ চোৱা-চিতা কৰা অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ পেঞ্চন পুঁজি বিনিয়োগ নিধিৰ দীৰ্ঘকালীন স্থায়িত্বৰ সহায়ক হোৱাকৈ বিদ্যুৎ শুল্কৰ যুক্তিসংগতকৰণৰ বাহিৰে মই কোনো নতুন কৰৰ প্ৰস্তাৱ কৰিব বিচৰা নাই। এই নিধিক স্ব-নিৰ্ভৰশীল কৰি তুলিবলৈ আৰু দেনাৰ ব্যৱধানৰ জোৰা মাৰিবলৈ বৰ্তমানে প্ৰতি ইউনিটত ২০ পইচাকৈ থকা বিশেষ শুল্কৰ বিপৰীতে মূল্যানুসাৰে ৫ শতাংশ হাৰত বিদ্যুৎ শুল্ক আৰোপ কৰিবলৈ মই প্ৰস্তাৱ লৈছো।

**কৰ বৰ্হিভূত ৰাজহ ঃ**

মহাশয়,

পূৰ্বতে উল্লেখ কৰা মতে কৰ বৰ্হিভূত ৰাজহ সৃষ্টিৰ প্ৰতি আমি সীমিত মনোযোগ প্ৰদান কৰিছো আৰু আমি ইতি মধ্যে আৰোপিত মাচুল, জৰিমনা আৰু ব্যৱহাৰকাৰীৰ মাচুল যুক্তিসংগত কৰিব বিচাৰিছো যাতে এই গুৰুত্বপূৰ্ণ উৎস সমূহৰ পৰা আমাৰ ৰাজহ সংগ্ৰহৰ পৰিমাণ আমি বৃদ্ধি কৰিবলৈ সক্ষম হওঁ। এই বিত্তীয় বৰ্ষত মই বিভিন্ন খণ্ডত বিবেচিত হ'বলগীয়া কেতবোৰ প্ৰস্তাৱ আপোনালোকৰ সন্মুখত উত্থাপন কৰিম।

**ৰাজহ বিভাগ ঃ**

মই সদনক জনাব বিচাৰো যে নিবিদা মূল্য পূৰ্বতকৈ বহু বৃদ্ধি পোৱাৰ কথা বিবেচনা কৰি ঠিকাদাৰ নাইবা যোগানকাৰী সকলে নিবিদা মাচুল হিচাপে প্ৰদান কৰি অহা ৮.২৫ টকাৰ পৰিমাণ অতি নগন্য। মই এই মাচুল ২০ লাখ টকা পৰ্যন্ত নিবিদাৰ ক্ষেত্ৰত ৮.২৫ টকাৰ পৰা ১০০ টকালৈ আৰু ২০ লাখ টকাৰ ওপৰৰ নিবিদাৰ বাবে ৫০০ টকালৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ আগবঢ়াইছো। ইয়াৰ ফলত ৰাজ্যখনৰ সম্পদৰ পৰিমাণ নিশ্চিত ভাৱে বৃদ্ধি পাব আৰু লগতে এই পদক্ষেপে নিবিদা প্ৰক্ৰিয়াটোক গুৰুত্ব সহকাৰে নোলোৱা নিবিদা প্ৰদানকাৰী সকলক অংশ গ্ৰহণ কৰাৰ পৰা অনুৎসাহিত কৰিব। ৰাজহ বিভাগে প্ৰস্তাৱিত এই বৃদ্ধিৰ আৰ্হি পৰৱৰ্তী সময়ত প্ৰস্তুত কৰি উলিয়াব।

তদুপৰি, ৰাজহ বৃদ্ধিৰ বাবে স্থাৱৰ সম্পত্তিৰ লেন দেনৰ ক্ষেত্ৰত আৰোপিত মোহৰ শুল্ক আৰু পঞ্জীয়ণ মাচুল পূৰ্বৰ হাৰতকৈ ১ শতাংশ বৃদ্ধিৰ বাবে মই প্ৰস্তাৱ লৈছো।

পৰিবেশ আৰু বন ঃ

জলবায়ু পৰিবৰ্তনৰ বিৰুদ্ধে যুঁজ দিবলৈ আৰু পৰ্যটন তথা সহযোগী খণ্ডৰ প্ৰসাৰৰ অৰ্থে প্ৰাকৃতিক সম্পদ শোষণৰ প্ৰতিকুল ফলাফলক ৰোধ কৰাৰ বাবে ৰাজহ সংগ্ৰহৰ পৰিমাণ বৃদ্ধিৰ প্ৰয়োজনীয়তা আছে। কাঠ ভিত্তিক উদ্যোগ আৰু সংৰক্ষিত বনাঞ্চলত থকা পৰিবেশ পৰ্যটনৰ কেন্দ্ৰ সমূহৰ সৈতে জড়িত বিভিন্ন মাচুল বৃদ্ধি কৰিবলৈ মই প্ৰস্তাৱ লৈছো। সেৱা মাচুল বৃদ্ধিৰ জৰিয়তে বন আৰু সহযোগী খণ্ডসমূহৰ সেৱা বৃদ্ধি কৰিবলৈ মই প্ৰস্তাৱ লৈছো।

**গড়কাপ্তানী বিভাগ ঃ**

মহাশয়, গড়কাপ্তানী বিভাগৰ সেৱা সমূহ উন্নীতকৰণৰ বাবে মই বৃহৎ ঠিকাদাৰ সকলৰ পঞ্জীয়ন মাচুল বৃদ্ধি কৰাৰ প্ৰস্তাৱো আগবঢ়াইছো। কৰ বৰ্হিভূত ৰাজহ প্ৰথম শ্ৰেণী (ক) বৰ্তমানৰ

নিৰিখ ১৫ হাজাৰ টকা আৰু সংশোধিত নিৰিখ ১ লাখ টকা, কৰ বৰ্হিভূত ৰাজহ প্ৰথম শ্ৰেণী (খ) বৰ্তমানৰ নিৰিখ ১০ হাজাৰ টকা আৰু সংশোধিত নিৰিখ ৫০ হাজাৰ টকা, কৰ বৰ্হিভূত ৰাজহ প্ৰথম শ্ৰেণী (গ) বৰ্তমানৰ নিৰিখ ৫ হাজাৰ টকা আৰু সংশোধিত নিৰিখ ২৫ হাজাৰ টকা, কৰ বৰ্হিভূত ৰাজহ দ্বিতীয় শ্ৰেণী বৰ্তমানৰ নিৰিখ ২ হাজাৰ টকা আৰু সংশোধিত নিৰিখ ৫হাজাৰ টকা, কৰ বৰ্হিভূত ৰাজহ তৃতীয় শ্ৰেণী বৰ্তমানৰ নিৰিখ ৫০০ টকা আৰু সংশোধিত নিৰিখ ১ হাজাৰ টকা।

এই সকলো প্ৰস্তাৱেই পৰ্য্যাপ্ত ৰাজহ আহৰণত ফলপ্ৰসু নহ'ব পাৰে। মোৰ প্ৰাথমিক সমীক্ষাত সৰ্বমুঠ অতিৰিক্ত সংগ্ৰহ আনকি ১০ কোটি টকা অতিক্ৰম নকৰিব পাৰে। ইয়াৰ বিপৰীতে ৰাজহ সংগ্ৰহৰ ভেটি সম্প্ৰসাৰণৰ বাবে কৰ বৰ্হিভূত ৰাজহৰ উৎসৰ ওপৰত আমি দৃষ্টি দিব লাগিব। এইখিনি সফলতা অৰ্জন কৰিবলৈ এই উপায় মুকলি কৰাৰ লগতে বৰ্হিভূত ৰাজহ সংগ্ৰহৰ উদ্দেশ্যে ৰাজ্য চৰকাৰক পৰামৰ্শ দিবৰ বাবে এখন উচ্চ শক্তি সম্পন্ন আয়োগ গঠন কৰাৰ কাম হাতত লৈছো।

লগতে ৰাজ্য চৰকাৰৰ বাবে এটা তৃতীয় উৎস গঠন কৰিবলৈ আমি লাভজনক ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানত বিনিয়োগৰ সম্ভাৱনীয়তাক উদঘাটন কৰিব বিচাৰিছো। প্ৰণিধানযোগ্য যে আমি ইতিপূৰ্বে নুমলীগড় শোধানাগাৰত বিনিয়োগ কৰিছো, য'ৰ পৰা ২০১৬ বিত্তীয় বৰ্ষত ১৬৮.৯৩ কোটি টকাৰ লাভাংশ অৰ্জন কৰিবলৈ সক্ষম হৈছো।

ইয়াৰ উপৰি সুতৰ বোজা হ্ৰাস কৰিবলৈ মই উচ্চ হাৰৰ ঋণৰ সলনি কম হাৰৰ ঋণ ব্যৱস্থা কৰিবলৈও মই প্ৰস্তাৱ কৰিছো। ইয়াৰ ফলত বহুল পৰিমাণে পুঁজিৰ সঞ্চয় হ'ব আৰু স্বাভাৱিকভাৱেই এই পুঁজি আমি উন্নয়নমূলক কামত ব্যৱহাৰ কৰিব পৰা যায়। সেইকাৰণে আমি বিশেষকৈ পেট্ৰোলিয়াম চেক্টৰত যিবিলাক public sector undertaking আছে যেনেধৰণে অসমত এতিয়া এটা গেছ গ্ৰীড/ গেছ পাইপলাইন হ'ব তাতে আমি অংশীদাৰী স্বত্ব ল'ব বিচাৰিছো। যাতে আজি আমি ১০০০ টকা বিনিয়োগ কৰি ভৱিষ্যতে আমি তাৰ প্ৰিমিয়াম ল'ব পাৰো। যিধৰণে আমি নুমলীগড়ৰ ক্ষেত্ৰত লৈছো। That time will be our third revenue stream. In Gujrat third revenue stream is very important. তেওঁলোকে বহুত বিনিয়োগ কৰিছিল আমি বিনিয়োগ কৰা নাছিলো। This we want build up as a third revenue stream. অধ্যক্ষ মহোদয়, fourth revenue stream এটা আমি কৰিব বিচাৰিছো। আমি আগৰ পৰাই ৮.২৫ শতাংশ, ৯ শতাংশ, ১০ শতাংশ লোন লৈছো। আমি এইবাৰ বিত্তীয় ব্যৱস্থা ভাল হোৱাৰ কাৰণে এই বিত্তীয় বৰ্ষৰ বাজেটত মই যোৱাবাৰতকৈ বেছি টকা ব্যয় কৰাৰ পিছতো শতাংশ আৰু মূল দুয়োটাৰ হিচাপতে অৰ্থাৎ in quantum and in percentage দুয়োটাতে ব্যয় কৰাৰ পিছতো মোৰ প্ৰায় ৬০০০ মান টকা থাকি যাব বুলি ধাৰণা কৰিছো।
এই বিত্তীয় বৰ্ষৰ বাজেটত মই যোৱা বাৰতকৈ বেছি টকা ব্যয় কৰাৰ পাছতো শতাংশ আৰু মূল দুইটা হিচাপতে। শতাংশ আৰু in quatum and in percentage. দুয়োটাতে ব্যয় কাৰ পাছতো মোৰ প্ৰায় ৬ হেজাৰ টকামান থাকি যাব বুলি ধাৰণা কৰিছো। গতিকে এই টকাখিনিৰ জৰিয়তে কিয় থাকি গৈছে, কাৰণ আমি জি এচ টিৰ পৰা বেছি টকা পালো, টেক্সত বেছি উঠিছে যিটো আগতে আমি ভবা নাছিলো। গতিকে এই টকাখিনিৰে আমি এই 9%, 10% ৰ লোন বিলাক মাৰি দিব খুজিছো যাতে আমাৰ interest payment burden টো কমি যায় আৰু সেই টকাখিনি আমি যাতে উন্নয়ন মূলক কামত ব্যৱহাৰ কৰিব পাৰো। সেই কাৰণে অধ্যক্ষ মহোদয়,

উচ্চহাৰৰ ঋণৰ সলনি কম হাৰৰ ঋণৰ ব্যৱস্থা কৰিবলৈ মই প্ৰস্তাৱ কৰিছো। ইয়াৰ ফলত বহু পৰিমাণে পূঁজিৰ সঞ্চয় হব আৰু স্বাভাৱিক পূঁজিৰ বাবেই এই পূঁজি আমি উন্নয়নমূলক কামত ব্যৱহাৰ কৰিব পাৰিম। অধ্যক্ষ মহোদয়, মই এতিয়া শেষৰ পেৰাগ্ৰাফটোলৈ আহিছো।

**বাজেট প্ৰাক্‌কলন ঃ**

অধ্যক্ষ মহোদয়, মই এতিয়া ২০১৮-১৯ বিত্তীয় বৰ্ষৰ বাবে প্ৰাককলন উত্থাপন কৰিব খুজিছোঁ। প্ৰতি বছৰে অসম বিত্তীয় দায়বদ্ধতা আৰু বাজেট পৰিচালনা আইন, ২০০5 অনুসৰি ৰাজ্য চৰকাৰে পঞ্চবাৰ্ষিক মধ্যকালীন বিত্তীয় পৰিকল্পনা আৰু প্ৰাসংগিক ধাৰাসমূহৰ আধাৰত দাখিল দাখিল কৰিবলগীয়া প্ৰবিৱৰণো পৱিত্ৰ সদনত দাখিল কৰি আহিছে। এই ক্ষেত্ৰত আপুনি জানি আনন্দিত হ'ব যে, আমি ৰাজ্যিক অৰ্থনীতিৰ এটি সামগ্ৰিক আভাস, ৰাজ্যিক বিত্তীয় আৰু ৰাজস্ব সংশোধন আদি অন্তৰ্ভুক্ত কৰি এই বিৱৰণী উন্নীত কৰাৰ চেষ্টা কৰিছোঁ।

২০১৮-১৯ বৰ্ষৰ ৰাজ্যৰ একত্ৰীকৃত নিধিৰ মুঠ ৯০৬৭৩.৪২ কোটি টকা প্ৰাপ্তি প্ৰদৰ্শন কৰা হৈছে। তাৰে ৭৪১১৮.৫০ কোটি টকা ৰাজহ শিতানত আৰু বাকী থকা ১৬৫৫৪.৯২ কোটি টকা মূলধন শিতানত। বিভিন্ন উৎসৰ পৰা অহা একত্ৰীকৃত নিধিৰ আনুমানিক প্ৰাপ্তিৰ হিচাপ ১ নং তালিকাত দেখুওৱা হৈছে। ৰাজহুৱা শিতানত ২৯০৯১৪.৮৪ কোটি টকা আৰু উপ-নিমিত্ত পূঁজিৰ ১০০.০০ কোটি টকা আদায়ৰ পাছত সৰ্বমুঠ আদায়ৰ পৰিমাণ হ'ব ৩৮১৬৮৮.২৬ কোটি টকা। ইয়াৰ বিপৰীতে ২০১৮-১৯ বৰ্ষত ৰাজ্যখনৰ একত্ৰীকৃত নিধিৰ পৰা সৰ্বমুঠ ব্যয়ৰ পৰিমাণ ৯০২৬৯.৯২ কোটি টকা বুলি অনুমান কৰা হৈছে। ইয়াৰে ৰাজহুৱা শিতানত ৭১৩২৯.৩৭ কোটি টকা আৰু মূলধন শিতানত ১৮৯৪০.৫৫ কোটি টকা। ২০১৮-১৯ বৰ্ষত একত্ৰীকৃত নিধিৰ মঞ্জুৰী অনুযায়ী ব্যয় সমূহৰ প্ৰাক্‌কলন তালিকা নং - ২ ত দেখুৱা হৈছে । ৰাজহুৱা শিতানত হোৱা ব্যয়ৰ ২৯০৩১৮.৩৫ কোটি টকা আৰু উপ-নিমিত্তি পূঁজিৰ ১০০.০০ কোটি টকাকে ধৰি বছৰটোৰ সৰ্বমূঠ প্ৰাক্‌কলিত ব্যয়ৰ পৰিমাণ হ'ব ৩৮০৬৮৮.২৭ কোটি টকা। এইদৰে বছৰটোত হোৱা প্ৰাক্‌কলিত লেন-দেনৰ বাবদ আনুমানিক ৯৯৯.৯৯ কোটি টকা ৰাহি হ'ব। ইয়াৰ লগত বছৰটোত আৰম্ভণিৰ ঘাটি ৩১৪৯.০৪ কোটি টকাৰ হিচাপ মিলালে ২০১৮-১৯ বৰ্ষৰ শেষলৈ বাজেট ঘাটিৰ পৰিমাণ ২১৪৯.০৪ কোটি টকা হ'বগৈ।

মাননীয় অধ্যক্ষ মহোদয়, একত্ৰীকৰণ, সম্প্ৰসাৰণ আৰু উত্তৰণৰ সূঁতাৰে ৰোৱা মূল নক্সাৰ ওপৰত ভিত্তি কৰি আমি আপোনালোকৰ সন্মুখত এনে এখন বাজেট উত্থাপন কৰিব বিচাৰিছো, যিখন কেৱল সামগ্ৰিক, আকাংক্ষিত ভৱিষ্যদৰ্শীয়েই নহয়, লগতে ই সৰ্বাত্মক, অংশগ্ৰহণমূলক আৰু বহুমুখীও। বাজেটখনক ভৱিষ্যতৰ বাবে প্ৰস্তুত, জনমুখী আৰু ই-বাজেট আৰ্হিৰ জৰিয়তে সকলোকে সামৰি লব পৰা বিধৰ কৰি তোলাৰ বাবে আমি সবল পদক্ষেপ গ্ৰহণ কৰিছো, য'ত বহনক্ষম উন্নয়নৰ লক্ষ্যসমূহ, লিংগ, শিশু আৰু বয়োজ্যেষ্ঠ লোক সকলৰ সম্বন্ধীয় ব্যৱস্থাৱলী সহজে বিচাৰি পাব পৰা যায়। মাননীয় অধ্যক্ষ মহোদয়, নিৰ্দিষ্ট সময়ৰ অন্তৰালত কৰা পৰ্য্যালোচনাসহ বাজেটত কৰা ঘোষণাসমূহ সঠিকভাৱে ৰূপায়ণ কৰাটো অতিশয় প্ৰয়োজনীয়। বাজেট ঘোষণাত উল্লেখ কৰা প্ৰধান পদক্ষেপ সমূহৰ ৰূপায়ণ নিৰীক্ষণৰ বাবে কিছু সময় উলিয়াবলৈ মই মোৰ সন্মানীয় কেবিনেট সতীৰ্থ সকলক অনুৰোধ জনাওঁ। মই আমাৰ নতুন মুখ্য সচিব গৰাকীকো আহ্বান জনাও, যাতে তেখেতে বাজেটত কৰা ঘোষণাসমূহৰ ৰূপায়ণৰ স্থিতি সম্পৰ্কে বিভিন্ন বিভাগৰ সৈতে সময়ে সময়ে পৰ্য্যালোচনা কৰে।

বিত্ত বিভাগৰ ফালৰ পৰা মই আপোনালোকক আশ্বস্ত কৰিব বিচাৰো যে, আমি চেষ্টাৰ

কোনো ক্ৰুটি নকৰোঁ। বাজেটৰ ঘোষণা তথা আঁচনি সমূহ নিৰ্ধাৰিত সময়ৰ ভিতৰত যাতে ৰূপায়িত হয়, সেয়া সুনিশ্চিত কৰাৰ অৰ্থে বিত্ত বিভাগে এক অত্যন্ত সক্ৰিয় আৰু সহকাৰীৰ ভুমিকা পালন কৰিব। আমি আমাৰ প্ৰতিশ্ৰুতিসমূহ সদায়ে পালন কৰি যাম।

অধ্যক্ষ মহোদয়, আপোনালোকে নিশ্চয় মন কৰিছে যে, আমি পূৰ্বৰ উৎকৃষ্ট আঁচনিসমূহ গ্ৰহণ কৰিছো আৰু সেইবোৰক অধিক সমন্বিত কৰিছোঁ, জনসাধাৰণলৈ উন্নতৰ সেৱা আগবঢ়াবলৈ প্ৰত্যাশিত সুযোগসমূহ অধিক বিকশিত কৰিছোঁ আৰু এই বিত্তীয় বৰ্ষত উপনীত হ'ব পৰাকৈ আমাৰ বাবে এক উচ্চতৰ সেৱাৰ লক্ষ্য স্থিৰ কৰিছোঁ। মই আশাবাদী যে মোৰ সতীৰ্থসকল, মোৰ প্ৰিয় সহকৰ্মীসকল আৰু আমাৰ চৰকাৰৰ মূল আধাৰস্বৰূপআমাৰ নাগৰিকসকলৰ সহায়েৰে ৰাজ্যখনে নিজকে এক শ্ৰেষ্ঠতৰ সপোন, এক উন্নতৰ ভৰিষ্যত আৰু এখন সুন্দৰ সমাজ উপহাৰ দিব।

এফাঁকি পৱিত্ৰ প্ৰাৰ্থনাৰে মই মোৰ বাজেটত ভাষণ সামৰিব বিচাৰিছো-

ওঁ সহ নাববতু।
সহ নৌ ভুনক্তু।
সহ বীর্য় করবাবহৈ।
তজস্বি নাবধীতমস্তু মা বিদ্বিষাবহৈ।
ওঁ শান্তি: শান্তি: শান্তি॥

ইয়াকে কৈ পৱিত্ৰ সদনৰ বিবেচনাৰ্থে মই এই বাজট উত্থাপন কৰিলোঁ।

জয় হিন্দ
জয় আই অসম
ভাৰত মাতা কী জয়।

**মাননীয় অধ্যক্ষ ঃ** Thank you. I want to go Item No. 3. মই মাননীয় শিক্ষামন্ত্ৰীক "The Assam Education (Provincialisation of Serveices of Non-Teaching Staff of Venture Educational Institutions) Bill, 2018" . খন উত্থাপনৰ বাবে সদনৰ অনুমতি বিচাৰি প্ৰস্তাৱ কৰিবলৈ অনুৰোধ কৰিলোঁ।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় বিত্ত মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Education (Provincialisation of Serveices of Non-Teaching Staff of Venture Educational Institutions) Bill, 2018" . বিধেয়কখন মই সদনত উত্তাপন কৰিব বিচাৰিছো।

**শ্ৰী আব্দুল খালেক, বিধায়ক (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইখন যিখন Non-Teaching ৰ কাৰণে Provincialisation কৰিব খুজিছে, এইখন এখন অদ্ভুত বিল। এহাতেদি চাকৰিসমূহ Provincialisation কৰিব বিচৰা হৈছে, আনহাতেদি তেওঁলোকক আকৌ ফিক্স পে'ত দিবলৈ বিচৰা হৈছে তিনি বছৰলৈকে। গতিকে অধ্যক্ষ মহোদয়, কথাটোত আমাৰ আপত্তি আছে।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় বিত্ত মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে মই আগতেই কৈছো যে, Provincialisation কৰাৰ এতিয়া আমাৰ প্ৰয়োজনীয়তা নাই। কাৰণ আমি বহুত শিক্ষানুষ্ঠান বন্ধ কৰি আছো। একত্ৰীকৰণ কৰিছো, Amalgamation কৰিছো। গতিকে এটা মানবীয়তাৰ ক্ষেত্ৰতেই এইটো কৰিব খোজা হৈছে। গতিকে মই ভাৱো যে, Contractual

Teacher সকল ফিক্স পে'ত থাকিব পাৰে। গতিকে যিখিনি স্কুল এতিয়া আমাৰ প্ৰয়োজনীয়তা নাই, আমি লৈয়ে Amalgamate কৰি দিব লাগিব। গতিকে তেওঁলোকক মই ভাৰো যে, প্ৰথম কেইবছৰমান ফিক্স পে'ত থাকক। পৰৱৰ্তী পৰ্য্যায়ত আমি স্কেলত আনিব পাৰিলে আনিব পাৰিম। কিন্তু বৰ্তমান আমি আমাৰ যিখিনি ৰেভিনিউ চৰকাৰৰ, ৰাইজৰ টকা আমি লওঁ, য'ত ছাত্ৰ-ছাত্ৰী নাই বা ছাত্ৰ-ছাত্ৰীৰ কথা অহা নাই আমাৰ যথেষ্ট স্কুল আছে, তাতে আমি অপব্যয় কৰিব খোজা নাই। তেওঁলোকে আজিৰ দিনত একো পোৱা নাই। প্ৰথম ফিক্স পে' লৈকে আহক। চৰকাৰে ২০০১ চনতো প্ৰথমে ফিক্স পে' লৈকে আনিছিলে। পোনপোটীয়াকৈ Provincialisation কৰা নাছিলে। এতিয়া আমি Provincialisation with fix pay কৰিব খুজিছো। গতিকে আগৰ চৰকাৰতকৈতো এইটো বহুত ভাল ব্যৱস্থা **মাননীয় অধ্যক্ষঃ**- বিধেয়কখন উত্থাপন কৰাৰ বাবে অনুমতি দিয়াত সদনৰ অনুমতি আছেনে? অনুমতি দিয়া হৈছে। মই এতিয়া অসমৰ ৰাজ্যপাল ডাঙৰীয়াই **২০১৮** চনৰ **৮** ফেব্ৰুৱাৰী তাৰিখত এটা বানী পঠিয়াইছে, মই বাণীটো পঢ়ি দিছো। Under the provision of Article 207(i) of the Constitution of India, I, Prof. Jagadish Mukhi, Governor of Assam, recommend the introduction of the "Assam Education (Provincialization of Services of Non-Teaching Staff of Venture Educational Institutions) Bill, 2018 in the Assam Legislativ e Assembly. এতিয়া মই শিক্ষা মন্ত্ৰী ডাঙৰীয়াক বিধেয়কখন সদনত উত্থাপন কৰিবলৈ অনুৰোধ কৰিছো।

**ড° হিমন্ত বিশ্ব শৰ্ম্মা মন্ত্ৰীঃ**- মাননীয় অধ্যক্ষ মহোদয়,The Assam Education (Provincialization of Services of Non-Teaching Staff of Venture Educational Institutions) Bill, 2018 বিধেয়কখন মই সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ**- এতিয়া মই প্ৰধান সচিবক বিধেয়কখনৰ শিৰোনামা পঢ়ি দিবলৈ অনুৰোধ কৰিলো। **প্ৰধান সচিব ঃ**- বিধেয়কখনৰ শিৰোনামা, The Assam Education (Provincialization of Services of Non-Teaching Staff of Venture Educational Institutions) Bill, 2018

**মাননীয় অধ্যক্ষ ঃ**- Agenda No. 4 , Now, I request Hon'ble Education Minister, to see permission to introduce the Assam Education (Provincialization of Services of Teachers and Re-organization of Educational Institutions) (Amendment) Bill, 2018

**ড° হিমন্ত বিশ্ব শৰ্ম্মা, মন্ত্ৰী ঃ**-মাননীয় অধ্যক্ষ মহোদয়, যোৱাবাৰ আমাৰ এইটো এটা সদনত প্ৰতিশ্ৰুতি আছিল, সেই বাবে অধ্যক্ষ মহোদয়, The Assam Education (Provincialization of Services of Teachers and Re-organization of Educational Institutions) (Amendment) Bill, 2018 বিধেয়কখন সদনত উত্থাপন কৰিবলৈ মই অনুমতি বিচাৰিছো।

**শ্ৰী আমিনুল ইছলামঃ**- মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত আমাৰ মন্ত্ৰী মহোদয়ে যি কথা কৈছেযে যোৱা বছৰ যেতিয়া আমাৰ বিলখন পাচ হয়, তেতিয়া তেখেতৰ এটা প্ৰতিশ্ৰুতি নহয়, আচলতে, তেখেতে কেইবাটাও প্ৰতিশ্ৰুতি দিছিল। মই যেতিয়া কেইবাটাও এমেন্টমেণ্ড উত্থাপন কৰিছিলো, তেখেতে কেইবাটাও এমেন্টমেণ্ডৰ ক্ষেত্ৰত কৈছিল যে আমি অহাবাৰ চৰকাৰে এইটো

বিবেচনা কৰিম। গতিকে আপুনি এই এমেন্টমেণ্ড টো উইড্ৰ কৰি লওক। পৰৱৰ্তী সময়ত এইটো আমি চৰকাৰীভাৱে এমেন্টমেণ্ড বিল এটা আনিম। এই ক্ষেত্ৰত আমি ভাল পাইছো যে এমেন্টমেণ্ড বিল, শিক্ষামন্ত্ৰী মহোদয়ে আনিছে । ইয়াত দুটামান পইন্টত তেখেতে কলেজৰ এটা আছে যে, প্ৰথম কনকাৰেঞ্চ এই বিষয়টো আছে, আৰু স্কুলৰ ক্ষেত্ৰতো ১-১-২০০৬ ৰ আগত পাৰমিশ্যন বা ৰিকগনিশ্যন আহিছে, কিন্তু ইয়াত এটা ডিফেক্ট থাকি গ'ল, যিটো কথা অধ্যক্ষ মহোদয়, আপুনি নিজে, চাৰি দিনীয়া যিটো শিক্ষা বিষয়ক আলোচনা সভা অনুস্থিত কৰিছিল, তাত বহুতৰ এটা দাবী আছিল যে issu date মানে ১-১-২০০৬ ত বহুত এনেকুৱা শিক্ষানুষ্ঠান আছে, যিটো ৰিকগনিশ্যনটো এফেক্ট date before 1-1-2006 কিন্তু issue কৰোতে কেইদিনমান পলম হ'ল। হয়তো ১-১-২০০৬ ৰ পিছত issu date টো পিছত হ'ল। লিখা আছে with effect from 1-1-2006 ৰ আগত আৰু তাৰ লগে লগে মোৰ মনত আছে যে আমাৰ শিক্ষামন্ত্ৰী মহোদয়ে, মই এটা এমেনমেণ্ড দিছিলো, যি সকলে প্ৰভিঞ্চিয়েলাইজেশ্যনৰ এক মাহ, দুই মাহ, বা ছয় মাহ আগতে অৱসৰ হৈ গৈছে, গোটেই জীৱনটো শিক্ষানুষ্ঠানত কাম কৰিলে, শেষত এক -দুই মাহৰ কাৰণে প্ৰভিঞ্চিয়েলাইজ নহল, বা হয়টো পেঞ্চন নাপাব। যাতে এককালীন কিবা এটা দিয়া যায়। তেতিয়াও মন্ত্ৰী মহোদয়ে কৈছিল যে ঠিক আছে, আমি যেতিয়া পৰৱৰ্তী সংশোধনী বিধেয়ক আনিম, তাত কথাটো আমি চিন্তা কৰিম। আৰু এটা কথা তেখেতে কৈছিল যে এই আইনৰ আওঁতাৰ বাহিৰত ১২,১৪১ নে কিবা এটা সংখ্যা খুব বেছি এটা শিক্ষক বাদ নপৰে, যে পৰৱৰ্তী সময়ত এনেকৈয়ে আমি এটা এমেনমেণ্ড আনি সেই সকলক কিবা নহয়, কিবা প্ৰকাৰে সামৰি লব পৰা যায়. আমি আশা কৰিছিলো যে এমেনমেণ্ড বিল যিটো এইবাৰ আনিব, তাত হয়টো আৰু কেইটামান খুব Vital Point আছে, এইকেইটা অধ্যক্ষ মহোদয় আপুনি নিজেও গম পাইছে, যদি সংযোজন কৰি দিব পাৰিলে ভাল আছিল কাৰণ অসমবাসী ৰাইজেও কিন্তু এটা আশাৰে বাট চাই আছে।

**মাননীয় অধ্যক্ষ ঃ-** ঠিক আছে, এতিয়া উত্থাপনহে হব। আমি আলোচনাত নিশ্চয় সংশোধনী আনিব আপোনালোকেও আকৌ আনিব। মন্ত্ৰী ডাঙৰীয়া।

**ড° হিমন্ত বিশ্ব শৰ্মা মন্ত্ৰীঃ-** মাননীয় অধ্যক্ষ মহোদয় আচলতে ২০০৬ চনত ফাইনেল কনকাৰেঞ্চ, এইটো এটা এৰাব নোৱাৰা আয়ুসৰেখা আছিল, সেইটো কোনো কাৰণতে কম্প্ৰমাইজ কৰাৰ কোনো মোৰ ইচ্ছা নাছিল। কাৰণ ২০০৬ ত যদি ফাইনেল কনকাৰেঞ্চ নাই, তেওঁ হব নালাগে। সেইটো এটা আছিল। যোৱাবাৰ হাউচত সকলোৱে কোৱাৰ পাছত দুই এখন স্কুলৰ অভাৱ অভিযোগৰ কথা লক্ষ্য ৰাখি, ময়ো চিন্তা কৰি এইটো কৰিলো, This is a huge climb down ইয়াৰ পাছতো যদি আৰু কাৰোবাক মাতি আনি সুমোৱাব খোজে, সেইটোত চৰকাৰখনে কোনো কাৰণেতে তাত সহযোগিতা কৰিব নোৱাৰে। আৰু এইটোত আমাক বেয়া পাব নালাগে। কাৰণ আমি নোৱাৰো এইটো কৰিবৰ কাৰণে. আগতেও কংগ্ৰেছৰ দিনত কৰা নাছিল, আমিও নোৱাৰো। কিন্তু তথাপিতো এটা অদ্ভুট ডাঙৰ কাম কৰি দিয়া হ'ল যে, ২০০৬ চনৰ আগতে যিকোনো কনকাৰেঞ্চ এটা থাকিলেও প্ৰথম কনকাৰেঞ্চ প্ৰথম কনকাৰেঞ্চ দ্বিতীয় কনকাৰেঞ্চ তৃতীয় কনকাৰেঞ্চ থাকিলেও আমি কৰি দিম। ইয়াতকৈ আৰু ক্লাইমডাউন কতো হবই নোৱাৰে। গতিকে মই ভাবো যে এই কথাটো লৈ আৰু আমাক হেচা দিব নালাগে। এই কথাটোৰ লগত আমি এতিয়া কথা পাতিব খোজা নাই। ২য়তে এনেকৈ বাহিৰত কৰা চিষ্টেম থাকিলে কিমান কলেজ বাহিৰত, কিমান স্কুল বাহিৰত ৰাতিৰ ভিতৰতে হব কোনোটো হিচাব নাই। গতিকে চৰকাৰৰ ৰেভিনিউ প্ৰটেক ৰক্ষা কৰাটো বিত্ত মন্ত্ৰী হিচাপে মোৰ দায়িত্ব। ২য়তে ডাঙৰ কথাটো হ'ল যে অসমত শিক্ষানুষ্ঠানৰ প্ৰয়োজন নাই যিদিনাখন

বিধান সভাত শিক্ষক সকলে আহি নিজৰ সমস্যাৰ কথা কৈছে, আমি তেওঁলোকক ছাত্ৰৰ কথা কবলৈহে মাতিছিলো কিন্তু নিজৰ কথা কৈ গুছি গ'ল। আমি কেনেদৰে পঢ়ালে ফাষ্ট ডিভিজন আৰু ষ্টেন্দ কৰিব পাৰে আৰু কেনেকৈ পঢ়ালে ডাক্তৰ হ'ব পাৰে, কেনেকৈ পঢ়িলে ইউনিভাৰটিটিত যাব পাৰে। সেই কথাটো বহুত কম ওলাই গ'ল। গতিকে এই গোটেই কথাটো হ'ল যে অসমত মই আপোনালোকক ডাতা দিম, শিক্ষা বিভাগৰ দুদিনীয়া আলোচনা যেতিয়া হব। স্কুল আমাক নালাগে, যদি নালাগে,আমি যদি যোৰ কৰি স্কুল লওঁ তেতিয়া হলে যাৰ পৰা আমি কৰ লওঁ, তেওঁলোকক অৱমাননা কৰা নহব জানো? তেওঁলোকৰ টকাটো অযথা খৰচ কৰা নহল জানো? বিনন্দ শইকীয়া ডাঙৰীয়াই যোৱা পৰহি এটা প্ৰশ্ন সুধিছে ( ME School)ত ৮ জন শিক্ষক আছে, কিন্তু ছাত্ৰ-ছাত্ৰী এজনো নাই। এতিয়া ইয়াত বহি আমি দিব্যাংজনলৈকে সহায় কৰিম নে বৃদ্ধ পেঞ্চন দিম, নে ৰাস্তা বনাম নে মঠাউৰি বনাম নে আমি ভেঞ্চাৰ প্ৰাদেশীকিকৰণৰ নামত টকা পইচা দি থৈ যাম। কিন্তু তথাপিটো আপোনালোকে কোৱাৰ কাৰণে আমি বহুত কৰিছো। যেতিয়া মই সেই ফালে আছিলো, বা মই কংগ্ৰেছত আছিলো, তেতিয়া মই একদম মনা নাছিলো যে ২০০৬ ৰ তলত একোৰেই হব নোৱাৰে। গতিকে এইবাৰ বিশেষকৈ আপোনালোক সকলোৰেই কলে আৰু ফণীভূষণ চৌধুৰী ডাঙৰীয়াইয়ো মোক মাতি আনি কলে, কিন্তু আমি টো আগতে কৈছো এইখন হাউচত আহোতে যে আমি ৰাইজৰ কথা মানি চলিম। গতিকে সেইটো কাৰণে মই মোৰ নিজৰ ভিউ এটা এৰি দিলো, এৰি দি পেলাই এই বিলখন আনিলো যে ২০০৬ ৰ আগত প্ৰথম হওক, ২য় হওক বা ৩য় হওঁক, যি লাগে তাকে আনি দিম। এতিয়া যদি ইয়াৰ ওপৰত বিতৰ্ক আৰু চলি থাকে, অলৰেডি মানুহসকলক প্ৰাদেশীকিকৰণ কৰা নাই এবছৰ হৈ যাব। মোক যদি আৰু ৩য় এমেনমেণ্ড বিল এখন আনিব কয়, আৰু এবছৰ যাব। গতিকে মানুহখিনিটো সদায় সচিবালয়ৰ সন্মুখত আহি আছে। গতিকে মোক সহায় কৰি দিয়ক যাতে, এই বিলখন পাছ হয়। মই আজি বাজেটতো কৈছো যে এইখিনিক এই বছৰ আমি প্ৰাদেশীকিকৰণ কৰিব খোজো, লেঠাটো মাৰিব খোজো। আমি ইমান মডেল কলেজ বনাইছো আৰু আমাক কিয় কলেজ লাগে, ইমান স্কুল আমি অনুমোদন দিছো আমাক কিয় আৰু স্কুল লাগে? যাৰ সমষ্টিত স্কুল লাগে, এল পি বা এম ই মোৰ পৰা লৈ লওঁক। আমি চৰকাৰৰ পৰা কৰি দিম। শিক্ষাৰ ফালৰ পৰা আমাক একেবাৰে নালাগে। আৰু মোৰ এটা কথাত একেবাৰে স্পষ্ট মতা-মত যে অসমৰ অৰ্থনীতিটো যদি জীয়াই ৰাখিব খুজিছে, এই ব্যৱস্থাটো বন্ধ কৰক। পুলিচত লওঁক, লৰাক পুলিচত লাগে। ৫ টা বেটিলিয়ান আমি দিছো য'ত লাগে তাত লওঁক. ছাত্ৰ-ছাত্ৰী নাই শিক্ষক লৈ থাকি আমি কি কৰিম? মোক বহুতেই এইটো কথা কোৱাৰ কাৰণে বেয়া পায়। মইটো নিজৰ মানসিকতাটোক সন্তুষ্ট কৰিব লাগিব। প্ৰশ্নৰ উত্তৰবোৰ দিওঁতে ৰাতি টোপনি নাহে। সুধিবও নালাগে এনেকুৱা প্ৰশ্ন। ইমান দুখ লাগে যে বিনন্দ শইকীয়া ডাঙৰীয়াই এটা প্ৰশ্ন কৰিছে, স্কুলখনৰ নাম দি দিছে, দি কৈছে যে ইয়াত কেইজন ছাত্ৰ আছে কব পাৰেনে? শূণ্য। শিক্ষক কেইজন আছে কব পাৰেনে? ৮জন । কিমান বেয়া লাগে। সেই দিনা পাণ বজাৰ ছোৱালী স্কুলত অসমৰ ৰাজ্যপাল মহোদয় গ'ল, গৈ তেওঁ ৫৪ গৰাকী শিক্ষক- শিক্ষয়ত্ৰী দেখিলে কিন্তু ছাত্ৰ-ছাত্ৰী নাই। মোক অসমৰ মহামান্য ৰাজ্যপাল বানোৱাৰীলাল পুৰোহিত মহোদয়ো মাতি নি কৈছিল যে - মই অসমৰ সকলো জিলাত গৈছো তাত দেখিছো বিদ্যালয়সমূহত শিক্ষকৰ সংখ্যা বেছি, আৰ.টি.ই আইন মতে অসমত শিক্ষক নালাগে, তুমি কিয় নিযুক্তি দি আছা, তুমি পুলিচ বা

অন্যবিভাগত কিয় নিযুক্তি নিদিয়া? মোক ইমান বেয়াকৈ কৈছিল যে তেখেতে বিলখন স্বাক্ষৰ নকৰিলে আৰু বিলখন তেনেকৈ পৰি থাকি ল। অধ্যক্ষ মহোদয় আমিওটো জবাবদিহি। কংগ্ৰেছৰ দিনত নোহোৱা কাৰণে মই তেখেতসকলক দোষ দিব বিচৰা নাই। মোৰ অগ্ৰজ মাননীয় জেষ্ঠ্য সদস্য শ্ৰীফণীভূষণ চৌধুৰী ডাঙৰীয়াৰ অবাধ আগ্ৰহৰ বাবে এই বিলখন আনিছো। মোৰ ইচ্ছা নাছিলে, মই সঁচা কথা কৈছো, তেখেতৰ আগ্ৰহৰ বাবে বিলখন অনা হৈছো। এই বিলখন অনাৰ বাবে মোক প্ৰশংসা কৰিব নালাগে। মানুহে প্ৰশংসা বিচাৰে এইটো মই কৰিছো বুলি কিন্তু মই কৈছো এই বিলখনৰ বাবে সম্পূৰ্ণ প্ৰশংসা ফণীদাক দিলে হ'ল। বহু চিন্তা কৰি বিলখন আনিছো। গতিকে মই আপোনালোকক অনুৰোধ কৰিম যাতে বিলখন আপোনালোকে গ্ৰহণ কৰে।

শ্ৰীৰাজেদ আলি চৌধুৰী ঃ মাননীয় অধ্যক্ষ মহোদয় যিহেতু মন্ত্ৰী মহোদয়ে কব বিচাৰিছে....

**মাননীয় অধ্যক্ষ** ঃ যেতিয়া বিধেয়কখন আলোচনা হ'ব তেতিয়া আপুনি এই বিষয়ে ক'ব। মই বিধেয়কখন সদনত উত্থাপন কৰিব দিব লাগিব।

**শ্ৰীআব্দুল খালেক** ঃ মাননীয় অধ্যক্ষ মহোদয়, জুনিয়ৰ কলেজ বা কলেজৰ সম্পৰ্কত কবলৈ একো নাই কিন্তু বিধেয়কখন উত্থাপন কৰাৰ সময়ত কিছু কথা ক'ব বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ ক'ব পাৰে কিন্তু নলগা কথা নক'ব।

**শ্ৰীআব্দুল খালেক** ঃ অধ্যক্ষ মহোদয় বিধেয়কৰ ক্ষেত্ৰত আমাৰ সংশোধন লোৱা নহয়।

**মাননীয় অধ্যক্ষ** ঃ কিয় কৈছে, আপোনালোকৰ সংশোধনী লোৱা নহয়? এই বিধান সভাতে বিভিন্ন বিধেয়কত আপোনালোকৰ সংশোধনী সংলগ্ন কৰা হৈছে। You just don't give a general comment. You can discuss, raise the issues.

**শ্ৰীআব্দুল খালেক** ঃ অধ্যক্ষ মহোদয়, ডাইচ সম্পৰ্কত কিছু কথা কৈছিলো, মাটি সন্দৰ্ভত কিছু কথা কৈছিলো, সেইখিনিও ইয়াতে সংলগ্ন হ'লে ভাল আছিল। অসমত শিক্ষানুষ্ঠানৰ প্ৰয়োজন নাই এই কথাটো মন্ত্ৰী মহোদয়ৰ মতৰ লগত আমি একমত নহয়। যি চৰকাৰেই নহওক কিয় যদি প্ৰয়োজন নাছিল তেতিয়া হ'লে চৰকাৰে স্কুল সমূহ খুলিবলৈ কিয় অনুমতি দিছিল ? কিছুমান স্কুলত ছাত্ৰ নাই সচাঁ কথা। কিন্তু আমাৰ অঞ্চলত ছাত্ৰ গিজগিজাই আছে, শিক্ষক নাই। শিক্ষক অভাৱত কিছুমান স্কুলে জিয়াতু ভুগিব থাকিব লগা হৈছে।

**ড° হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আচল কথা কোনো চৰকাৰে কাকো সুধি অনুমতি দিয়া নাই। অনুমতি আহি আহি লৈ গৈছে। অৱসৰ গ্ৰহণ কৰা মানুহ, মৰা মানুহৰ চহী দেখুৱাই লৈ গৈছে। আমি এইবিলাক কথা ধৰিব নোখোজো। মানৱতাৰ খাতিৰত ৰেগুলাৰাইজ কৰি দিয়ক। আজি মনোহৰণ কমিটিয়ে কৈছে যে আঠ হাজাৰ মানুহে চাকৰি পোৱা নাই। কোনেও নকয় কৰক বুলি। আমি কওঁ মানবিয়তাৰ খাতিৰত কামখিনি কৰিব লাগে। মাননীয় অধ্যক্ষ মহোদয় এইবাৰ প্ৰাদেশীকৰণৰ ক্ষেত্ৰত আমি জিও চেটেলাইটৰ জৰিয়তে স্কুল আছেনে নাই চাই লৈহে স্কুল প্ৰাদেশীকৰণৰ ব্যৱস্থা গ্ৰহণ কৰিম। এই ক্ষেত্ৰত চিলংস্থিত স্পেচ চেন্টাৰত কথা পাতিছো। এখন জিলাত ৬০০ এল.পি. স্কুলৰ প্ৰস্তাৱ আহিছে। ইমান স্কুল থাকিবই নোৱাৰে। সেই কাৰণে অধ্যক্ষ মহোদয় সেইকামখিনি যিহেতু সেইখন মঞ্চৰ পৰা নহ'ল। তেতিয়া মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক সৈমান কৰিব নোৱাৰিলো, দলক সৈমান কৰিব নোৱাৰিলো। সেই কথাটোত মই কেনেকৈ দোষী, মই কেনেকৈ মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোনোৱালক দোষী কৰিব পাৰো? ২০০৬ চন কৰাৰ বাবে আপোনালোকে বহু চেষ্টা কৰিছিল, মই নকৰা বুলি কোৱা নাই কিন্তু। মই শিক্ষামন্ত্ৰী

পদৰ পৰা অব্যাহতি লোৱাৰ পিছত কেইখন স্কুল প্ৰাদেশীকিকৰণ হ'ল? আজি প্ৰাদেশীকিকৰণৰ কথা ওলালেই আপোনালোকে সক্ৰিয় ভূমিকা গ্ৰহণ কৰে। মই অব্যাহতি লোৱাৰ পিছত এখন স্কুলো প্ৰাদেশীকিকৰণ কৰিব নোৱাৰিলে। কেইখন স্কুল প্ৰাদেশীকিকৰণ কৰা হ'ল? গতিকে মই হজৰত মহম্মদৰ সেই বাণীটোলৈ যাব বিচাৰিছো যে " মিঠাই খাবলৈ আনক মানা কৰাৰ আগতে নিজে মিঠাই খোৱাটো বাদ দিব লাগিব'।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। শ্ৰীকমলসিং নাজাৰী।

**শ্ৰীকমলসিং নাজাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২০১৭ চনত যি শিক্ষা বিধেয়ক আনিছিল সেই সময়ত সম্পূৰ্ণ সংবিধানৰ ষষ্ঠ অনুসূচীৰ অন্তৰ্গত ঠাইসমূহ বাদ দিয়া হৈছিল। সেই ঠাইসমূহৰ বাবে দায়িত্বপ্ৰাপ্ত বিভাগক বিধেয়ক বনাবলৈ দায়িত্ব দিছিল। কাৰ্বিআংলং, ডিমাহাচাও আৰু বি.টি.চিৰ ফালৰ পৰা বিল বনাই দিয়া হৈছে। মই মাননীয় মন্ত্ৰীৰ পৰা জানিব বিচাৰিছো যে নতুনকৈ বিল আনিব লাগিব নে পূৰ্বতে কাৰ্বিআংলং, ডিমাহাচাও আৰু বি.টি.চিৰ ফালৰ পৰা দিয়া বিল গ্ৰহণ কৰিব?

**ড° হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱাবাৰ বিলৰ পৰা ষষ্ঠ অনুসূচীৰ অন্তৰ্গত ঠাইসমূহ বাদ দিয়া নাই। পিছত যেতিয়া সদনত আলোচনা হৈছিল তেতিয়া সেই প্ৰ'ভিজন থাকিল। গতিকে বিলখনৰ পৰা ষষ্ঠ অনুসূচীৰ অন্তৰ্গত ঠাইসমূহে একেই সুবিধা পাব আৰু অতিৰিক্ত সুবিধা দিয়াৰ বাবে বি.টি.চিৰ লগত আমাৰ আলোচনা চলি আছে।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া বিধেয়কখন উত্থাপন হ'ব। গতিকে বিধেয়কখন উত্থাপন কৰাৰ বাবে অনুমতি দিয়াত সদনৰ সন্মতি আছেনে?

(মাননীয় সদস্যসকলে হাত চাপৰিৰে সন্মতি প্ৰদান কৰে)

**মাননীয় অধ্যক্ষ** ঃ অনুমতি দিয়া হ'ল। এতিয়া মই ৰাজভৱনৰ পৰা বিধেয়কখন সদনত উত্থাপন কৰিবৰ বাবে অসমৰ ৰাজ্যপাল মহোদয়ে ২০১৮ চনৰ ৮ ফেব্ৰুৱাৰী তাৰিখত এটা বাণী পঠিয়াইছে। বাণীটো হ'ল - "Under the provision of Article 207 Subclause 1 of the Constitution of India, I Prof. jagdish Mukhi, Governor of Assam recommend the introduction of The Assam Education (Provincialisation of Services of Teachers and Re-organisation of Education Institutions)(Amendment) Bill, 2018 in the Assam Legislative Assembly."

**মাননীয় অধ্যক্ষ** ঃ এতিয়া মাননীয় শিক্ষামন্ত্ৰীক বিধেয়খন সদনত উত্থাপন কৰাৰ বাবে অনুৰোধ জনালো।

**ড° হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, The Assam Education (Provincialisation of Services of Teachers and Re-organisation of Education Institutions)(Amendment) Bill, 2018. বিধেয়কখন সদনত উত্থাপন কৰিবলৈ মই অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া অসম বিধান সভাৰ প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনামা পঢ়ি দিব।

**প্ৰধান সচিব** ঃ বিধেয়কখনৰ শিৰোনামা The Assam Education (Provincialisation of Services of Teachers and Re-organisation of Education Institutions)(Amendment) Bill, 2018.

**মাননীয় অধ্যক্ষ** ঃ এতিয়া মাননীয় বিত্ত মন্ত্রীয়ে ২০১৭ চনৰ ২৯ জুলাইৰ দুখন, ১১ আৰু ১২ চেপ্তেম্বৰৰ ছয়খন, ১৭,২৭ আৰু ৩১ অক্টোবৰ মুঠ পোন্ধৰখন, ৭ আৰু ২০ নবেম্বৰৰ তিনিখন, ১,৫ আৰু ১৮ ডিচেম্বৰৰ মুঠ একত্রিশখন, ২০১৮ চনৰ ১৯ জানুৱাৰী আৰু ২ ফেব্রুৱাৰী তাৰিখৰ দুখন সৰ্বমুঠ ঊনষাঠিখন অধিসূচনা সদনত দাখিল কৰিব।

**ড° হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ২০১৭ চনৰ ২৯ জুলাইৰ দুখন, ১১ আৰু ১২ চেপ্তেম্বৰৰ ছয়খন, ১৭,২৭ আৰু ৩১ অক্টোবৰ মুঠ পোন্ধৰখন, ৭ আৰু ২০ নবেম্বৰৰ তিনিখন, ১,৫ আৰু ১৮ ডিচেম্বৰৰ মুঠ একত্রিশখন, ২০১৮ চনৰ ১৯ জানুৱাৰী আৰু ২ ফেব্রুৱাৰী তাৰিখৰ দুখন সৰ্বমুঠ ঊনষাঠিখন অধিসূচনা সদনত দাখিল কৰিলো। অধ্যক্ষ মহোদয়, যিহেতু এইটো আজিৰ সদনৰ শেষ কাৰ্য্যসূচী গতিকে মই মাননীয় সদস্যসকৰ জ্ঞাতাৰ্থে এটা কথা ক'ব বিচাৰিছো। কথাটো হ'ল অসমীয়া যিখন বাজেট সেইখন হৈছে ইংৰাজীৰ অনুবাদীত ৰূপ । সেয়ে তাত সংখ্যা, নাম আদিত ভুল থাকিব পাৰে। গতিকে ৰেফাৰেঞ্চ পইন্ট হিচাবে ইংৰাজী বাজেটখন লববৈ অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ** ঃ সদন স্থগিত কৰাৰ আগতে কাৰ্য্যউপদেষ্টা সমিতিৰ মাননীয় সদস্যসকলক মোৰ সভাকক্ষলৈ আহিবলৈ অনুৰোধ জনালো।

**সদন অহা ১৩-৩-২০১৮ তাৰিখৰ পুৱা ৯-৩০ বজালৈ স্থগিত ৰখা হ'ল।**